# অসুখী পৃথিৱীত
# সুখী হোৱাৰ বাসনা

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ০৩

**ASUKHI PRITHIVIT SUKHI HOWĀR BĀSANĀ**
A collection of articles written by **Gopal Jalan**
and published by Brajendra Nath Deka on behalf of
**Bishal Prakashan**, Chandmari, Guwahati- 3.
First Edition : January, 2025 Price : Rs. 200/- only

---

ISBN : 978-93-82587-86-6

# অসুখী পৃথিৱীত সুখী হোৱাৰ বাসনা

গ্ৰন্থস্বত্ব ঃ লেখক
প্ৰকাশক ঃ বিশাল প্ৰকাশন
গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২৫
মূল্য ঃ ২০০/- টকা
বেটুপাত ঃ মনজিত মালাকৰ
আৰ্হিপাঠ/অংগসজ্জা ঃ দুৰ্গাপ্ৰসাদ হাজৰিকা
মুদ্ৰণ ঃ বিশাল অফছেট প্ৰেছ
চানমাৰি, গুৱাহাটী- ৩

# উচৰ্গা...

পিতৃ-মাতৃৰ চৰণত...

# লেখকৰ একাষাৰ

গোলকীকৰণৰ প্ৰভাৱত পৃথিৱীৰ সমগ্ৰ তথ্য আজি মানুহৰ হাতৰ মুঠিতেই থাকে। তথ্য-প্ৰযুক্তিয়ে দৈনন্দিন জীৱনৰ কষ্টসাধ্য বহু কাম সহজ কৰি তুলিছে। সূৰ্য-চন্দ্ৰ-মহাকাশ, গ্ৰহ-উপগ্ৰহৰ সবিশেষ আজি বিজ্ঞানৰ আৱিষ্কাৰে আমাক দিছে। প্ৰতিযোগিতাৰ দৌৰত আজি সকলোৱেই আগত থাকিব বিচাৰে। এখন দেশক আনখন দেশে দমন ৰাখিবলৈ আজি কেঁকোৰা চেপা দিবলৈ লৈছে। তাৰ ফলত যুদ্ধ-বিগ্ৰহৰ ৰূপ লৈছে। বছৰ বছৰ ধৰি যুদ্ধ হৈ আছে। লাখ লাখ মানুহে অকালতে জীৱন নাটৰ যৱনিকা পেলাইছে। ধন-জন-সম্পত্তি নাশৰ সঠিক হিচাপ হয়তো কাৰোৱেই হাতত নাই। কেৱল ক্ষমতা কুক্ষিগত কৰা অথবা প্ৰভূত্ব খটোৱাৰ প্ৰচেষ্টা।

মানৱ জীৱনত সকলো উন্নতিকে গ্ৰহণ কৰিব লাগিব। এটা ভাল ঘৰ— এটা ভাল জীৱিকা বা জীৱন নিৰ্বাহৰ স্বাৱলম্বন — ধন-সম্পত্তি লাভৰ সপোন—ৰাস্তা-পদূলি, উদ্যোগ-বাণিজ্যৰ উন্নয়নৰ সপোন সকলোৰে থাকে। এই উচ্চাকাংক্ষাৰ দৌৰত গতি কৰিবলৈ যাওঁতে আমি ধুনীয়া পৃথিৱীখন লণ্ডভণ্ড কৰিছোঁ। সেউজীয়া গছ-গছনি ধ্বংস কৰি বৃহৎ কল-কাৰখানা

নিৰ্মাণ, ৰাস্তা-দলং-অভাৰব্ৰীজ আদি বনোৱাৰ ফলত পৰিৱেশ প্ৰদূষণে ভয়াৱহ ৰূপ লৈছে। ই মানৱ জীৱন, জীৱকুলৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। নদ-নদী, জলাশয়-বিল আদি সংকুচিত হৈ আহিছে। ব্ৰহ্মপুত্ৰৰ দৰে অসম আৰু অসমীয়াৰ প্ৰাণস্পন্দন নদখনৰো জলস্তৰ কমি আহিছে। এনেবোৰ কাৰকে মনত খুদুৰনি তুলি থাকে। আমাক উন্নয়নো লাগিব— প্ৰকৃতিৰ সংৰক্ষণো লাগিব। প্ৰকৃতিৰ সংৰক্ষণ মানৱ জীৱন তথা জীৱকুলৰ বাবে সঞ্জীৱনী সুধা। এনেবোৰ কথা সাধাৰণ মানুহে হৃদয়ংগম কৰিব পাৰিলে ভাল। তেতিয়া ৰাজনৈতিক নেতা, ঠিকাদাৰ আদিয়ে বৈজ্ঞানিক পদ্ধতি অৱলম্বনৰ জৰিয়তে উন্নয়নৰ পদক্ষেপসমূহ গ্ৰহণ কৰিব পাৰিব। তেতিয়া তেওঁলোকৰ ব্যক্তিগত লাভালাভ কম হ'ব পাৰে, কিন্তু জনগণৰ জীৱনৰ আয়ুসকাল নিশ্চয় বৃদ্ধি পাব। এইখন গ্ৰন্থৰ নাম 'অসুখী পৃথিৱীত সুখী হোৱাৰ বাসনা' দিয়া হৈছে যদিও ইয়াত অন্তৰ্ভুক্ত লেখাবোৰত কেৱল তেনে ধাৰাৰ ৰচনা বিচাৰিলে ভুল হ'ব। অৱশ্যে যোগাত্মক বিষয়বস্তু ৰচনাবোৰৰ অন্তৰ্ভাগত আছে। যি দুই-এটা ৰচনাত বিয়োগাত্মক কথাৰ অৱতাৰণা কৰা হৈছে তাতো যোগাত্মক দৃষ্টিভংগীৰ পথৰ সন্ধানৰ দুৱাৰ মুকলি ৰখা আছে। আমাৰ পূৰ্বৰ আটাইকেইখন গ্ৰন্থকে পঢুৱৈ সমাজে মৰমৰ দৃষ্টিৰে চাইছে। এই গ্ৰন্থখনো সেই আপাহতে আপোনালোকৰ হাতত তুলি দিলোঁ।

**গোপাল জালান**

# সূচীপত্ৰ


- সাহিত্যৰথীৰ সাধনাগৃহ ১১
- সুধাকণ্ঠৰ সুধাৰ নাই অন্ত ১৫
- উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ স্থানপ্ৰাপকসকল হেৰাই যায় কিয়? ১৯
- নৱপ্ৰজন্ম আৰু চৰকাৰী কাম-কাজ ২২
- মহাপুৰুষগৰাকীৰ নামত জে এন ইউত আসন প্ৰতিষ্ঠা ২৫
- কোন দিশে অসম সাহিত্য সভা? ২৮
- অপৰাধৰ অন্যতম উৎস সামাজিক মাধ্যম ৩১
- স্বাধীনতা সেনানীৰ মহান ত্যাগেৰে উদ্বুদ্ধ হওক নৱপ্ৰজন্ম ৩৫
- জোনবাইক থপিয়াই ধৰিলে ভাৰতে ঃ গৰ্ব নকৰিব কিয়? ৩৮
- চৰকাৰে 'ষ্ট্ৰীট ফুড জ'ন' ঘোষণা কৰক ৪১
- সতৰ্কতা ঃ পথ দুৰ্ঘটনা প্ৰতিৰোধৰ প্ৰধান উপায় ৪৪
- কিয় অনুভৱ হয় প্ৰচণ্ড গৰম ৪৮
- বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি? ৫১
- মাৰ্কিন সংসদত ভাৰতৰ জয়গান ৫৪

■ সভাত সম্বৰ্ধনা-পৰিচয়পৰ্বত ৫৭
ব্যয় কৰা সময় আৰু শ্ৰোতাৰ বিৰক্তি
■ বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত অসম ৬০
■ নেহৰু পাৰ্কলৈ পুনৰ সোঁত বৈছে জনতাৰ ৬৩
■ সভাৰ উদ্যোক্তাসকলে আত্মবিশ্লেষণ কৰক ৬৬
■ মণিপুৰ-কাণ্ড আৰু নিৰৱ দৰ্শক ৭০
■ শিক্ষাৰ্থীক প্ৰতিভা বিকাশত ৭৪
গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালাৰ অৱদান
■ অমৃত মহোৎসৱৰ পিছত আমাৰ দায়িত্ব কি হ'ব? ৭৭
■ বিহুৰ সংজ্ঞা সলনি নকৰিব ৮০
■ গাঁৱত নাই তাঁতশালৰ শব্দ ৮৩
■ জন্মাষ্টমীত আধুনিকতাৰ প্ৰভাৱ ৮৬
■ সৌন্দৰ্য-ভক্তিৰ সমাহাৰ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ ৮৮
■ নিয়ৰসনা দূবৰি-শেৱালি ক'ত হেৰাল? ৯১
■ অসমীয়া চলচ্চিত্ৰ ৯৪
■ ধনৰ অধিষ্ঠাত্ৰী দেৱীক আৱাহন কিয়? ৯৮
■ এদিনতে ধনী হোৱাৰ সপোন দেখিলেই বিপদ নিশ্চিত ১০১
■ সমন্বয়ৰ তীৰ্থ কালাকুছিৰ বৰনামঘৰ ১০৩
■ ৰাসলীলাই কিয় আকৰ্ষণ কৰে ভক্তক ১০৬
■ জনজাতীয় লোকেৰে পৰিৱেষ্টিত এখন সত্ৰ ১০৯
■ ক্ৰমাৎ ভয়াৱহ হৈছে শীতপ্ৰৱাহ ১১২
গ্ৰীষ্মপ্ৰৱাহৰ দৰেই হৈছে প্ৰাণঘাতী
■ মাঘবিহু, মকৰ সংক্ৰান্তি আৰু উত্তৰায়ণ ১১৫
■ পৰিৱৰ্তনৰ ধামখুমীয়াত বাগ্‌দেৱীৰ পূজা ১১৮
■ ৰাম মন্দিৰ নিৰ্মাণ হ'ল ঃ এতিয়া আমাৰ কৰ্তব্য কি হ'ব? ১২১
■ মহানগৰীৰ প্ৰৱেশ পথত সৌন্দৰ্যবৰ্ধনৰ প্ৰয়োজন কিয়? ১২৪
■ সাহিত্য সভাৰ অধিবেশনত মিনা বজাৰৰ প্ৰয়োজন কিমান? ১২৭
■ ভ্ৰাম্যমাণ থিয়েটাৰ ১৩০
■ অসুখী পৃথিৱীত সুখৰ উৎস বিচাৰোঁ নেকি আমি? ১৩৭

■ হোলীৰ আনন্দ আৰু পৰম্পৰা ১৪১
■ মনীষীসদৃশ ব্যক্তিত্ব বীৰেন্দ্ৰনাথ দত্ত ১৪৫
■ অৰ্থনৈতিক দৃষ্টিৰে বজালীৰ বাণিজ্য ১৪৮
■ বাইডেনৰ অট'গ্ৰাফৰ ইচ্ছা আৰু মোডীৰ কূটনৈতিক ৰণকৌশল ১৫১
■ বিধানসভাৰ মজিয়া হৈছে সৰ্বোত্তম মঞ্চ ১৫৪
■ নাৰীৰ সুৰক্ষা ঃ সলনি কৰিব লাগিব মানসিকতা ১৫৭

# সাহিত্যৰথীৰ সাধনাগৃহ

ওড়িশাৰ চম্বলপুৰৰ এটি ১০০ বছৰীয়া পুৰণি গৃহ। বিগত কেইবাবছৰৰ পৰা এই গৃহটো বিশেষ চৰ্চালৈ আহিছে। কাৰণ এই বিশেষ গৃহটোত এসময়ত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই বসবাস কৰিছিল। অসমৰ প্ৰাতঃস্মৰণীয় মহান ব্যক্তিসকলৰ অন্যতম ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই ব্যৱসায়িকসূত্ৰে চম্বলপুৰলৈ গৈছিল। যিসময়ত অসমীয়া জাতি আৰু ভাষা-সাহিত্যলৈ চৰম সংকট নামি আহিছিল সেইসময়ত যিসকল মহান ব্যক্তিয়ে জাতিটোক ৰক্ষাৰ বাবে আগভাগ লৈছিল সেইসকলৰ অন্যতম আছিল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ এই বাসগৃহটো মৃত্যুৰ পাছত সংৰক্ষণৰ অভাৱত জহি-খহি যাবলৈ ধৰে। কোনো লোকে বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। অসমৰ লোকৰ বাবেও আছিল তেনেই দূৰত থকা এটি গৃহ। কিন্তু কেইবছৰমান পূৰ্বে চম্বলপুৰৰ এই বিশেষ ঘৰটোৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণ কৰোঁতেহে বিশেষ চৰ্চালৈ আহে। কাৰণ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ সন্থাই উক্ত গৃহটো ভাঙি নিঃশেষ কৰিবলৈ ধৰোঁতেই একাংশ সমাজ সচেতন তথা বিশিষ্ট লোকে এই কাৰ্যত বাধা প্ৰদান কৰে। বিশেষকৈ সাংবাদিক, সাহিত্যিক, সচেতন ব্যক্তি দীপক পাণ্ডাৰ নেৰানেপেৰা চেষ্টাৰ ফলত এই বাসগৃহটো সম্পূৰ্ণৰূপে ভাঙি দিয়াৰ পৰা ৰক্ষা পৰে। ঘাইপথটো ৰসৰাজৰ বাসগৃহৰ মাজেদি গ'লেও পথৰ দুয়োফালে ইয়াক সংৰক্ষণৰ বাবে ব্যৱস্থা কৰা হয়। এই ক্ষেত্ৰত অসম চৰকাৰ আৰু ওড়িশা চৰকাৰে পূৰ্ণ সহযোগিতা আগবঢ়াইছে। ইতিমধ্যে তেওঁৰ সাধনাগৃহৰ কাম সম্পূৰ্ণ হৈ

উঠিছে। বাসগৃহৰ কামো দ্ৰুতগতিত চলি আছে। এই সাধনাগৃহতেই যোৱা ২৬ মাৰ্চত পালন কৰা হয় লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু তিথি। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত এই মৃত্যু তিথি পালন কৰা হয়। ২৫ মাৰ্চত স্মৃতিৰক্ষা সমিতিৰ পাঁচগৰাকী সদস্যৰ লগত আমিও চম্বলপুৰলৈ যাত্ৰা কৰিছিলোঁ আৰু সিদিনাই সন্ধিয়া সাংবাদিক, সাহিত্যিক দীপক পাণ্ডাৰ নেতৃত্বত এখন সভা অনুষ্ঠিত হয়। এই সভাখনত ওড়িশাৰ কেইবাগৰাকী বিশিষ্ট সাহিত্যিক, সাংবাদিক, সমাজ সচেতন লোক উপস্থিত থাকে। সেই সভাখনত উপস্থিত থাকি উপলব্ধি কৰিলোঁ যে চম্বলপুৰৰ দৰে ঠাইতো লক্ষ্মীনাথ বেজবৰুৱাক মনে-প্ৰাণে ভাল পোৱা লোক আছিল আৰু বৰ্তমানো আছে। সভাত উপস্থিত লোকসকলে ৰসৰাজৰ বাসগৃহৰ লগতে তেওঁৰ সম্পদৰাজিও সংৰক্ষিত হোৱাটো বিচাৰে। দুয়োখন ৰাজ্যৰ লোকসকলৰ মাজত সমন্বয়ৰ মনোভাব গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। প্ৰতিগৰাকী বক্তাই কয় যে ৰসৰাজৰ সৃষ্টিৰ লগতে অসমীয়া ভাষাৰ জনপ্ৰিয় পুথিসমূহো ওড়িশা ভাষালৈ অনুবাদ কৰাত গুৰুত্ব প্ৰদান কৰে। তেওঁলোকে উড়িয়া ভাষাৰ কিতাপসমূহো অসমীয়ালৈ অনুবাদ কৰাৰ বিষয়ে উল্লেখ কৰে। যেতিয়া দুয়োটা ভাষাৰ কিতাপসমূহ অনুবাদ হ'ব তেতিয়া দুয়োখন ৰাজ্যৰ নাগৰিকসকল পৰস্পৰৰ ওচৰ চাপি অহাত সহায় হ'ব। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই সমন্বয়ৰ যি ধাৰা সৃষ্টি কৰিছিল সেয়া অব্যাহত ৰাখিবলৈ এনেধৰণৰ আদান-প্ৰদানৰ গুৰুত্ব আছে। সভাখনত বক্তাসকলে ঘৰটো ভালদৰে সংৰক্ষণ কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে অসমৰপৰা শিল্পী, সাহিত্যিক, সাংবাদিকক সঘনাই উক্ত ঘৰটোলৈ প্ৰেৰণাৰে আহ্বান জনায়। কাৰণ অসমৰপৰা যিমানেই এনে লোক চম্বলপুৰলৈ প্ৰেৰণ কৰা হ'ব সিমানেই এই ঘৰটোৰ বিষয়ে চৰ্চা হ'ব আৰু এনে হোৱাৰ লগে লগে এই ক্ষেত্ৰতো একধৰণৰ পৰ্যটন কেন্দ্ৰলৈ পৰ্যাবসিত হোৱাটো নিশ্চিত। বক্তাসকলে কয় যে অসমীয়া আৰু উড়িয়া লোকসকলে পৰস্পৰক সদায় সন্মান প্ৰদৰ্শন কৰি আহিছে। সাহিত্য-সংস্কৃতি আদিৰো মিল আছে। তেওঁলোকৰ আগ্ৰহ দেখি খুবেই ভাল লাগিল। এক ইতিবাচক দিশ প্ৰতিফলিত হৈছে তেওঁলোকৰ বক্তব্যত। অসম আৰু চম্বলপুৰৰ মাজত যিমানেই যোগসূত্ৰ আৰম্ভ হ'ব সিমানেই সাহিত্য-সংস্কৃতি আদি সকলো ক্ষেত্ৰতেই যথাযথ উন্নয়ন সম্ভৱ হ'ব। দৰাচলতে এনেধৰণৰ অনুষ্ঠানৰ আয়োজনৰ জৰিয়তে দুয়োখন ৰাজ্যৰ লোকৰ মাজত

সকলো ক্ষেত্ৰতে ভাল দিশতে বিনিময় সম্ভৱ। যিহেতু ৰসৰাজক লৈয়ো চম্বলপুৰবাসীয়ে গৌৰৱ কৰে, সেয়ে আমিও তেওঁলোকৰ সন্মানক শ্ৰদ্ধা জনাব লাগিব। তেতিয়াহে সমন্বয় সম্ভৱ হ'ব।

২৬ মাৰ্চৰ পুৱা ১০ বজাত সাহিত্যৰথীৰ সাধনাগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। চম্বলপুৰৰ অতিৰিক্ত উপায়ুক্ত অজাম্বৰ মহান্তিয়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰে। এই অনুষ্ঠানটোত ভূৱেনেশ্বৰ নিৱাসী অসমৰ জীয়ৰী লেখিকা নিৰ্মালী মহন্তই লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰে। এইগৰাকী লেখিকাৰ প্ৰচেষ্টাতেই সাহিত্যৰথীৰ অমৰ সৃষ্টিৰ অন্যতম 'বুঢ়ীআইৰ সাধু' উড়িয়া ভাষালৈ অনুবাদ হৈছে। এই সভাখনত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ৰসৰাজৰ অৱদানৰ লগতে অসম আৰু ওড়িশাৰ মাজত সমন্বয়ৰ ভেটি শক্তিশালী হোৱাৰ বিভিন্ন দিশ ব্যাখ্যা কৰে। বিশিষ্ট ব্যক্তিসকলে ৰসৰাজৰ বাসগৃহৰ লগতে তেওঁৰ সৃষ্টিৰ প্ৰতিটো বিষয়ে উপযুক্তভাৱে সংৰক্ষণ আৰু সংবৰ্ধনত গুৰুত্ব প্ৰদান কৰাত খুব ভাল লাগিল। বহিঃৰাজ্যত যদি নিজৰ জন্মভূমিৰ কোনো লোকক প্ৰশংসা কৰে তেতিয়াহ'লে আনন্দ লাভ কৰাটো স্বাভাৱিক বিষয়।

ৰসৰাজৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি এটা স্থাপনৰ বাবে অসম চৰকাৰে ধন আবণ্টন দিয়ে। এই প্ৰতিমূৰ্তিটো অসম চৰকাৰৰ সম্পূৰ্ণ ব্যয়ত নিৰ্মাণ কৰাৰ বাবে আগভাগ লোৱা হৈছে। তাত প্ৰতিমূৰ্তিটো নিৰ্মাণৰ পিছতেই বাসগৃহৰ সৌন্দৰ্য আৰু গুৰুত্ব নিশ্চয়কৈ বৃদ্ধি পাব। এই সকলোবোৰ প্ৰত্যক্ষ কৰিবলৈ অসমৰ পৰা যোৱা লোকৰ বাবে এখন বিশেষ ৰে'ল সেৱা প্ৰৱৰ্তনৰ বাবে আহ্বান জনোৱা হৈছে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতিৰক্ষা সমিতিয়ে ইতিমধ্যে এই ক্ষেত্ৰত কাম-কাজ আগুৱাই নিয়াৰ বাবে ব্যৱস্থা গ্ৰহণৰ কাৰণে চৰকাৰক আহ্বান জনাইছে। অসমৰ পৰা পুৰী আদিলৈ যিহেতু বহুতো লোক দৰ্শনৰ বাবে যায়, সেয়ে এই লোকসকলে চম্বলপুৰলৈ যোৱাৰ ক্ষেত্ৰত নিশ্চয় সোঁত বব। সমিতিয়ে ইতিমধ্যে ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱক এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে— যদিহে এই ৰে'লৰ চলাচল সোনকালে আৰম্ভ কৰা হয় তেনেহ'লে চম্বলপুৰলৈ যোৱা লোকৰ সংখ্যাও বৃদ্ধি পাব। গুৱাহাটী-চম্বলপুৰলৈ ৰে'লৰ চলাচল আৰম্ভ হ'লে ওড়িশালৈ যোৱা পৰ্যটকৰ সংখ্যাও নিশ্চয়কৈ পূৰ্বৰ তুলনাত বৃদ্ধি পাব।

আনহাতে ওড়িশাৰ গংগাধৰ বিশ্ববিদ্যালয়ত লক্ষ্মীনাথ বেজবৰুৱাৰ নামত এখনত আসন প্ৰতিষ্ঠাৰ উদ্দেশ্যে অসমৰ শিক্ষা বিভাগে উক্ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষক দিয়া পত্ৰৰ প্ৰতি সঁহাৰি জনাইছে। এই আসনখন প্ৰতিষ্ঠা হ'লে সেই বিশ্ববিদ্যালয়লৈ যোৱা শিক্ষাৰ্থীৰ সংখ্যাও বৃদ্ধি পাব। তদুপৰি ওড়িশালৈ অধ্যয়নৰ বাবে যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে দুয়োখন ৰাজ্যৰ মাজত এক সু-সম্পৰ্ক প্ৰতিষ্ঠা হ'ব। শেহতীয়াভাৱে সমগ্ৰ প্ৰক্ৰিয়াত অসম চৰকাৰৰ লগতে ওড়িশা চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। অসম চৰকাৰে ইয়াৰ বাবে যি অৰ্থ ব্যয় কৰিছে তাৰ দ্বাৰা চৰকাৰে যে অসমৰ ঐতিহ্য তথা স্মৃতি বিজড়িত বিষয়সমূহ সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিছে সেই বিষয়টো স্পষ্ট হৈ পৰিছে। এই ক্ষেত্ৰত সকলোৱে চৰকাৰক ইতিবাচক দৃষ্টিভংগীৰে সহায়ৰ হাত আগবঢ়োৱা উচিত।

# সুধাকণ্ঠৰ সুধাৰ নাই অন্ত

সংগীতৰ বিশাল জগতখনৰ পৰা আৰম্ভ কৰি শিক্ষাৰ প্ৰশান্ত মহাসাগৰ, সমাজৰ গভীৰ সাগৰলৈকে সকলোতে দখল থকা লোকৰ সংখ্যা আঙুলিৰ মূৰত লিখিবপৰা বিধৰ। জীৱনৰ প্ৰতিটো স্তৰতে প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো সেয়া হেলাৰঙে আগুৱাই নিব পৰা ব্যক্তিৰ সংখ্যাও বৰ বেছি বুলি ক'ব নোৱাৰি। এইসকল ব্যক্তিয়ে পিছে নিজে অনুভৱ কৰিব নোৱাৰে তেওঁলোকৰ বিশাল জগতখন। অসমতো এনে লোকৰ সংখ্যা তাকৰ। এই তালিকাত সন্নিৱিষ্ট বৰেণ্য অসমীয়াৰ ভিতৰত অন্যতম হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। অসমীয়া সংগীত জগতখনক বিশ্ববাসীৰ সন্মুখত শক্তিশালী ৰূপত দাঙি ধৰিবলৈ সক্ষম হোৱা শিল্পীগৰাকী আমাৰ মাজৰপৰা হেৰাই যোৱাৰ ১২ বছৰেই হ'ল। এই সময়ছোৱাত প্ৰতিগৰাকী অসমীয়াই উপলব্ধি কৰিছে যে সুধাকণ্ঠবিহীন অসমৰ মানচিত্ৰ অংকন কৰাটো অসম্ভৱ। জ্ঞানপীঠ বঁটা বিজয়ী প্ৰখ্যাত মামণি ৰয়ছম গোস্বামীয়ে ভৱিষ্যদ্বাণী কৰিছিল। এইগৰাকী মহীয়সী অসমীয়া নাৰীয়ে উপলব্ধি কৰিব পাৰিছিল সুধাকণ্ঠৰ প্ৰত্যক্ষ-পৰোক্ষ অৱদানৰ কথা। ভূপেন হাজৰিকা এগৰাকী মহান শিল্পী আছিল তাত কাৰো দ্বিমত নাই। শিল্পীগৰাকী এইবোৰৰ উপৰি আছিল অসমৰ ফেশ্বন আইকন। তেওঁ প্ৰতিখন মঞ্চতে গীত পৰিৱেশনেই হওক অথবা কোনো অনুষ্ঠানতেই নহওক কিয় সদায় অসমৰ জাতি-জনগোষ্ঠীৰ আকৰ্ষণীয় পোছাক পৰিধান কৰিছিল। এই পোছাকসমূহে প্ৰতিটো জনগোষ্ঠীৰে সংস্কৃতিক প্ৰতিফলিত

কৰিছিল। সবাতোকৈ ডাঙৰ কথাটো আছিল সুধাকণ্ঠই কেতিয়াও পোছাকেই হওক অথবা আন বিষয়েই হওক সকলোতে স্বকীয়তা বজাই ৰখাত গুৰুত্ব প্ৰদান কৰিছিল। কেতিয়াও বিকৃত ৰূপত প্ৰকাশ কৰা নাছিল। আজিকালি একাংশ শিল্পীয়ে এইবোৰক লৈ সততে বিতৰ্ক কৰি থাকে। আনকি এনে বিতৰ্কৰ জৰিয়তেও গ্লেমাৰ আনিবলৈ বিচৰা শিল্পীৰ সংখ্যাও কম নহ'ব। পিছে শিল্পীৰ সত্তা তেতিয়াহে ৰাইজে উপলব্ধি কৰিব পাৰে যেতিয়া তেওঁৰ ব্যক্তিত্বই সকলোৰে মনত আঁচ বহুৱাব পাৰে। ড° ভূপেন হাজৰিকা আছিল এনে এগৰাকী ব্যক্তিত্বসম্পন্ন শিল্পী— যিগৰাকীয়ে অনুষ্ঠান পৰিৱেশন অৰ্থাৎ কি অনুষ্ঠানে কি উপলক্ষে তেওঁক সংগীতানুষ্ঠান পৰিৱেশনৰ বাবে আমন্ত্ৰণ কৰিছে তাত গুৰুত্ব প্ৰদান কৰিহে পোছাক পৰিধান কৰিছিল। সেইবাবে তেওঁ আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই যোৱাৰ পিছতো সুধাকণ্ঠৰ ভিন্নৰঙী পোছাকসমূহে আকৰ্ষণ কৰি আছে। জনগোষ্ঠীয় পোছাকপ্ৰীতি, ফটোজনিক ব্যক্তিত্ব, চহীটোও আছিল কলাত্মক। প্ৰবাদপ্ৰতিম সংগীত শিল্পী ড° ভূপেন হাজৰিকাই পৰিধান কৰা সাজ-পোছাকে সকলো শ্ৰেণীৰ লোককেই আকৰ্ষিত কৰিছিল। উজ্জ্বল ৰং পৰিধান কৰি ভালপোৱা ভূপেন হাজৰিকা আছিল জনগোষ্ঠী প্ৰীতিৰ লোক। নগা কোটৰ পৰা আৰম্ভ কৰি মিছিং কোট, বিভিন্ন ডিজাইনৰ টুপী। সেই শিল্পীগৰাকী আৰু আমাৰ মাজলৈ উভতি নাহে। নাহে মানে একেবাৰেই গুচি গ'ল। ২০১১ চনৰ ৫ নৱেম্বৰত আমাৰ মাজৰ পৰা গুচি যোৱা ড° ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত। শদিয়াত জন্মগ্ৰহণ কৰা মহান শিল্পীগৰাকীৰ জন্মদিনটোৰ কথা মনত পৰিলেই মানসপটত ভাহি উঠে এনে এখন ছবি— যিগৰাকী আছিল আৱেগিক বিপ্লৱী, যাৰ গীতত ওলাই আহিছিল লক্ষ লক্ষজন।

ভূপেন হাজৰিকা তুলনাবিহীন। অসমৰ বাবে আজি অমূল্য সম্পদ। এই সম্পদক আমি এটা পৰিসৰৰ মাজত সীমাবদ্ধ ৰাখিব নোৱাৰো। সেইবাবে সুধাকণ্ঠবিনে আমি চৌদিশে দেখা পাওঁ শূন্যতা। তেওঁ অসমবাসীক সকলো দি গ'ল, কিন্তু অসমীয়া সমাজেহে মহান শিল্পীগৰাকীক সম্পূৰ্ণ দিব নোৱাৰিলে। জীৱনকালত তেওঁকলৈ আনকি বহুতেই নেতিবাচক মন্তব্য কৰিছিল। আনকি দাদা চাহেব ফাল্কে বঁটা লাভ কৰাৰ পিছত একাংশই তেওঁৰ বিৰুদ্ধে যি মন্তব্য কৰিছিল সেয়াই সুধাকণ্ঠৰ প্ৰতি থকা মনোভাব প্ৰকাশ

কৰিছিল। আনকি একাংশ নেতিবাচক মনোভাবসম্পন্ন লোকে কৈছিল, "ভূপেন হাজৰিকাই কেৱল নিজৰ বাবেহে কৰিছিল।" এনেধৰণৰ মন্তব্য কৰা সকলে হয়তো সুধাকণ্ঠৰ ব্যক্তিত্ব সম্পৰ্কে সম্পূৰ্ণৰূপে জ্ঞাত নাছিল। যিগৰাকী শিল্পীক কোকিলকণ্ঠী লতা মংগেশকাৰৰ দৰে গায়িকাই সন্মান কৰিছিল তেওঁৰ সংগীত জগতত কেনে প্ৰভাৱ থাকিব পাৰে সেয়া জ্ঞাত নাছিল। কলকাতাত যিগৰাকী শিল্পীৰ গীতে সকলোকে আকৰ্ষণ কৰিব পাৰিছিল তেৱেঁই আছিল সুধাকণ্ঠ। বাংলাদেশতো সন্মান লাভ কৰিছিল ড° ভূপেন হাজৰিকাই। সেইবাবে তেওঁৰ গান মনে-প্ৰাণে ভালপোৱা লোক আজিও আছে। কোনো শিল্পী যদি পৃথিৱীৰ যিকোনো ঠাইলৈ যায় সেই ঠাইতে তেওঁ ৰাইজক মুহিব পাৰে শিল্পীসত্তাৰে। সুধাকণ্ঠৰো আছিল সেই যাদুকৰী শক্তি। সেই যাদুকৰী শক্তিৰে সকলোকে আকৰ্ষণ তথা মুহিব পৰা শক্তি আছিল অসমৰত্ন ভূপেন হাজৰিকা। কোনোবাই যদিও তেওঁক বিৰুদ্ধাচাৰণ কৰিছিল তথাপি তেওঁলোকেও বৈ আছিল সুধাকণ্ঠৰ গানৰ বাবে। আজিও বৈ থাকে সুধাকণ্ঠৰ গানৰ বাবে। গান নহয়, চিৰসেউজ গান। তেওঁৰ গানৰ শব্দ চয়ন আছিল অতি মনোগ্ৰাহী। যিটো গানত যি শব্দৰ প্ৰয়োজন সেয়াই ব্যৱহাৰ কৰাত তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবেই আজিও সকলো শ্ৰেণীৰ শ্ৰোতাই তেওঁৰ গান শুনিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই থাকে।

অসমৰ একমাত্ৰ ড° ভূপেন হাজৰিকাই আছিল এনে এগৰাকী শিল্পী যিগৰাকীৰ গান শুনিবলৈ প্ৰতিটো প্ৰজন্মই বৈ থাকে। যিমানেই তেওঁৰ গান শুনিব, সিমানেই চকুৰ সমুখত সমাজ-জীৱনৰ এক প্ৰকৃত ছবি প্ৰতিফলিত হয়। অসমত ভূপেন হাজৰিকাৰ দৰে মহান শিল্পীৰ জন্ম হোৱা নাছিল; বৰ্তমানো নাই আৰু ভৱিষ্যতেও যে ওলাব সেয়া সম্ভাৱনা কম। কাৰণ এনেধৰণৰ 'জিনিয়াছ', 'লিজেণ্ড'ৰ কোনো এখন ৰাজ্য বা দেশত মাত্ৰ এবাৰহে জন্ম হয়। বলীউডত যিদৰে লতা মংগেশকাৰ, কিশোৰ কুমাৰ, অমিতাভ বচ্চনৰ দ্বিতীয়টো বিকল্প নাই তেনেদৰে সংগীতৰ ক্ষেত্ৰতো ভূপেন হাজৰিকাৰ সমকক্ষ হ'ব পৰা কোনো নাই। অসমত বহুতো জনপ্ৰিয় শিল্পী আছে, কিন্তু ভূপেন হাজৰিকাৰ ছাঁটো স্পৰ্শ কৰিবলৈ তেওঁলোকে আৰু বহু যোজন পথ অতিক্ৰম কৰিব লাগিব। কাৰণ জনপ্ৰিয় শিল্পী আৰু গণশিল্পী বা মহান শিল্পীৰ মাজত আছে পাৰ্থক্য। কোনো এগৰাকী শিল্পী জনপ্ৰিয়তাৰ শীৰ্ষস্থানত উপনীত

হ'লেও তেওঁৰ গণশিল্পী হ'ব পৰা যোগ্যতাৰ অভাৱ হ'ব পাৰে। বহুতেই জনপ্ৰিয় আৰু গণশিল্পী শব্দ দুটাক একাকাৰ কৰে। অভিধানিক ক্ষেত্ৰৰ পৰা বিশ্লেষণ কৰিলে দুয়োটা শব্দই বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ কৰা হয়। সুধাকণ্ঠই এটা গীতৰ সুৰ সৃষ্টিৰ বাবে পৰিৱেশ বিচাৰি ঠায়ে ঠায়ে ঘূৰি ফুৰিছিল। মিৰি-জীয়ৰীৰ গীতৰ সুৰ ৰচিবলৈ ঘৃণাসুঁতিৰ চাংঘৰত আছিল। কাৰণ অনুভৱ অবিহনে গণশিল্পীয়ে ৰচনা নকৰে সুৰৰ। তেওঁলোকে সৃষ্টি কৰা সুৰৰ ঝংকাৰে প্ৰতিগৰাকী শ্ৰোতাৰ হৃদয়ত স্থান পাব লাগিব বুলিয়েই বিষয়টোৰ স'তে হৈ পৰে একাত্ম। সেইবাবেই ড° মামণি ৰয়ছম গোস্বামীয়ে লিখিছিল—

তোমাৰ কণ্ঠ বাদ দি মই
মোৰ জন্মভূমিৰ নক্সা আঁকিব নোৱাৰো
তোমাৰ কণ্ঠ বিয়পি আছে
মোৰ আইৰ আকাশত, বতাহত
বুঢ়া লুইতৰ বুকুত...।

# উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ স্থানপ্ৰাপকসকল হেৰাই যায় কিয়?

জীৱনত সফল হ'বলৈ পৰীক্ষাত সদায় শীৰ্ষস্থান দখল কৰিব লাগেনে? উচ্চপদস্থ বিষয়া হ'বলৈ, ডাক্তৰ, ইঞ্জিনীয়াৰ হ'বলৈ মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষস্থান লাভ কৰিবই লাগিবনে? এনেধৰণৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত কেতিয়াবা কেতিয়াবা উত্তৰ দিওঁতাই দোদুল্যমান অৱস্থাত উপনীত হয়। কি বুলি উত্তৰ দিব— হয় বুলি ক'লেও বিপদ আৰু নহয় বুলি ক'লেও সমস্যা। সাধাৰণতে মেট্ৰিক অথবা হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত শীৰ্ষস্থান দখল কৰিলে সকলোৰে আনন্দ লাগে। জীৱনৰ প্ৰথম খোজতেই সাফল্যই দেখা দিলে ভৱিষ্যতৰ ৰঙীন সপোন দেখাত সহজ হয়। পিছে এই সপোনবোৰ সকলোৰে ফলিয়াইনে? মেট্ৰিক অথবা হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষস্থান লাভ কৰা সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত সফল হয়নে? এইসকলৰ ভিতৰত মাত্ৰ কেইগৰাকীমানেহে পৰৱৰ্তী সময়ত সাফল্য অৰ্জন কৰে। বাকীবোৰ যেন হেৰাই যায় ক'ৰবাত। কিন্তু কিয়? এয়া হ'ল অত্যধিক আত্মবিশ্বাস। সকলোৰে আত্মবিশ্বাসী হ'ব লাগে। কিন্তু প্ৰয়োজনতকৈ অধিক আত্মবিশ্বাসী হোৱা বাবে পৰৱৰ্তী সময়ত হেৰাই যায়। আকাংক্ষাই মানুহক উন্নয়নৰ পথত আগুৱাই লৈ যায় যদিও উচ্চাকাংক্ষাই সকলোৰে সাফল্যৰ গ্ৰাফডাল নিম্নগামী কৰি তোলে। আকৌ কৈছো সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে জীৱনত সাফল্য অৰ্জন কৰিবলৈ মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষ ১০ৰ ভিতৰত থাকিবই লাগিব বুলি কথা নাই। সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত পৰীক্ষাত

ভাল ফলাফল দেখুওৱা বহুতো শিক্ষাৰ্থীয়ে মেট্ৰিক অথবা হায়াৰ ছেকেণ্ডাৰীত সাধাৰণভাৱে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী আদিত যে বিশেষভাৱে সফল হ'ব লাগিব তেনে কোনো কথা নাই। সাধাৰণতে মেট্ৰিক আদি পৰীক্ষাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভাটৌৰ দৰে মুখস্থ কৰি বিশেষ স্থান লাভ কৰে। তেওঁলোকৰ বেছিভাগৰেই ব্যৱহাৰিক জ্ঞানৰ পৰিসীমা তেনেই সীমিত। মাত্ৰ কিতাপৰ জ্ঞানৰ মাজতে আবদ্ধ। অৱশ্যে আজিকালি বহুতো ল'ৰা-ছোৱালীয়ে নিজৰ পঢ়াৰ লগতে আন বহুতো আনুষংগিক বিষয়ত জ্ঞান অৰ্জন কৰে। সৰ্বভাৰতীয় পৰ্যায়ত সাফল্য অৰ্জন কৰিবলৈ ভাটৌ হোৱাতকৈ সকলো বিষয়ত কম-বেছি পৰিমাণে জ্ঞান থকা ভাল। কাৰণ এনে জ্ঞানে ভৱিষ্যতৰ সম্পদ হিচাপে কাম কৰাৰ পূৰামাত্ৰে সম্ভাৱনা থাকে।

ৰাষ্ট্ৰীয় অথবা আন্তৰ্জাতিক পৰ্যায়ত বৌদ্ধিক ক্ষেত্ৰত সাফল্য অৰ্জন কৰা সকলৰ যদি শৈক্ষিক ক্ষেত্ৰখনত এবাৰ চকু ফুৰোৱা হয় তেতিয়াহ'লে প্ৰায়ভাগৰে ভাল ফলাফল দেখা পোৱা যায়। মূল কথা শীৰ্ষস্থান দখল কৰাৰ পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিজকে কেনেদৰে আগুৱাই নিব পাৰিছে সেইটো গুৰুত্বপূৰ্ণ। প্ৰথম খোজত অৰ্জন কৰা সাফল্যত উটি-ভাহি নগৈ যদি ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ চেষ্টা কৰে তেতিয়াহে সাফল্য সম্ভৱ। মূলতঃ শীৰ্ষস্থান দখল কৰাক লৈ যেতিয়া শিক্ষাৰ্থীগৰাকীৰ লগতে পৰিয়ালৰ লোক অধিক আত্মবিশ্বাসী হৈ পৰে তেতিয়াই আৰম্ভ হয় বিপদ। গতিকে সকলোৱে এই বিষয়বোৰ বিশ্লেষণ কৰিব লাগে।

ভাৰতীয় প্ৰশাসনিক বিষয়াসকলৰ কেৰিয়াৰ চালে দেখা যায় যে তেওঁলোক সৰুৰে পৰাই মেধাসম্পন্ন। সকলো বিষয়তেই জ্ঞান আহৰণৰ বাবে চেষ্টা কৰে। তেওঁলোকে যিকোনো বিষয়ত জ্ঞান সমানেই অৰ্জনৰ বাবে চেষ্টা চলায়। এটা বিষয়ত অধিক গুৰুত্ব দি আনটো বিষয়ত কম গুৰুত্ব প্ৰদান কৰিব নোখোজে। মেট্ৰিক বা হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষস্থান দখল কৰাটো তেওঁলোকৰ লক্ষ্য নহয়। সূক্ষ্ম লক্ষ্য হিচাপে সাফল্যৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ এইসকলে সদায়ে চেষ্টা কৰে বাবে পৰৱৰ্তী সময়ত সফলো হয়। এবাৰ সাফল্য অৰ্জনতেই অধিক আত্মবিশ্বাসী তথা আত্মতুষ্টি লাভ কৰাৰ মানসিকতা আমি এৰিব লাগিব। সন্তানকো আমি সেইদৰেই শিক্ষা প্ৰদান কৰা উচিত।

বিগত সময়ছোৱাত কিমানে মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষস্থান লাভ কৰা ল'ৰা-ছোৱালীৰ নাম বাতৰিকাকত, টিভি চেনেলত ওলাল তাৰ হিচাপ নাই। পিছে পৰৱৰ্তী সময়ত এইসকল কিমান সফল হৈছে তাৰ হিচাপ কোনে ৰাখিছে। হিচাপ কৰিছে সেইসকলৰ যিসকলে বিশেষ স্থান লাভ নকৰাৰ পিছতো সৰ্বভাৰতীয় পৰ্যায়ত উজলি উঠিছে। তদুপৰি চিকিৎসক, অভিযন্তা হোৱা সকল জানো মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত শীৰ্ষস্থান দখল কৰা ছাত্ৰ-ছাত্ৰী। গতিকে আমি এইবোৰ কথা গুৰুত্ব দিবৰ হৈছে। নম্বৰ লাভ কৰাৰ কৌশল সৰুৰে পৰাই শিকিবলৈ পিতৃ-মাতৃ তথা অভিভাৱকসকলে উৎসাহিত কৰাতকৈ যদি সকলো বিষয় খৰচি মাৰি আয়ত্ত কৰিবলৈ প্ৰেৰণা যোগায় তেতিয়াহ'লে সাফল্য নিশ্চিত। অত্যধিক কেৰিয়ামুখী কৰাৰ মানসিকতা যেতিয়ালৈকে অভিভাৱকসকলে পৰিহাৰ নকৰে তেতিয়ালৈকে এই গতি অব্যাহত থাকক। মনত ৰাখিব মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰীত সাধাৰণভাৱে প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে এতিয়া ডাক্তৰ, ইঞ্জিনীয়াৰ, প্ৰশাসনিক বিষয়া হৈ নাম উজলাইছে।

# নৱপ্ৰজন্ম আৰু চৰকাৰী কাম-কাজ

চৰকাৰ এখনৰ মুখ্য কাৰ্য হৈছে জনসাধাৰণৰ সেৱা। ৰাইজৰ মংগলৰ বাবে চৰকাৰে কাৰ্য পৰিচালনা কৰিব লাগে। চৰকাৰে কাৰ্য পৰিচালনা কৰোঁতে সদায় জনসাধাৰণৰ সুবিধাত বেছি গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। জনগণে যাতে প্ৰতিটো কাম কৰোঁতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব নালাগে তাৰ প্ৰতি লক্ষ্য ৰাখিয়ে চৰকাৰে সকলোবোৰ কাম কৰে। যদি চৰকাৰে সুচাৰুৰূপে কাৰ্য সম্পাদন কৰিব নোৱাৰে তেতিয়া হ'লে উন্নয়নৰ গতি দ্ৰুত হ'ব বুলি আশা কৰিব নোৱাৰি। অসমতে বিগত দুটা বৰ্ষত বিভিন্ন চৰকাৰী কাম-কাজ সুচাৰুৰূপে পৰিচালিত হোৱা দেখা গৈছে। আগতে যিবোৰ কামৰ বাবে চৰকাৰী কাৰ্যালয়ে কাৰ্যালয়ে তাঁত-বাটি কাঢ়িবলগীয়া হৈছিল। এতিয়া সেইবোৰ কাম এক নিৰ্দিষ্ট সময়ৰ ভিতৰত সমাপ্ত কৰিবলৈ বিষয়া বা বিভাগটো বাধ্য। কাৰণ এতিয়া প্ৰায়ভাগ কাম-কাজেই অনলাইনযোগে সম্পাদন কৰিব পৰাৰ ব্যৱস্থা কৰা হৈছে। এই অনলাইন ব্যৱস্থাত এগৰাকী ব্যক্তিয়ে কেতিয়া কামৰ বাবে আৱেদন কৰিছিল আৰু কিয় হোৱা নাই সেই বিষয়ে জানিবলৈ সহজ হৈ পৰিছে। মাটি-বাৰীৰ পৰা আৰম্ভ কৰি অনুজ্ঞাপত্ৰৰ আবেদনলৈকে এনে অনলাইন ব্যৱস্থা কৰাত বহুক্ষেত্ৰত ৰাইজৰ সময়ৰ লগতে অৰ্থ ব্যয়ো হ্ৰাস পাইছে। কাৰণ একেটা কামৰ বাবে যিজনে আগতে একোটা কাৰ্যালয়লৈ কমেও ১৫-২০ বাৰ যাবলগীয়া হৈছিল এতিয়া তেনে পৰিস্থিতিৰ পৰা মুক্তি পাইছে। সেইবাবে বহুক্ষেত্ৰত ৰাইজে চৰকাৰক প্ৰশংসাও কৰিছে।

আগতে মাটি পট্টা, পঞ্জীয়ন, নামজাৰি আদি কামৰ বাবে চৰকাৰী কাৰ্যালয়ে কাৰ্যালয়ে বাটকুৰি বাওঁতে বাওঁতে একোটা প্ৰজন্ম পাৰ হৈ যায়। মাটিৰ সমস্যা সমাধান নহয়। আনকি নথি-পত্ৰ দিয়াৰ পিছতো ৰাইজে কামৰ সুফল নাপায়, এয়া হৈছিল চৰকাৰৰ সোপাচিলা নীতিৰ বাবে। এতিয়া 'বসুন্ধৰা' আদিৰ জৰিয়তে সহজেই কাম সম্পাদন কৰিব পৰা হৈছে। তদুপৰি যিসকলে মাটিৰ সমস্যাসমূহ সমাধানৰ বাবে অনীহা প্ৰকাশ কৰি আহিছিল এতিয়া পিছে সেয়া নোহোৱা হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বৰং এই সুযোগতেই এনেধৰণৰ কামখিনি কৰিবলৈ আগবাঢ়িহে আহিছে। এখন ৰাজ্যৰ প্ৰতিগৰাকী ব্যক্তি বা প্ৰতিটো পৰিয়ালৰ ভূমি সমস্যা সমাধান কৰাৰ পথ উজু কৰাটোও চৰকাৰৰ কৰ্তব্য। কাৰণ এনে বহুতো লোক আছে যিসকলে জীৱনৰ বেছিভাগ সময় ভূমি বিবাদত লিপ্ত হওঁতেই যায়। গতিকে এতিয়া যদি কোনো লোকে কমসময়ৰ ভিতৰতে দালালৰ সহায় নোলোৱাকৈ কাম কৰিব পাৰিছে তেতিয়াহ'লে সেয়া চৰকাৰৰ কৃতিত্ব বুলিয়ে ক'ব লাগিব।

পূৰ্বৰ তুলনাত এতিয়া চৰকাৰী কাম-কাজ আৰু আঁচনিসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগবাঢ়ি আহিছে নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালী। আগতে প্ৰায়ভাগে অনীহা প্ৰকাশ কৰাৰ মূলতে আছিল চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত থকা নেতিবাচক মনোভাব। এই নেতিবাচক মনোভাব নৱপ্ৰজন্মক চৰকাৰৰ ওচৰলৈ যোৱাত ব্যৱধানৰ সৃষ্টি কৰিছিল। তদুপৰি চৰকাৰী কাম-কাজ সঠিকভাৱে কৰিব পাৰিছেনে নাই সেয়া পৰ্যবেক্ষণো কৰা নাছিল। মাত মাতিবলৈ ভয়ো কৰিছিল। এতিয়া পিছে এনেধৰণৰ মনোভাৱৰো সলনি হৈছে। বৰং কিছুমান কাম কৰিবলৈ চৰকাৰক বাধ্যহে কৰিছে। যদিহে চৰকাৰৰ কাম-কাজত সম্পূৰ্ণৰূপে সহায়-সহযোগ কৰিবলৈ নৱ প্ৰজন্ম আগবাঢ়ি নাহে তেতিয়াহ'লে চৰকাৰেও সাফল্য অৰ্জন কৰাটো সম্ভৱ নহয়। চৰকাৰৰ কাম-কাজত সহযোগ কৰিবলৈ আগবাঢ়ি অহাটো সঁচাকৈয়ে ইতিবাচক দিশ বুলি ক'ব লাগিব।

চৰকাৰৰ প্ৰতিও ৰাইজৰ বিশ্বাস বৃদ্ধি পাইছে। এতিয়া প্ৰায়ভাগেই আত্মবিশ্বাসী। এটা কথা ঠিক যে ৰাইজৰ লগত যেতিয়া আত্মবিশ্বাস বৃদ্ধি পায় তেতিয়া চৰকাৰে কাম-কাজ কৰাৰ সাফল্যও বাঢ়ে। এনেয়ে চৰকাৰে সফল হোৱা বুলি দাবী কৰি থাকিলে নহ'ব। তাৰ বাবে প্ৰয়োজন এক দীৰ্ঘ পৰিকল্পনাৰ। এই পৰিকল্পনা সফলতা-বিফলতা নিৰ্ভৰ কৰে ৰাইজৰ সমৰ্থন আৰু সহযোগিতাৰ

ওপৰত। সেইবাবে এতিয়া প্ৰায়ভাগ লোকে চৰকাৰী বিধি মতে নিৰ্ধাৰণ কৰা কৰ, জৰিমনা আদি দিবলৈ কুণ্ঠাবোধ নকৰে। আগতে হেলমেট নিপিন্ধা লোকে আৰক্ষী দেখিলে পলাবলৈ চেষ্টা কৰিছিল। এতিয়া পিছে দোষ কৰিলে পলোৱাৰ পৰিৱৰ্তে জৰিমনা দিবলৈ কুণ্ঠাবোধ নকৰে। কাৰণ এতিয়া বুজি পাইছে যে হেলমেটটো কেৱল জৰিমনা ভৰাৰ বাবে পিন্ধিব নালাগে। নিজৰ সুৰক্ষাৰ বাবেহে পিন্ধিব লাগে কাৰণ চৰকাৰৰ কৰ্তব্যসমূহৰ ভিতৰত জনসাধাৰণৰ সুৰক্ষা প্ৰদান কৰাটোও। কিন্তু কিছুক্ষেত্ৰত চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেহে যে জনগণৰ জীৱন সুৰক্ষিত হয় সেই কথা উপলব্ধি কৰিছে। সেইবাবেই এতিয়া সকলোৱে সহযোগ কৰা দেখা যায়।

চৰকাৰী ব্যৱস্থাইহে নৱপ্ৰজন্মক চৰকাৰৰ ওচৰলৈ নিব পাৰে। এই প্ৰক্ৰিয়াত সবাটোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যে নৱপ্ৰজন্মই বিচৰাখিনিৰ ওপৰত চৰকাৰে গুৰুত্ব প্ৰদান কৰাটো। পূৰ্বৰ ধ্যান-ধাৰণা আৰু পদ্ধতিৰ মাজত থাকিব নিবিচাৰে নৱপ্ৰজন্ম। তেওঁলোকক প্ৰয়োজন এক গতিশীল পৰিকল্পনাৰ। এই গতিশীলতা নৱ প্ৰজন্মৰ মনোভাবক আৰু অধিক বিশ্বাসী কৰি তোলাৰ লগতে কাম-কাজত সহযোগ কৰিবলৈ উদ্‌গনি দিব পাৰিলে চৰকাৰে নৱ প্ৰজন্মৰ পৰা সকলোখিনি আদায় কৰিব পাৰিব। প্ৰয়োজন মাথোঁ উপযুক্ত পৰিকল্পনাৰ।

# মহাপুৰুষগৰাকীৰ নামত জে এন ইউত আসন প্ৰতিষ্ঠা

নতুন দিল্লীস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শীঘ্ৰে প্ৰতিষ্ঠা হ'ব শ্ৰীমন্ত শংকৰদেৱৰ আসন। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰ আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰ হৈছে। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম জয়ন্তী নতুন দিল্লীত অনুষ্ঠিত কৰাৰ পিছত এইবাৰ অসম চৰকাৰে আন এক পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীমন্ত শংকৰদেৱক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰে বিগত সময়ত যিধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। ওড়িশাৰ চম্বলপুৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জৰাজীৰ্ণ বাসগৃহ পুনৰ নিৰ্মাণৰ লগতে প্ৰতিমূৰ্তি স্থাপনৰ যো-জাৰ পিছত এইবাৰ দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠান জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত মহাপুৰুষগৰাকীৰ নামত আসন প্ৰতিষ্ঠাৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসাযোগ্য। বিগত সময়ত শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰাটো সৰু কথা নহয়। এই শিক্ষানুষ্ঠানত সন্মানীয় আসন থকাটো নিশ্চয়কৈ গৌৰৱৰ বিষয়। পূৰ্বতে এনেবোৰ বিষয়ত চৰকাৰে চিন্তা-চৰ্চা কৰিলে নিশ্চয়কৈ বহুখিনি আগুৱাই যাব পাৰিলোঁহেতেন। এনে আসন প্ৰতিষ্ঠাৰ জৰিয়তে গৱেষণা আদিৰ বাবেও বহুতে আগুৱাই আহিব পাৰিব। সম্প্ৰতি বিভিন্ন শীৰ্ষস্থানীয় শিক্ষানুষ্ঠানত এনেধৰণৰ বহুতো আসন প্ৰতিষ্ঠা হৈছে। মহান ব্যক্তি, তথা বিশিষ্ট ব্যক্তিসকলৰ নামত আসন প্ৰতিষ্ঠা কৰাৰ নিয়ম আগৰে পৰাই চলি আহিছে যদিও অসমৰ ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয়

ক্ষেত্ৰত অসমৰ এই আসন আছিল তেনেই সীমিত। এই আসনৰ জৰিয়তে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভক্তি আন্দোলনৰ চৰ্চা আৰু গৱেষণা, সম্প্ৰতিক ভাৰতীয় সমাজব্যৱস্থাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰাসংগিকতা আৰু তেৰাৰ ভক্তি আন্দোলনৰ অধ্যয়ন, শ্ৰীশ্ৰী মাধৱদেৱ, শ্ৰীশ্ৰী দামোদৰদেৱ, শ্ৰীশ্ৰী হৰিদেৱ, শ্ৰীশ্ৰী আনিৰুদ্ধদেৱ, আই পদ্মপ্ৰিয়া, আই কনকলতা প্ৰভৃতিসকলৰ জীৱন আৰু কৰ্মৰাজি অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব পাৰিব। তদুপৰি অসমত তথা ভাৰতীয় ভক্তি আন্দোলন, ইয়াৰ ইতিহাস, সাংগঠনিক ৰূপ, সাহিত্য সংস্কৃতিৰ বিভিন্ন দিশৰ উপৰি ব্ৰজাৱলী ভাষা আদি বিষয়তো গৱেষণাৰ সন্মানীয় উপাধি আৰু গৱেষণাৰ বাবে সুযোগ লাভ কৰিব। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ সংস্কৃত আৰু প্ৰাচ্যবিদ্যা অধ্যয়ন প্ৰতিষ্ঠানত শ্ৰীমন্ত শংকৰদেৱৰ আসন প্ৰতিষ্ঠাৰ বাবে বুজাবুজি চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে এক নতুন দিগন্তৰো সূচনা হ'ল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক আমি সদায় বিশ্বদৰবাৰত প্ৰতিষ্ঠাৰ কথা কৈ আহিছো। আমি আলোচনা আদিৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱক বিশ্বত প্ৰতিষ্ঠা কৰিব পাৰিম বুলি ভবা ধাৰণাটো অমূলক। এনেধৰণৰ আসন আদি প্ৰতিষ্ঠাৰ জৰিয়তে ভক্তি আন্দোলনৰ বিষয়ে গৱেষণা কৰাটো সম্ভৱ হ'ব। যেতিয়া অসমৰ বাহিৰত এনে আসন প্ৰতিষ্ঠা হ'ব তেতিয়া ভাৰতৰ আন ৰাজ্যত সময়ে সময়ে হোৱা ভক্তি আন্দোলনৰ বিষয়েও সমানেই চৰ্চা হ'ব। কাৰণ এটাৰ কথা বৰ্ণনা কৰিবলৈ যাওঁতে আনটো বিষয় আলোচনা কৰিবই লাগিব। আমি যেতিয়া মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰাজিৰ বিষয়ে উল্লেখ কৰিম তেতিয়া তুলসী দাস, চৈতন্য আদিৰ কথাও বৰ্ণনা কৰিবই লাগিব। আজি তুলসীদাস, চৈতন্য আদিক যিদৰে প্ৰতিষ্ঠিত হৈছে তেনেদৰে আগবাঢ়ি যোৱা নাই শ্ৰীমন্ত শংকৰদেৱ। অৱশ্যে শ্ৰীমন্ত শংকৰদেৱৰ নামত এয়া তৃতীয়খন আসন প্ৰতিষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে পশ্চিমবংগৰ শান্তি নিকেতন বিশ্বভাৰতী বিশ্ববিদ্যালয় আৰু পাঞ্জাব বিশ্ববিদ্যালয়ত মহাপুৰুষজনাৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হৈছিল। যিহেতু মহাপুৰুষগৰাকীয়ে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বিষয়ে তেওঁৰ ৰচনাসমূহত উল্লেখ কৰিছে, সেয়েহে তেওঁৰ দৃষ্টিভংগীকো আমি সকলোৱে বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিব লাগিব।

আসন প্ৰতিষ্ঠা কৰিবলৈ হ'লে কিছুমান চৰ্তৰ প্ৰয়োজন। এই চৰ্তৰ মাজেদি

আগবাঢ়ি গ'লেহে আসনখনৰ মৰ্যাদাও অক্ষুণ্ণ থাকে। মহাপুৰুষগৰাকীৰ জীৱন আৰু ৰচনাৰ ওপৰত যিমানেই অধ্যয়ন তথা গৱেষণা চলিব সিমানেই এইবোৰৰ পৰিসৰ বৃদ্ধি পাব। এতিয়াও শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিৰ বিষয়ে গৱেষণাৰ যথেষ্ট সমল আছে। কেৱল সাহিত্যৰ ক্ষেত্ৰতেই তেওঁক সীমাবদ্ধ ৰাখিব নোৱাৰি। তেৰাৰ অসমীয়া সমাজ-জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে অৱদান আছে। এই অৱদানৰ কিছু কিছু আমাৰ এতিয়াও মূল্যায়ন নোহোৱাকৈ আছে। গতিকে এই বিষয়সমূহ যাতে গভীৰৰ পৰা আৰু গভীৰলৈ সোমাই গৈ বিশ্লেষণ কৰা হয় তাত নজৰ দিব পাৰি আসন আদি প্ৰতিষ্ঠাৰ জৰিয়তে। ৰাজ্য চৰকাৰে মহাপুৰুষগৰাকীক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসাযোগ্য। আমি সকলোৱে এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াব লাগে। জনসাধাৰণৰ সহযোগিতা অবিহনে যিবোৰ কাৰ্য সম্পাদন কৰাটো সম্ভৱ নহয় সেইক্ষেত্ৰত চৰকাৰৰ ভাল পদক্ষেপক আদৰণি জনাই সহযোগ কৰাটোহে ৰাজ্য এখনৰ উন্নয়নৰ বাবে আদৰণীয় পদক্ষেপ।

# কোন দিশে অসম সাহিত্য সভা?

অসম সাহিত্য সভা অসমত বসবাস কৰা প্ৰতিগৰাকী লোকৰ অতিকৈ আপোন অনুষ্ঠান। শতবৰ্ষই গৰকা এই অনুষ্ঠানটোৰ সৈতে জড়িত হৈ আছে অসমৰ পুৰোধা ব্যক্তি, প্ৰতিথযশা সাহিত্যিকৰ নাম। এক মৰ্যাদাপূৰ্ণ আসন হিচাপে চিহ্নিত হোৱা অসম সাহিত্য সভাৰ সভাপতিৰ আসনখন যিসকল বৰেণ্য সাহিত্যিকে অলংকৃত কৰিছে তেওঁলোকে অসমীয়া জাতি আৰু সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ কথা সকলোৰে জ্ঞাত। পদ্মনাথ গোহাঞিবৰুৱাৰ পৰা আৰম্ভ কৰি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আদিৰ দৰে প্ৰাতঃস্মৰণীয় অসমীয়াৰ নাম যিটো অনুষ্ঠানৰ সৈতে জড়িত হৈ আছে সেই সাহিত্য সভা আজি অস্তিত্বৰ সংকট। সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদক লৈ বিগত সময়ত হোৱা বিতৰ্কই অসম সাহিত্য সভাৰ দৰে এটা মৰ্যাদাপূৰ্ণ অনুষ্ঠানক ক্লাব পৰ্যায়লৈ ৰূপান্তৰিত কৰিছে। যিখন সাহিত্য সভাৰ অধিবেশনত লাখ লাখ মানুহৰ সমাগম হয় সেই অনুষ্ঠানটোক লৈ আজি বহুতো লোকে সন্দেহ প্ৰকাশ কৰিছে। একাংশ অসাহিত্যকৰ বিচৰণস্থলী হোৱা সাহিত্য সভাৰ মজিয়াত এইবাৰ খুব বেয়াধৰণে একাংশ লোকৰ চৰিত্ৰ ফুটাই তুলিছে।

ব্যক্তিগত উদ্দেশ্য আৰু স্বাৰ্থ পূৰণৰ স্থলী হোৱা অসম সাহিত্য সভাৰ সভাপতিৰ আসনখনৰ লগতে সম্পাদকৰ পদটো খামুচি ধৰিবলৈ একাংশ লোকে বিগত কেইটামান বছৰত যিধৰণে কাৰ্য সম্পাদন কৰিছে সেই কাৰ্যই সাহিত্য সভাৰ ভিতৰচ'ৰাত কি চলি আছে তাকে উদঙাই দিলে। তেওঁলোকৰ সাহিত্য চৰ্চাতকৈ ব্যক্তিগত লাভালাভৰ বাবেহে এনে নিকৃষ্ট কাৰ্যত লিপ্ত হৈছে।

অসমীয়াৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাত জড়িত হৈ আছে অসমীয়াৰ আৱেগ-অনুভূতি । ১৯১৭ চনত জন্ম গ্ৰহণ কৰা এই সৰ্ববৃহৎ জাতীয় অনুষ্ঠানটোত বহু স্বনামধন্য ব্যক্তিয়ে সভাপতিৰ পদ অলংকৃত কৰি অসমৰ সাহিত্য ক্ষেত্ৰখন সমৃদ্ধ কৰিছে। কিন্তু শেহতীয়াকৈ অসম সাহিত্য সভাক লৈ প্ৰায়ে বিৰ্তকত সৃষ্টি হৈছে।

বিশেষকৈ দুটা বছৰৰ মূৰত সভাপতি নিৰ্বাচন আহিলেই আৰম্ভ হয় তীব্ৰ বিতৰ্ক। পূৰ্বৰ বছৰসমূহৰ দৰে এইবাৰো অসম সাহিত্য সভাৰ নিৰ্বাচনক লৈ সৃষ্টি হয় ব্যাপক বিৰ্তক। একাংশ অ-সাহিত্যিকে অসম সাহিত্য সভাৰ ইতিহাসত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ উঠি-পৰি লগাৰ লগতে একাংশৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ হাতোৰাত বন্দী হৈছে অসম সাহিত্য সভা।

অসম সাহিত্য সভাৰ একাংশ ব্যক্তিক সভাপতি পাতিবলৈ এটা চক্ৰই উঠি-পৰি লাগিছিল। বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছিল অসম সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচনৰ বাবে গঠন কৰি দিয়া উচ্চস্তৰীয় সমিতিখন। অৱশ্যে এই গোপনীয় তালিকা ৰাজহুৱাভাৱে চৰ্চিত হোৱাত কঠোৰ সমালোচিত হয় অসম সাহিত্য সভা। যাৰবাবে অৱশেষত পৰৱৰ্তী সভাপতিৰ পেনেল বাতিলৰ প্ৰস্তাৱ দিবলৈ বাধ্য হ'ল অসম সাহিত্য সভা। অসম সাহিত্য সভাৰ বৰ্তমানৰ সভাপতিগৰাকীয়ে অসম সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচনৰ বাবে গঠন কৰি দিয়া উচ্চস্তৰীয় সমিতিক লিখিত এক প্ৰস্তাৱ আগবঢ়াইছিল যদিও পৰৱৰ্তী সময়ত ৰাজ্যজুৰি প্ৰতিবাদ হোৱাৰ লগতে তীব্ৰ সমালোচনা হোৱাত সকলো সলনি কৰিবলৈ বাধ্য হৈ পৰে। অৱশেষত যেনিবা নিজৰ ব্যৰ্থতা ধাকিবলৈ কেইগৰাকীমান বিশিষ্ট সাহিত্যিকৰ নাম-তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হয়। সাহিত্য সভা এতিয়া একাংশ লোক অৰ্থাৎ সাহিত্যিকৰ চৰণীয়া পথাৰ হৈ পৰিল। তেওঁলোকে সাহিত্য সভাক পৈতৃক সম্পত্তিৰ দৰে ভাবি সভাৰ মান-সন্মান যোৱা কাম কৰিবলৈ খোপনি পুতি থাকিল— যেন এইসকল লোকক অসমবাসীয়ে সাহিত্য সভাৰ ঠিকাহে দি থৈছে। মৌলিক সাহিত্য সৃষ্টি নকৰা একাংশ সাহিত্যিকৰ দপদপনিত আগৰ স্বনামধন্য সাহিত্যিকসকলে লজ্জাবোধ কৰা হ'ল। আনকি বহু কেইগৰাকী প্ৰাক্তন সাহিত্য সভাৰ সভাপতিয়ে এই ক্ষেত্ৰত মুকলিকৈ ক্ষোভ প্ৰকাশ কৰিছে। এয়া সঁচাকৈয়ে সাহিত্য সভাৰ বাবে চৰম লজ্জাজনক বিষয়।

সভাপতি অথবা সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ নকৰাকৈয়ো অসম সাহিত্য সভাৰ কাম কৰিব পাৰি। সাহিত্য সৃষ্টি কৰিব পাৰি। অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই যোৱা বহুতো বিশিষ্ট সাহিত্যিকে সভাপতি নোহোৱাকৈয়ে অসমীয়া সাহিত্যলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই গৈছে। আনকি প্ৰতিবছৰে সভাপতি নিৰ্বাচনৰ আগে আগে আৰম্ভ হোৱা বিতৰ্কই একাংশ সাহিত্যিকক এই পদটোৰ প্ৰতি অনীহা প্ৰকাশ কৰিছে। আনকি সাহিত্য সভাই ফোনযোগে যোগাযোগ কৰাত ক্ষোভ প্ৰকাশ কৰিছে। আনকি সন্মতি প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিছে ।এসময়ত ড° ভবেন্দ্ৰ নাথ শইকয়াই সভাপতিৰ আসনৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ অস্বীকাৰ কৰিছিল। আনকি তেওঁৰ নামটো পেনেলত অন্তৰ্ভুক্ত কৰিবলৈ সন্মতি প্ৰদান কৰা নাছিল।

বিগত ১০ বছৰত অসম সাহিত্য সভাৰ মজিয়াত যিমান বিতৰ্কৰ সৃষ্টি হৈছে সেই কাৰ্যই এই অনুষ্ঠানটোৰ যিমান ক্ষতি কৰিছে সেয়া অতিকৈ চিন্তনীয় বিষয়। এই সময়ত সাহিত্য সভাই কিমানগৰাকী নতুন সাহিত্যিকৰ জন্ম দিলে তাৰ হিচাপ দিব পাৰিবনে? কিমান লেখত ল'বলগীয়া গ্ৰন্থ প্ৰকাশ কৰিলে? কিমান লেখত ল'বলগীয়া কাম কৰিছে তাৰ হিচাপ সাহিত্য সভাই কাকতত প্ৰকাশ কৰিব সাহস আছেনে? কেৱল গামোচা পিন্ধি সভাত ডাঙৰ ভাষণ দিলে নহ'ব। সাহিত্য সভাই এতিয়া নিজস্বতা হেৰুৱাই পেলাইছে। কোনে কাক লেং মাৰি সাহিত্য সভাৰ বিষয়বাব ধৰি ৰাখিব পাৰে তাৰ হিচাপ কৰাত ব্যস্ত থাকিলে এদিন সাহিত্য সভা মানুহৰ বাবে হ'ব এলাৰ্জী।

# অপৰাধৰ অন্যতম উৎস সামাজিক মাধ্যম

আধুনিক জীৱন যাপনত যোগাযোগৰ মাধ্যম তথা প্ৰচাৰৰ আহিলাসমূহৰ অন্যতম হৈছে ফেচবুক বা সামাজিক মাধ্যম। বিগত এটা দশকত বিশ্বজনীন যোগাযোগৰ মাধ্যমসমূহৰ ভিতৰত সৰ্বাধিক ব্যৱহাৰ কৰা মাধ্যমটোৱে হৈছে ফেচবুক। ফেচবুকৰ জৰিয়তে পৃথিৱীৰ এনে কিছু সম্পৰ্ক স্থাপিত হৈছে— যিবোৰ এয়া অবিহনে সম্ভৱ নহ'লহেঁতেন। হেৰোৱা সম্পৰ্ক জোৰা লাগিছে। পাঁচ-ছয় দশক পিছত হেৰাই যোৱা আপোন ঘৰখন বিচাৰি পাইছে। বিৰহ-বেদনাত ছট্‌ফটাই থকা লোকসকলৰ সকলো দুখ-ভাগৰ নোহোৱা হৈছে আপোনজনক ওচৰতে পাই। যিকোনো ঘটনা, সংবাদ ছেকেণ্ডৰ ভিতৰতেই লাভ কৰাটো সম্ভৱ হৈছে একমাত্ৰ ফেচবুকৰ জৰিয়তে। পূৰ্বৰ তুলনাত পৃথিৱীৰ পৰিসৰ এখন গাঁৱতকৈ কম কৰি পেলালে। পৃথিৱীৰ কোনো এটা মুহূৰ্তত সংঘটিত ঘটনা ছেকেণ্ডৰ ভিতৰতেই আন এটা প্ৰান্তৰ লোকে লাভ কৰিবলৈ সক্ষম হৈছে। যুদ্ধক্ষেত্ৰৰ বাতৰিৰ পৰা আৰম্ভ কৰি ব্যক্তিগত শুভসংবাদ, দুঃসংবাদ সকলোবোৰেই জানিব পাৰি ফেচবুকৰ জৰিয়তে। পিছে ফেচবুকত দিয়া সকলোবোৰ কথাই সঁচানে? সকলো ফটোৱেই সঁচা কথা কয়নে? ফেচবুক ব্যৱহাৰকাৰীয়ে প্ৰফাইলত দিয়া নিজৰ তথ্যখিনি সম্পূৰ্ণ সঁচা হয়নে? ফেচবুক ব্যৱহাৰকাৰীৰ একাউণ্টটো বেলেগৰ নামত ব্যৱহাৰ নকৰাকৈ আছেনে? এইসকলবোৰ কথা ভাবি চাবৰ হৈছে। কাৰণ যোগাযোগৰ ক্ষেত্ৰত সবাতোকৈ দ্ৰুত মাধ্যম হ'লেও কেতিয়াবা বিপজ্জনক হ'ব পাৰে। শেহতীয়াকৈ সংঘটিত

কিছুমান ঘটনাৰ আঁৰৰ কাৰণ বিশ্লেষণ কৰিলে এইবোৰ কথা স্পষ্ট হৈ পৰে। ফেচবুকত ভুৱা পৰিচয় দি এজন অন্য ধৰ্মৰ যুৱকে হিন্দু বুলি পৰিচয় দি এগৰাকী যুৱতীৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ়ি তুলি বিয়া কৰাই পিছত সেই যুৱকজনেই পত্নীৰ লগতে শাহু-শহুৰক হত্যা কৰাৰ ঘটনা সকলোৰে জ্ঞাত। যুৱতীগৰাকীৰ প্ৰথমটো ভুল হৈছিল কিন্তু ফেচবুকতেই। কাৰণ প্ৰথমতেই অপৰাধী মনৰ যুৱকজনে নিজৰ প্ৰকৃত পৰিচয় গোপনে ৰাখি ভুৱা পৰিচয়েৰে প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিছিল। মাত্ৰ ফেচবুকত দেখা পৰিচয়খিনি সঁচা নে মিছা সেয়া নজনাকৈয়ে অচিন যুৱকজনৰ সৈতে পৰিচয় হোৱাৰ পৰিণতিতেই সংঘটিত হ'ল— 'ত্ৰিপল মাৰ্ডাৰ'।

ফেচবুকত চিনাকি হৈ সঁচা-মিছা বিচাৰ নকৰাকৈ পলাই যোৱাৰ পিছত প্ৰেমিকে প্ৰেমিকাক মানৱ সৰবৰাহকাৰীৰ হাতত গতাই দিয়া ঘটনাও প্ৰায় সংঘটিত হৈয়ে আছে। বহুতে আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে কেৱল ফেচবুকত কৰা ভুলৰ বাবে।

এতিয়া ফেচবুকৰ জৰিয়তে অপৰাধজনিত ঘটনা সংঘটিত কৰাতো তেনেই সহজ হৈ পৰিছে। কোনোবাই ভুৱা পৰিচয়েৰে একাউণ্ট নম্বৰ ব্যৱহাৰ কৰি মেলি দিছে প্ৰৱঞ্চনাৰ জাল। এই প্ৰৱঞ্চনাৰ জালত পৰি বহুতেই সৰ্বস্ৰান্ত হোৱাৰ ঘটনাও এইখন সমাজতেই সংঘটিত হৈছে। চলাহী কথাৰে ফেচবুকত চিনাকি হৈ লাহে লাহে প্ৰৱঞ্চনাৰ জালখন মেলি দিয়ে। প্ৰৱঞ্চকসকলে সিহঁতৰ জালত এনেদৰে ফঁচাই লয় যে তাৰ পৰা কোনোৱে সহজে ওলাই আহিব নোৱাৰে। এনে প্ৰৱঞ্চনাৰ জালত কেৱল যে সহজ-সৰল মানুহেই ভৰি দিছে তেনে নহয়, শিক্ষিত, জনা-বুজা সকলেও মাত্ৰ এটা ভুলৰ বাবে ধন-সম্পত্তি হেৰুৱাইছে। সম্পত্তি বিক্ৰীৰ বাবে কোনো লোকে ভুৱা একাউণ্টেৰে বিজ্ঞাপন দি বহুতক ঠগি আছে। বেমাৰ হোৱা বুলি অন্য লোকৰ ফটো এখন আনকি মৰি কোনোবাদিনাই ভূত হোৱা লোকৰ ফটো ব্যৱহাৰ কৰি ধন সৰকোৱা লোকো ফেচবুকত উপচি পৰিছে। সেয়ে কৈছো যিকোনো অপৰাধজনিত ঘটনা সংঘটিত হোৱাৰ অন্যতম কাৰক হিচাপে চিহ্নিত হৈছে সামাজিক মাধ্যম।

আজিকালি একাংশ লোকে স্বাৰ্থ সিদ্ধিৰ বাবে ফেচবুক আদিত উৰাবাতৰি প্ৰচাৰ কৰে। এনে উৰাবাতৰিৰ বাবেও আজি মণিপুৰত বহুতো মানৰ সমাজক

লজ্জানত কৰা নাৰকীয় ঘটনা সংঘটিত হৈছে। এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠীৰ মাজত ঘৃণাৰ বীজ ৰোপণ কৰিবলৈ সক্ষম হৈছে ভুৱা বা উৰাবাতৰিৰ যোগেদি। একোটা উৰাবাতৰিয়ে কিমান ভয়ংকৰ ঘটনা সংঘটিত কৰিব পাৰে তাৰ উদাহৰণ বহুতো আছে। অভি-নীল হত্যাকাণ্ডৰ পূৰ্বেই যুৱক দুজনক লৈ মানুহৰ মাজত উৰাবাতৰি প্ৰচাৰ কৰিছিল একাংশ জিঘাংসু প্ৰকৃতিৰ মানুহে। এখন ভুৱা ফটোৰ বাবে আজি জ্বলিছে মণিপুৰ। দিল্লী, উত্তৰপ্ৰদেশ, ৰাজস্থান, কাশ্মীৰ আদিত সংঘটিত কিছুমান ঘটনাৰ প্ৰকৃত উৎস বিচাৰিলে প্ৰধানকৈ দায়ী হৈ পৰে ফেচবুক বা সামাজিক মাধ্যম।

সকলোবোৰ অপৰাধজনিত ঘটনা প্ৰতিৰোধ কৰিবলৈ হ'লে সামাজিক মাধ্যমক কোনোপ্ৰকাৰে নিয়ন্ত্ৰণ কৰিবই লাগিব। বিশেষকৈ ভাষা, শব্দ আৰু ফটো প্ৰচাৰৰ ক্ষেত্ৰত সাৱধান নহ'লে একো একোটা সৰু ঘটনাৰ পৰাই খাণ্ডৱ দাহৰ দৰে ঘটনা সংঘটিত হ'ব পাৰে। যিকোনো কথা সংবাদমাধ্যমত আপলোড কৰোতে সংযত হ'বই লাগিব। কিয়নো শব্দৰ ব্যৱহাৰ সঠিক নহ'লে কাৰোবাৰ সন্মানত, স্বাভিমানত আঘাত হানিব পাৰে। যিহেতু প্ৰায়ভাগ লোকেই সামাজিক মাধ্যমটো ব্যৱহাৰ কৰে, সেয়ে শব্দ আৰু ভাষাৰ ব্যৱহাৰ অশোভনীয় আৰু অসংদীয় হ'ব নালাগে। পৰিয়ালৰ সকলো সদস্যই যদি একেটা বাৰ্তা পঢ়ে বা চাই তেনেহ'লে অশ্লীল শব্দ বা ছবি দেখাৰ লগে লগে মনত কেনেধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে সেয়া সহজেই অনুমেয়। উত্তেজিত কৰিব পৰা কোনো শব্দই ব্যৱহাৰ কৰিব নালাগে। এইবোৰ কথাত সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত। শব্দৰ অপালাপ, অপব্যৱহাৰ আৰু মূল বিষয়ৰ সৈতে সামঞ্জস্যহীন হ'লে ব্যৱহাৰকাৰীৰহে সন্মান হানি হয়। এইবোৰ ব্যৱহাৰ কৰাৰ মানসিকতা আৰু স্বৰূপো প্ৰকাশ পায়।

সকলোৱে বুজা উচিত সামাজিক মাধ্যমৰ গুৰুত্ব। সামাজিক মাধ্যমত সকলোবোৰ বিষয় ৰাজহুৱা কৰিব নালাগে। বিশেষকৈ একান্ত ব্যক্তিগত কথাবোৰ ৰাজহুৱা কৰাটো অনুচিত। আজিকালি কিছুমানে বজাৰ কৰিবলৈ গ'লেও ফেচবুকত দিয়ে। আনকি আঞ্জা ৰান্ধিলেও সেইবোৰ কথা সামাজিক মাধ্যমত দিয়ে। কোনে কি পাইছে, কাৰ লগত ঘূৰিছে, ক'ত শুইছে আদি কথাও যেতিয়া সামাজিক মাধ্যমত প্ৰকাশ পাবলৈ ধৰিছে তেনেহ'লে ইয়াক কেনেদৰে ব্যৱহাৰ কৰিবলৈ ধৰিছে সেয়াহে চিন্তনীয় বিষয় হৈ পৰিছে।

যৌনগন্ধি ফটো, ভিডিঅ', অশ্লীল কথা-বতৰাও এতিয়া সামাজিক মাধ্যমৰ বিষয় হৈ পৰিছে। এইবোৰ বিষয় উপলব্ধ কৰা বা প্ৰকাশ কৰা লোকসকলৰ মানসিকতা কিমান নিম্নমানৰ হ'ব পাৰে সেয়া সহজেই অনুমেয়। আনহাতে অত্যধিক সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলৰ মানসিকতাও স্পষ্টভাৱে প্ৰকাশ পাবলৈ ধৰিছে।

সমাজত বিষবাষ্প ছটিয়াবলৈ চেষ্টা কৰাসকলক আমি সকলোৱেই বৰ্জন কৰিব লাগিব। কাৰণ এনেবোৰ কথাই সকলোৰে মনত আঘাত দিব পাৰে। সন্মানহানি কৰাৰ পূৰামাত্ৰে আশংকা থাকে। জীৱন-সম্পত্তি ধ্বংসৰো আশংকা নথকা নহয়। নেতিবাচক চিন্তাবোৰ বাদ দি সামাজিক মাধ্যম ব্যৱহাৰ কৰিলে উপকাৰ পোৱা যায়। ভাল-বেয়া বিষয়টো নিৰ্ভৰ কৰে ব্যৱহাৰ কৰোঁতাৰ মানসিকতাৰ ওপৰত।

# স্বাধীনতা সেনানীৰ মহান ত্যাগেৰে উদ্বুদ্ধ হওক নৱপ্ৰজন্ম

১৫ আগষ্ট মানেই পৰাধীনতাৰ পৰা ভাৰতবাসীৰ মুক্তিৰ সোণোৱালী দিন। বগা চাহাবৰ শোষণৰ পৰা মুক্তি লাভ কৰাৰ এক ঐতিহাসিক ক্ষণ। যিসময়ত বৃটিছৰ ৰবি মাৰ যোৱা নাছিল সেই সময়তেই ভাৰতে পৰাধীনতাৰ অভিশাপৰ পৰা মুক্তি লাভ কৰিছিল। মহামানৱ মহাত্মা গান্ধীয়ে অহিংসা নীতিৰে শক্তিশালী বৃটিছৰ কামিহাড় ভাঙি দিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰ সেই স্মৃতি কোনোৱে পাহৰিব নোৱাৰে। কিন্তু এই স্মৃতিবোৰ ধৰি ৰখা লোকসকলে লাহে লাহে আমাৰ মাজৰ পৰা বিদায় ল'লে। স্বাধীনতাৰ সংগ্ৰামীৰ লগতে সেই সময়ৰ লোকসকলৰ প্ৰায়ভাগেই আমাৰ মাজৰ পৰা বিদায় লোৱাত লাহে লাহে শূন্য হ'বলৈ ধৰিলে স্মৃতিবোৰ। কাৰণ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিষয়ে অধ্যয়ন কৰা নৱ প্ৰজন্মই অনুভৱ কৰিব নোৱাৰে স্বাধীনতাৰ সোৱাদ। সেইবাবে লাহে লাহে স্বাধীনতা দিৱস বা ১৫ আগষ্টৰ দিনটো নৱপ্ৰজন্মৰ বাবে এক বিশেষ দিনলৈহে পৰিণত হ'ল। চৰকাৰেও স্বাধীনতাৰ সেই সোণোৱালী দিনবোৰৰ কথা কেৱল ১৫ আগষ্টৰ দিনাই প্ৰচাৰ কৰাত সীমাৱদ্ধ থাকিল। নৱপ্ৰজন্মই যাতে এই দিনটোক সজীৱ আৰু একাত্ম হৈ দেশ সেৱাৰ প্ৰতি আগ্ৰহী হয় সেই ক্ষেত্ৰত আগভাগ ল'বলৈ শিকাবলৈ কিছুমান পৰিৱৰ্তনৰ প্ৰয়োজন। বিগত সময়ত চৰকাৰে স্বাধীনতা দিৱসক কেৱল এটি বিশেষ দিনৰ মাজতে আবদ্ধ ৰাখিলে। মোডী চৰকাৰে শাসনভাৰ লোৱাৰ পিছত এনেধৰণৰ পৰিৱৰ্তন কৰিলে। স্বাধীনতাৰ অমৃত মহোৎসৱৰ পৰা আৰম্ভ কৰি আন বহুতো পদক্ষেপ

গ্ৰহণ কৰিলে। নৱপ্ৰজন্মক যদি স্বাধীনতা দিৱসৰ কাৰ্যসূচীত জড়িত কৰিব পৰা নাযায় তেনেহ'লে ভৱিষ্যতে হ্ৰাস পাব ইয়াৰ গুৰুত্ব। কাৰণ ইতিহাস বা বুৰঞ্জী পঢ়া লোকৰ সংখ্যা হ্ৰাস পাইছে।

স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি আজিকালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। চিত্ৰাংকন প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, দেশপ্ৰেমমূলক গীতৰ লগতে পৰিৱেশ নিকাকৰণ আদিত নৱপ্ৰজন্মক জড়িত কৰিবলৈ গ্ৰহণ কৰা নিঃসন্দেহে আদৰণীয়। এইবোৰৰ যোগেদি সৃজনী শক্তিৰো প্ৰসাৰ বৃদ্ধি হৈছে। তদুপৰি নিজৰ দেশৰ ইতিহাস সম্পৰ্কে জানিবলৈ আগ্ৰহী হৈছে। সি যি নহওক, নিজৰ দেশখনৰ গৌৰৱোজ্জ্বল কথাবোৰ খুঁচৰি খুঁচৰি উলিয়াবলৈ চেষ্টা কৰিছে। যি চৰকাৰেই নকৰক কিয় নৱ প্ৰজন্মক বিভিন্ন ধৰণে আকৰ্ষিত কৰিব পাৰিছে। দেশপ্ৰেম অবিহনে কোনো এখন দেশৰ উন্নতি অসম্ভৱ। নৱ প্ৰজন্মৰ মাজত সজাগতা বৃদ্ধি কৰিব নোৱাৰিলে ভৱিষ্যতে আগুৱাই যাব নোৱাৰিব। তেওঁলোকে বুজিব বা উপলব্ধি কৰিব লাগিব যে স্বাধীনতাতকৈ মধুৰ শব্দ আৰু ইয়াক সহজে পোৱা নাযায়। হেজাৰ হেজাৰ ভাৰতীয়ৰ আত্মবলিদান, ত্যাগৰ বিনিময়ত দেশবাসীয়ে লাভ কৰিছিল স্বাধীনতা। এইসকল মহান স্বাধীনতা সেনানীৰ বিষয়ে নৱ প্ৰজন্মক অৱগত কৰিবলৈ হ'লে আমি কিছুমান পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। প্ৰতিখন ৰাজ্যৰে স্বাধীনতা আন্দোলনত অৱদান আছে। ৰাজ্যখনৰো বিভিন্ন অঞ্চলৰ লোকসকলৰো আছে অৱদান। তেওঁলোকৰ দেশপ্ৰেম আৰু মহান ত্যাগৰ বিষয়ে নৱ প্ৰজন্মক অৱগত কৰিবলৈ ১৫ আগষ্টৰ বিভিন্ন অনুষ্ঠানৰ সৈতে সংগতি ৰাখি পদক্ষেপ গ্ৰহণ কৰিব লাগিব। স্থানীয়ভাৱে যদি প্ৰশাসনৰ উদ্যোগত স্বাধীনতা সেনানীৰ বিষয়ে ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয় তেনেহ'লে বহুতো অপ্ৰকাশিত তথ্য নৱ প্ৰজন্মই লাভ কৰাৰ পূৰামাত্ৰে সম্ভাৱনা থাকিব।

নৱ প্ৰজন্মক আমি দৃশ্য-শ্ৰাব্য মাধ্যমেৰেও এইবোৰৰ বিষয়ে জ্ঞান দিব পাৰোঁ। এনেদৰে জ্ঞান দিয়াৰ পদ্ধতিৰ প্ৰতি নৱ প্ৰজন্ম আকৰ্ষিত হোৱাৰো সম্ভাৱনা থাকে। কাৰণ কেতিয়াবা কেৱল কিতাপৰ জ্ঞানৰ মাজেদি কম বয়সীয়া ল'ৰা-ছোৱালীক শিকোৱাতকৈ যদি দৃশ্যমাধ্যমৰ মাজেদি অৱগত বা শিকোৱা হয় তেনেহ'লে বিষয়টো অধিক ফলদায়ক হয়। স্বাধীনতা আন্দোলনৰ ছহিদ বুলি ক'লে সাধাৰণতে কুশল কোঁৱৰ, মণিৰাম দেৱান, কনকলতা, মুকুন্দ

কাকতিৰ কথা কৈ থাকিলে নহ'ব। চেলুলাৰ জে'ল বা কালাপানীত থকা অসমীয়াসকলৰ নামো ল'বই লাগিব। কিয়নো এইসকল স্বাধীনতা সেনানীয়েও দেশৰ বাবে প্ৰাণ আহুতি দিছিল। তেওঁলোক কোন, কেনেকৈ কালাপানীত থাকিবলগীয়া হৈছিল সেইসকলৰ বিষয়ে জানিবৰ বাবে বিভিন্ন পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে। এয়া সঁচাকৈয়ে এক প্ৰশংসনীয় পদক্ষেপ। এই পদক্ষেপে সকলোকে আগুৱাই নিব স্বাধীনতা সংগ্ৰামত অসমৰ ভূমিকা কেনে আছিল সেয়া জানিবলৈ। এইক্ষেত্ৰত সকলোৰে সহযোগিতা আগবঢ়োৱা উচিত। আমিনো কিমান নেতিবাচক মনোভাবেৰে আগুৱাই থাকিম। ইতিবাচক চিন্তাৰে আগুৱাই যাবলৈ নৱ প্ৰজন্মক উৎসাহিত কৰিলে নিশ্চয়কৈ সুফল পোৱা যাব।

স্বাধীনতা দিৱস কেৱল বছৰৰ মূৰত আয়োজন কৰা এক উৎসৱ নহয়, জাতিটোৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এই সংগ্ৰাম এলাপেচা সংগ্ৰাম নহয়। বহুতো ছহিদ, স্বাধীনতা সংগ্ৰামীৰ ত্যাগৰ মূল্য। এই ত্যাগক সকলোৰে সন্মান জনোৱা উচিত। হৃদয়ত ৰাখিব লাগিব মহান স্বাধীনতা সেনানীৰ জীৱনগাথা। প্ৰজন্মৰ পিছত প্ৰজন্মৰ মাজত এয়া জীয়াই ৰাখিবলৈ সকলোৰে চেষ্টা কৰা উচিত।

# জোনবাইক থপিয়াই ধৰিলে ভাৰতে ঃ গৰ্ব নকৰিব কিয় ?

অসম্ভৱকো সম্ভৱ কৰিলে ভাৰতীয় মহাকাশ বিজ্ঞানীয়ে। সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত জোনৰ বুকুত ভাৰতীয় মহাকাশ বিজ্ঞানীয়ে লাভ কৰিলে আন এক কৃতিত্ব। বিক্ৰম লেণ্ডাৰে স্পৰ্শ কৰিলে জোনবাইৰ দক্ষিণ মেৰু। জোনবাইৰ দেশত সবাতোকৈ প্ৰত্যাহ্বানমূলক অঞ্চল হিচাপে চিহ্নিত দক্ষিণ মেৰুত চন্দ্ৰযান-৩ সফলভাৱে অৱতৰণ কৰিলে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা বা ইছৰোৱে যি সাফল্য অৰ্জন কৰিলে সেয়া অবিশ্বাস্য হ'লেও এতিয়া সমগ্ৰ বিশ্বতেই চৰ্চা হৈছে ভাৰতৰ মহাকাশ বিজ্ঞানীসকল। বুধবাৰে সন্ধিয়া চন্দ্ৰৰ বুকুত বিক্ৰম লেণ্ডাৰে স্পৰ্শ কৰাৰ লগে লগে ভাৰতত উঠিল আনন্দৰ লহৰ আৰু স্তম্ভিত হ'ল বিশ্ববাসী। অতি কম ব্যয়েৰেও চন্দ্ৰৰ দক্ষিণ মেৰুত যে সফল হ'ব পাৰি সেয়া এহেজাৰ বিজ্ঞানী-অভিযন্তাই কৰি দেখুৱালে। ইছৰোৰ অধ্যক্ষ এছ সোমনাথে ইয়াৰ পিছতেই উল্লেখ কৰিছে যে বহুতো যন্ত্ৰণা-বেদনাৰ মাজেৰে ভাৰতে সাফল্য অৰ্জন কৰিছে। চন্দ্ৰৰ দক্ষিণ মেৰুত পদাৰ্পণ কৰা প্ৰথম দেশ হিচাপে খ্যাতি অৰ্জন কৰা ভাৰতৰ ওপৰত আজি বিশ্ববাসীৰ দৃষ্টি নিবদ্ধ আছে। চন্দ্ৰৰ বক্ষৰ মাটি-শিলত পৰীক্ষা-নিৰীক্ষা চলোৱাৰ লগতে ফটো প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰিছে। চন্দ্ৰযান-৩ৰ এই সফল অভিযানত ১০ চৰকাৰী-বেচৰকাৰী সংস্থাৰ প্ৰযুক্তিগত কাৰিকৰী সহায় লোৱা ইছৰোৱে বিশ্ববাসীৰ সন্মুখত প্ৰমাণ কৰিলে যে প্ৰযুক্তি আদিৰ ক্ষেত্ৰত আজি আৰু ভাৰতীয় বিজ্ঞানী অভিযন্তা পিছপৰি থকা নাই। চন্দ্ৰযান-২ ব্যৰ্থ হোৱাৰ পিছত এইক্ষেত্ৰত

সফল হ'ব নে নহয় তাক লৈ বহুতেই প্ৰশ্ন উত্থাপন কৰিছিল। একাংশ ৰাষ্ট্ৰই ঠাট্টা-মস্কৰাও কৰিছিল। সেই সকলোবোৰক প্ৰত্যুত্তৰ দি ভাৰতীয় বিজ্ঞানীয়ে জোনবাইৰ দেশত যি নজিৰ সৃষ্টি কৰিলে সেয়া একক আৰু অনন্য। কেইবা দশক আগলৈকে যিখন দেশে আমেৰিকা, ৰাছিয়া আদি দেশৰ মহাকাশ বিজ্ঞানীৰ মুখলৈ চাই থাকিব লাগিছিল আজি সেইখন দেশৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিবলগীয়া হৈছে বিশ্বৰ আগশাৰীৰ দেশসমূহে। দেশীয় প্ৰযুক্তি যে আজি শক্তিশালী হৈছে সেই কথাকেই প্ৰমাণিত কৰিলে বিজ্ঞানীসমূহে। যিসময়ত চীন, দক্ষিণ কোৰিয়া, ৰাছিয়া, আমেৰিকা, ফ্ৰান্স, দক্ষিণ কোৰিয়া, ইজৰাইল আদিয়ে ক্ষেপণাস্ত্ৰৰ যুঁজত ভাৰততকৈ এখোজ আগুৱাই থকা বুলি দাবী কৰিছে সেই সময়ত কিন্তু ভাৰতে জোনবাইৰ দেশত চলালে পৰীক্ষা-নিৰীক্ষা। সফলো হ'ল। সেয়ে এই দেশবিলাকৰ ঈৰ্ষাও বৃদ্ধি পালে। ভাৰতে সকলোকে ভাৰতীয়ৰ শক্তিৰ পৰিচয় দিলে।

এই সম্পূৰ্ণ অভিযানত ভাৰতে প্ৰতিটো ক্ষেত্ৰতেই সতৰ্ক হৈ আছিল। আনৰ সহায়ৰ বাবে অপেক্ষা কৰি থকাতকৈ কষ্ট কৰি হ'লেও দেশীয় প্ৰযুক্তিৰ উন্নতি বা বিকাশ কৰি সেয়া কাৰ্যক্ষেত্ৰত সফল কৰিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ আছিল বিজ্ঞানীসকলৰ লগতে অভিযন্তাসকল। ভাৰতে এনে অভিযান চলোৱা বাবে একাংশ ৰাষ্ট্ৰ উৎফুল্লিত হ'লেও আন একাংশই আকৌ সমালোচনা কৰিছে বিভিন্ন দৃষ্টিকোণৰ পৰা। ভাৰতত হেনো আজিও বহুতো লোকে বুভুক্ষাৰ মাজত আছে। সমস্যাৰে ভাৰাক্ৰান্ত দেশ এখনে ইমান পৰিমাণৰ ধনৰাশি চন্দ্ৰ অভিযানত ব্যয় কৰাৰ পৰিৱৰ্তে দুখীয়া লোকৰ উন্নতিৰ বাবে খৰচ কৰিব লাগে বুলি মন্তব্য কৰিছে। একাংশই আকৌ এতিয়া মূল্যবৃদ্ধি হোৱাৰ আশংকা প্ৰকাশ কৰিছে। দৰাচলতে এইবোৰ বিষয়ত মন্তব্য কৰাৰ আঁৰত আছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰা। বহুতে আকৌ চন্দ্ৰযান-৩ জোনবাইৰ বুকুত অৱতৰণ কৰাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাষণ প্ৰদান কৰাক লৈ বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। কোনো এখন দেশৰ সাফল্যৰ সময়ত দেশৰ প্ৰধানগৰাকীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ প্ৰদান কৰাটো নিয়ম। গতিকে চন্দ্ৰযান-৩ৰ সাফল্যৰ সময়ত প্ৰধানমন্ত্ৰীয়ে বিজ্ঞানী-অভিযন্তাৰ লগতে ইয়াৰ সৈতে জড়িত সকলোকে ধন্যবাদ, অভিনন্দন জ্ঞাপন কৰিবই। কোনোবাই বিজেপিক বেয়া পালে বুলি চন্দ্ৰযান-৩ সাফল্যত প্ৰধানমন্ত্ৰীয়ে অভিনন্দন জনোৱাটোক উপলুঙা কৰাটোৰে

তেওঁলোকৰ নিকৃষ্ট মানিসকতা। চন্দ্ৰযানৰ সৈতে কাৰোবাক ভালপোৱা-নোপোৱা জড়িত থাকিব পাৰে জানো? এই সাফল্যত সকলোৰে গৰ্বিত হোৱা উচিত। কাৰণ এনে সাফল্য বহু কষ্টৰ ফলত লাভ কৰিছে। পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৯৬২ চনত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা স্থাপন কৰাৰ সময়তো বহুতেই সমালোচনা কৰিছিল যে যিখন দেশৰ অৰ্ধেক লোক অনাহাৰে, অৰ্ধাহাৰে থাকে সেই দেশত মহাকাশলৈ যান প্ৰেৰণ কৰাটো কিমান যুক্তিসংগত। ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীয়ে যদি সাহসী পদক্ষেপ গ্ৰহণ নকৰিলেহেঁতেন তেনেহ'লে আজি চন্দ্ৰৰ বুকুত ভাৰতৰ জাতীয় পতাকা উৰিলহেঁতেন জানো? চন্দ্ৰযান-২ অৱতৰণত ব্যৰ্থ হোৱাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ইছৰোৰ বিজ্ঞানীসকলক প্ৰেৰণা যোগাইছিল পৰৱৰ্তী অভিযানৰ বাবে। গতিকে আমি এতিয়া এইবোৰ কথাক লৈ বিতৰ্ক কৰি থাকি লাভ নাই। কাৰণ যদি দেশৰ ভিতৰতে নাগৰিকসকলে বোকা ছটিওৱাৰ ৰাজনীতি কৰি থাকে তেনেহ'লে ভাৰতৰ শত্ৰু দেশসমূহে সমালোচনা কৰাৰ সুযোগ লাভ কৰিব। চন্দ্ৰ অভিযানত কিমান ব্যয় হৈছে সেয়া চৰ্চা কৰি থকাতকৈ সকলোৰে এটা কথাই ভাবিব লাগে বিশ্বৰ প্ৰতিখন দেশে চন্দ্ৰৰ দক্ষিণ মেৰুত অভিযান চলাবলৈ যিসময়ত সাহস কৰা নাই অথবা চলায়ো ব্যৰ্থ হৈছে তেনে সময়তে ভাৰতে সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। চন্দ্ৰযানৰ অভিযানক লৈ ৰাজনীতি কৰা উচিত জানো? দেশৰ স্বাৰ্থত, জাতিৰ স্বাৰ্থত ৰাজনীতি কৰাতো সকলোৰে বাবে অশুভ লক্ষণ।

আজি ১৪০ কোটি ভাৰতীয় সগৌৰৱে ক'ব পাৰিছে জোনবাইৰ দেশত উৰিছে ভাৰতৰ ধ্বজা। সকলোৰে এই সাফল্যক লৈ গৰ্ব কৰা উচিত। ইতিহাসৰ পৃষ্ঠাত লিখা থাকিব চন্দ্ৰৰ দক্ষিণ মেৰুত পদাৰ্পণ কৰা প্ৰথমখন দেশ ভাৰত। আজি ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, জাপান, ফ্ৰান্স আদি বিজ্ঞানৰ ক্ষেত্ৰত উন্নত দেশসমূহেও ভাৰতীয় বিজ্ঞানৰ চমকপ্ৰদ সাফল্যত বাঃ বাঃ দিবলৈ বাধ্য হৈছে। ভাৰতে কিমান সময়ৰ ভিতৰত কিমান টকা ব্যয় কৰি এই কাৰ্য সম্পাদন কৰিছে সেয়া ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ বিষয়টো হৈছে ভাৰতৰ সাফল্য। এতিয়া আৰু আমেৰিকা, ৰাছিয়াই ক'ব নোৱাৰে সেইবোৰ দেশৰ মহাকাশত থকা একক আধিপত্যৰ কথা।

# চৰকাৰে ‘ষ্ট্ৰীট ফুড জ’ন’ ঘোষণা কৰক

অসমীয়া যুৱক-যুৱতীয়ে কাম কৰিবলৈ লাজ কৰে বুলি দীৰ্ঘদিনৰ পৰা অভিযোগ উত্থাপিত হৈ আহিছে। কাম কৰিলে মৰ্যাদা হানি হ’ব বুলি হীনমন্যতাত ভোগে বুলিও বহুতে মন্তব্য কৰে। পিছে এনে অভিযোগৰ মাজতো আজি বহুতো অসমীয়া যুৱক-যুৱতীয়ে ব্যৱসায়েৰে জগত জিনিবলৈ সক্ষম হৈছে। অসমৰ যুৱক-যুৱতীয়ে কৰা খেতিৰ ফচল বিদেশত সমাদৰ লাভ কৰিছে। বহুতে নীৰৱে কাম কৰি আছে। সংবাদ মাধ্যমৰ পৰা আঁতৰি থকা এইসকল যুৱক-যুৱতীয়ে আত্মপ্ৰতিষ্ঠাৰ লগতে আন দহগৰাকীক কৰ্মসংস্থাপন দিছে। ৰাজ্যৰ অৰ্থনীতিলৈ আগবঢ়াইছে অৱদান। এতিয়া বহুতো উচ্চ শিক্ষিত যুৱক-যুৱতীয়ে খেতিপথাৰৰ লগতে পদপথতো দোকান দিছে। ৰাজ্যৰ আন চহৰৰ লগতে গুৱাহাটী মহানগৰীৰ পথৰ কাষত ফাষ্টফুড, পিঠা বিক্ৰী কৰি উপাৰ্জন কৰিছে। বহুতে নিজৰ পঢ়া খৰচ উলিয়ায়। কিছুমানে গাঁৱৰ পৰা আহি উচ্চ শিক্ষা লাভৰ বাবে আনৰ ওচৰত ভিক্ষা খোজাৰ পৰিৱৰ্তে পদপথ অথবা পথৰ কাষতেই ব্যৱসায় কৰি উপাৰ্জনৰ পথ বাছি লৈছে। আজিকালি গুৱাহাটী মহানগৰীৰ পথৰ কাষত দোকান দিয়া যুৱক-যুৱতীৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। বিশেষকৈ পুৱা আৰু গধূলি ফাষ্টফুড আদিৰ লগতে ফল-মূলৰ ৰস বিক্ৰী কৰা দেখা যায়। কিছুমান স্থানত দুপৰীয়া ইমানেই ভিৰ হয় যে বিক্ৰেতাই যোগান ধৰিবলৈ অসুবিধা হয়। এইসকল যুৱক-যুৱতী উচ্চ শিক্ষিত হৈয়ো চৰকাৰী চাকৰিৰ বাবে আৱেদন কৰি কৰি ভাগৰি পৰাৰ পৰিৱৰ্তে স্বাৱলম্বিতাৰ নিদৰ্শন

দাঙি ধৰিছে। এতিয়া আৰু কোনোৱে লাজতে হাত সাবটি বহি নাথাকে। নতুবা শিক্ষা লাভ কৰাৰ পিছত চাকৰি নাপালে সমাজত তেওঁলোকৰ স্থান নাথাকিব বুলি হীনমন্যতাত ভোগাৰ দিন উকলি গ'ল। তেওঁলোকে বুজি পাইছে শ্ৰমৰ মৰ্যাদা (Dignity of Labour)।

মহানগৰীত এখন দোকান স্থায়ীভাৱে দিবলৈ বহুতৰেই নাই সম্পদ, ধন আৰু স্থান। সাধাৰণতে যিবোৰ ঠাইত মানুহৰ সমাগম বেছি হয় সেইবোৰত কিছুমান দোকান বা ব্যৱসায়িক প্ৰতিষ্ঠান দিয়াটো সম্ভৱ নহয়। কিছুমানৰ ধন আছে ঠাই নাই। আন কিছুমানৰ আকৌ ধন আৰু ঠাই দুয়োটাৰে অভাৱ। কিন্তু ব্যৱসায় কৰিবলৈ আগ্ৰহী আৰু একাংশৰ সন্মুখত বিকল্প নোহোৱা বাবে বাধ্য। সি যি নহওক, পথৰ দাঁতিত অথবা পদপথত দোকান দিবলৈ আগবাঢ়ি অহাটো এক শুভ লক্ষণ বুলি ক'ব পাৰি। তদুপৰি একাংশ যুৱক-যুৱতীয়ে আগৰে পৰাই এনেধৰণৰ কাম কৰি আহিছে যদিও প্ৰচাৰ মাধ্যমৰ দৃষ্টিগোচৰ হোৱা নাই। একাংশ সংবাদ মাধ্যমে কোনোবাই কিবা এটা প্ৰকাশ পোৱাৰ পিছতহে সজোৰে প্ৰচাৰৰ কাৰণে আগবাঢ়ি আহে। ফলত কেতিয়াবা হঠাতে হোৱা অত্যধিক প্ৰচাৰেও বিপদত পেলোৱা দেখা গৈছে।

ৰাজ্য চৰকাৰে এইসকল যুৱক-যুৱতীক উৎসাহিত আৰু প্ৰেৰণা যোগাবলৈ পৰিকল্পনা কৰা উচিত। চৰকাৰীভাৱে কম পৰিমাণে ন্যূনতম সুদত তেওঁলোকক ঋণ দিয়াৰ সুবিধা কৰিলে এইসকল নিশ্চয়কৈ উপকৃত হ'ব। তদুপৰি কৰ্মোদ্যোগী যুৱক-যুৱতীসকলে এনে ব্যৱসায় যাতে সুন্দৰভাৱে চলাই নিব পাৰে তাৰ বাবে বিভিন্ন ঠাইত বিশেষকৈ পাণবজাৰ, দীঘলীপুখুৰীপাৰ, উলুবাৰী, পল্টনবজাৰ, গণেশগুৰি, ৰাজগড়, চানমাৰি, গুৱাহাটী ক্লাব, ফৰেষ্ট গেট, নুনমাটি, ছয় মাইল, আদাবাৰী, জালুকবাৰী, লালগণেশ, লতাশিল, খানাপাৰা আদি স্থানত পথৰ দাঁতিত ব্যৱসায় কৰি থকা যুৱক-যুৱতীসকলৰ বাবে 'ষ্ট্ৰীট ফুড জ'ন'ৰ ব্যৱস্থা কৰিব লাগে। অৰ্থাৎ নিৰ্দিষ্ট সময়ৰ বাবে উক্ত স্থানত এইবোৰ খাদ্য বিক্ৰীৰ বাবে সুযোগ দিলে গ্ৰাহকসকলেও নিশ্চয় উপকৃত হ'ব পাৰিব। কাৰণ কোনো এটা ঠাইত যদি নিয়মীয়াকৈ নিৰ্দিষ্ট সময়ত খাদ্য পোৱা যায় তেনেহ'লে গ্ৰাহক ৰাইজেও সেই সময়ত খাবলৈ যাব। বন্ধৰ দিনতো ল'ৰা-ছোৱালীক বা পৰিয়ালৰ আটাইবোৰ সদস্যক লগত লৈ খাবলৈ যোৱাৰ আনন্দও লাভ কৰিব পাৰিব। এনেদৰে মাজে-সময়ে খাবলৈ যোৱাৰ ফলত মুকলি ঠাইত খোৱাৰো আনন্দ

পালে আৰু লগ-সমনীয়াকো লগ পোৱাৰ সম্ভাৱনা থাকে। গতিকে এনেধৰণৰ ঠাইলৈ খাবলৈ গ'লে সদায় ইতিবাচক দিশটোহে লুকাই থাকে। যেতিয়া 'ষ্ট্ৰীট ফুড জ'ন'ত একেলেথাৰিয়ে শাৰী শাৰীকৈ খাদ্যৰ সৰু সৰু ম'বাইল দোকান (ঠেলা, ৰিক্সাৰ লগতে সৰু সৰু বাহন আদি) থাকিলে দেখাতো আকৰ্ষণীয় হ'ব। তদুপৰি গ্ৰাহক ৰাইজ ভিন্ন স্বাদৰ খাদ্য গ্ৰহণৰ সুযোগ পালে মনটো নিশ্চয় ভৰি পৰিব আনন্দৰে।

এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে 'ষ্ট্ৰীট ফুড জ'ন' আদিত যিসকলে ব্যৱসায় কৰিব তেওঁলোকে যাতে খাদ্যৰ মান আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখে তাৰ ওপৰত চৰকাৰে পৌৰসভাৰ যোগেদি কিছুমান নীতি-নিৰ্দেশনা বান্ধি দিব লাগিব। কাৰণ বহুতেই পদপথ বা পথৰ কাষৰ দোকান হ'লেই লেতেৰাকৈ ৰখাৰ মানসিকতা থাকে। খাদ্যত ধূলি পৰি চামনি বান্ধে। ভেনামাখি আদি খাদ্যৰ ওপৰতেই পৰি থাকে। তদুপৰি লেতেৰা আৰু দুৰ্গন্ধ পৰিৱেশত খাদ্য পৰিৱেশন কৰে। চৰকাৰে যিবোৰ ঠাইত ষ্ট্ৰীট ফুড জ'ন ঘোষণা কৰে সেইবোৰত ন্যূনতম নীতি-নিয়ম মানি স্বাস্থ্যসন্মত খাদ্য পৰিৱেশন কৰিবই লাগিব। 'কম পইচাত পৰিষ্কাৰ পৰিৱেশত স্বাস্থ্যসন্মত খাদ্য পৰিৱেশন কৰাটো সম্ভৱ নহয়', সেই মানসিকতাৰ সলনি কৰিব লাগিব। কাৰণ লেতেৰা আৰু অস্বাস্থ্যকৰ পৰিৱেশত প্ৰস্তুত কৰা যিকোনো খাদ্যই সময়ত বিপদৰ কাৰণ হ'ব পাৰে। এনেবোৰ দিশত গুৰুত্ব প্ৰদান কৰি যদি যুৱক-যুৱতীসকলে খাদ্যপ্ৰস্তুত কৰে তেতিয়াহ'লে নিশ্চয়কৈ এই ব্যৱসায়ৰ জৰিয়তে দুপইচা বেছিকৈ উপাৰ্জন কৰিব পাৰিব। সেইবাবে চৰকাৰে শীঘ্ৰে ঘোষণা কৰক 'ষ্ট্ৰীট ফুড জ'ন'।

# সতৰ্কতা ঃ পথ দুৰ্ঘটনা প্ৰতিৰোধৰ প্ৰধান উপায়

অতিসম্প্ৰতি পথ দুৰ্ঘটনাৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে এয়া সকলোৰে বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। ঘৰৰ পৰা ওলাই গ'লে উভতি নহালৈকে চিন্তা। কিবা হ'লেই নেকি? চৰকাৰৰ লগতে পৰিবহণ বিভাগে যিমানেই ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছে সিমানেই দুৰ্ঘটনাৰ পৰিসংখ্যাৰ গ্ৰাফডালো ঊৰ্ধ্বমুখী হৈছে। ৰাস্তা-ঘাটৰ প্ৰসাৰ উন্নয়নৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে পথ দুৰ্ঘটনাৰ সংখ্যা তদুপৰি ছীটবেল্ট পৰিধান নকৰা, হেলমেট মূৰত পিন্ধাৰ পৰিৱৰ্তে হাতত লোৱা, মাদক দ্ৰব্য সেৱন কৰি বাহন চলোৱাৰ পৰিণতিতেই এনেধৰণৰ দুৰ্ঘটনা সংঘটিত হৈছে। প্ৰতিটো দুৰ্ঘটনাৰ আঁৰত থাকে একো একোটা কাৰণ। এই কাৰণ কিছুমানৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষ হোৱা দেখা যায়। সাধাৰণতে প্ৰত্যক্ষ কাৰকৰ ক্ষেত্ৰত চালকগৰাকী সম্পূৰ্ণৰূপে দায়ী বুলি ক'ব পাৰি। নিয়ন্ত্ৰণহীনভাৱে বাহন চলোৱা, চালকৰ আসনত বহাৰ সময়ত নিচাৰ মাজত ডুব গৈ থকা, অনাহকতে বহুত দ্ৰুতগতিত বাহন চলোৱাৰ অঘোষিত প্ৰতিযোগিতাত লিপ্ত হোৱাৰ ফলত এনেধৰণৰ সমস্যাই গা কৰি উঠে। বিগত এটা দশকত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে তালৈ যেন কাৰো চকুৰেই নাই। এইবোৰ যেন অসাৰ বাণী হৈ পৰিছে। য'ত 'লাহে লাহে বাহন চলাব লাগে' বুলি লিখা থাকে তাতেই দ্ৰুতবেগে বাহন চলাচল

কৰা লোকেই এতিয়া বেছি। কাৰণ কি বুলি যদি কোনোবাই প্ৰশ্ন কৰে তেনেহ'লে উত্তৰ দিয়াটো উজু নহ'ব।

বিগত সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো কেইবাটাও ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হৈছে। এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছে বহুতো লোকে। চালকৰ সামান্য ভুলৰ বাবে সংঘটিত হোৱা পথ দুৰ্ঘটনাত মৃত্যু হোৱা হোৱা লোকৰ সংখ্যা গণনা কৰি শেষ কৰিব নোৱাৰি। কাৰণ কোনো নহয় কোনো এঠাইত এনেধৰণৰ দুৰ্ঘটনা সংঘটিত হৈয়ে আছে দিনে-নিশাই। দুৰ্ঘটনাৰ ক্ষেত্ৰত কাৰক যিয়েই নহওক কিয় মৃত্যু কিন্তু হৃদয়বিদাৰক।

সাধাৰণতে দুৰ্ঘটনা হ'লে 'মদ খাই গাড়ী চলাইছিল' বুলি মন্তব্য কৰা লোকৰ সংখ্যাই বেছি। পিছে মদ নোখোৱাকৈ গাড়ী চলাওঁতেও এনে ঘটনা সংঘটিত হৈয়েই আছে। মৃত্যু কাৰো কাম্য নহয়। আৰু এটা কথা ঠিক যে এই দুৰ্ঘটনাত যিসকল চিৰদিনৰ বাবে আহত হৈ শাৰীৰিকভাৱে অথবা মানসিকভাৱে দুৰ্বল হৈ থাকে তেওঁলোকে পৰৱৰ্তী সময়ত কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লাগে সেয়া ভুক্তভোগীয়েহে ভালদৰে উপলব্ধি কৰিব পাৰে। দুৰ্ঘটনাত মৃত্যু হোৱাৰ লগে লগে একো একোটা পৰিয়াললৈ নামি আহে চৰম দুৰ্যোগ। কাৰোবাৰ ঘৰৰ মুৰব্বীগৰাকী নিহত হৈছে। কোনোবাৰ আকৌ একমাত্ৰ পুত্ৰ অথবা কন্যা সন্তানে প্ৰাণ হেৰুওৱাত বংশ ৰক্ষা কৰা মানুহো নাথাকে। অৰ্থাৎ প্ৰজন্মৰ মৃত্যুৰ লগে লগে একোটা পৰিয়ালো নিঃশেষপ্ৰায়। গতিকে গাড়ী আদি চলাওঁতে সাৱধান হোৱা উচিত।

পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ চৰকাৰৰ লগতে সংশ্লিষ্ট বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আগতে যিমান টকা হেলমেট নিপিন্ধা বাবে জৰিমনা কৰিছিল এতিয়া তাতকৈ বেছি কৰা হৈছে। দুয়োগৰাকী আৰোহীয়ে যদি দুচকীয়া বাহন চলাওঁতে হেলমেট নিপিন্ধে তেতিয়াও জৰিমনা বিহাৰ নিয়ম আছে। কিছুমান বিশেষ কাৰণত চালকৰ হাতত থকা পঞ্জীয়নো বাতিল কৰাৰ নিয়ম। ছীটবেল্ট নাবান্ধিলেও একেই জৰিমনা। এখন গাড়ীক আন এখন গাড়ীৰে 'অভাৰটেক কৰিলে'ও একেই নিয়ম প্ৰযোজ্য। এতিয়া কথা হ'ল এই নিয়মবোৰৰ বাবে যদি হেলমেট পিন্ধা, ছীটবেল্ট বান্ধি লোৱাৰ মানসিকতা আজিও বৰ্তি আছে। তেনেহ'লে দুৰ্ঘটনা প্ৰতিৰোধ কেনেকৈ সম্ভৱ হ'ব।

জীৱনটো অমূল্য সম্পদ। এই সম্পদ এবাৰ হেৰুৱালে পুনৰ ঘূৰাই পোৱাটো কঠিন। সেইবাবে এই জীৱনটোৰ কথা ভাবিয়েই পথত যান-বাহন চলাব লাগে। কেৱল দণ্ড ভৰা বা জৰিমনাৰ ভয়তে হেলমেট পিন্ধা, ছীটবেল্ট ব্যৱহাৰ কৰাৰ মানসিকতা সলনি কৰিব লাগিব। টকা আৰু ক্ষমতা থাকিলেই সকলো নহয়। সমান্তৰালভাৱে চিন্তা ভাবনাৰো প্ৰয়োজন। গাড়ী চলাওঁতে সদায় এটা কথা মনত ৰখা উচিত যে পথ অথবা ৰাজপথ কোনো প্ৰতিযোগিতাৰ পথাৰ নহয়। কোনোবাই যদি দ্ৰুতগতিত বাহন চলাইছে তেনেহ'লে তেওঁক দেখি আনেও যে একেই গতিৰে যাব লাগিব তেনে নহয়। কাৰোবাৰ মৰণলৈ ভয় নাই, চলাইছে চলাব দিয়ক। তদুপৰি আজিকালি নতুনকৈ ধনী হোৱা একাংশলোকৰ মনত এনে এক ধাৰণাই বাহ লৈছে যে নিজে চলাই যোৱা বাহনখন যদি দামী তেনেহ'লে আনতকৈ অলপ হ'লেও আগত যাবই লাগিব। প্ৰত্যেকেই যেতিয়া এনেদৰে ভাবিবলৈ লৈছে তেতিয়া ৰাজপথতেই চলিছে অঘোষিত দ্ৰুতগতিৰ প্ৰতিযোগিতা। আনহাতে, একাংশ পিতৃ-মাতৃয়ে সন্তানক যধে-মধে বাহন চলাবলৈ উৎসাহিত কৰে। তেওঁলোক যে সম্ভ্ৰান্ত পৰিয়ালৰ সদস্য সেই কথা জাহিৰ কৰিবলৈকে ল'ৰা-ছোৱালীক কম বয়সৰ পৰাই অবৈধভাৱে গাড়ী চলাবলৈ দিয়ে। অনুজ্ঞাপত্ৰ লাভ নকৰাকৈয়ে বহুতে গাড়ী চলাই থাকে। যেতিয়া ১৩-১৪ বছৰীয়া ল'ৰা-ছোৱালীয়ে দুচকীয়া বাহন এখন চলাবলৈ শিকে তেতিয়া পিতৃ-মাতৃ বা অভিভাৱকে সেই কাৰ্যত উৎসাহ যোগায়। কম বয়সতে গাড়ী চলোৱা, বাইক চলাবলৈ শিকাটো ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ কথাটো হৈছে এই সময়ত মনটো নিয়ন্ত্ৰণ কৰাটোহে। কিয়নো কম বয়সত গাড়ী চলোৱাসকলে দ্ৰুতবেগত চলাই ভাল পায়। এই অভ্যাস পিছলৈকো থাকে। গতিকে পদে পদে বিপদ ঘনীভূত হয়।

আজিকালি গাড়ী অথবা বাইক চলোৱাৰ সময়তো ম'বাইল ফোন আদি ব্যৱহাৰ কৰে। এয়া একেবাৰেই বেয়া কথা। কাৰণ যেতিয়া ম'বাইলটো ব্যৱহাৰ কৰে তেতিয়া মনঃসংযোগ সেই কথাটোৰ ওপৰত থাকে। সেইবাবে হঠাতে দুৰ্ঘটনাত পতিত হোৱাৰ আশংকা থাকে। গাড়ী চলাওঁতে মনঃসংযোগৰ প্ৰয়োজন। দুয়োটা বিষয় একাকাৰ হোৱাৰ লগে লগে বিপদ। পিতৃ-মাতৃয়ে সন্তানক বাহন, বাইক এখন কিনি দিলেই দায়িত্ব শেষ নহয়। ইয়াৰ ব্যৱহাৰ সঠিকভাৱে কৰিবলৈকেও শিকাব লাগে।

পথ দুৰ্ঘটনা নিয়ম আদি প্ৰয়োগ কৰি প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়। কাৰণ এতিয়া ধনৱান লোকৰ সংখ্যাই বেছি। জৰিমনা ভৰিলেও গাত নালাগে। গতিকে কঠোৰ নিয়ম, অকল্পনীয় জৰিমনাৰ পৰিমাণ আৰু কঠোৰ অনুশাসন তথা সজাগতাৰেহে পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে পদক্ষেপ ল'ব লাগিব। সজাগতা আৰু সতৰ্কতাই হৈছে দুৰ্ঘটনা ৰোধৰ অমোঘ অস্ত্ৰ। মনত ৰখা উচিত সুন্দৰৰ মাজেদি আগুৱাই যাবলৈ হ'লে প্ৰথমতে নিজকে সুন্দৰ কৰিব লাগিব। প্ৰতিযোগিতা নহয়, সতৰ্কতাৰ মনোভাবেৰে আগবাঢ়িলেহে আমি সকলোৰে জীয়াই থাকিব পাৰিম। সতৰ্কতাই নিজৰ লগতে আন দহজনৰো জীৱন ৰক্ষা কৰিব।

# কিয় অনুভৱ হয় প্ৰচণ্ড গৰম

উস্— বৰ গৰম। প্ৰচণ্ড গৰমত ৰ'ব নোৱাৰি ছট্‌ফটাই থকা প্ৰায়ভাগ লোকৰ মুখৰ পৰা নিগৰি অহা এটা বাক্য। কিমান উষ্ণতা হ'লে মুখৰ পৰা এই বাক্যটো আপোনা-আপুনি ওলাই আহে সেয়া ব্যাখ্যা কৰিব নোৱাৰি। মানুহে যেতিয়া স্বাভাৱিক তাপমাত্ৰাতকৈ বেছি গৰম অনুভৱ কৰে তেতিয়াই সকলোৰে মুখৰ পৰা এনে বাক্য শুনিবলৈ পোৱা যায়। পুৰুষ-মহিলা সকলোৰে মুখত শুনিবলৈ পোৱা এই বাক্যশাৰী প্ৰায়ভাগ ঠাইতে শুনিবলৈ পোৱা যায়। এতিয়া প্ৰশ্ন হ'ল কিয় গৰমৰ দিনত এনেধৰণৰ বাক্য কোৱা লোকৰ সংখ্যা বৃদ্ধি পাইছে। হিচাপ মতে, পাব নালাগিছিল। কাৰণ বিজ্ঞানৰ চৰম অগ্ৰগতিৰ লগে লগে বিদ্যুৎ পৰিচালিত পাংখা, শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ, শীতল পানীয়, ৰেফ্ৰিজাৰেটৰ আদি বজাৰত উপলব্ধ হোৱাৰ পিছত বেছি গৰম অনুভৱ কৰিব নালাগিছিল। তথাপি যিমানেই নতুন নতুন সামগ্ৰী, যন্ত্ৰ আদি বজাৰত উপলব্ধ হৈছে সিমানেই মানুহৰ গৰম সহ্য কৰিব নোৱৰা পৰিস্থিতিৰ সৃষ্টি হৈছে।

যেতিয়া মানুহে পুৱাৰে পৰা নিজৰ দৈনন্দিন কাৰ্য সম্পাদন কৰি থাকে তেতিয়া বেছি গৰম অনুভৱ নহয়। কাৰণ গৰমতকৈ নিজৰ কাম সম্পাদন কৰাটোহে অধিক গুৰুত্ব দিয়ে। গতিকে গৰম গৰম বুলি কৈ থাকিবলৈ সময়ো নাথাকে। দ্বিতীয়তে যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে অলপ সময়ৰ বাবে হ'লেও শীত-তাপ নিয়ন্ত্ৰিত কোঠাত কটায় তেওঁ পৰৱৰ্তী সময়ত বেছিকৈ গৰম অনুভৱ কৰে। আনহাতে দিনটোৰ ভিতৰত যিগৰাকী ব্যক্তিয়ে বেছি সময়

শীত-তাপ নিয়ন্ত্ৰিত কোঠাত কটায় তেওঁ এই ঘৰৰ পৰা ওলাই অহাৰ পিছতেই যি গৰম অনুভৱ হয় সেয়া বৰ্ণনা কৰিব নোৱাৰি। গৰম কিয় বেছি হৈছে সেয়া কোনোবাই এবাৰ হ'লেও ভাবি চাইছেনে? নিশ্চয় চোৱা নাই। চহৰৰ কথাতো বাদেই, গ্ৰামাঞ্চলটো সেই একেই ছবি। আজিকালি গাঁওবোৰতো চৌদিশে অট্টালিকা নিৰ্মাণ হ'বলৈ ধৰিছে। আগতে অসম আৰ্হিৰ ঘৰবোৰ সাজিছিল। বিদ্যালয়সমূহো আছিল এনে আৰ্হিৰ। ঘৰৰ লগতে বিদ্যালয় আদিৰ চাৰিওফালে মুকলি ঠাই আছিল। দুৱাৰ-খিৰিকীৰে মুকলি বতাহ সোমাইছিল। তদুপৰি ঘৰবোৰ বিশেষকৈ মূল ঘৰটো উত্তৰ-দক্ষিণমুৱাকৈ নিৰ্মাণ কৰিছিল। সাধাৰণতে উত্তৰ-দক্ষিণমুৱাকৈ নিৰ্মাণ কৰা ঘৰবোৰত গৰম বেছি নহয়। তদুপৰি ঘৰবোৰত খিৰিকীৰ সংখ্যা বেছি আছিল। বাঁহ-খেৰৰ ঘৰবোৰ সদায় ঠাণ্ডা হৈয়ে থাকে। ইয়াৰ বিপৰীতে আজিকালি নিৰ্মাণ কৰা ঘৰবোৰত যিকোনো দিশতেই সজা হয়। তদুপৰি কম ভূমিত অতি ঘনকৈ ঘৰ নিৰ্মাণ কৰা বাবেও মুকলি বতাহ এছাতি পাবলৈ নাই। চহৰাঞ্চলৰ কথাতো ক'বই নালাগে। এফালৰ পৰা পাহাৰ ধ্বংস কৰি, বিল পুতি ঘৰ সাজিছে। ঘৰবোৰো কেবামহলীয়া হ'ল। অতি ঠেক ঠাইত নিৰ্মাণ কৰা বাবে খিৰিকী আদিৰো বিশেষ সুবিধা নাথাকে। আগতে ঘৰবোৰৰ বাৰান্দা আছিল। দুয়োফালে বাৰান্দা থকা বাবে চাৰিওফালৰ পৰা ৰ'দ মূল ঘৰটোত নপৰে। গতিকে ঘৰৰ ভিতৰভাগ ঠাণ্ডা হৈ থাকে।

গৰমৰ দিন মানেই গধূলিপৰত চোতালত বহা, ককা-আইতাৰ সৈতে চোতালত বহি সাধু শুনাৰ মজাই আছিল বেলেগ। এই ছবিখন এতিয়া পাবলৈ নাই। পৰ্বতত কাছৰ কণী বিচৰাৰ দৰে হৈছে। একক পৰিয়ালৰ সদস্যই চোতালত বহি কি কৰিব। তদুপৰি বহিবলৈ নাই চোতাল-বাৰাণ্ডা। আজিকালি ফ্লেট আদিৰ যি 'বেলকনি'ৰ ব্যৱস্থা কৰা হৈছে সেয়া এখন আঁঠুৱা তৰিব পৰা ঠায়ো নহয়। তাতেই কাপোৰো মেলি দিয়ে আৰু বতাহৰ বাবে অপেক্ষা কৰি বহি থাকে। ইঘৰে সিঘৰৰ সদস্যৰ মুখ দেখা নাপায়। কথা পাতিবলৈকে সময় নাই। যেতিয়া মানুহে মুকলি মনেৰে কথা পাতি বহি থাকিলেও গৰম অনুভৱ নহয়। আগতে গৰমৰ দিনত সন্ধিয়াপৰত গছৰ তলত চাঙত বহি গপ মৰাৰ আমেজেই বেলেগ আছিল। এতিয়া তেনেদৰে বহিব পৰা পৰিৱেশো নাই। কাৰণ নিচাজাতীয় দ্ৰব্য সেৱন কৰি আড্ডা মৰা যুৱক-যুৱতীহে গধূলিপৰত বেছি হয়। এতিয়া

ল'ৰা-ছোৱালীয়ে বাৰাণ্ডা অথবা চোতালত বহি সময় কটোৱাতকৈ ম'বাইলটো খুঁচৰিয়ে বিছনাত পৰি থাকিব।

আগতে প্ৰায়ভাগ পৰিয়ালৰ ঘৰৰ ওচৰত প্ৰকাণ্ড প্ৰকাণ্ড গছ-গছনি আছিল। পথাৰ আছিল সেউজীয়া। চৌপাশে ঘাঁহনি আদিয়ে বিৰাজ কৰে। এতিয়া ঘৰৰ চাৰিওফালে এনে গছ-গছনি ৰাখিবলৈ পোৱা নাযায়। পথাৰৰ মাটিত এতিয়া অট্টালিকা উঠিল। গছ-গছনি ৰোৱাৰ অভ্যাস নোহোৱাই হৈছে। কেৱল পাঁচ জুনত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষৰোপণ কৰি ছেল্‌ফি উঠাৰ প্ৰতিযোগিতাহে চলিছে। ঘৰৰ চাৰিওফালে থকা গছবোৰ কাটি ঘৰ আদি নিৰ্মাণ কৰিছো যদিও সেই গছৰ ঠাইত আন গছ-গছনি ৰোৱা নাই। পৰিৱেশ প্ৰদূষণমুক্ত আৰু উত্তাপৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ হ'লে গছ-গছনি ৰুবই লাগিব। প্ৰকৃতি ধ্বংসযজ্ঞ চালেই এনে হ'বই। কাৰণ মানুহে এফালে বনাঞ্চল বৃদ্ধি কৰিব লাগে বুলি দাবী জনায় আৰু আনফালে গছ-গছনি কাটি তহিলং কৰিছে। বনাঞ্চলৰ লগতে পথাৰ কাটি উন্নয়নৰ বাবে যিবোৰ কাম কৰিবলৈ লৈছে সেইবোৰে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে গৰম বা উত্তাপ বৃদ্ধিত অৰিহণা যোগাইছে। সকলোৰে বছৰত এডাল হ'লেও গছ ৰোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে। আনৰ মুখলৈ চাই থকাৰ মনোভাৱ সলনি কৰিবই লাগিব। জন্মদিনত গছ ৰোৱক। বিবাহৰ দিনাও একোটিকৈ গছপুলি ৰুব লাগে। এনেদৰে যদি সকলোৰে সমাজ গঢ়াৰ সংকল্প লৈ কাম কৰে তেনেহ'লে নিশ্চয় সকলোৰে সুফল লাভ কৰিবলৈ সক্ষম হ'ব।

আমি যিমানেই এয়াৰ কুলাৰ, এয়াৰ কণ্ডিচনাৰ ব্যৱহাৰ কৰো সিমানেই আমাৰ গৰম সহ্য কৰিব পৰা শক্তি নোহোৱা হৈ থাকিব। আমাৰ শৰীৰটোৰে প্ৰকৃতিগতভাৱে ঠাণ্ডা, গৰম সহ্য কৰিব পৰাকৈ ভগৱানে সৃজিছে। মাথোঁ মানৱজাতিৰ অত্যাচাৰ, প্ৰকৃতি ধ্বংসৰ মানসিকতা আৰু পৃথিৱীৰ প্ৰতিটো অঞ্চলৰ লোকৰ স্বাৰ্থপৰ মনোভাবৰ বাবে আজি সকলোৰে ক'বলৈ ধৰিছে— 'উস্, প্ৰচণ্ড গৰম।' কিন্তু আমি আজি এই গৰম সহ্য কৰি থাকিবলৈ যদি অপাৰগ হওঁ তেতিয়াহ'লে ইয়াৰ পৰা মুক্তি লাভ কৰিবলৈ কোনে চিন্তা কৰিব? তদুপৰি আৰু ২০ বছৰ পাছত উদ্ভৱ হ'ব পৰা পৰিস্থিতি যাতে নৱপ্ৰজন্মই নিয়ন্ত্ৰণ কৰিব পাৰে তাৰবাবে এতিয়াৰে পৰাই আমি চিন্তা-চৰ্চা কৰিব লাগিব।

# বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি?

অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ ভিতৰত অন্যতম কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি সংগীত, চলচ্চিত্ৰ জগতলৈকে সকলোতে দখল থকা ব্যক্তিসকলৰ ভিতৰত নিঃসন্দেহে বিষ্ণু ৰাভা অনন্য। ইমান বিশাল গুণ তথা প্ৰতিভাধৰ ব্যক্তি হৈয়ো তেওঁ নিৰহংকাৰী আছিল। হয়তো আজিৰ প্ৰজন্মৰ দৰে হোৱাহেঁতেন বিষ্ণু ৰাভাৰ ব্যক্তিত্বৰ কথা সংবাদমাধ্যমত এনেদৰে প্ৰচাৰ হ'লহেঁতেন যিটো বংগ আদিৰ সংবাদ মাধ্যমে পাঁচ দশকমান আগৰে পৰাই কৰি আহিছে। এই কথাখিনি ক'বলগীয়া হোৱাৰ কাৰণ হৈছে বিষ্ণু ৰাভাক আমি কেৱল '২০ জুনত' ৰাভা দিৱসতেহে স্মৰণ কৰোঁ। বছৰৰ ৩৬৫ দিনৰ মাত্ৰ এদিনহে তেওঁক স্মৰণ কৰোঁ বাবে হয়তো আজিৰ প্ৰজন্মৰ বহুতেই নাজানে কলাগুৰুৰ অসমবাসীলৈ আগবঢ়াই যোৱা মহান অৱদানৰ কথা। বিশাল ভূমি-সম্পত্তিৰ অধিকাৰী হৈয়ো সেইবোৰৰ মোহ ত্যাগ কৰি এদিন ওলাই আহিছিল দেশৰ নিপীড়িত-নিৰ্যাতিত লোকৰ মুক্তিৰ বাবে। এফালে কলাগুৰু আৰু আনফালে জনগণক শোষণ-লাঞ্ছনাৰ পৰা মুক্তি দিয়াৰ স্বপ্নই এদিন বিষ্ণু ৰাভাক জনগণৰ মাজলৈ লৈ গৈছিল। প্ৰথমতে দেশৰ স্বাধীনতাৰ বাবে যুঁজ আৰু পৰৱৰ্তী সময়ত বিপ্লৱী কমিউনিষ্ট হিচাপে খাটিখোৱা লোকৰ নিপীড়ন, শোষণৰ পৰা মুক্ত কৰাৰ সংগ্ৰাম। মুঠতে জীৱনতো এক সংগ্ৰামৰ মাজেদিয়ে আগুৱাই নি বিষ্ণু ৰাভাই অসমীয়া সমাজ তথা জাতিটোৰ বাবে যি অৱদান আগবঢ়াই থৈ গ'ল সেয়া সদায় স্মৰণীয়।

এতিয়া কথা হ'ল বিষ্ণু ৰাভাক আমি কেৱল ২০ জুনতহে স্মৰণ কৰিম নেকি ? আন সময়ত তেওঁৰ স্মৃতিবিজৰিত ঠাই, অনুষ্ঠান আদিৰ জৰিয়তে বিভিন্ন ধৰণৰ আলোচনা চক্ৰ, ৰাভা সংগীতৰ কৰ্মশালা, তেওঁৰ অৱদান তথা স্মৃতিজড়িত বিষয়সমূহ উপস্থাপন কৰি সভা-সমিতিৰ আলোচনা কৰিব নোৱাৰোনে ? ইয়াৰ মাজতে মাজে-সময়ে দুই-এঠাইত ৰাভা সংগীতৰ কৰ্মশালা আৰু ৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন নকৰাও নহয়। অৱশ্যে এয়া কেৱল মুষ্টিমেয় কেইগৰাকীমান লোকৰ বাবেহে সম্ভৱ হৈছে। আমি যিমানেই চিঞৰি নাথাকো কিয় আজিলৈকে কলাগুৰুৰ সমাধিক্ষেত্ৰকেই উপযুক্তভাৱে সংৰক্ষণ কৰিব পৰা নাই। যি ঠাইলৈকে মানুহৰ সোঁত বব লাগিছিল সেই ঠাইৰ চাৰিওফালে গজি উঠিছে হাবি-জংঘল। মাথোঁ ২০ জুন আহিলে আমি সকলোৱে এইবোৰ পৰিষ্কাৰ কৰি সামাজিক মাধ্যমত ফটো আপলোড কৰিবলৈ হেতা-ওপৰা লগাইছো। তেওঁৰ স্মৃতিবিজড়িত অনুষ্ঠানত ৰং সানিবলৈ সকলোৱে তৎপৰ হৈ পৰে কেৱল বিষ্ণুৰাভা দিৱসৰ প্ৰাক্‌ক্ষণত।

আমি বিষ্ণু ৰাভাক এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত বান্ধি ৰাখিছো। এইগৰাকী মহান ব্যক্তিৰ ওপৰত যিমান গৱেষণা হ'ব লাগিছিল তাৰ অৰ্ধেকো হোৱা নাই। আজিও নৱপ্ৰজন্মৰ বহুতেই নাজানে 'ৰাভা দিৱস'ৰ তাৎপৰ্য। নজনাটো স্বাভাৱিক কথা। কাৰণ বছৰেকত মাত্ৰ এদিন স্মৰণ কৰা ব্যক্তিক মনত ৰখাৰ মানসিকতা এতিয়া আৰু কাৰেৱেই নাই। সৰুৰে পৰা আমি কেইগৰাকী অভিভাৱক, পিতৃ-মাতৃয়ে নিজৰ সন্তানক 'ৰাভা সংগীত' শিকিবলৈ প্ৰেণা যোগাইছো। ৰাভাৰ জীৱন-সৃষ্টিকৰ্মৰ আধাৰত ৰচনা কৰা গ্ৰন্থ, বিষ্ণু ৰাভাৰ ৰচনাৱলী আমি কেইগৰাকীয়ে সংৰক্ষণ কৰি ৰাখিছোঁ ? কেতিয়াবা বিষ্ণু ৰাভাৰ গান শিকিবলৈ সন্তানক কৈছো জানো ? জ্যোতি সংগীতৰ ক্ষেত্ৰতো একেই কথা। যদি আজিৰ প্ৰজন্মৰ ১০০ গৰাকী ল'ৰা-ছোৱালীক 'ৰাভা সংগীত' আৰু 'জ্যোতি সংগীত' কোন ব্যক্তিৰ দ্বাৰা ৰচিত গীত বুলি প্ৰশ্ন কৰা হয় তেনেহ'লে ৯৯ শতাংশই হয়তো ইয়াৰ শুদ্ধ উত্তৰ দিব নোৱাৰিব। আজি আমি সকলোৱে পাশ্চাত্য সংগীতৰ প্ৰতি সন্তানক উৎসাহিত কৰিছো। সন্তানৰ জন্মদিনত বিকত চিঞৰৰ শব্দযুক্ত গীত বজাই নিজৰ নিজৰ তথাকথিত 'ষ্টেটাছ' প্ৰকাশ কৰিছো। এই ষ্টেটাছে কিন্তু আমাক ক'ৰ পৰা ক'লৈ নিচে সেই কথা এবাৰো ভাবি চোৱা নাই। ভাবিবৰ সময় আহি পৰিছে। যদিহে আমি সময় থাকোতেই এইবোৰৰ

কথা নাভাবো তেনেহ'লে নৱপ্ৰজন্মই এখন সুন্দৰ সংস্কৃতিসম্পন্ন সমাজত বসবাস কৰিব পাৰিব জানো?

বিষ্ণু ৰাভাক লৈ যিমান গৱেষণা হ'ব লাগিছিল সিমান কিয় হোৱা নাই সেইবোৰ কথা বিশ্লেষণ নকৰিলে হয়তো এদিন নৱপ্ৰজন্মই সম্পূৰ্ণৰূপে পাহৰি যাব। আমি কেৱল 'ৰাভা দিৱস'ৰ দিনাখনেই ৰাভা সংগীত বজোৱাতকৈ ৰাজহুৱা অনুষ্ঠান, চৰকাৰী অনুষ্ঠান আদিতো বজাব নোৱাৰোনে? ৰাভা সংগীত, জ্যোতি সংগীতৰ কৰ্মশালাত নৱপ্ৰজন্মক অংশ গ্ৰহণৰ বাবে অনুপ্ৰেৰণা যোগাবলৈ আমি সকলোৱে চেষ্টা কৰা উচিত। শুদ্ধ ৰূপত আৰু স্পষ্টভাৱে এই গীতসমূহৰ উচ্চাৰণ কৰিবলৈ শিকিব লাগিব। আমি কেৱল জুবিন গাৰ্গে ৰাভা সংগীত পৰিৱেশন কৰিব বুলি ভাবি নাথাকি নৱপ্ৰজন্মৰ আন গায়ক-গায়িকাসকলকো এনে গীত পৰিৱেশনৰ বাবে এটি সুন্দৰ তথা উপযুক্ত পৰিৱেশ গঢ়ি তুলিব লাগিব। ৰাভা দিৱসৰ এই পৱিত্ৰ দিনটোত আমি সকলোৱে সংকল্প লোৱা উচিত। বিষ্ণু ৰাভাক আমি জীয়াই ৰাখিব লাগিব। বিষ্ণু ৰাভাক কেৱল সংগীতৰ মাজতে সীমাবদ্ধ নাৰাখি তেওঁৰ জীৱনৰ প্ৰতিটো দিশেই সুন্দৰভাৱে নৱপ্ৰজন্মৰ মাজত উপস্থাপন কৰিব লাগিব। চৰকাৰৰ চকুত ধূলি দি তেওঁ যি সংগ্ৰাম অব্যাহত ৰাখিছিল তাৰ প্ৰকৃত কাৰণ বিশ্লেষণ কৰি সেইবোৰ নৱপ্ৰজন্মৰ মাজত উপস্থাপন কৰাটো আমাৰ সকলোৱে কৰ্তব্য। সকলোৱে বুজি পাওক কিয় কোৱা হয়— 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি'।

# মাৰ্কিন সংসদত ভাৰতৰ জয়গান

এটা দশক আগলৈকে ভাৰতে সদায় আমেৰিকাৰ মুখলৈ চাই থাকিব লগীয়া হৈছিল। আমেৰিকাই ভাৰতৰ পক্ষত কিবা ক'ব নেকি? ভাৰতক আন্তৰ্জাতিক পৰ্যায়ত গুৰুত্ব দিব নে নাই সেই লৈ চৰ্চা হৈছিল। কাৰণ ভাৰতে সদায় আন্তৰ্জাতিক ক্ষেত্ৰত দ্বিতীয় শাৰীতহে বহিবলগীয়া হৈছিল। বন্ধু ৰাষ্ট্ৰ হিচাপে ৰাছিয়াই ভাৰতক সহায়ৰ হাত আগবঢ়ালেও সেয়া পুতৌসদৃশ আছিল বুলি ক'লেও ভুল কৰা নহ'ব। এতিয়া পিছে ছবিখন সলনি হ'ল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হোৱাইট হাউছত এতিয়া ভাৰত বন্দনা। পৃথিৱীৰ সবাতোকৈ শক্তিশালী দেশ এখনৰ সংসদ ভৱনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক দিয়া হৈছে সন্মান যি ভাৰতে অতীতত কেতিয়াও লাভ কৰা নাছিল। আজি হোৱাইট হাউছত প্ৰতিফলিত হৈছে 'মিনি ভাৰত'। যিটো সংসদ ভৱনত বহিয়েই বিশ্বৰ সৰ্বোচ্চ সিদ্ধান্ত নিৰ্ধাৰণ কৰা হয় তাত চৌদিশে কেৱল ভাৰতৰ ছবি প্ৰতিফলিত হোৱাটো কোটি কোটি ভাৰতীয়ৰ বাবে পৰম গৌৰৱৰ বিষয়। ভাৰতৰ প্ৰধানমন্ত্ৰীক এনেধৰণৰ সন্মান যচা দেখি ভাৰতৰ চুবুৰীয়া দেশসমূহে ঈৰ্ষাত ছটফটাই থাকিব লগীয়া হৈছে। মোডী হৈছে বিশ্বৰ একমাত্ৰ প্ৰধানমন্ত্ৰী— যিয়ে মাৰ্কিন সংসদত দুবাৰকৈ ভাষণ দিয়াৰ সুযোগ লাভ কৰিছে। ভাৰতৰ শক্তিৰ কথা তথা প্ৰধানমন্ত্ৰীৰ জনপ্ৰিয়তাৰ কথা আজি আলোচনা যুক্তৰাষ্ট্ৰৰ স্বয়ং ৰাষ্ট্ৰপতিয়ে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জো বাইডেনেই ভাৰতৰ সাম্প্ৰতিক সময়ৰ শক্তিৰ তথা বৈদেশিক নীতিৰ কথা স্বীকাৰ কৰিবলৈ

বাধ্য হৈছে। হোৱাইট হাউছৰ যুটীয়া অধিৱেশনত নৰেন্দ্ৰ মোডীক ভাষণ দিবলৈ দ্বিতীয়বাৰৰ বাবে সুযোগ দিয়াটো এক উল্লেখযোগ্য বিষয় হিচাপে গণ্য কৰা হৈছে। নৰেন্দ্ৰ মোডীৰ সন্মানৰ বাবে হোৱাইট হাউছৰ নৈশ ভোজনত গুগলৰ মুখ্য পৰিচালন সঞ্চালক সুন্দৰ পিছাই, মাইক্ৰ'ছফ্টৰ সত্য নাডেলা, আম্বানি দম্পতী, আনন্দ মহিন্দ্ৰা আদিৰ লগতে দুয়োখন দেশৰ কেইবাগৰাকী মন্ত্ৰী, উদ্যোগপতিৰ উপস্থিতি আছিল লক্ষণীয়। মাৰ্কিন সংসদ ভৱনৰ যুটীয়া অধিৱেশনত নৰেন্দ্ৰ মোডীয়ে ভাষণ দিয়াৰ সময়ত 'ভাৰত মাতা কি জয়' ধ্বনি দিয়াটো আছিল ভাৰতবাসীৰ বাবে এক উল্লেখযোগ্য ঘটনা। কাৰণ এখন দেশৰ ধ্বনি আন এখন দেশৰ সংসদত ধ্বনিত হোৱাটো কম কথা নহয়। তাৰ অৰ্থ সেই দেশখনৰ প্ৰতি সমৰ্থন। মাৰ্কিন সংসদত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন ন্যেন্থৰ পিছত দ্বিতীয়বাৰৰ বাবে ভাষণ দিবলৈ সুযোগ লাভ কৰাৰ সময়ত মোডীয়ে বিশ্ববাসীক উদ্দেশ্যি যি ধৰণৰ ভাষণ দিলে সেয়া নিশ্চয়কৈ চৰ্চাৰ বিষয়।

১৪০ কোটি ভাৰতীয়ৰ হৈ আমেৰিকাক ধন্যবাদ জ্ঞাপন কৰাৰ কথা উল্লেখ কৰি মোডীয়ে কয় ভাৰতত ২,৫০০টা ৰাজনৈতিক দল আছে। তদুপৰি ২০খন ৰাজ্যত ভিন্ন দলৰ ৰাজ্য চৰকাৰ থকাৰ লগতে ২২টা চৰকাৰী ভাষাৰ কণ্ঠস্বৰ বুলি কোৱাটো তেওঁৰ বুদ্ধিদীপ্ত পৰিচয়। মোডীয়ে এই ভাষণ দিয়াৰ সময়ত সঞ্চালনাৰ আসনত উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছ আৰু হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভৰ অধ্যক্ষ কেভিন মেককাৰ্থি থকাটোৱেও বিশেষ গুৰুত্ব লাভ কৰিছে। ভাৰতক বাদ দি এতিয়া বিশ্বৰ কথা যে ভবাটো সম্ভৱ নহয় সেই কথাকে পৰোক্ষভাৱে প্ৰকাশ কৰিছিল।

হোৱাইট হাউছত মাৰ্কিন ৰাষ্ট্ৰপতিৰ লগতে বিভিন্ন কোম্পানীৰ মুৰব্বীৰ সৈতে দ্বিপাক্ষিক চুক্তি স্বাক্ষৰ কৰিব পৰাটোও ভাৰতৰ বাবে এক উল্লেখযোগ্য দিশ। যিসময়ত ভাৰতৰ চুবুৰীয়া দেশ পাকিস্তানে সহায়ৰ বাবে সকলো ৰাষ্ট্ৰৰ ওচৰত ভিক্ষা খুজিবলগীয়া হৈছে সেই সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ যুটীয়া সংসদত ভাষণ দিয়া, দ্বিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰাটো সঁচাকৈয়ে চৰ্চাৰ বিষয়। তদুপৰি আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰলৈ ভাৰতীয় মহাকাশচাৰী প্ৰেৰণ কৰা, ভাৰতীয়ৰ বাবে সলনি হ'বলগীয়া এইচ-১ মাৰ্কিন ভিছা প্ৰক্ৰিয়া, বেংগালুৰু, আহমেদাবাদত যুক্তৰাষ্ট্ৰই আৰু ছিয়াটলত ভাৰতে স্থাপন কৰিবলগীয়া উপ-দূতাবাস স্থাপনৰ

বিষয়সমূহেই চৰ্চা লাভ কৰাটো ভাৰতবাসীৰ বাবে এক উল্লেখযোগ্য বিষয়। তদুপৰি মোডীৰ ভ্ৰমণৰ পিছতেই মাইক্ৰন কোম্পানীয়ে ৮২৫ নিযুত ডলাৰ ব্যয়েৰে গুজৰাটত ছিপ নিৰ্মাণৰ কাৰখানা স্থাপনৰ বিষয়ে ঘোষণা কৰিছে। আনহাতে, ৰাষ্ট্ৰপতি বাইডেন আৰু প্ৰধানমন্ত্ৰী মোডীৰ উপস্থিতিত স্বাক্ষৰিত চুক্তি অনুসৰি ভাৰতত নিৰ্মাণ হ'ব জেট যুদ্ধ বিমানৰ ইঞ্জিন। মাৰ্কিন কোম্পানী জেনেৰেল ইলেক্ট্ৰিক কোম্পানীয়ে অত্যাধুনিক বিমান প্ৰযুক্তিৰে ৰাষ্ট্ৰায়াত্ত হিন্দুস্থান এৰ'নটিকেল কোম্পানীয়ে ভাৰততে প্ৰস্তুত কৰিব জেট্ ইঞ্জিন। এয়া এক ঐতিহাসিক ঘটনা বুলি বিবেচিত হৈছে। চুক্তিমতে ৰাষ্ট্ৰায়াত্ত প্ৰতিষ্ঠানটোৰে অত্যাধুনিক জি ই এফ ৪১৪ জেট্ ইঞ্জিন নিৰ্মাণ কৰিব। বিগত সময়ত ভাৰতে এনে ইঞ্জিন নিৰ্মাণৰ ক্ষেত্ৰত ৰাছিয়াৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। সেইবাবে কিছু কিছুক্ষেত্ৰত ভাৰতে দুৰ্বল স্থিতিও গ্ৰহণ কৰি আহিবলগীয়াও হৈছে। ৰাছিয়াই এইক্ষেত্ৰত সদায় দুমুখীয়া স্থিতি গ্ৰহণ কৰি এফালে ভাৰতক সহায় কৰা আৰু আনফালে, গোপনে চীনৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰাৰ ফলত পৰোক্ষভাৱে পাকিস্তানক সহায় কৰি আহিছে। ৰাছিয়াৰ এক গুলীত দুই চিকাৰ কৰাৰ দৰে নীতি গ্ৰহণ কৰাৰ ফলত পৰোক্ষভাৱে ভাৰতে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়েহে ৰাছিয়াক ওলোটাকৈ চাপৰ মাজত ৰাখিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আমেৰিকান কোম্পানীৰ সৈতে চুক্তি স্বাক্ষৰিত কৰাটো এক সফল বৈদেশিক নীতি বুলিয়ে ক'ব পাৰি। যিসময়ত ৰাছিয়াই ইউক্ৰেইনৰ সৈতে যুদ্ধ কৰি সফল হ'ব পৰা নাই সেইসময়ত কিন্তু ভাৰতে দুয়োখন দেশৰ ক্ষেত্ৰত কৌশলী স্থিতি গ্ৰহণ কৰি আহিছে। এনে কৌশলী স্থিতিক মাৰ্কিন যুক্তৰাষ্ট্ৰয়ো প্ৰশংসা কৰিবলৈ বাধ্য হৈছে। এফালে যুদ্ধৰ সুযোগ গ্ৰহণ কৰি ৰাছিয়াৰ পৰা কম দামত খাৰুৱা তেল ক্ৰয় কৰিছে আৰু আনফালে সেইখিনিকেই চ'ৰা দামত আন ৰাষ্ট্ৰক বিক্ৰী কৰিছে। ভাৰতৰ এনে কৌশলক আমাক চিৰবৈৰী পাকিস্তানৰ ৰাজনৈতিক নেতাসকলেও প্ৰশংসা কৰিবলৈ বাধ্য হৈছে।

আমেৰিকা ভ্ৰমণৰ সময়ত নৰেন্দ্ৰ মোডীক আদৰণি জনাবলৈ মাৰ্কিন বেণ্ডত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত বাজি উঠাটো ভাৰতৰ বাবে নিশ্চয় গৌৰৱৰ বিষয়। তদুপৰি মাৰ্কিন গায়িকাই প্ৰধানমন্ত্ৰী মোডীৰ চৰণ স্পৰ্শ কৰা দৃশ্যটোও আছিল ভাৰতীয় সংস্কৃতিক সন্মান কৰাৰ এক নিদৰ্শন।

# সভাত সম্বৰ্ধনা-পৰিচয়পৰ্বত ব্যয় কৰা সময় আৰু শ্ৰোতাৰ বিৰক্তি

সাহিত্য সম্পৰ্কীয় সভাৰ পৰা আৰম্ভ কৰি ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, হীৰক জয়ন্তী, শতবৰ্ষৰ অনুষ্ঠান আদিত আয়োজিত বিভিন্ন আলোচনা চক্ৰ, মুকলি সভা আদিত উপস্থিত থকা দৰ্শক, শ্ৰোতাৰ সংখ্যা তেনেই নগণ্য। দুই এটা অনুষ্ঠানৰ বাহিৰে প্ৰায়ভাগতেই মঞ্চৰ সন্মুখৰ চকীবোৰ খালী থাকে। যিকোনো গভীৰ বিষয়ৰ ওপৰত আয়োজিত সভা-সমিতিসমূহত একেই দৃশ্য প্ৰতিফলিত হয়। আনকি বিদ্যালয়ত আয়োজিত নৱাগত আদৰণি সভাৰ পৰা আৰম্ভ কৰি কোনো বিশিষ্ট ব্যক্তিৰ জীৱনৰ ওপৰত আলোচনা কৰা অনুষ্ঠানবোৰত উপস্থিতিৰ সংখ্যা তেনেই নগণ্য। বেলেগৰ কথা বাদেই একাংশ আয়োজকেও কেতিয়াবা উপস্থিত নাথাকে। অথচ একেটা অনুষ্ঠানৰ আগত অথবা পিছত আয়োজিত মনোৰঞ্জনধৰ্মী কাৰ্যসূচীত হেজাৰ হেজাৰ লোক উপস্থিত থাকে। এয়া কিন্তু এক চিন্তনীয় বিষয়। বিগত সময়ত সকলোৱে এই ছবিখন প্ৰত্যক্ষ কৰি আহিছে যদিও ইয়াৰ আঁৰত থকা কাৰণ বিশ্লেষণ কৰা হোৱা নাই।

সাধাৰণতে যিকোনো সভা, আলোচনা চক্ৰ আদিৰ আয়োজন কৰিলে বক্তাসকলক নিজৰ ইচ্ছা অনুযায়ী ক'বলৈ দিয়া হয়। তেওঁলোকে আৰম্ভ কৰা সময় আৰু শেষ কৰাৰ সময় আনে জনাৰ উপায় নাই। অৰ্থাৎ এগৰাকী বক্তাই কিমান সময় ভাষণ দিব সেয়া আয়োজক সকলেও নাজানে। গতিকে কেতিয়াবা এঘণ্টা হ'বলগীয়া সভাখন তিনি ঘণ্টাতহে সমাপ্ত হয়। এগৰাকী শ্ৰোতা-দৰ্শকে

যদি এই সভাখনত কাৰ্যসূচী আৰম্ভ হোৱাৰ আধা ঘণ্টামান আগতে উপস্থিত হয় তেনেহ'লে এখন সভাতেই তিনি-চাৰি ঘণ্টা থাকিবলগীয়া হয়। মুষ্টিমেয় কেইগৰাকীমান লোকৰ বাহিৰে আন লোকসকলে সাধাৰণতে এনেধৰণৰ সভা শুৱনি কৰিবলৈ ধৈৰ্যৰে বহি থাকিব নোৱাৰে। অলপ সময় ভাষণ শুনিব পাৰে। গতিকে যদিহে কোনো এক উদ্দেশ্য ৰাখি ৰাইজৰ মাজত কোনো এটা বিষয় উপস্থাপন কৰিব খোজা হয় তেতিয়া পূৰ্ণ সহযোগিতা নাপালে সেয়া ফলপ্ৰসূ নহয়। গতিকে এনেধৰণৰ সভাৰ আয়োজন নিৰৰ্থক হ'ব পাৰে। এতিয়া কথা হ'ল— এনেধৰণৰ সভাত মানুহক আকৰ্ষিত কৰিবলৈ কিছুমান পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰোনে? নিশ্চয় পাৰি। প্ৰয়োজন মাথো পুৰণিকলীয়া চিন্তাধাৰাৰ পৰিৱৰ্তনৰ। এনে পৰিৱৰ্তনৰ বাবে সময়ৰো প্ৰয়োজন নাই। নতুবা অৰ্থও নালাগে। লাগে মাথো মনোবল আৰু সিদ্ধান্ত গ্ৰহণৰ সাহস। প্ৰথমতে আমি সভাবোৰৰ আৰম্ভণিতে যি চিনাকি পৰ্ব আৰু সম্বৰ্ধনা অনুষ্ঠান আদিৰ সময় হ্ৰাস কৰো তেনেহ'লে সভাৰ সময় নিশ্চয়কৈ কমি আহিব। তদুপৰি প্ৰায়ভাগ সভা-সমিতিতেই কিছুমান ব্যক্তিক পৰিচয় কৰি দিবলৈ গৈ কিছুমান অপ্ৰসাংগিক কথা উল্লেখ কৰা হয়। বেছি দীঘলীয়া চিনাকিয়ে আৰম্ভণিতেই দৰ্শকক আমনি দিয়ে। ফলত শ্ৰোতাগৰাকীয়ে বেছি সময় বহি থাকিব নোৱৰা হয়। তদুপৰি বিৰক্তিৰে কিছুসময় বহি থকা লোকজনক পৰৱৰ্তী সময়ত যদি তেনে এখন সভাত উপস্থিত থাকিবলৈ কোৱা হয় তেতিয়াহ'লে পূৰ্বৰ অভিজ্ঞতাই তেওঁক সভাখনৰ প্ৰতি আকৰ্ষণৰ পৰিৱৰ্তে বিৰক্তহে কৰি তোলে। সেইগৰাকী ব্যক্তিয়ে আকৌ আন দহগৰাকীৰ আগত পূৰ্বৰ বিৰক্তিকৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰিলে সভালৈ যাবলৈ ইচ্ছা প্ৰকাশ নকৰা হয়। দ্বিতীয়তে এখন সভা যে তিনি-চাৰি ঘণ্টা হ'বই লাগিব তাৰ কোনো কাৰণ নাই। পিছতো কেতিয়াবা দেখা যায় যে বক্তাসকলে মূল ভাষণৰ পৰা ফালৰি কাটি গৈ আবোল-তাবোল বলকি থাকে। তেতিয়া শ্ৰোতাসকল বিৰক্ত হয়। সেইবাবে আয়োজকসকলে বক্তাসকলক নিৰ্দিষ্ট সময় বান্ধি দিব লাগে। তেতিয়া কোনেও মূল বিষয়ৰ পৰা আঁতৰি যাব নোৱাৰে। তদুপৰি শ্ৰোতাসকলেও পৰৱৰ্তী সময়ত সভালৈ আহিবলৈ অনীহা প্ৰকাশ নকৰিব। কেতিয়াবা কিছুমান সভাত নিমন্ত্ৰণ কৰা বক্তাৰ নাম শুনিলেই বহুতে মুখ কোচাই দিয়ে। গতিকে তেনে বক্তাক সভালৈ নিমন্ত্ৰণ দিওঁতেই সকলোবোৰ কথা ভাঙি ক'ব লাগে।

এতিয়া আহিছো সম্বৰ্ধনা পৰ্বলৈ। সভাসমূহত যিমান সম্ভৱ সিমান কম সময়তে সম্বৰ্ধনা অনুষ্ঠানৰ সামৰণি মাৰিব লাগে। তেনেদৰে সামৰণিৰ ফলত শ্ৰোতা বিৰক্ত নহয়। সকলোকে সম্বৰ্ধনা জ্ঞাপন কৰিবই লাগিব তেনে কথা নহয়। এজন এজনকৈ সম্বৰ্ধনা জনাই থকাতকৈ একেলগে জনালে সময় কম লাগিব আৰু দৰ্শকেও আমনি নাপাব। যেতিয়ালৈকে আমি সকলোৱে এনে ধৰণৰ মানসিকতাৰ সলনি নকৰো তেতিয়ালৈকে শ্ৰোতা আদিৰ উপস্থিতিৰ সংখ্যা তাকৰীয়া হৈয়ে থাকিব।

সময় আটাইতকৈ গুৰুত্বপূৰ্ণ। এখন সভাৰ আৰম্ভ হোৱাৰ যিমান সময় দিয়া হয় সাধাৰণতে তেতিয়া নহয়। যদি কোনো এখন সভা দুপৰীয়া ১২ বজাত আৰম্ভ হোৱাৰ কথা আছিল সেইখন পিছে ৩/৪ বজাতহে আৰম্ভ হোৱাৰ বিষয়ে ঘোষণা কৰে। সেইবাবে আমনি পাবলৈ ধৰে দৰ্শকে। যদি আমি কেনেবাকৈ সময়মতে সভা আৰম্ভ কৰাটো প্ৰচাৰ কৰাৰ লগে লগে দৰ্শকেও সময়তেই উপস্থিত হোৱা আৰম্ভ কৰিব। কেইদিনমান আৰম্ভণিতে আহি বহি থকা দৰ্শকসকলৰ মনত বিশ্বাস জন্মাব পাৰিলে সেইসকলেই সময়ত আহিবলৈ আন দহগৰাকী শ্ৰোতাক ক'ব। এবাৰ এখন সভালৈ অসমৰ এগৰাকী স্বনামধন্য সাহিত্যিকক ভাষণ দিবলৈ নিমন্ত্ৰণ কৰিছিল। মহানগৰীত আয়োজিত এই অনুষ্ঠানটো উদ্বোধনৰ সময় আছিল আবেলি ৪ বজাত। পিছে নিশা ৬ বজাতহে সভাখনৰ আৰম্ভণি হ'ল। যিহেতু অনুষ্ঠানটো ৪ বজাত আছিল, সেয়ে বিশিষ্ট সাহিত্যিকগৰাকীয়ে ৩-৩০ বজাতেই নিৰ্দিষ্ট ঠাইখিনিত উপস্থিত হৈছিল। গতিকে ৬ বজালৈ বোন্দাপৰ দি বহি থাকিল। কিন্তু ৬ বজাতো যেতিয়া আৰম্ভ কৰাৰ সাৰ-সুৰ নেদেখিলে তেওঁ খঙত অগ্নিশৰ্মা হৈ যিসকলে তেওঁক নিমন্ত্ৰণ কৰিছিল তেওঁলোকক এজাউৰি জাৰি সেই স্থান ত্যাগ কৰি নিজৰ বাহনত উঠিল। গতিকে সভা আদি নিৰ্দিষ্ট সময়ত আৰম্ভ কৰাৰ লগতে সময়মতে শেষ কৰাত গুৰুত্ব দিব লাগিব। মানুহ আপোনা-আপুনি সভালৈ আহিব।

# বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত অসম

নতুন বছৰৰ আৰম্ভণিতে দেশ তথা অসমবাসীলৈ আহিছে এটা ভাল খবৰ। এই খবৰে কঢ়িয়াই আনিছে আশাৰ বতৰা। বিশ্বৰ পৰ্যটনৰ মানচিত্ৰত উজলিছে অসম। দ্য নিউয়ৰ্ক টাইমছে শেহতীয়া প্ৰকাশ কৰা ৫২খন বিশ্বৰ পৰ্যটনক্ষেত্ৰৰ ভিতৰত অসমে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে চৰাইদেউ মৈদাম, কামাখ্যা মন্দিৰ, চাহ বাগিছা আদিলৈ ঘটা পৰ্যটকৰ সংখ্যাৰ ভিত্তিতে বিশ্বৰ পৰ্যটনস্থলীৰ ভিতৰত চতুৰ্থ স্থানত আছে অসমৰ নাম। ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত আয়োজন কৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ পূৰ্বে অসমলৈ অহা ভাল খবৰে বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ সম্ভাৱনাও বৃদ্ধি কৰিলে। নতুন বছৰত অসমবাসীৰ বাবে এয়া ইতিবাচক দিশ বুলি গণ্য কৰিব পাৰি এই বাবে যে অসমত বিনিয়োগ বৃদ্ধি মানে অৰ্থনৈতিক অৱস্থা ভাল হোৱা আৰু প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে নিয়োগ বৃদ্ধি হোৱা।

এইবাৰ এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণত বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ ইতিমধ্যেই মুম্বাইৰ লগতে দিল্লীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাক্ষাৎ কৰিছে ৩৭খনৰো অধিক ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্য প্ৰতিনিধিক। উল্লেখ্য যে ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত গুৱাহাটীত আয়োজন কৰা হৈছে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ। বিনিয়োগকাৰীক আকৰ্ষণৰ লক্ষ্যৰেই দেশৰ ভিন্ন প্ৰান্তৰ উদ্যোগী তথ বিদেশৰ প্ৰতিনিধিক সাক্ষৎ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

কেইদিন মান পূৰ্বে মুম্বাইত দেশৰ আগশাৰীৰ উদ্যোগপতিক সাক্ষাৎ কৰি এডভাণ্টেজ আছাম ২.০ৰ বাবে আমন্ত্ৰণ জনাইছে। এয়া সকলোকে আকৰ্ষণ কৰাৰ সুন্দৰ পদক্ষেপ।

এই প্ৰসংগত আমি উল্লেখ কৰিব লাগিব যে দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে চুবুৰীয়া দেশসমূহৰ সৈতে বাণিজ্যিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে অসম হৈছে ভাৰতৰ এক্ট ইষ্ট নীতিৰ অন্যতম গুৰুত্বপূৰ্ণ অংশ। নতুন দিল্লীত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰদূত আৰু বাণিজ্য প্ৰতিনিধিসকলক সাক্ষাৎ কৰি নতুন যুগীয় খণ্ডসমূহত ৰাজ্যত এক মুক্ত নীতি ব্যৱস্থাৰ সৈতে বিশাল বিনিয়োগৰ সম্ভাৱনাৰ দিশত আলোকপাত কৰি সকলোকে আকৰ্ষণ কৰাৰ বাবে চলোৱা অভিযান সফল কৰাত সময়ে উত্তৰ দিব যদিও তেওঁ গ্ৰহণ কৰা পদক্ষেপে মুখ্যমন্ত্ৰীগৰাকীৰ গতিশীল মনোভাৱ প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে কোনো এগৰাকী মুখ্যমন্ত্ৰীয়ে এনেধৰণৰ সন্মিলনৰ কথা ভৱা নাছিল।

আনহাতে দিল্লীত ৩৭খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ সৈতে বৈঠকত মিলিত হোৱাৰ উপৰি মুখ্যমন্ত্ৰীয়ে ফেডাৰেচন অব ইউৰোপিয়ান বিজনেছ ইন ইণ্ডিয়া আৰু ইউৰোপিয়ান ইউনিয়নৰ সৈতেও বৈঠকত মিলিত হোৱাটো আন এক উল্লেখযোগ্য দিশ বুলি ক'ব পাৰি। এই এডভাণ্টেজ আছামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ আৰু বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে গ্ৰহণ কৰিব। গতিকে সন্মিলনে আৰু অধিক গতি লাভ কৰিব। আনহাতে, মুখ্যমন্ত্ৰী শৰ্মাৰ লগত অসমৰ অৰ্থনৈতিক সম্ভাৱনাক বহু দেশে স্বীকাৰ কৰাত ইতিবাচক দিশে অগ্ৰসৰ হোৱা বুলি ক'লেও বঢ়াই কোৱা নহ'ব ।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ঘোষণা কৰিছে যে এডভাণ্টেজ আছাম ২.০ৰ যোগেদি অসমৰ ঔদ্যোগিকীকৰণৰ নতুন দিনৰ সূচনা হ'ব। প্ৰথম লক্ষ্য হৈছে মানুহ যাতে অসমলৈ আহে। অসমলৈ অহা উদ্যোগক গ্ৰীন পাৱাৰ দিয়া হ'ব। চাবোনৰ পৰা তেললৈ, পানীৰ পৰা উৰাজাহাজলৈ, যি উদ্যোগ আহে সকলোকে আদৰণি জনাব। অসমত ডিফেন্স কৰিড'ৰ স্থাপন কৰা হ'ব। অসমত পানী আৰু খনিজ পদাৰ্থৰ অপাৰ সম্ভাৱনা আছে। এইবোৰ হোৱা মানে অসমৰ নিবনুৱা সমস্যা সমাধানৰ পথো প্ৰশস্ত হৈ পৰিব।

বিনিয়োগৰ এক পৰিবেশ সৃষ্টি কৰিছে। এনেধৰণৰ তথ্যসমৃদ্ধ প্ৰদৰ্শনীৰে

মুখ্যমন্ত্ৰীয়ে বিনিয়োগকাৰীক মুখ্যমন্ত্ৰীয়ে নতুন অসমৰ পৰিচয় দিছে। এডভাণ্টেজ আছাম ২.০লৈ মুখ্যমন্ত্ৰীয়ে আমন্ত্ৰণ জনোৱা অধিকাংশ উদ্যোগপতিয়েই সঁহাৰি জনাইছে। এই বিনিয়োগ সন্মিলনে অসমক এক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰিব পাৰি।

এক্ট-ইষ্ট পলিচীৰ সহায়ত এছিয়া-পেচিফিক অঞ্চলৰ দেশসমূহৰ সৈতে অৰ্থনৈতিক সহযোগিতা, সাংস্কৃতিক সম্পৰ্ক বৃদ্ধি আৰু কৌশলগত সম্পৰ্ক গঢ়ি তোলাৰ পদক্ষেপৰ ফলত লাহে-লাহে অসম তথা উত্তৰ-পূবত বিনিয়োগৰ সম্ভাৱনা বাঢ়িছে। সেইবাবেই দক্ষিণ-পূব এছিয়াৰ দুৱাৰডলিত অৱস্থান কৰা অসমে বাংলাদেশ, ভূটান আৰু নেপালৰ লগতে ইণ্ডোনেছিয়া, ভিয়েটনাম, লাওছ, ব্ৰুনাই, থাইলেণ্ড, ম্যানমাৰ, ফিলিপাইনছ, কম্বোদিয়া, ছিংগাপুৰ আৰু মালয়েছিয়াৰ বজাৰ দখলৰ সম্ভাৱনীয়তাৰ ব্যাখ্যাৰে বিনিয়োগকাৰীক আকৰ্ষণৰ চেষ্টা চলাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

চাহ আৰু পেট্ৰ'লিয়ামৰ পাছত শেহতীয়াকৈ কৃষি, খাদ্য সংশাধন, পৰ্যটন, হস্তশিল্প আৰু তথ্য-প্ৰযুক্তিৰ ক্ষেত্ৰত অসম আগবাঢ়ি যোৱাৰ তথ্য বিনিয়োগকাৰীক দিছে মুখ্যমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীয়ে মুকলি কৰিবলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমৰ উন্নয়নৰ ৰূপৰেখা সলনি কৰাৰ সম্ভাৱনা প্ৰবল। বিশেষকৈ এই বিনিয়োগ সন্মিলনৰ ফলত অসমত বহুকেইটা প্ৰতিষ্ঠানে আন্তঃগাঁথনি, যোগাযোগ, শক্তিখণ্ড, তথ্য-প্ৰযুক্তি, প্ৰতিৰক্ষা, এ'ৰ'স্পেছ, যান-বাহনৰ নিৰ্মাণ, স্বাস্থ্যসেৱা, কৃষিজনিত উদ্যোগ, পৰ্যটনখণ্ডত বুজন পৰিমাণৰ বিনিয়োগ কৰাৰ সম্ভাৱনা আছে। অসমত আছে প্ৰচুৰ সম্ভাৱনা। মাথো প্ৰয়োজন এনেধৰণৰ পদক্ষেপ আৰু ইতিবাচক পদক্ষেপৰ।

উল্লেখ্য যে ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে এডভাণ্টেজ আছাম ২.০ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ২০১৮ চনত প্ৰথমবাৰৰ বাবে এডভাণ্টেজ আছাম অনুষ্ঠিত হৈছিল। এতিয়া অসমবাসীয়ে অপেক্ষা কৰিছে ইয়াৰ জৰিয়তে লাভ কৰিব পৰা সম্ভৱ।

# নেহৰু পাৰ্কলৈ পুনৰ সোঁত বৈছে জনতাৰ

নতুন ৰূপত সজাই-পৰাই তোলা হৈছে গুৱাহাটী মহানগৰীৰ বক্ষস্থলীত অৱস্থিত নেহৰু পাৰ্ক। মহানগৰৰ অন্যতম পাৰ্কসমূহৰ ভিতৰত অন্যতম হিচাপে গন্য কৰা হয় নেহৰু পাৰ্ক। কাছাৰীত থকা এই পাৰ্কখনে মহানগৰীৰৰ অভিজাত চিনাকি বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। পূৰ্বৰ কটন কলেজ তথা বৰ্তমানৰ কটন বিশ্ববিদ্যালয়ৰ সন্মুখত থকা এই পাৰ্কখন সকলোৰে দেখিছে। চিটিবাছ অথবা খোজকাঢ়ি গ'লেই এই পাৰ্কখনৰ ওপৰত চকু পৰে মহানগৰীৰ বহুতো আকৰ্ষণীয় তথা ধুনীয়া পাৰ্ক আছে যদিও সকলোৰে মুখে মুখে এইখনক লৈ বেছি চৰ্চা। দৰাচলতে এই পাৰ্কখনে ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিব লাগে। কাৰণ দীৰ্ঘদিন ধৰি এই পাৰ্কৰ প্ৰৱেশপত্ৰ মুকলি আছিল। অৰ্থাৎ সকলোৰে বিনামূলীয়াকৈ প্ৰৱেশ কৰিব পাৰিছিল। তেতিয়া চাৰিওফালে লোহাৰ বেৰ আছিল যদিও বিশেষ আকৰ্ষণীয় নাছিল। নব্বৈ দশকৰ শেষৰফালে এই পাৰ্কখনৰ চেহেৰা সলনি হ'ল। এই পাৰ্কখন মেৰামতি কৰি প্ৰৱেশ মূল্য সংশ্লিষ্ট কৰ্তৃপক্ষই সংগ্ৰহ কৰিবলৈ ধৰে। অতি সম্প্ৰতি নেহৰু পাৰ্কৰ চেহেৰা সলনি কৰি সুন্দৰ ৰূপ সজাই-পৰাই তোলা হৈছে। মহানগৰীৰ বুকুত এনে এখন বৃহৎ আকাৰৰ পাৰ্কৰ খুবেই প্ৰয়োজন। কাৰণ কংক্ৰিটৰ মহানগৰীৰ মুকলিকৈ উশাহ ল'বলৈ এতিয়া কঠিন হৈ পৰিছে। এই প্ৰত্যাহ্বান চাৰিওফালৰ পৰাই অহা বুলি ক'ব পাৰি। ইয়াৰ মাজতেই মহানগৰীত এনে এখন পাৰ্কত ৰাইজে ভিৰ কৰাটো নিঃসন্দেহে এক আদৰণীয় পদক্ষেপ।

সুন্দৰভাৱে পৰিচালনাৰে নেহৰু পাৰ্কখন এতিয়া নতুন ৰূপত সজাই তোলাত পূৰ্বৰ তুলনাত দৰ্শকৰ সংখ্যাও অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। বিশেষকৈ আবেলি সময়ত বন্ধৰ দিনটোত বিৰ দি বাট নোপোৱা অৱস্থা হয়গৈ। বিশেষকৈ শিশুসকলক লগত লৈ অভিভাৱকসকলে ভিৰ কৰাটো সঁচাকৈ এক ইতিবাচক দিশ। কাৰণ শিশুসকলৰ বিকাশৰ বাবে মুকলিমূৰীয়াকৈ ফুৰিব পাৰিলে শাৰীৰিক-মানসিক বিকাশ সম্ভৱ হয়। এই পাৰ্কখনত শিশুসকলে খেলিব পৰাকৈ ব্যৱস্থা আছে। তদুপৰি ইয়াৰ ভিতৰত বিভিন্ন ঐতিহাসিক স্মৃতিও সংৰক্ষণ কৰা হৈছে। শিশুৰ শাৰীৰিক-মানসিক বিকাশ সাধন কৰিবলৈ যি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়া আদৰণীয়। আজৰি সময়ত এইখন পাৰ্কত উপস্থিত হোৱাৰ লগে লগে শিশুটিৰ মনটোও মুকলি মুকলি লাগে। কাৰণ আজিকালি অট্টালিকা অথবা ফ্লেট আদিৰ চাৰিবেৰৰ মাজত থাকি শিশুসকলৰ মনবোৰো ঠেক হৈছে। একাকীত্বৰ মনোভাব গঢ় লৈ উঠিছে। এই শিশুসকলৰ ভৱিষ্যতে বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হয়। এনে ধৰণৰ পাৰ্ক আদিৰ এতিয়া খুবেই প্ৰয়োজন হৈছে। নেহেৰু পাৰ্কখন আহল-বহল হোৱা বাবে শিশুসকলে আনন্দমনে খেলা-ধূলা, দৌৰা-দৌৰি কৰিব পাৰে।

এই পাৰ্কখনত এতিয়া প্ৰাতঃভ্ৰমণ আৰু সান্ধ্যভ্ৰমণৰ সুবিধা কৰা হৈছে। বিশেষকৈ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে এনে ব্যৱস্থা কৰাত তেওঁলোক উপকৃত হ'ব পাৰিছে। আজিকালি বয়স্ক লোকসকলে প্ৰাতঃভ্ৰমণ অথবা সান্ধ্যভ্ৰমণৰ বাবে সুবিধা নোপোৱা বাবে সদায় সমস্যাৰ সন্মুখীন হৈ আহিছে। তদুপৰি মুকলিকৈ এনেদৰে ফুৰিব নোৱৰা হোৱা বাবে মনবোৰ গধুৰ হৈ পৰিছে। আজিকালি এই পাৰ্কখনৰ সমীপৱৰ্তী লোকৰ লগতে দূৰৈৰ পৰা অহাসকলেও এনে সুবিধা গ্ৰহণ কৰিব পাৰিছে। ন্যূনতম  মাননিৰ মাহিলি অথবা বছৰেকীয়া মাচুল দি এই সুবিধা ল'ব পাৰে। নেহৰু পাৰ্কত ঘূৰি ফুৰিবলৈ সুযোগ পোৱা মানে আন দহজনৰ লগত কথোপকথন হোৱাৰো সুযোগ পোৱাত বিভিন্ন সমস্যাৰ সমাধানৰ পথো মুকলি হৈছে। এনেদৰে মুকলি পৰিৱেশত বয়স্ক লোকসকলে ভ্ৰমণৰ সুবিধা পোৱাৰ লগে লগে আন দহজনক ওচৰৰ পৰা বুজি পোৱাৰো সুযোগ পোৱা।

এই পাৰ্কখনৰ ভিতৰভাগত পৰিষ্কাৰ-পৰিচ্ছন্ন যদিও কিছুমানে কাগজ আদি পেলায়। আনকি গুট্খা আদিৰ পেকেটো পেলাই থৈ যায়। ৰাজহুৱা সম্পত্তি হ'ল বুলি কোনোৱে লেতেৰা কৰিব নালাগে। এনে সম্পত্তি নষ্ট হোৱা

মানে সকলোৰে ক্ষতি হোৱা। এইবোৰ ঠাই লেতেৰা কৰি যোৱা মানে কোনো বাহিৰৰ কোনো লোকে পাৰ্কখনলৈকে আহিলে অসমৰ লোকসকলৰ প্ৰতি বেয়া মনোভাৱে গা কৰি উঠিব। ৰাজহুৱা পাৰ্ক আদি পৰিষ্কাৰকৈ ৰখাটো সকলোৰে কৰ্তব্য। পাৰ্কখনৰ ভিতৰভাগ যাতে কোনোৱে খাদ্যবস্তু, গুট্‌খা আদি নিব নোৱৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এনেকুৱা বস্তু ভিতৰলৈ নিলে অৱশিষ্ট আৰু পেকেট আদি তাত জমা কৰিবই। গতিকে এইবোৰ সৌন্দৰ্য বিনষ্ট কৰাৰ লগতে পৰিৱেশো লেতেৰা কৰে। কলাক্ষেত্ৰৰ ভিতৰফালে যিদৰে এইবোৰ নিব নোৱাৰে সেইদৰে ইয়াতো যদি ভিতৰফালে এনেধৰণৰ বস্তু আদি নিয়াত প্ৰৱেশ নিষেধ কৰা হয় তেনেহ'লে নিশ্চয়কৈ সুফল পোৱা যাব। ভিতৰভাগত খোৱাপানীৰ বাবে সু-ব্যৱস্থা কৰিলে নিশ্চয় পানীৰ বাবে কোনোৱে বটল নিবলগীয়া নহ'ব। তদুপৰি পাৰ্কৰ মূল গেটখনৰ সন্মুখভাগ বেছি লেতেৰা হৈ আছে। যদিহে বিশেষ ব্যৱস্থা কৰি এইবোৰ পৰিষ্কাৰ কৰাটো সম্ভৱ হয় তেনেহ'লে ইয়াৰ সৌন্দৰ্য আৰু অধিক বৃদ্ধি পাব। এইবোৰ ভালদৰে ৰখা মানে আমাৰেই গৌৰৱ। পাৰ্কখনৰ বিষয়ে কোনোবাই ভালকৈ কোৱা মানে আমাৰো ভাল লাগিব। ৰাজহুৱা সম্পত্তি সকলোৱে সুৰক্ষিত কৰিব লাগে।

# সভাৰ উদ্যোক্তাসকলে আত্মবিশ্লেষণ কৰক

যিকোনো সভা এখন আয়োজন কৰাটো তেনেই সহজ কাম। কেইগৰাকীমান ব্যক্তি মাতি আনি এটা বিষয়ত আলোচনা কৰি ফটো তোলাতো সহজ কাম। টান বা কঠিন কাম হৈছে সভাখন সুচাৰুৰূপে পৰিচালনা কৰাটো। নিৰ্দিষ্ট সময়ত সভাখন আৰম্ভ কৰি বক্তাসকলক তেওঁলোকৰ ভাষণ প্ৰদান কৰিবলৈ সুযোগ দিয়া আৰু সামগ্ৰিকভাৱে সভাৰ সকলো বিষয় সঠিক আৰু সুস্থভাৱে পৰিচালনা কৰাটোহে উদ্যোক্তাসকলৰ বাবে প্ৰত্যাহ্বান। সভা এখন সুন্দৰভাৱে পৰিচালনা কৰাটো এক কলা বুলি ক'ব পাৰি। কিয়নো সকলোৱে সভা-সমিতিৰ আয়োজন কৰে যদিও মাত্ৰ কমসংখ্যক আয়োজকহে সফল হয়। সভা এখন বুলি কোৱাৰ লগে লগে কেইবাটাও বিষয় সাঙোৰ খাই থাকে। কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সভাখনৰ সৈতে সাঙোৰ খাই থাকে। এইবোৰৰ ভিতৰত প্ৰথমতে বিষয়বস্তুত গুৰুত্ব থকা বুলি ক'ব লাগিব। কিয়নো বিষয়বস্তুত সকলোৱে গুৰুত্ব প্ৰদান কৰে। কি অনুষ্ঠানে সভাখন আয়োজন কৰিছে সেই বিষয়টো বিশ্লেষণ নকৰাকৈ যদি সামঞ্জস্য নথকা বিষয়ত আলোচনা কৰা হয় তেনেহ'লে সভাখন সফল হোৱাৰ সম্ভাৱনা কম। সহজ অৰ্থত ক'বলৈ হ'লে যি অনুষ্ঠানক কেন্দ্ৰ কৰি সভা এখনৰ আয়োজন কৰা হয় তেনেহ'লে ইয়াৰ সৈতে সামঞ্জস্য ৰাখি আলোচনাৰ আয়োজন কৰিব লাগে। সাহিত্য সভা নে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰূপালী, সোণালী জয়ন্তী নে শতবৰ্ষৰ অনুষ্ঠানৰ আয়োজন কৰা হয় তেনেহ'লে এই অনুষ্ঠানৰ

লগত সংগতি থকা বিষয়তহে আলোচনা কৰা উচিত। কেতিয়াবা কিছুমান সভাত উদ্ভূত বিষয়ত আলোচনা কৰিলে বিষয়টো কোনো কাৰণতে প্ৰাসংগিক নহয়। গতিকে প্ৰথমতে বিষয়বস্তু বাছনি কৰাত সদায় গুৰুত্ব প্ৰদান কৰা উচিত। দুই মেৰুত থিয় দিয়া দুটা বিষয় যে কেতিয়াও এডাল সৰলৰেখাত অৱস্থান কৰিব নোৱাৰে।

দ্বিতীয়তে, সভা এখন নিৰ্দিষ্ট সময়ত আৰম্ভ আৰু শেষ হোৱাটো তেনেই গুৰুত্বপূৰ্ণ বিষয়। কাৰণ সময় অমূল্য সম্পদ। কোনোবাই দিনৰ দিনটো কাম নকৰিলে বুলি আন মানুহো যে ব্যস্ত নাথাকে তেনে কথা নাই। কেতিয়াবা দিনৰ এক বজাত সভা আৰম্ভ হ'ব বুলি নিমন্ত্ৰণী পত্ৰ আৰু ঘোষণা কৰা হয় যদিও সভাখন আৰম্ভ হওঁতে চাৰিটা বাজে। এনে হোৱাৰ লগে লগে সভালৈ অহা লোকসকল অধৈৰ্য হৈ পৰে। কোনেবাকৈ সভাখন শেষ হ'লেই ৰক্ষা। তাতে আকৌ যদি নিমন্ত্ৰিত ব্যক্তিসকলৰ আৰু সভা থাকে তেতিয়াহ'লে কথাই নাই। কেনেধৰণৰ পৰিৱেশ এটি গা কৰি উঠিব পাৰে মনতে এবাৰ ভাবি চাওকচোন। শেষৰফালে এক বিশৃংখল পৰিৱেশে গা কৰি উঠে। সকলোৱে কেতিয়া সভাখন ভংগ হ'ব বুলি ক্ষোভেৰে অপেক্ষা কৰা বাবে এই সময়ত বক্তাসকলে কি কৈছে বা কেনে উপদেশ দিয়ে সেয়া শুনিবলৈ শ্ৰোতাৰ ধৈৰ্য নাথাকে। সভা এখন নিৰ্দিষ্ট সময়ত আৰম্ভ কৰি সকলোকে নিৰ্ধাৰিত সময়ৰ ভিতৰত ভাষণ সমাপ্ত কৰিবলৈ কোৱা উচিত। সকলোৱে বুজি পোৱা উচিত যে যেতিয়া কোনো এটা অনুষ্ঠানে এখন সভা কোনো উদ্দেশ্য আগত ৰাখি আয়োজন কৰে তেতিয়া উদ্যোক্তাসকলে কেনেদৰে পৰিচালিত কৰিব লাগে সেইবিষয়ে পূৰ্বৰে পৰা আলোচনাৰ মাধ্যমেদি সতৰ্ক হোৱা উচিত। যদি আয়োজকসকলে কেনেবাকৈ এবাৰ ৰাইজৰ আস্থা হেৰুৱাই তেনেহ'লে সেয়া সহজতে ঘূৰাই আনিব নোৱাৰি। সেয়ে সভা এখনৰ আয়োজন কৰাৰ সময়ত এইবোৰ দিশতো গুৰুত্ব প্ৰদান কৰা উচিত।

তৃতীয়তে, অযথা তথা অপ্ৰয়োজনীয়ভাৱে বহুতো লোকক গামোচা পিন্ধাই থাকিলে যে সময় অতিবাহিত হয় সেই বিষয়ে বহুতে নাভাবে। এখন সভাৰ মঞ্চত নিমন্ত্ৰিত অতিথি বিশেষকৈ সভাপতি, নিৰ্দিষ্ট বক্তা, মুখ্য বক্তাৰ লগতে নিতান্তই এৰিব নোৱাৰা দুই-এগৰাকী বিশিষ্ট ব্যক্তিৰ বাহিৰে ১০/১৫ আনকি কিছুমানত ২০/২৫ গৰাকীক গামোচা পিন্ধোৱাও দেখা যায়। এনে

কৰাটো একেবাৰেই অযুক্তিকৰ। কেতিয়াবা আনকি কিছুমান সভাৰ মঞ্চত গামোচা পিন্ধা লোক ইমানেই হৈ পৰে যে মঞ্চৰ সন্মুখত থকা দৰ্শকৰ অভাৱ ঘটে। অৰ্থাৎ মঞ্চৰ সন্মুখত থকা লোকৰ সংখ্যাতকৈ মঞ্চখনৰ ওপৰত গামোচা পিন্ধি থকা লোকৰ সংখ্যাহে বেছি হোৱা দেখা যায়। এয়া একেবাৰেই দৃষ্টিকটু। সেইবাবে সভাখনৰ আয়োজনসকলে এনেধৰণৰ বিষয়বোৰ আগতীয়াকৈ চৰ্চা কৰা উচিত।

চতুৰ্থতে, এইবাৰ আহিছো সভা চলি থাকোতেই চাহ আদি খাবলৈ দিয়া প্ৰসংগলৈ। যেতিয়া এখন গুৰুত্বপূৰ্ণ সভা চলি থাকিলে তাৰ মাজতে মঞ্চতেই চাহ-মিঠাই আদি পৰিৱেশন কৰা হয় তেতিয়া মঞ্চখনৰ সন্মুখৰ পৰা দৃশ্যটো দেখিলে তেনেই বেয়া লগা হয়। অৰ্থাৎ দৃষ্টিকটু হোৱাৰ লগতে সভাৰ বিষয়বস্তুকো গৌণ কৰাকে সূচায়। বিষয়টো তেনেই সৰু অথচ গুৰুত্বপূৰ্ণ এই বাবেই যে সভা এখন ভাষণত চলিলে ইয়াৰ পৰিৱেশ আকৰ্ষণীয় হ'লে শ্ৰোতাসকলে বিৰক্ত নোহোৱাকৈয়ে সভাখন উপভোগ কৰিব পাৰে। যিকোনো সভা অথবা আন অনুষ্ঠানত পৰিৱেশন বিষয়টোৱেও গুৰুত্ব লাভ কৰা উচিত। কাৰণ আন্তৰ্জাতিক মঞ্চত পৰিৱেশনত গুৰুত্ব দিয়া বাবেই একো একোখন নিৰস আলোচনা চক্ৰ সুন্দৰ আৰু আকৰ্ষণীয় হৈ পৰে। সকলোৱে সৌন্দৰ্যৰ পূজাৰী। সৌন্দৰ্য মানে কেৱল মহিলা এগৰাকী ধুনীয়া হোৱাটোকে নুসূচায়, সভা এখনৰ মাজতো লুকাই থাকে অপৰূপ সৌন্দৰ্য। মাথো ইয়াক ভালদৰে বুটলিব জানিব লাগিব। নহ'লে নৱপ্ৰজন্মই সভা-সমিতি আদিত অংশগ্ৰহণৰ সংখ্যা লাহে লাহে হ্ৰাস পাব। এইধৰণৰ কথাবোৰত আমি আমাৰ মানসিকতা সলনি কৰিবই লাগিব।

এইবাৰ আহিছো গ্ৰন্থ উন্মোচনৰ প্ৰসংগলৈ। সাধাৰণতে গ্ৰন্থ এখন উন্মোচনী সভাত মুখ্য উন্মোচকগৰাকীৰ ওপৰতেই সকলোৱে দৃষ্টি নিবদ্ধ থাকে। তদুপৰি নিৰ্দিষ্ট বক্তা আৰু এগৰাকী নিমন্ত্ৰিত ব্যক্তি থাকে যদিও কেতিয়াবা দুই-এগৰাকীয়েও বক্তৃতা নিদিয়া নহয়। কিন্তু যেতিয়া গ্ৰন্থখন উন্মোচনৰ সময় আহি পৰে তেতিয়া মঞ্চত ইমানেই মানুহেৰে ভৰি পৰে যে সেয়া কেমেৰায়ো ঢুকি নাপায়। কিছুমানে ফটো উঠিবলৈকে উন্মোচকৰ কাষত এনেদৰে থিয় হয় যে ফটোখনত দেখিলে উন্মোচকগৰাকীহে গৌণ হৈ পৰে। এনেদৰে মঞ্চখনত নিৰ্দিষ্ট সংখ্যাতকৈ বেছি লোকৰ উপস্থিতি হোৱাৰ ফলত

কেতিয়াবা এক হুলস্থূলীয়া পৰিৱেশৰো সৃষ্টি হোৱা দেখা যায়। সেইবাবে উদ্যোক্তাসকলে এইক্ষেত্ৰত সতৰ্ক হ'বই লাগিব। মঞ্চখনত কিমানগৰাকীয়ে গ্ৰন্থখন উন্মোচন কৰাৰ সময়ত থাকিব সেয়া প্ৰথমতে নিৰ্ধাৰণ কৰিব লাগিব। তেতিয়াহে অনুষ্ঠানটোৰ গাম্ভীৰ্যতা ৰক্ষা পাব।

সেয়ে কৈছো সভা এখনৰ আয়োজন কৰাটো বেছি টান কাম নহয়, কঠিন কামটো হৈছে সভাখন সময়তে আৰম্ভ কৰি নিৰ্দিষ্ট সময়ত সুচাৰুৰূপে পৰিচালনা কৰা কাৰ্যটোহে।

# মণিপুৰ-কাণ্ড আৰু নিৰৱ দৰ্শক

মানৱ সমাজক লজ্জানত কৰা ঘটনা এটি হিংসাজৰ্জৰ মণিপুৰত সংঘটিত হ'ল। দুগৰাকী মহিলাক ৰাজপথেদি উলংগ কৰি এদল বৰ্বৰ লোকে আসুৰিক মনোবৃত্তিৰ বহিঃপ্ৰকাশ ঘটালে। যিখন দেশত নাৰীক আদিশক্তি হিচাপে গণ্য কৰি পূজা কৰা হয় সেইখন দেশতেই আজি মহিলাৰ ওপৰত চলোৱা হ'ল এক অমানৱীয় কাৰ্য। এই কাৰ্যই বিশ্ববাসীৰ সন্মুখত ভাৰতক লজ্জানত কৰিলে। যিসময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে 'বেটী বচাও বেটী পঢ়াও' ধ্বনিৰে ভাৰতবাসীক জাগ্ৰত কৰিবলৈ ধৰিছে সেই সময়ত মহিলাক ৰাজপথেদি উলংগ কৰি সমদল কৰা হৈছে। এয়া কোনো সভ্য সমাজে সমৰ্থন কৰা কাৰ্য হ'বই নোৱাৰে। আদিম মানৱ আৰু দানৱৰ মনোবৃত্তিৰ বাহিৰে এনেধৰণৰ কাৰ্য কোনো সুস্থ ৰুচি সম্পন্ন ব্যক্তিয়ে কৰিব নোৱাৰে। কি কাৰণে হৈছে, কোনে কৰিছে সেইটো ডাঙৰ কথা নহয়, সবাটোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে এয়া কৰা সকল কেৱল মণিপুৰৰে নহয়, সমগ্ৰ মানৱ জাতিৰেই শত্ৰু। সেয়ে গণশত্ৰুক চিনাক্ত কৰি ফাঁচীকাঠত ওলোমাব লাগে। কাৰণ এইবোৰৰ কোনো জাতি নাই, নাই কোনো ধৰ্ম। এইবোৰ হৈছে কেৱল মানৱজাতিৰ শত্ৰু। এই শত্ৰুৰে এদিন সকলোকে অত্যাচাৰ চলাব। তেতিয়া কিন্তু কোনোৱে পৰিত্ৰাণৰ উপায় বিচাৰি নাপাব। এইবোৰ ঘটনা দেখিলে মনত এনে ভাব হয় যে ভাৰতত এতিয়া চলিছে মুক্ত যৌনতা।

দেশৰ মহিলাসকল আজি বাহিৰৰ কথাটো বাদেই ঘৰৰ ভিতৰতেই নহয়

সুৰক্ষিত। আজিৰ সমাজত ককাকৰ দ্বাৰা নাতিনী ধৰ্ষিতা হৈছে। চুবুৰীয়াৰ দ্বাৰা কিশোৰী, যুৱতীৰ শ্লীলতা হানি কৰি নৃশংসভাৱে হত্যা কৰা হৈছে। এইবোৰ ঘটনা কিয় সংঘটিত হৈছে সেয়া কোনোবাই এবাৰ হ'লেও ভাবি চাইছেনে? সামাজিক মাধ্যমত বিয়পি পৰা কিছুমান ভুৱা-বাতৰি প্ৰচাৰৰ লগে লগে প্ৰতিশোধ লোৱাৰ যি মানসিকতা গঢ়ি উঠিছে সেয়া মানৱ সমাজৰ বাবে ইতিবাচক দিশ বুলি ক'ব নোৱাৰো। কাৰণ এগৰাকী নাৰী যিয়েই নহওক কিয় তেওঁক সুৰক্ষা দিয়াটো প্ৰধান কৰ্তব্য। কোনোবাই যদি কোনো কাৰ্য সংঘটিত কৰেও তেওঁক উপযুক্ত শাস্তি প্ৰদান কৰা উচিত। তেওঁক এনেধৰণৰ দৃষ্টান্তমূলক শাস্তি দিব লাগে যাতে ভৱিষ্যতে কেতিয়াও আনলোকে তেনে দুষ্কাৰ্য সংঘটিত কৰিব নোৱাৰে। কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহিলেহে এনেধৰণৰ কাৰ্য প্ৰতিৰোধ হ'ব।

মহিলাসকলৰ সুৰক্ষা বিষয়টো অতি স্পৰ্শকাতৰ। কাৰণ সামান্য অসুৰক্ষিত মানে তেওঁলোকৰ জীৱনৰ সবাতোকৈ মূল্যৱান সম্পদ সতীত্ব হৰণ হোৱাৰ আশংকা থাকে। পুৰুষৰ লোলুপ দৃষ্টিৰ পৰা নিজকে বচাই ৰাখিবলৈ তেওঁলোকে যিমানেই চেষ্টা নকৰক কিয় এসময়ত একাংশ পুৰুষে ৰচনা কৰা চক্ৰবেহুৰ পৰা ওলোৱাটো অসম্ভৱ হৈ পৰে। মণিপুৰত ৰাজপথত দুগৰাকী মহিলাক যিদৰে বিবস্ত্ৰ কৰি সমদল উলিওৱা হৈছিল সেয়া প্ৰতিশোধৰ বাবে কোনোবাই সংঘটিত কৰা বুলি কৰা মন্তব্য কোনো কাৰণতেই মানি ল'ব নোৱাৰি। কিয়নো প্ৰতিশোধ কেৱল এগৰাকী অসহায় মহিলাৰ ওপৰত চলালেই নহ'ব। প্ৰতিশোধ নহয়, মহিলাক সন্মান জনোৱা আৰু যিকোনো পৰিস্থিতিতেই তেওঁলোকৰ শ্লীলতা যাতে হানি হ'ব নোৱাৰে তাৰ বাবেহে সকলোৰে চেষ্টা কৰা উচিত।

মণিপুৰ কাণ্ডই লজ্জানত কৰিলে ১৪০ কোটি ভাৰতীয়ক। আনহে নালাগে এই কথা স্বয়ং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মন্তব্য কৰিছে। কোনোবা এজন নৰপিশাচৰ দুষ্কাৰ্যৰ বাবে ভাৰতবাসীয়ে বিশ্ববাসীৰ সন্মুখত লজ্জানত হ'ব কিয়? সেয়েহে এই দুষ্কাৰ্যৰ সৈতে কোন কোন জড়িত আছিল সেইসকলক চিনাক্ত কৰি ফাঁচীকাঠত ওলোমাব লাগে। সকলোৰে এনে লোকৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'বলৈ ওলাই অহা উচিত। কাৰণ আজি মণিপুৰত হৈছে, কাইলৈ যে সেই ঘটনাটো আপোনাৰ, মোৰ ক্ষেত্ৰতো হ'ব পাৰে। আন ৰাজ্যত হোৱা বুলি আমি নেতিবাচক মনোভাবেৰে পলায়নবাদী মানসিকতা ল'লে নহ'ব। তীব্ৰ প্ৰতিবাদ

হওক। এই প্ৰতিবাদ যাতে সকলোৱে চকু মেল খুৱাব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ প্ৰতি সকলোৱে যুঁজক। কেইবছৰমান পূৰ্বে অসমতো এগৰাকী যুৱকীতক একাংশ বৰ্বৰে খোদ গুৱাহাটী মহানগৰীৰ বুকুতেই সম্পূৰ্ণ নগ্ন কৰিছিল। এই মহিলাগৰাকীয়ে প্ৰাণ ৰক্ষাৰ বাবে বিবস্ত্ৰা হৈয়ে দৌৰিছিল। এই ঘটনাৰে জড়িতসকলৰ বিচাৰ কি হ'ল সেয়া সকলোৱে জ্ঞাত। আজিও সেই দিনটোৰ কথা ভাবি চালে সকলোৰে বুকু কঁপি উঠে।

ইণ্টাৰনেট, উৰা-বাতৰি, বিভিন্ন সামাজিক মাধ্যম আদিক যদি নিয়ন্ত্ৰণ কৰা নহয় তেনেহ'লে একাংশ লোকে স্বাৰ্থ সিদ্ধিৰ বাবে উৰা-বাতৰি প্ৰচাৰ কৰি জনসাধাৰণক বিভ্ৰান্ত কৰিয়েই থাকিব। মণিপুৰ কাণ্ডৰ আঁৰতো বোলে তেনে এক উৰা-বাতৰিৰ প্ৰভাৱ আছে। একাংশ লোকৰ স্বাভাৱেই হৈছে অপৰাধ সংঘটিত কৰা। তেওঁলোকৰ বাবে লাগে মাথোঁ এটা সুযোগ। যিসকলে উৰা-বাতৰিৰে ৰাইজক বিপথে পৰিচালিত কৰে তেনে লোককো কঠোৰ শাস্তি বিহিব লাগে। অপৰাধীয়ে যাতে কোনো কাৰণতে মূৰ দাঙি উঠিব নোৱাৰে তাৰ প্ৰতি সকলো সতৰ্ক হ'ব লাগিব। কোনোবাই যদি অপৰাধ কৰাৰ বিষয়ে জ্ঞাত হয় অথবা ব্লু-প্ৰিণ্ট ৰচনা কৰাৰ বিষয়ে জানে তেনেহ'লে নিজে আইন হাতত তুলি নলৈ আৰক্ষী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক অৱগত কৰিব লাগে। সময়ৰ শৰ সময়ত মাৰিব নোৱাৰিলে এনেধৰণৰ ঘটনা সংঘটিত হৈয়ে থাকিব। আমি সকলোৱে এনেবোৰ ঘটনাত জড়িত তৃতীয় শক্তিকো চিনাক্ত কৰিবই লাগিব।

মণিপুৰ কাণ্ড পূৰ্ব পৰিকল্পিত নে কোনো তৃতীয় শক্তিৰ উচটনিত সংঘটিত হৈছে তাৰো বিচাৰ হ'ব লাগে। তদুপৰি সকলো অপৰাধীকেই গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে প্ৰমাণ কৰক তেওঁলোকৰ বুদ্ধিমত্তা, দক্ষতা। যি সময়ত আৰক্ষীক জনসাধাৰণৰ মাজলৈ নিবলৈ সকলো প্ৰকাৰৰ চেষ্টা কৰা হৈছে তেনে সময়তে আৰক্ষীৰ ভূমিকাক লৈয়ো চৌদিশে হৈছে সমালোচনা। এই সমালোচনাৰ প্ৰত্যুত্তৰ দিয়ক। আজি মণিপুৰ জ্বলিছে। এই বীভৎস ৰূপ কোনোৱে চাব নোখোজে। মণিপুৰৰ একাংশ লোকে এই অগ্নিগৰ্ভ পৰিস্থিতি সৃষ্টিৰ সমৰ্থন কৰিলেও অধিকাংশই বিচাৰে শান্তি। কাৰণ হিংসা, হত্যাই কাৰো উন্নতি কৰিব নোৱাৰে। আজি যিসকলে মণিপুৰৰ ঘটনাত সাৰ-পানী যোগাইছে কাইলৈয়ে তেওঁলোকো এনে ঘটনাৰ বলি নহ'ব তাৰ নিশ্চয়তা নাই।

এতিয়া এটা পক্ষই আনটো পক্ষক দোষাৰোপ কৰি লাভ নাই। ৰাজনৈতিক লাভালাভৰ বাবে এইবোৰ চলিয়েই থাকিব। পিছে দুই ম'হৰ যুঁজত বিৰিণাৰহে মৰণ হৈছে। তোষামোদ, প্ৰশংসা, এটা ৰাজনৈতিক দলৰ লাভালাভৰ বাবে আন ৰাজনৈতিক দলসমূহো যে নিৰৱ হৈ থাকিব লাগিব তেনে কোনো কথা নাই। এটা দলক শ'লঠেকত পেলাই নিৰ্বাচন আদিত সুযোগ গ্ৰহণ কৰিবলৈ অপেক্ষাৰত দলসমূহে এই সময়ত ৰাজনৈতিক লাভালাভৰ কথা বাদ দি সকলোৰে অপশক্তি, দুষ্কৃতিকাৰী, তৃতীয়পক্ষ আদিৰ বিৰুদ্ধে থিয় দিবই লাগিব। কাৰণ আজি মণিপুৰ জ্বলিছে, মণিপুৰত অসহায় মহিলাক উলংগ কৰি ৰাজপথত একাংশই আসুৰিক নৃত্য প্ৰদৰ্শন কৰিছে, সেয়া যে সমগ্ৰ দেশতেই নহ'ব সেয়া কোনোবাই ক'ব পাৰিবনে?

# শিক্ষাৰ্থীৰ প্ৰতিভা বিকাশত গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালাৰ অৱদান

সময়ৰ পৰিৱৰ্তনৰ লগে লগে গ্ৰীষ্মবন্ধ বা গৰম বন্ধৰ সংজ্ঞাও সলনি হ'ল। আগতে গৰম বন্ধ মানে আছিল ছাত্ৰ-ছাত্ৰীৰ এমাহজোৰা অধ্যয়ন বন্ধ। এই সময়ত কোনোবাই যায় মামা, পেহী, জেঠী আদিৰ ঘৰলৈ। কিছুমান যায় ফুৰিবলৈ। গৰমৰ বন্ধত যিবোৰ কাম কৰিবলৈ দিয়ে সেইবোৰ বন্ধ খোলাৰ কেইদিনমান আগত আৰম্ভ কৰি স্কুললৈ যোৱাৰ আগদিনালৈকে খৰতকীয়াকৈ সমাপ্ত কৰা হয়। ছাত্ৰ-জীৱনৰ মূল্যৱান সময় এনেদৰে নষ্ট কৰা হৈছিল গৰম বন্ধত। আচলতে এটা দশকমান আগলৈকে গৰম বন্ধ আছিল আনন্দৰ সময়। এই সময়ত যিবোৰ কাম কৰিবলৈ দিয়া হয় সেইখিনি কৰাটোৱে সাফল্য বুলি গণ্য কৰা হৈছিল। তেতিয়া ম'বাইল, ইণ্টাৰনেট, ফেচবুক, ইন্‌ষ্টাগ্ৰাম আদি উপলব্ধ নাছিল। সেইবাবে মামাৰ ঘৰ, পেহীৰ ঘৰ আদিলৈ ফুৰিবলৈ যোৱাটোৱেই আছিল একমাত্ৰ আনন্দৰ উৎস। সীমিত পৰিসৰৰ মাজত নিজকে আবদ্ধ কৰি ৰাখিব লাগিছিল। প্ৰতিভা বিকাশৰ বাবে বিশেষ সুযোগো নাছিল। যিসকল প্ৰতিভাধৰ আছিল তেওঁলোকে নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে উপযুক্ত সুযোগ পোৱা নাছিল। কাৰণ গৰম বন্ধ মানে সকলো বন্ধ। আনকি প্ৰাইভেট টিউচনো বন্ধ হৈ পৰে। এনে লাগিছিল যেন গৰমবন্ধ মানে অৱসৰ বিনোদনৰহে সময়।

এতিয়া গৰম বন্ধৰ সংজ্ঞা সলনি হ'ল। সকলোৱে উপলব্ধি কৰিবলৈ ধৰিলে যে গৰম বন্ধৰ সময়খিনি আমি পঢ়া-শুনাৰ পৰা আঁতৰি থাকিও সৃজনীমূলক কাম-কাজত ব্যস্ত থাকিব পাৰি। আজৰি সময়ত সুপ্ত প্ৰতিভাও

বিকাশ কৰিবলৈ সক্ষম হোৱাৰ সুযোগ পায়। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাৰ উপৰি বিভিন্ন বিষয়ত ৰাপ থাকে। এই ৰাপকেই যদি আমি শৃংখলাবদ্ধভাৱে গ্ৰীষ্ম বন্ধৰ সময়ত বিকশিত কৰিব পাৰো তেনেহ'লে সেয়া হ'ব সৃষ্টিৰ উৎস। ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ সমান্তৰালভাৱে নিজৰ সুপ্ত প্ৰতিভাৰো বিকাশ কৰিব লাগিব। এই কথা উপলব্ধি কৰিয়েই শেহতীয়াভাৱে অসম চৰকাৰে ৰাজ্যৰ প্ৰতিখন জিলাতেই আৰম্ভ কৰিছে গ্ৰীষ্মকালীন শিৱিৰ।

২০২৩ চনত প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে আৰম্ভ কৰিছে গ্ৰীষ্মকালীন প্ৰশিক্ষণ। এই প্ৰশিক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে। সংগীত, নাটকৰ লগতে বিভিন্ন বিষয়ত নিজৰ নিজৰ প্ৰতিভা বিকাশৰ এখন সুন্দৰ মঞ্চ লাভ কৰিছে। চৰকাৰ যিয়েই নহওক কিয় শেহতীয়াভাৱে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয়। সাংস্কৃতিক মন্ত্ৰী বিমল বড়াই সমগ্ৰ ৰাজ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষ গ্ৰীষ্মকালীন কৰ্মশালাৰ আয়োজন কৰা বুলি ঘোষণা কৰোঁতেই এটা কথা স্পষ্ট হৈ পৰিছিল যে এতিয়া আৰু আমাৰ ল'ৰা-ছোৱালীক পূৰ্বৰ দৰে অবাবতে সময় নষ্ট কৰিবলৈ দিয়া যে নহ'ব সেয়া সকলোৱে উপলব্ধি কৰিছে। সময়ৰ সৈতে খোজ মিলাবলৈ শিকোৱাৰ সময় আহি পৰিছে। স্কুলত পঢ়াৰ ক্ষেত্ৰত যি চাপৰ সৃষ্টি হয় সেয়া গৰমৰ দিনত সাময়িকভাৱে নোহোৱা হয়। তাৰ অৰ্থ এইটো নহয় যে এইকেইদিন কোনো সৃষ্টিশীল কামত নিয়োজিত হৈ নাথাকিব। শিশুৰ শাৰীৰিক-মানসিক বিকাশৰ বাবে এইবাৰ অসম চৰকাৰৰ সাংস্কৃতিক বিভাগে ৰাজ্যখনৰ উঠি অহা প্ৰজন্মৰ শিক্ষাৰ্থীসকলৰ সুকুমাৰ কলা বিকাশৰ বাবে গ্ৰহণ কৰা ১০ দিনীয়া প্ৰশিক্ষণ শিবিৰে সকলোৰে মাজত এক ইতিবাচক দিশৰ সূচনা কৰিছে। গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালাই কণ-কণ শিশুসকলক সুকুমাৰ কলাৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে প্ৰতিভা বিকাশৰ বাবে এখন উপযুক্ত ক্ষেত্ৰও লাভ কৰিলে। গীত, কবিতা, নাটক, আবৃত্তি আদিৰ প্ৰশিক্ষণ লাভ কৰিলে সেইবোৰ বন্ধৰ দিনকেইটাত ঘৰতে চৰ্চাৰ বাবেও সুযোগ লাভ কৰিছে।

যিকোনো বিষয়তে প্ৰশিক্ষণৰ প্ৰয়োজন। কাৰণ প্ৰশিক্ষণৰ জৰিয়তেহে কোনো এটা বিষয়ত সকলোৱে খৰচি মাৰি জ্ঞান লাভ কৰিব পাৰে। গীত, কবিতা আবৃত্তি আদিৰ কলা আয়ত্ত কৰিব পাৰিলেহে সুন্দৰৰ সাধনা কৰাটো

সম্ভৱ। বহুতো শিশুৰ নাটক, গীত-মাত, কবিতা, আবৃত্তি, ঢোল, খোলৰ লগতে অন্য বাদ্যৰ প্ৰতি কমবয়সৰ পৰাই আকৃষ্ট হয়। মাথো সুযোগ নোপোৱা বাবে এইবোৰ কলিতেই মৰহি যায়। বিভিন্ন ঠাইত অভিজ্ঞ ব্যক্তিৰ দ্বাৰা এইবোৰৰ প্ৰশিক্ষণ দিয়াৰ বাবে সাংস্কৃতিক পৰিক্ৰমা বিভাগে যি ব্যৱস্থা কৰিলে সেয়া যদি পৰৱৰ্তী সময়তো অব্যাহত থাকে তেতিয়াহ'লে গ্ৰীষ্ম বন্ধৰ সময়খিনি সকলো ছাত্ৰ-ছাত্ৰীয়ে সুন্দৰভাৱে কটাব পাৰিব। পঢ়াৰ সমান্তৰালভাৱে সাময়িকভাৱে বিনোদন আৰু প্ৰতিভা বিকাশৰ সুযোগ দিলে নিশ্চয় শিক্ষাৰ্থী সকলেও সৰুৰে পৰা সন্মুখীন হোৱা মানসিক চাপৰ পৰিসৰৰ পৰা মুক্ত হৈ থাকিব পাৰিব।

আজিকালি প্ৰতিগৰাকী অভিভাৱক, পিতৃ-মাতৃয়ে সন্তানক কেৱল পঢ়ি-শুনি একো একোটা যন্ত্ৰসদৃশ মানৱ তৈয়াৰ কৰি ধন ঘটাৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ মানসিকতা বৃদ্ধি পাইছে। আনকি গ্ৰীষ্ম বন্ধ আদিৰ সময়তো এনেবোৰ কথাই তেওঁলোকক যন্ত্ৰৱৎ কৰি তোলে। এইবোৰৰ পৰা মুক্ত হ'ব নোৱাৰিলে সদায় চাপ বৃদ্ধি হৈ থাকে। এসময়ত আত্মকেন্দ্ৰিক মনোভাৱে গা কৰি উঠে। এনেধৰণৰ মানসিকতা আমি সলনি কৰিব লাগিব। যেতিয়া গ্ৰীষ্মকালীন প্ৰশিক্ষণ কৰ্মশালাত অংশগ্ৰহণ কৰি নতুন নতুন পৰিৱেশত প্ৰশিক্ষণ লাভ কৰিব তেতিয়া সুকুমাৰ কলাৰেও যে মানসিক প্ৰশান্তি লাভ কৰিব পাৰি সেয়া উপলব্ধি কৰিব। ভৱিষ্যতে সমাজত তেওঁলোকে নিজকে প্ৰতিষ্ঠা কৰাৰ সুযোগ পাব। সেয়েহে আমি সকলোৱে এনে কৰ্মশালাক সফল কৰিবলৈ সহযোগ কৰিবই লাগিব। শিক্ষাৰ সমান্তৰালভাৱে সুকুমাৰ কলাৰ প্ৰতিও আমি সমানেই আগ্ৰহ প্ৰকাশ কৰিব লাগিব। প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যত ৬৪বিধ কলাৰ বিৱৰণ পোৱা যায়। এই ৬৪ কলাকে কাৰুকলা আৰু সুকুমাৰ কলা নামেৰে দুটা ভাগত বিভক্ত কৰা হৈছিল। যিহেতু সুকুমাৰ কলাই মানুহৰ সুকুমাৰ অনুভূতিক উজ্জীৱিত কৰি মানসিক বা নান্দনিক আনন্দ প্ৰকাশ কৰাটোৱে হৈছে সুকুমাৰ কলা। গতিকে আমি যদি এই সুকুমাৰ কলাৰ প্ৰতি শিশুসকলক বা ছাত্ৰ-ছাত্ৰীক সৰুৰে পৰাই আকৃষ্ট কৰিব পাৰিলে ভৱিষ্যতে এক শৃংখলিত জীৱন যাপনৰ পথত এখোজ আগুৱাই নিয়া বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আমি যদি যিকোনো কৰ্মশালাত হোৱা আলোচনাৰ বিষয়সমূহ ইতিবাচক চিন্তাৰে উপস্থাপন কৰিব পাৰো তেতিয়াহ'লে সফল হোৱাটো নিশ্চিত।

# অমৃত মহোৎসৱৰ পিছত আমাৰ দায়িত্ব কি হ'ব?

দেশবাসীয়ে পালন কৰিলে ৭৭সংখ্যক স্বাধীনতা দিৱস। ১৯৪৭ চনৰ ১৫ আগষ্টত পৰাধীনতাৰ শিকলি খুলি ভাৰতে লাভ কৰিছিল এক নতুন পৰিচয়। সাম্ৰাজ্যবাদী বৃটিছৰ বিৰুদ্ধে দেশবাসীয়ে একত্ৰিত হৈ যুঁজ দিয়া বাবেই মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতাৰ হেঙুলী কিৰণ লাভ কৰিবলৈ সক্ষম হৈছিল। ভাৰতবাসীৰ মনোবল আৰু দৃঢ়তাৰে বৃটিছসকলক ভাৰতৰ মাটিৰ পৰা ওফৰাবলৈ সক্ষম হোৱাত বিশ্ববাসীয়ে ভাৰতীয় জনগণক আদৰণি জনাইছিল। চাওঁতে চাওঁতে দেশবাসীয়ে স্বাধীনতা লাভৰ ৭৫ বছৰ অতিক্ৰম কৰিলে। এইবাৰ ১৪০ কোটি ভাৰতীয়ই উদ্‌যাপন কৰিলে ৭৭সংখ্যক স্বাধীনতা দিৱস। বিগত বৰ্ষত দেশবাসীয়ে স্বাধীনতাৰ অমৃত মহোৎসৱ পালন কৰিলে। এই সময়ছোৱাত স্বাধীনতা সেনানীক স্মৰণ কৰা হয়। নৱপ্ৰজন্মক স্বাধীনতা যুঁজৰ সেনানীসকলক পৰিচয় কৰাই দিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰিলে বিভিন্ন কাৰ্যসূচী। স্বাধীনতা যুঁজৰ ঐতিহাসিক ঘটনাৰে জড়িত স্থান, কীৰ্তিচিহ্ন, মুক্তিযোদ্ধাৰ গৃহ, স্মৃতি বিজড়িত সম্পদৰাজিক নৱপ্ৰজন্মক চিনাকি কৰি দিবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন বিষয়ক প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। দেশৰ প্ৰতিটো অঞ্চলতেই স্বাধীনতা যোদ্ধাসকলৰ নামত পথৰ নামকৰণ কৰি তেওঁলোকৰ অৱদানৰ বিষয়ে ৰাইজক অৱগত কৰা হয়। চৰকাৰৰ এনে পদক্ষেপ নৱপ্ৰজন্মক স্বাধীনতা যুঁজৰ বহুতো অপ্ৰকাশিত ঘটনাক পৰিচয় কৰাই দিলে।

স্বাধীনতা দিৱসত সকলোৱে অংশগ্ৰহণ কৰিলে। বহুতো কাৰ্যসূচী ৰূপায়ণেৰে দেশৰ প্ৰতি থকা ভক্তিভাৱৰ কথা প্ৰকাশ কৰিলে। দেশৰ প্ৰতি থকা শ্ৰদ্ধাৰ প্ৰতিফলন হোৱাৰ লগতে দেশে লাভ কৰিলে এক শক্তি। এই স্বাধীনতাৰ অমৃত মহোৎসৱক যাতে অমৃতৰ দৰে অমৰ কৰি ৰাখিব পাৰি তাৰ বাবে আমি সকলোৱে সংকল্প গ্ৰহণ কৰিব পাৰে। কাৰণ স্বাধীনতা দিৱস আৰু অমৃত দুয়োটাই হৈছে অমূল্য আৰু অমৰ। দেৱতাসকলে অসুৰৰ পৰা অমৃত কলহ উদ্ধাৰ কৰাৰ পিছত অমৰত্ব লাভ কৰিছিল। ভাৰতেই ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ দিয়ে লাভ কৰিছিল অমৃত সদৃশ স্বাধীনতা। সেয়েহে আমি স্বাধীনতা দিৱসক কেৱল ১৫ আগষ্টৰ দিনটোতেই আৱদ্ধ ৰখাৰ পৰিৱৰ্তে বছৰৰ প্ৰতিটো দিনতেই বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব পাৰো। আন নকৰিলেও আমি ৭৫ বছৰীয়া পৰিক্ৰমাক জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগিব। সেইবাবে আমি যদি সকলোৱে প্ৰতিটো চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, বেচৰকাৰী অনুষ্ঠান, শিক্ষানুষ্ঠান আদিত ৭৫ডালকৈ মূল্যৱান গছ ৰোপণ কৰো তেতিয়াহ'লে এই গছবোৰে অমৃত মহোৎসৱৰ কথাকে চিএঙৰি চিএঙৰি কৈ থাকিব। এই মহোৎসৱ শেষ হ'লে এইবোৰ কৰিলে কিবা প্ৰাসংগিকতা থাকিব জানো বুলি প্ৰশ্ন কৰা লোকৰো অভাৱ নহ'ব। আমি সেইবোৰ কথালৈ কৰ্ণপাত নকৰি নিজৰ নিজৰ কৰ্তব্য পালন কৰিলে নিশ্চয় স্বাধীনতাৰ সপোন দেখা সেনানীসকলে নেদেখাকৈয়ে ওপৰৰ পৰা আশীৰ্বাদ দিব।

৭৫জোপাকৈ গছ ৰুলেই নহ'ব গছবোৰত ফলকো আঁৰি দিব লাগিব। এই ফলকত প্ৰতিটো অঞ্চলৰ স্বাধীনতা সেনানীসকলৰ নাম লিখা ফলক আঁৰি দি এইবোৰৰ পৰিচৰ্যা ভালদৰে কৰিব লাগিব যাতে এইবোৰ গছে ভৱিষ্যতে মহান সেনানীসকলক নৱপ্ৰজন্মক সোঁৱৰাই দিব স্বৰ্ণিল ইতিহাসৰ কথা। এই গছবোৰে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাতো সহায় কৰিব। তদুপৰি কোনো লোকে স্বাধীনাত সেনানীৰ নামত থকা গছবোৰ কাটিবলৈ সাহস নকৰিব। তদুপৰি অঞ্চলটোৰ শিশুসকলে মূল্যৱান ফল আদি খাব পাৰিব। এইবোৰৰ বাবে বহুতো বেছি ব্যয়ো নহ'ব। কম খৰচতে সকলোৱে বৃক্ষৰোপণ কৰিব পাৰে। এইক্ষেত্ৰত বন বিভাগেও যদি সহযোগিতা আগবঢ়ায় তেনেহ'লে সকলোখিনিয়েই সুন্দৰভাৱে পৰিচালিত হ'ব। বনাঞ্চল ধ্বংসৰ কথা আমি সকলোৱে চিএঙৰি চিএঙৰি কৈ আছোঁ। কিন্তু এইবোৰ কথা ভাবিছো জানো? নিশ্চয় ভবা নাই। বলেৰে নোৱৰা কাম আমি

বুদ্ধিৰে কৰাত কিহৰ আপত্তি। যেতিয়া এসময়ত এই গছবোৰ ডাঙৰ হ'ব তেতিয়া আইনগতভাৱে কাটি অনুষ্ঠান আদি নিৰ্মাণতো ব্যৱহাৰ কৰাটো সম্ভৱ হ'ব। যিখন ৰাজ্যত মাত্ৰ এগৰাকী ব্যক্তিয়ে এখন জংঘল সাজিব পৰিছে সেইখন ৰাজ্যৰ জনগণে স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ একোটা অঞ্চলত ৭৫জোপাকৈ মূল্যৱান বৃক্ষ ৰোপণ কৰিব নোৱাৰিবনে?

যেতিয়া বাগিচা হিচাপত বৃক্ষৰোপণ কৰা হ'ব তেতিয়া সেই ঠাইখিনিৰ সৌন্দৰ্যবৰ্ধনৰ লগতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাতো নিশ্চয় সহায়ক হ'ব। তদুপৰি যেতিয়া এনেবোৰ বৃক্ষত স্বাধীনতা সেনানীৰ নাম লিখা থাকিব তেতিয়া ঠাইখিনিৰ গৌৰৱো বৃদ্ধি পাব। কাৰণ এখন গাঁও বা অঞ্চলত কিমানগৰাকী স্বাধীনতা যুঁজত সেৱা আগবঢ়াইছিল সেই বিষয়বোৰো স্পষ্ট হৈ থাকিব। স্বাধীনতাৰ অমৃত মহোৎসৱৰ গৌৰৱময় সংগ্ৰাম গাথা যেন সদায় আমাৰ মাজত স্বৰ্ণিল আখৰেৰে বৰ্ণনা কৰা থাকিব। দেশ তথা সমাজৰ প্ৰতিটো স্তৰতে ইতিবাচক চিন্তা-চৰ্চাৰে কামত আগবাঢ়ি গ'লেহে দেশৰ মংগল হ'ব। দেশ তথা স্বজাতিৰ বিপদৰ সময়ত যিসকলে দেহে-কেহে কাম কৰিছিল সেইবোৰৰ স্মৃতি যুগমীয়া কৰিবলৈ সকলোৱে হাতে-কামে লাগি যোৱা উচিত। কাৰণ আমি যদি এতিয়াই এইবোৰ কাম নকৰো তেতিয়াহ'লে সময়ৰ সোঁতত সকলো বিলীন হৈ যাব। সকলোৱে ব্যক্তিস্বাৰ্থতকৈ ৰাজহুৱা বিষয়ত অগ্ৰাধিকাৰ দিবই লাগিব।

কিছুমান কাম আমি সদায় নকৰিলেও সদায় কৰাৰ দৰেই হয়। ফলৰ বাগিচা এখনত এবাৰ কষ্ট কৰিলেই বহু বছৰলৈ ইয়াৰ সুফল লাভ কৰাটো সম্ভৱ। সেইবাবে কেইজোঁ অমৃত মহোৎসৱৰ স্মৃতি জীয়াই ৰাখিবলৈ আমি বৃক্ষৰোপণ কৰোঁ আহক। ইয়াৰ বাবে বেছি ধনৰ প্ৰয়োজন নাই, প্ৰয়োজন মাথো মানসিকতাৰ।

# বিহুৰ সংজ্ঞা সলনি নকৰিব

ৰঙালী বিহু অসমীয়া জাতিৰ প্ৰাণ। অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু অতীজৰে পৰাই পালন কৰি অহা হৈছে। পৰম্পৰাগতভাবে পালন কৰি অহা হৈছে ৰঙালী বিহু। অসমত বসবাস কৰা প্ৰতিগৰাকী লোকেই এই বিহুটিত অংশগ্ৰহণ কৰি আহিছে। ব'হাগৰ আগমনৰ লগে লগে সকলোৰে মন-প্ৰাণ হৰি নিয়ে। বসন্ত মানেই ব'হাগ বিহুৰ প্ৰস্তুতি। কিন্তু এনে প্ৰস্তুতিৰ মাজতেই এতিয়া বহুতৰ মনত বিভিন্ন প্ৰশ্নৰ উদ্ৰেগ ঘটিছে। কিছুমান কাৰকৰ বাবে এতিয়া ৰঙালী বিহুটিক লৈও প্ৰশ্ন উত্থাপন হৈছে। অসমীয়া জাতিৰ আয়ুস ৰেখাডালত যেন কুঠাৰাঘাত কৰিবলৈ একাংশ লোকে উঠিপৰি লাগিছে। একাংশ বেপৰোৱা লোকে ৰঙালী বিহুৰ সংজ্ঞা সলনি কৰিবলৈ নক্সা প্ৰস্তুত কৰিছে। বিহুক যিসকল লোকে বাণিজ্যিকীকৰণ কৰিবলৈ প্ৰত্যক্ষ অথবা পৰোক্ষভাবে জড়িত হৈ পৰিছে সেইসকলৰ মনত বিহু লঘু উৎসৱ হ'লেও আন একাংশই আকৌ পৰম্পৰা ৰক্ষাৰ বাবে অহৰ্নিশে যুঁজ দি আছে। আমি সকলোৱে ৰঙালী বিহুটিক গৌৰৱৰ চানেকি হিচাপে থাকিবলৈ চেষ্টা কৰিব লাগিব। বিহুটিক আদৰি লোৱাৰ মানসিকতা যতি পৰিলে অসমীয়া জাতিৰ অস্তিত্বলৈ ঘোৰ সংকট নামি আহিব। জোঁৰ পুৰি হাত পোৱালৈ আমি অপেক্ষা কৰি থকাৰ পৰিৱৰ্তে বিহুটিক কেনেদৰে জীয়াই ৰাখিব পাৰি তাৰ বাবে ইতিবাচক চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। কাৰণ নৱপ্ৰজন্মক আমি যি পথেদি বিহুটিক ৰক্ষাৰ বাবে আগুৱাই নিম তেওঁলোকে সেই পথেৰেই আগুৱাই যাব।

এসময়ত ভিন্ ভিন্ ঠাইত পথাৰৰ মাজত আঁহতৰ তলত লোকচক্ষুৰ আঁতৰত কৰা নাচ-গানবোৰে এসময়ত আহোমৰ দিনত ৰাজ্যিক পৰ্যায়ত প্ৰতিষ্ঠিত হ'ল। ৰংঘৰৰ বাকৰিত যেতিয়াৰ পৰাই এই নাচ-গানবোৰে প্ৰতিষ্ঠিত হোৱাৰ পথত সাজ পেলালে তেতিয়াৰে পৰাই ই বনৰীয়া স্বৰূপটো এৰিলে। ৰজাঘৰ আৰু প্ৰজাঘৰে যেতিয়াৰে পৰাই একেলগে বিহুটিৰ আয়োজন কৰিবলৈ ল'লে তেতিয়াৰে পৰা বিহুৱে লাভ কৰিলে অন্য এক মৰ্যাদা। এই মৰ্যাদাই অসমীয়া জাতিটোক আন এক পৰিচয় দাঙি ধৰিলে। লাহে লাহে বিহুৰ সম্প্ৰসাৰণ হ'ল। যিবোৰ গীত-নৃত্য কোনে ঠাইত আবদ্ধ আছিল সেইবোৰে সাৰ্বজনীন ৰূপ ল'বলৈ আৰম্ভ কৰিলে। এনে আৰম্ভণিয়ে মনত নতুন চিন্তা-চৰ্চাৰে উদ্ৰেক ঘটা লোক কথাবোৰ ভাবিবলৈ কাৰোৱে আহুৰি নাই।

সংস্কৃতি গতিশীল। সংস্কৃতিৰ গতি কোনো লোকে প্ৰতিহত কৰিব নোৱাৰে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে যাৰ যি মন যায় তাকেই কৰিব। এই পৰিৱৰ্তন এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত থাকিব লাগিব। কাৰণ সংস্কৃতিক যদি এক নিৰ্দিষ্ট ক্ষেত্ৰৰ মাজত পৰিচালিত নকৰি তাক বিজতৰীয়া কৰা হয় তেনেহ'লে সংস্কৃতিয়ে অন্যফালে গতি কৰিব। সংস্কৃতি ৰক্ষা কৰাটো সকলোৰে কৰ্তব্য। ৰঙালী বিহু যিহেতু অসমীয়া জাতিৰ প্ৰাণৰো প্ৰাণৰ উৎসৱ, সেয়ে ইয়াৰ বিকৃতকৰণ কোনোৱে সহ্য নকৰে। বিকৃতকৰণ মানে মূল উৎসৰ পৰা আঁতৰি যোৱা। যেতিয়াই কোনো এটা বিষণ্ণ মূল উৎসৰ পৰা আঁতৰি যায় তেতিয়াই তাৰ অস্তিত্ব লাহে লাহে হ্ৰাস পাবলৈ ধৰে। জনমানসত এই বিষয়টোৱে গুৰুত্ব হেৰুৱাবলৈ আৰম্ভ কৰে। এইবোৰ কথা তেতিয়াহে সকলোৱে উপলব্ধি কৰে যেতিয়া বিষয়টোক আওকাণ কৰি বিজতৰীয়া সংস্কৃতিয়ে গা-কৰি উঠে। ইতিমধ্যে বিহুত একাংশ লোকে বিজতৰীয়া সংস্কৃতিক সাঙুৰিবলৈ ধৰিছে। এনে বিজতৰীয়া সংস্কৃতিয়ে বিহুৰ মূল গাঁথনিটোত আঘাত সানিবলৈ অহৰ্নিশেই চলাই আছে। কিছু কিছু ক্ষেত্ৰত এইবোৰে আঘাত সানিছে যদিও জাতিটোৰ পৰিচয় হোৱা হেতুকে বহুতেই মূল গাঁথনিটোক আঁকোৱালি ধৰি ৰাখিবলৈ আৰম্ভ কৰিছে পৰোক্ষ যুঁজ।

পৃথিৱীৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ নিজা নিজা সাহিত্য-সংস্কৃতি থাকে। এই সংস্কৃতিয়ে একোটা জাতি-জনগোষ্ঠীকে বিশ্ববাসীৰ মাজত সুকীয়া বৈশিষ্ট্যৰে পৰিচয় দাঙি ধৰে। সেয়ে এনে সংস্কৃতি দেখাৰ লগে লগেই

জাতিটোৰে প্ৰতি সকলোৰে মূৰ দোঁ-খায়। সন্মান প্ৰদৰ্শন কৰে। য'ত সংস্কৃতি আছে তাত সন্মানো থাকে। সেয়ে পৃথিৱীৰ যিবোৰ দেশ, জাতি-জনগোষ্ঠীৰে সংস্কৃতি চহকী সেইবোৰত সকলোৰে ছগা পোকৰ দৰে আকৰ্ষিত হয়। অসমৰ ৰঙালী বিহুটিৰ ক্ষেত্ৰতে এনেধৰণৰ ছবি এখন দেখা পোৱা যায়। বিহুগীত, ঢোলৰ গুমগুমনি, পেঁপা, তালৰ শব্দই যিকোনো লোকেৰে অন্তৰ স্পৰ্শ কৰিব পৰা উপাদান আছে। ধৰিত্ৰী কঁপাব পৰা শক্তি আছে। ইয়াতেই বিচাৰি পোৱা যায় প্ৰেম-ভালপোৱা, একতাৰ এনাজৰী, ভ্ৰাতৃত্ববোধ তথা এটা জাতিৰ মহিলাসকলৰ সৃষ্টিৰ কৰ্মৰাজি। মুগাৰ মেখেলা-চাদৰ, ফুলাম গামোচা আদিত প্ৰতিফলিত হয় হাতৰ চানেকি। গামোচাখনে আজিও অসমীয়া জাতিটোক এক সুকীয়া পৰিচয় দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰা আৰম্ভ কৰি মহাকাশচাৰী আদি সকলোৰে ডিঙিত শোভা বৰ্ধন কৰিছে। বিহু হুঁচৰি নৃত্য আদিতো যিবোৰ উপাদন বিচাৰি পোৱা যায় সেইবোৰে বিহুৰেই অংশ। গতিকে আমি সকলোৰে ইয়াক সন্মান জনাব লাগিব। য'ত সন্মান আছে তাত আদৰ্শও সমানেই গুৰুত্বপূৰ্ণ। সেইবাবে বাপতি সাহোন ৰঙালী বিহুটিৰ মূল গাঁথনি সলনি নকৰাকৈ কিছু পৰিৱৰ্তন হৈছে। সময়ৰ লগে লগে পৰিৱৰ্তন অৱশ্যম্ভাৱী। গতিকে ৰঙালী বিহুৰ ক্ষেত্ৰত যদি সামান্য পৰিৱৰ্তন হৈছে তেতিয়াহ'লে সকলোৰে এটা কথাত সজাগ হ'ব লাগিব যে বিহুৰ পৰিৱৰ্তন যে হৈছে সেয়া কিহৰ ওপৰত ভিত্তি কৰি হ'বলৈ আৰম্ভ কৰিছে। সেয়া বিশ্লেষণ কৰিবই লাগিব। ৰঙালী বিহুৰ সংজ্ঞা সলনি কৰিবলৈ যিসকলে উঠি-পৰি লাগিছে, প্ৰয়োজন হ'লে তেনে লোকৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিব লাগিব। বিহুৰ সংজ্ঞা সলনি কৰিবলৈ কোনো লোকে চেষ্টা নকৰাটোৱে মঙ্গলজনক।

# গাঁৱত নাই তাঁতশালৰ শব্দ

বিহু মানেই তাঁতশালৰ মাকোৰ খিট্‌খিট্ শব্দ। বসন্তৰ আগমনৰ লগে লগে তাঁতশালৰ শব্দৰ গতিও বৃদ্ধি পায়। ইতিহাসৰ পৃষ্ঠাই এই কথাকেই সোঁৱৰে। অসমীয়া শিপিনীৰ পাৰদৰ্শিতা এই তাঁতশালখনতেই প্ৰতিফলিত হয়। আগতে গ্ৰামাঞ্চলৰ কথাতো বাদেই চহৰাঞ্চলতো তাঁতশালৰ শব্দ শুনা গৈছিল। কাৰণ তাঁতশাল হৈছে প্ৰতিগৰাকী অসমীয়া মহিলাৰেই গৌৰৱৰ কাৰণ। যিসকল তাঁতশালৰ কামত নিপুণ, সমাজত তেওঁলোকৰ স্থানো উচ্চত। অতীতত মহিলাসকলৰ কামৰ নিপুণতা বা পাৰদৰ্শিতা জোখা হৈছিল তাঁতশালৰ যোগ্যতাৰে। আনকি বিবাহ আদি কাৰ্যৰো অগ্ৰাধিকাৰ দিয়া হৈছিল তাঁতশাল জনা-নজনাৰ ওপৰত। নাৰীৰ সুন্দৰতাও জোখা হৈছিল এনে কাৰ্যৰ ভিত্তিত। দেশ-বিদেশতো অসমীয়া শিপিনীৰ হাতৰ চানেকিয়ে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। মহামানৱ মহাত্মা গান্ধীয়েও অসমীয়া শিপিনীৰ হাতে বোৱা কাপোৰ প্ৰসংগত কৈছিল— অসমীয়া মহিলাই সপোন ৰচিব পাৰে তাঁতশালত। এই তাঁতশালখন হৈছে মহিলাসকলৰ স্বাভিমান। অসমীয়াৰ সাংস্কৃতিক জীৱনত তাঁতশালখনৰ গুৰুত্ব অপৰিসীম বুলি কোৱা হয়। সেয়েহে এই তাঁতশালখন হৈছে অসমীয়া শিপিনীৰ সম্পদ। এইবিধ সম্পদ সযতনে ৰাখিবলৈ সকলোৰে চেষ্টা কৰে আৰু কৰা উচিত।

এই তাঁতশালখনৰ স'তে ব'হাগ বিহুৰ সম্পৰ্ক ওতপ্ৰোত। তাঁতশাল অবিহনে ৰঙালী বিহুৰ চিত্ৰ এখন কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। কাৰণ চেনেহৰ

দীঘেৰে, মৰমৰ বাণিৰে বোৱা অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচাখন এইখন তাঁতশালতেই প্ৰস্তুত কৰা হয়। সেইবাবেই বসন্তৰ আগমনৰ লগে লগে তাঁতশালৰ শব্দও বৃদ্ধি পায়। নাৰীৰ জীৱনৰ স'তে সম্পৃক্ত তাঁতশালখনত প্ৰস্তুত কৰা হয় ফুলাম গামোচাখন। ফুলাম গামোচক লৈ ইতিমধ্যে সমগ্ৰ বিশ্বতেই চৰ্চা হৈছে। ইয়াৰ সৌন্দৰ্যই বেলেগ। তাঁতশাল আৰু শিপিনীৰ দক্ষতা আদি বিহুগীতৰ মাজতেই বিচাৰি পোৱা যায়। বিহুগীতসমূহেও তাঁতশাল অবিহনে পূৰ্ণাঙ্গ নাপায়। অতীতৰে পৰা চলি অহা এফাকি বিহুগীত হৈছে 'বহো তাঁতৰ পাতত চকু আলিবাটত/মাকো সৰি সৰি পৰে'। এই বিহুফাকিতেই বিচাৰি পোৱা যায় নাচনীৰ এইসময়ত ব্যস্ততাৰ মাজত দেখা দিয়া ৰঙীন ছবিখন। অসমীয়া শিপিনীৰ তাঁতশালখনৰ আদৰৰ কথা কুমাৰ ভাস্কৰ বৰ্মাই হৰ্ষবৰ্ধনলৈ বন্ধুত্বৰ চিন স্বৰূপে দিছিল কোমল পাট কাপোৰ।

ব'হাগ মানেই বিহুৱান। এই মৰমৰ বিহুৱানখন শিপিনীয়ে নিজে বৈ কাটি উলিয়ায়। এয়াই হৈছে শিপিনীৰ গৌৰৱ। যিমানেই ডাঙৰ আৰু আকৰ্ষণীয় ফুলাম গামোচা প্ৰস্তুত কৰিব সিমানেই তেওঁৰ গৌৰৱো বাঢ়িব। অসমীয়া শিপিনীৰ হাতৰ পৰশত প্ৰাণপাই উঠা তাঁতশালৰ কথাখিনি এনেদৰে প্ৰকাশ পাইছে— 'হাঁহে পানী পালে চৰে সমনীয়া/পাৰই পানী পালে নাচে। এখনি হাঁচটি আমাকো নালাগে/যুৰীয়া তাঁতশাল আছে'। আহোমৰ দিনৰ পৰাই অসমত তাঁতশালে বেছি গুৰুত্ব পোৱা বুলি একাংশই দাবী কৰি আহিছে। সেই সময়ত বয়ন-শিল্পৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰাত গুৰুত্ব প্ৰদান কৰা হৈছিল। এই তাঁতশালখনত ব্যস্ত থকা শিপিনীগৰাকীক উদ্দেশ্যি বিহুগীতত এনেদৰে উল্লেখ কৰিছে— 'তুমি তাঁতে বোৱা/প্ৰেমৰ সৰু সূতা/ময়ে চাঁচি দিয়া মাকো/তুমি তাঁতে বোৱা নীৰৱে নিজানে/ময়ে গৈ আমনি কৰো'।

ইতহাসে ঢুকি নোপোৱা দিনৰে পৰাই অসমীয়া জাতীয় জীৱনক সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰখাৰ ক্ষেত্ৰত গামোচা বা বিহুৱানখনিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিহুৱানখন যে কেৱল আপোনজনক দিবলৈ বৈ নথয়। গুৰু-গোঁসাই আদিৰ বাবেও প্ৰস্তুত কৰে। বিহুৰ বতৰত মহিলাসকলেও প্ৰস্তুত কৰা বস্ত্ৰসমূহ আগতে তাঁতশালতেই প্ৰস্তুত কৰা হৈছিল।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে তাঁতশালখনৰ গুৰুত্ব হ্ৰাস পাবলৈ ধৰিলে। মহিলাসকলে যিমানেই ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা বাহিৰলৈ ওলাই যাবলৈ

ধৰিলে সিমানেই তাঁতশালক ব্যস্ত থকাৰ সময়ো নোহোৱা হ'ল। তদুপৰি যৌথ পৰিয়াল ভাঙি একক পৰিয়াল ব্যৱস্থা হোৱা বাবেও তাঁতশাল বিলুপ্তৰ দিশে অগ্ৰসৰ হৈছে। আগতে যৌথ পৰিয়ালত কাম সকলোৱে ভগাই লৈছিল। কোনোবা এগৰাকী যদি ভাত বনোৱাত ব্যস্ত আছিল, আন এগৰাকী বহিছিল তাঁতশালত। সকলোৱে সমূহীয়াভাৱে হাত উজান দিছিল। তাঁত বোৱা মহিলাগৰাকীৰ আছিল এক বিশেষ আসন।

এতিয়া কংক্ৰিটৰ মহানগৰীৰ কথাতো বাদেই গ্ৰামাঞ্চলতো তাঁতশাল দেখিবলৈ পোৱা নাযায়। ক'ৰবাত দুই-এখন থাকিলেও কাপোৰ বোৱাৰ প্ৰতি আগ্ৰহ নাই। অৱশ্যে ইয়াৰ আঁৰত কেৱল সময়ৰেই অভাৱ বুলি ক'লে ভুল হ'ব। আগতে এখন গামোচা প্ৰস্তুত কৰোঁতে যিমান অৰ্থ ব্যয় হয় তাৰ তুলনাত বিক্ৰী কৰি উপাৰ্জন কৰা ধনৰ পৰিমাণ কম হোৱা দেখা যায়। তদুপৰি পাৱাৰলুম আদিত প্ৰস্তুত কৰা গামোচা কম দামতে পোৱা যায় বাবে এনেধৰণৰ গামোচাৰ চাহিদাও হ্ৰাস পাইছে। সেয়ে তাঁতশালত ব্যস্ত থকাৰ পৰিৱৰ্তে একাংশই এনে ব্যৱসায়েৰে ধন উপাৰ্জনৰ বাবে পথ বাছি লৈছে। তাঁতশালত যিকোনো কাপোৰ প্ৰস্তুত কৰিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন। এসময়ত প্ৰতিটো পৰিয়ালতে একোগৰাকী শিপিনী আছিল। আজিকালি পৰিয়ালবোৰৰ সদস্যৰ সংখ্যাও হ্ৰাস পাইছে। তদুপৰি পঢ়া-শুনাৰ লগতে নিজৰ কেৰিয়াৰ গঢ়িবলৈ কিশোৰী, যুৱতী তথা মহিলাসকল ব্যস্ত থকা বাবে তাঁতশালৰ ফালে পিঠি দিছে। সেয়ে অতিসম্প্ৰতি ব'হাগৰ বিহুটিৰ সময়তো তাঁতশালত মাকোৰ শব্দ শুনিবলৈ পোৱা নাযায়। অৱশ্যে ইয়াৰ মাজতে আজিকালি বহুতেই ব্যৱসায়িক ভিত্তিত এনে গামোচা প্ৰস্তুত কৰিবলৈ আগবাঢ়ি অহাটো এক ইতিবাচক দিশ।

# জন্মাষ্টমীত আধুনিকতাৰ প্ৰভাৱ

শ্ৰীকৃষ্ণৰ জন্মাষ্টমী। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই পালন কৰি অহা এটি উৎসৱ। শ্ৰীকৃষ্ণৰ জন্ম হোৱা ক্ষণত ভাৰতৰ প্ৰতিটো কোণতেই আনন্দৰ লহৰ হৈছিল। কাৰণ দৈৱকী আৰু বসুদেৱৰ অষ্টম সন্তানৰ জন্মৰ লগে লগে সকলোৰে নিশ্চিত হৈছিল কংসৰ মৃত্যু নিশ্চিত। কংসৰ অত্যাচাৰত মানৱজাতি হৈ আছিল শংকিত। কাৰণ কংসৰ দৃষ্টি মানে মৃত্যু নিশ্চিত। পিছে এই উৎসৱ আৰম্ভ হৈছিল গকুলতহে। নন্দ ৰজাৰ গৃহত বসুদেৱে থৈ যোৱাৰ পাছত যি আনন্দৰ ৰোল উঠিছিল তাৰ কম্পনত সকলোৰে ঘৰে ঘৰে কৃষ্ণৰ গুণ-গৰিমা কৰিবলৈ সাজু হৈছিল। সেই আনন্দময় পৰিৱেশ আজিও সকলোৰে ঘৰে ঘৰে প্ৰত্যক্ষ কৰা হয়। মানুহে বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো উৎসৱ-পাৰ্বণ আদিৰ পৰা আঁতৰি আহিব পৰা নাই। তদুপৰি সন্তান জন্মাৰ পাছত ঘৰখনত যিধৰণৰ আনন্দৰ লহৰ উঠে সেয়া কোনো মূল্যৰে জুখিব নোৱাৰি। শ্ৰীকৃষ্ণৰ জন্মৰ দিনাখন যি আনন্দৰ লহৰ উঠিছিল সেয়া প্ৰতিফলিত হয় কোনো এটি পৰিয়ালত সন্তানৰ জন্ম হ'লে। তেনে কৰিলে সন্তানৰ আয়ুস বৃদ্ধিৰ লগতে গৃহস্থৰ মংগল হয় বুলি ভাবে। দৰাচলতে মানুহৰ আৱেগ আনন্দ আদিৰ সৈতে আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা বিষয়েই জড়িত হৈ থাকে। গতিকে মানুহে এই দুয়োটা বিষয় বাদ দি উৎসৱ-পাৰ্বণ আদিৰ কথা ভাবিব নোৱাৰে।

আজি সকলোৰে বিচাৰে বৃন্দাবনৰ দৰে পৰিৱেশ। এতিয়া এনে পৰিৱেশ লাভ কৰাটো সম্ভৱ নহয় যদিও মানুহৰ এনে পৰিৱেশৰ প্ৰতি যে এক দুৰ্বলতা

আছে সেয়া ফুটি উঠে। সি যি নহওক মানুহে আনন্দ কৰিবলৈ একো একোটা উৎসৱৰ প্ৰয়োজন। এনে উৎসৱৰ আঁত ধৰিলে আমি প্ৰথমতে জন্মাষ্টমীৰ কথাকে ভাবো। জন্মাষ্টমীয়ে সন্তান জন্মৰ সময়ত সৃষ্টি হোৱা পৰিয়ালৰ অৱস্থাৰ বিষয়েই প্ৰকাশ কৰে। এই প্ৰকাশ ভিন্ন ৰূপত হয়। আজিও দেখা যায় যে জন্মাষ্টমীৰ দিনা অৰ্থাৎ সেই বিশেষ দিনটোত দেশৰ কোনোবা নহয় কোনোবা অঞ্চলত প্ৰবল বৃষ্টিপাত হয়। হয়তো কোনো লোকে বিষয়টোৰ ক্ষেত্ৰত এইবুলিও ক'ব পাৰে যে দিনটোৰ ভিতৰত কোনোবা নহয় কোনো এটা অঞ্চলত বৰষুণ হ'বই। সেয়া স্বাভাৱিক কথা। কিন্তু যদি আমি পৰম্পৰাগতভাৱে বিশ্বাস কৰি অহা শ্ৰীকৃষ্ণৰ জন্মৰ সময়ত প্ৰবল বৃষ্টিপাত, যমুনা নদী ফেনে-ফুটুকাৰে বাঢ়ি অহাৰ পিছতো বসুদেৱে সেই নদী পাৰ হৈয়ে গকুলত নন্দ ৰজাৰ ঘৰত এৰি আহিছিল। সেই নিশাৰ কথা ভাবিলে নিশ্চয় সকলোৰে গাৰ নোম শিয়ৰি উঠিবই। ঠায়ে ঠায়ে শিলাবৃষ্টি হোৱা দেখা যায়। সকলোৱে ভগৱান শ্ৰীকৃষ্ণক অন্তৰত স্থান দিয়া বাবেই প্ৰায়ভাগ লোকেই জন্মাষ্টমীৰ আয়োজন কৰে। নিশা প্ৰায়সংখ্যক লোকৰ ঘৰতেই আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। মিঠাই প্ৰস্তুত কৰে। বিশেষকৈ লাড়ু আদি প্ৰস্তুত কৰি ভগৱানলৈ আগবঢ়ায়। নাৰিকলৰ পৰা প্ৰস্তুত কৰা বিশেষ খাদ্য সম্ভাৰে আজিও সকলোকে আকৰ্ষিত কৰে।

জন্মাষ্টমী বুলি ক'লে বৃন্দাবনত ব'বলৈ ধৰে আনন্দৰ লহৰ। বিশ্বৰ বিভিন্ন ঠাইৰ পৰা শ্ৰীকৃষ্ণৰ ভক্তসকলে আহি বৃন্দাবনত উপস্থিত হয়। সকলোৱে এই বিশেষ দিনটোক তেনে এটি নিয়মেৰেই কল্পনা কৰি পূজা কৰে। হাজাৰ হাজাৰ বছৰ পূৰ্বৰ কথাক কিন্তু আজিও চকুৰ সন্মুখত ঘটা এটা ঘটনাৰ দৰেই সকলোৱে অন্তৰ্দৃষ্টিৰে চাব খোজে।

জন্মাষ্টমী প্ৰায়সংখ্যক অঞ্চলতেই পালন কৰা হয়। এই পালন কৰাৰ ধৰণ ভিন্ন হ'ব পাৰে। এই দিনটোৰ আগত কিছুমান অঞ্চলৰ লোকে নতুন গামোচা, কাপোৰেৰে প্ৰতীকী ৰূপত কৃষ্ণ সাজি মহিলাসকলে এগৰাকীয়ে আনগৰাকীক কোলাত ল'বলৈ দিয়ে। এনেদৰে কোলাত লৈ নাম পৰিৱেশন কৰে। ইঘৰে সিঘৰক মিঠাই, প্ৰসাদ আদি বিতৰণ কৰে। এনেদৰে উৎসৱ পালন কৰিছিল। যৌথ পৰিয়াল ব্যৱস্থা থকাত এনেদৰে ৰং-তামাচা কৰিছিল যদিও একক পৰিয়াল ব্যৱস্থাৰ প্ৰচলন হোৱাৰ লগে লগে এনে দৃশ্য দেখিবলৈ নোপোৱা হৈছে। তথাপি জন্মাষ্টমীৰ দিনটো আহিলে সকলো সাজু হয় এই উৎসৱ পালনৰ বাবে।

# সৌন্দৰ্য-ভক্তিৰ সমাহাৰ
# শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ

অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ নামঘৰ সমূহৰ ভিতৰত অন্যতম হৈছে শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ। গোলাঘাট জিলাত অৱস্থিত এই নামঘৰটোলৈ প্ৰতিবছৰে পৱিত্ৰ ভাদমাহত লাখ লাখ ভক্তিপ্ৰাণ লোকৰ সমাগম ঘটে। কেৱল অসমৰ বুলি ক'লে ভুল হ'ব, চুবুৰীয়া ৰাজ্যসমূহৰ পৰাও এই সময়তে সোঁত বয়। যোৱা বৰ্ষৰ আঠ ছেপ্টেম্বৰত আমি এই নামঘৰটো দৰ্শন কৰাৰ সৌভাগ্য ঘটিল। অভিযন্তা তথা সাংস্কৃতিককৰ্মী প্ৰদীপ পূজাৰীৰ সৈতে এই নামঘৰটোলৈ গ'লো। শ্যামলী পথাৰৰ মাজেৰে যোৱা পথটোৰে নামঘৰটোলৈ যাওঁতে মনটো খুব ভাল লাগিল। এক সুন্দৰ পৰিৱেশ। প্ৰৱেশ পথত থকা মূল তোৰণখন পাৰ হোৱাৰ পিছতেই মনটো পৱিত্ৰ লাগে। ইয়াত শুকান বস্তুৰেও শৰাই আগবঢ়োৱাৰ ব্যৱস্থা আছে। সুন্দৰ পৰিৱেশ। প্ৰতিটো ক্ষেত্ৰতে শৃংখলাবদ্ধ ব্যৱস্থা। হেজাৰ হেজাৰ ভক্তিপ্ৰাণ লোক একগোট হ'লেও বিশেষ অসুবিধা নহয়। অতিথিক আপ্যায়নৰ বাবেও আছে ব্যৱস্থা। শৰাই, চাকি-বন্তি জ্বলোৱাৰ ব্যৱস্থাই এই নামঘৰটোৰ পৰিচালনা সমিতিৰ দায়বদ্ধতাৰ কথাকেই সোঁৱৰাই দিয়ে। এই নামঘৰটোত ভাদ মাহত দেওবাৰে ইমানেই ভক্তৰ সমাগম হয় যে দূৰ-দূৰণিৰ পৰা চালে দেখা যায় জনসমুদ্ৰ। এই জনসমুদ্ৰৰ মাজত এটাই ধ্বনি প্ৰতিফলিত হয় হৰি নাম কীৰ্তন। আধুনিক জীৱন-যাপনৰ সময়তো মানুহৰ যে ইমান সোঁত বব পাৰে সেয়া অনুমানেই কৰিব নোৱাৰি। আমি নামঘৰত প্ৰৱেশৰ পিছত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ পৰিচালনা সমিতিৰ সভাপতি নগেন বৰাক লগ

পালো। তেওঁৰ পৰা নামঘৰটোৰ সম্প্ৰতি কেনে ব্যৱস্থাৰে পৰিচালনা হৈ আছে সেই বিষয়ে জনালে। তেওঁলোকৰ ব্যৱস্থাসমূহৰ বিষয়ে জানিব পাৰি খুব ভাল লাগিল। দৰাচলতে এই ঐতিহাসিক নামঘৰটোৰ সৌন্দৰ্য আৰু পৰিচালনা ব্যৱস্থাৰ বাবেই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তিপ্ৰাণ ৰাইজৰ সমাগম ঘটে। আজিকালি এই ঠাইখিনি পৰ্যটনৰ বাবে আকৰ্ষণীয় কৰি তোলা হৈছে।

ভাদ মাহটো সকলো ধৰ্মপ্ৰাণ ৰাইজে সদায় 'পৱিত্ৰ মাহ' হিচাপে গণ্য কৰি আহিছে। জনশ্ৰুতি অনুসৰি ভগৱান শ্ৰীকৃষ্ণই দুষ্টক দমন কৰিবলৈ আৰু শান্তক সহায়ৰ বাবে কৃষ্ণা অষ্টমীত জন্মগ্ৰহণ কৰিছিল। সকলোৱে আজিও ভাদ মাহতেই জন্মাষ্টমী পালন কৰি আহিছে। দুষ্টক দমন আৰু শান্তক পালন কৰিবলৈ ভাদ মাহত শ্ৰীকৃষ্ণই জন্মগ্ৰহণ কৰা বাবে এই মাহটো পৱিত্ৰ হিচাপে গণ্য কৰি আহিছে বাবেই ৰাজ্যৰ বিভিন্ন ঠাইত থকা নামঘৰত ভক্তৰ সমাগম হয়। আনহাতে, অসমত এই সময়ছোৱাত নামঘৰত ভক্তিৰে সমাগম বেছি হোৱাৰ আঁৰত আন এক কাৰণো আছে— মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ এই মাহতেই হৈছিল। শুক্লপক্ষৰ দ্বিতীয়া তিথিত মহাপুৰুষগৰাকীৰ তিৰোভাৱ হৈছিল। তদুপৰি মহাপুৰুষ মাধৱদেৱৰো ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত তিৰোভাৱ হৈছিল। অসমীয়া সমাজ-জীৱনত এই দুজনা মহাপুৰুষৰ অৱদান বৰ্ণনা কৰি অন্ত কৰিব নোৱাৰি। অসমীয়াৰ সমাজ-জীৱনৰ প্ৰতিটো স্তৰতেই আছে দুয়োজনা মহাপুৰুষৰ অমৰ সৃষ্টিসমূহ। সেইবাবেও এই ভাদ মাহতেই ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা নামঘৰত হৰিনাম ধ্বনিৰ মুখৰিত হৈ পৰে। ভাদ মাহৰ নাম মহোৎসৱৰ আৰম্ভণি হয় বিষ্ণুপদী সংক্ৰান্তিৰ দিনা।

শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ আন এক উল্লেখযোগ্য উৎসৱ হৈছে বৰসবাহৰ। ব'হাগ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱৰ উদ্‌যাপন কৰা হয়। এই বিশেষ উৎসৱৰ দিনা আঠখেলৰ আঠভাগ নৈৱদ্য মহাবিষ্ণু পূজা আৰু অৰ্চনা কৰা হয়। এই নামঘৰটোৰ সৈতে জড়িত হৈ আছে পানীতোলা সবাহ। পানীতোলা সবাহ বৰসবাহৰ অংগীভূত কৰ্ম বুলি কোৱা হয়। এই উৎসৱ জেঠৰ শুক্লাপক্ষৰ কোনোবা এটা শুভ দিনত কৰাৰ পৰম্পৰা চলি আহিছে। তদুপৰি ইয়াত পৰম্পৰাগতভাৱে ন-চাউলৰ সবাহ, ৰাস মহোৎসৱ, বৰ্ষা ভাওনা, অম্বুবাচী আদি পালন কৰি অহা হৈছে।

গোলাঘাটৰ কোকাডোঙা, মক্ৰং আৰু ঘিলাধাৰী নদীৰ সংগমস্থলীত

অৱস্থিত এই শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰে কেৱল যে অঞ্চলটোৰেই ঐতিহ্য বহন কৰিছে তেনে নহয়, অসমক দিছে অন্য এক ৰূপ। ইয়াকে লৈ আমি সকলোৱে গৰ্ব কৰা উচিত। এই নামঘৰটোৰ চৌহদৰ লগতে সমীপৰ্তী ঠাইৰো আছে সৌন্দৰ্য। পথাৰৰ মাজেৰে যোৱা পকী পথৰ চাৰিওফালে এই সময়ত যি পৰিৱেশৰ সৃষ্টি হয় সেয়া নেদেখিলে বৰ্ণনা কৰিব নোৱাৰি। আমি সততে সৌন্দৰ্য বিচাৰি বহুদূৰলৈকে যাওঁ। সেইবোৰৰ সৌন্দৰ্যত মুগ্ধ হৈ আনকো যাবলৈ উৎসাহিত কৰো। পিছে আমাৰ ৰাজ্যত থকা এনেবোৰ ঠাইৰ কথাত গুৰুত্ব নিদিওঁ। আমি শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰৰ বিষয়েও ভালদৰে প্ৰচাৰ কৰিব নোৱাৰোনে ? আজিকালি ইণ্টাৰনেটৰ যুগ। গতিকে এইবোৰ কথা প্ৰচাৰ কৰাটো সকলোৰে কৰ্তব্য। সকলোৱে ইতিবাচক চিন্তাৰে আগুৱাব লাগিব। কাৰণ শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰলৈ সোঁত বলেহে ইয়াৰ সমীপৰ অঞ্চলসমূহৰো উন্নয়ন হ'ব।

# নিয়ৰসনা দূবৰি-শেৱালি ক'ত হেৰাল ?

শৰৎ আহিলেই ফুলে শেৱালি। এফালে কঁহুৱা আৰু আনফালে শেৱালি ফুলৰ দলিচাই শাৰদীৰাণীক দিয়ে এক অন্য ৰূপ। পুৱাৰ হেঙুলি কিৰণে শুভ্ৰ দলিচাত চিক্‌মিকনি তুলিলে সকলোৰে মনপ্ৰাণ পুলকিত হয়। আকাশৰ চপৰা চপৰ মেঘ, নদীৰ পাৰৰ কঁহুৱা, শেৱালিৰ দলিচা আৰু নিয়ৰৰ কণা অবিহনে শৰতৰ আগমন হ'বই নোৱাৰে। এইবোৰক লৈয়ে ৰচনা হৈছে কবিতা, গল্প আৰু ক'ত কিমান। শৰতে মানুহৰ মনবোৰ কোমল কৰে। আমি সৰুতে গাঁৱৰ সৰু সৰু পথেৰে খোজ কাঢ়ি যাওঁতে আহিনৰ নিয়ৰসনা দূবৰিত ভৰি দুখন তিতি গৈছিল। দুৰ্গা পূজাৰ সময়ত শেৱালি বুটলি খৰাহিত জমা কৰি পূজাথলীলৈ নিয়া কথাবোৰ এতিয়া মনত পৰিলেই মনটো সেমেকি উঠে। কাৰণ এতিয়া এনে পৰিৱেশ পাবলৈ নাই। চহৰাঞ্চলৰ কথাটো বাদেই গাঁৱতো দেখিবলৈ নাপায় শেৱালি ফুলৰ দলিচা। এতিয়া এইবিধ ফুল পাবলৈকে নাই। শৰতৰ নিশা শেৱালি ফুলৰ আমোলমোল গোন্ধে পৰিৱেশটো কৰি তোলে আকৰ্ষণীয়। এই ফুলৰ গোন্ধ নাকত লাগিলেই মনৰ দাপোণত হেন্দোলিত হয় বহুত কথা। সেয়েহে কবি হীৰেন ভট্টাচাৰ্যই লিখিছে— 'আমোলমোল শেৱালিৰ গোন্ধ/যাওঁ বুলি যাবই নোখোজেচোন.../চকুৰে চকুৰে চাব পৰা হ'লে দেখিলোহেঁতেন বেলিৰ মুখৰ ৰং/ তোমাৰ শিৰৰ সেন্দূৰকণ।' কবিৰ ভাষাৰেই আমিও ক'ব পাৰো শেৱালি আৰু আহিনে নিয়ৰৰ মুকুতাৰে এক অপূৰ্ব সৌন্দৰ্য মেলি দিয়ে। একেদৰে গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাই লিখিছে— 'আহিন মহীয়া শেৱালি

সৰিলে/নিয়ৰত তিতিলে বন/জোনাকত উপঙিল/কিহবাৰে ৰাগী/কেনেবা কৰিলে মন।'... শাওণ ভাদৰ গোমা আকাশ, বোকাময় পৰিৱেশৰ পৰা আমাক শেৱালী কোমল সজীৱতা আনি দিয়ে। শৰতৰ শান্ত পৰিৱেশ আৰু আমোলমোল কৰি থকা শেৱালিৰ যেন আছে এক নিবিড় সম্পৰ্ক। পিছে আজিৰ প্ৰজন্মই নাজানে শেৱালি ফুলৰ মূল্য। নজনাটোও কোনো অস্বাভাৱিক বিষয় নহয়। কাৰণ আগতে প্ৰায়ভাগ লোকৰে আগচোতালত অথবা পিছচোতালৰ সমীপতেই আছিল শেৱালি ফুল। পুৱাই মাটিত শুভ্ৰদলিচাৰ দৰে পৰি থকা শেৱালি ফুলত সামান্য পৰিমাণে নিয়ৰৰ টোপাল পৰাৰ পিছত সলনি হয় পৰিৱেশৰ ৰূপ। এতিয়া এনেধৰণৰ টোপাল দেখিবলৈয়ে পোৱা নাযায়। যেন ক'ৰবাত হেৰাই যোৱা এখন ছবিহে মাথোঁ। জ্যেষ্ঠসকলক এই ছবিখনে আমনি কৰিলেও উপায় নাথাকে। নিজৰ ল'ৰা-ছোৱালীক এইবোৰ কথা ক'বহে পাৰে। ল'ৰা-ছোৱালীয়েও ইয়াৰ ছবিহে দেখিবলৈ পায়। কিছুমান ঠাইত এইবোৰ ফুল এতিয়াও দেখিবলৈ পোৱা যায় যদিও আগৰ দৰে জাকজমক হৈ নাথাকে। তদুপৰি জলবায়ুৰ পৰিৱৰ্তনৰ হেতু অতিসম্প্ৰতি তুষাৰ কণিকা দেখিবলৈ পোৱা নাযায়। সেমেকা পৰিৱেশৰ সলনি শুষ্কতাইহে গা কৰি উঠিছে। পুৱাই নাকত শেৱালিৰ সুবাস পাবলৈ নাই। গৰম গৰম ভাবে বিৰাজ কৰিয়েই থাকে। আগতে আহিন মাহৰ শেষৰফালে দুৰ্গাপূজা আৰম্ভ হ'লে ঠাণ্ডা ঠাণ্ডা ভাব অনুভৱ হৈছিল। ৰাসৰ সময়তো গৰম কাপোৰেই পিন্ধিবলগীয়া হৈছিল। এতিয়া তেনে পৰিৱেশ নাই। তাৰ মানে পৰিৱৰ্তন হৈছে জলবায়ুৰ।

শৰৎ মানেই কঁহুৱাৰ বতৰ। এই কঁহুৱাই বতাহত হালিজালি থাকিয়ে নৈপাৰৰ পৰা ইয়াৰ সৌন্দৰ্য উপভোগ কৰিবলৈ কিযে মজা লাগে। শৰতেও যেন এই কঁহুৱাৰ বাবেই অপেক্ষা কৰি থাকে। এতিয়া নৈৰ গৰাখহনীয়া যেন এনেবোৰ সৌন্দৰ্য ম্লান কৰিছে। আগতে যিবোৰ ঠাইত কঁহুৱা ফুলিছিল সেইবোৰত চলিছে অবৈধ খনন। নদীৰ সমীপৰ বনজ সম্পদ ধ্বংসৰ ফলত বহুতো নদীৰ নৈসৰ্গিক দৃশ্য হৈ পৰিছে অদৃশ্য। এইবোৰ প্ৰকৃতিৰ বুকুত সৃষ্টি হোৱা সম্পদ। এই সম্পদসমূহ যেতিয়া ধ্বংস কৰিবলৈ মানুহে নিজেই আগভাগ লয় তেতিয়া সৌন্দৰ্য অটুট থাকিব জানো?

কংক্ৰিটৰ মহানগৰী আৰু গ্ৰামাঞ্চলত হোৱা চহৰৰ দৰে পৰিৱেশেও শাৰদী ৰাণীৰ সৌন্দৰ্য বিঘ্নিত কৰিছে। গাঁৱতো কংক্ৰিটৰ ঘৰ হ'ল। এতিয়া শেৱালি

ফুল ৰোৱাৰ পৰিৱৰ্তে বিদেশী ফুল বজাৰৰ পৰা কিনি আনি সৌন্দৰ্য বৰ্ধন কৰিব। নিয়ৰৰ টোপাল মুকুতাৰ দৰে জিলিকি থাকিবলৈ কংক্ৰিটৰ মাজত দূবৰি নগজে। কবি নৱকান্ত বৰুৱাই লিখিছিল— 'নিয়ৰৰে ফুল/এপাহ ফুলিল/এপাহ সৰিল কেনি?/যেনি যায় বলাকাই/মেঘ কাগজতে/নেদেখা ৰেখা টানি/নিয়ৰৰে ফুল/এপাহ ফুলিল/এপাহ সৰিল কেনি?' মুকুতাসদৃশ নিয়ৰৰ টোপাল কচুপাতত সৰাৰ দৃশ্য এতিয়া কোনোৱে উপভোগ কৰিবলৈ সুযোগ নাপায়। কাৰণ এতিয়া কচুপাত আদিও পাবলৈ নাই।

তথাপি এমোকোৰা আশা বুকুত বান্ধিলৈ আহিছে শৰৎ। বেদমন্ত্ৰ ধ্বনিৰে মুখৰিত হ'ব চৌদিশ। সকলোৱে নতুন কাপোৰ পিন্ধি পূজা চোৱাৰ বাবে সাজু হ'ব। ইখনৰ পিছত সিখন পূজালৈ ঢাপলি মেলিবলৈ ল'ৰা-ছোৱালীবোৰৰ মনটোও উগুল-থুগুল। যিমানেই আধুনিকতাৰ বেশ নিপিন্ধো কিয় পূজাৰ আনন্দ লাভৰ বাবে নিজৰ মনটোক কোনোৱেই আঁতৰাই ৰাখিব নোৱাৰে। কাৰণ ধৰ্মীয় দিশৰ উপৰি আনন্দ লাভৰ সময় হৈ পৰে এই শৰৎ। সেয়ে সকলোৱে শৰতৰ গধূলি বিচাৰে শেৱালিৰ সুবাস।

# অসমীয়া চলচ্চিত্ৰ

অসমীয়া চলচ্চিত্ৰ এতিয়া ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক পৰ্যায়ত চৰ্চিত। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' ছবিখনে অসমৰ চলচ্চিত্ৰ জগতখনত যি পুলি ৰুইছিল সেয়া এতিয়া বটবৃক্ষ হৈ পৰিল। এঢোপ দুঢোপকৈ এতিয়া এই ক্ষেত্ৰখনৰ পৰিসৰ বিশ্বৰ বিভিন্ন দেশলৈকে হৈছে সম্প্ৰসাৰিত। আন্তঃগাঁথনি, শূন্য কাৰিকৰী অভিজ্ঞতা, চলচ্চিত্ৰৰ কোনো দিনেই অভিনয়ৰ কথা নভবা, অভিনয় নকৰা এমুঠিমান অভিনেতা-অভিনেত্ৰীক সমল হিচাপে লৈ ৰূপকোঁৱৰে যিখন ছবি অসমবাসীক উপহাৰ দি থৈ গ'ল সেয়া ইতিহাসৰ পাতত সোণোৱালী আখৰেৰে লিখা আছে। এতিয়া অসমীয়া ছবিয়ে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক পৰ্যায়ত যি সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে তাৰ আঁৰৰ প্ৰেৰণা শক্তিয়েই হৈছে জ্যোতিপ্ৰসাদ আগৰৱালাই এৰি থৈ যোৱা মহান অৱদান। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই 'জয়মতী' ছবি নিৰ্মাণ কৰি স্থাপন কৰা অসমীয়া চলচ্চিত্ৰ উদ্যোগটো আজি পূৰ্ণতা লাভ কৰা বাবে প্ৰযোজক, পৰিচালক, অভিনেতা, কলা-কুশলী, সংগীত পৰিচালক, গায়ক-গায়িকাসকলে এতিয়া উন্নতিৰ জখলাডাল সুন্দৰভাৱে বগাব পাৰিছে। বাণিজ্যিক ছবিৰ লগতে কলাত্মক চলচ্চিত্ৰয়ো সমাদাৰ লাভ কৰিবলৈ সক্ষম হৈছে।

জ্যোতিপ্ৰসাদ আগৰৱালাই মুকলি কৰা নতুন দুৱাৰখনেৰেই পৰৱৰ্তী সময়ত বহুতো অসমীয়া ছবিয়ে দেশ-বিদেশৰ সমাদৰ লাভ কৰাৰ লগতে প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। 'জয়মতী' আছিল ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ চতুৰ্থখন

সবাক ছবি। যিসময়ত অসমৰ প্ৰায়ভাগ লোকৰেই চলচ্চিত্ৰৰ ওপৰত সম্যক জ্ঞান নাছিল সেই সময়তেই কিন্তু জ্যোতিপ্ৰসাদ আগৰৱালাই বহুতো প্ৰত্যাহ্বানৰ মাজেদি অসমীয়া চলচ্চিত্ৰৰ ভেটি গঠন কৰিছিল। তেওঁৰ এনে দূৰদৰ্শী চিন্তা, সাহসী পদক্ষেপৰ বাবে আজি অসমে এই সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৰোহিনী কুমাৰ বৰুৱা, পাৰ্বতিপ্ৰসাদ বৰুৱা, কমল নাৰায়ণ চৌধুৰী, সুৰেশ চন্দ্ৰ গোস্বামী, ফণী শৰ্মাই এই ধাৰাটোক আগুৱাই নিবলৈ সক্ষম হৈছিল। সীমিত অৰ্থ, যাতায়াত তথা মাত্ৰ এমুঠিমান দৰ্শকক সাৰথি কৰি এইসকল মহান ব্যক্তিয়ে অসমীয়া চলচ্চিত্ৰক এক সুন্দৰ মাত্ৰা প্ৰদৰ্শন কৰিছিল। 'মনোমতী', 'ৰূপহী', 'বদন বৰফুকন', 'ৰুণুমী', 'চিৰাজ' আদি ছবিকলৈ আজিও সকলোৱে চৰ্চা কৰে। নটসূৰ্য ফণী শৰ্মা পৰিচালিত 'পিয়লি বৰফুকন' ছবিখনে প্ৰথমবাৰৰ বাবে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবি শিতানত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। এয়া আছিল অসমীয়া ছবিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা বঁটা। ইয়াৰ পৰৱৰ্তী সময়ত আন কেইবাখনো ছবি নিৰ্মাণ হয়। অৱশ্যে আন্তৰ্জাতিক পৰ্যায়ত অসমীয়া ছবিৰ জয়যাত্ৰা আৰম্ভ বয় ১৯৫৯ চনত। পশ্চিমবংগৰ চলচ্চিত্ৰ নিৰ্মাত প্ৰভাত মুখাৰ্জীৰ 'পূবেৰুণ' ছবিখনে বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হোৱাত আন্তৰ্জাতিক পৰ্যায়ত চৰ্চা লাভ কৰিছিল। এইখন ছবিয়ে অসমীয়া চলচ্চিত্ৰক এক নতুন ধাৰা দিলে। ইয়াৰ পূৰ্বে চলচ্চিত্ৰ জগতত আত্মপ্ৰকাশ কৰা সেই সময়ৰ বিখ্যাত সংগীতজ্ঞ হিচাপে জনপ্ৰিয়তা অৰ্জন কৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ 'এৰাবাটৰ সুৰ' ছবিখনেও প্ৰদান কৰে এক নতুন মাত্ৰা। সুধাকণ্ঠই ১৯৬১ চনত ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক, ১৯৬৪ চনত 'প্ৰতিধ্বনি' ছবিৰ বাবে ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক, ১৯৬৬ চনত 'লটিঘটি'ৰ বাবে ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক আৰু ১৯৭৫ চনত 'চামেলি মেমচাব'ৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯২ চনত ড° ভূপেন হাজৰিকাই লাভ কৰিছিল 'দাদা চাহেব ফাল্কে' বঁটা।

ব্ৰজেন বৰুৱাৰ অৱদানো আছে যথেষ্ট। প্ৰথমখন অসমীয়া খুহুতীয়া ছবি 'ইটো সিটো বহুতো' নিৰ্মাণ কৰা ব্ৰজেন বৰুৱাই পৰৱৰ্তী সময়ত নিৰ্মাণ কৰা 'ড° বেজবৰুৱা'ই বাণিজ্যিক ক্ষেত্ৰখনত নতুন আশাৰ সঞ্চাৰ কৰিছিল। প্ৰথম অসমীয়া থ্ৰীলাৰ ছবি হিচাপে আখ্যা লাভ কৰা এই ছবিখন আজিও দৰ্শক

ৰাইজৰ মাজত সমানেই জনপ্ৰিয়। অসমত ছবি নিৰ্মাণ কৰি বাণিজ্যিকভাৱে সফল হোৱা এইগৰাকী ব্ৰজেন বৰুৱাই পৰৱৰ্তী সময়তো অসমৰ ছবিজগতক শক্তিশালী কৰাত আগভাগ লয়।

সত্তৰ-আশীৰ দশকত অসমীয়া ছবিজগতখনে লাভ কৰে এক গতি। কাৰণ এই সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ত চৰ্চা লাভ কৰা কেইবাখনো ছবি নিৰ্মাণ কৰা হৈছিল। সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ 'অৰণ্য', ব্ৰজেন বৰুৱাৰ 'ওপজা সোণৰ মাটি', আব্দুল মজিদৰ 'চামেলী মেমচাব', অতুল বৰদলৈৰ 'কল্লোল', ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'সন্ধ্যাৰাগ' আদিয়ে অসমত চলচ্চিত্ৰৰ গতি আৰু ধাৰণাৰ সলনি কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। 'গঙা চিলনীৰ পাখি' ছবিখনক কলাত্মক ছবিৰ ধাৰণাৰ প্ৰথম খোজ বুলিয়ে আখ্যা দিয়া হয়।

১৯৫৭ চনৰ ১০ মে'ত মুক্তি লাভ কৰা নিপ বৰুৱা পৰিচালিত 'মাক আৰু মৰম' ছবিখনে ৰাষ্ট্ৰীয় চলচ্চিত্ৰৰ বঁটাৰ চাৰ্টিফিকেট অৱ মেৰিট লাভ কৰিছিল। ১৯৫৭ চনৰ ৪ এপ্ৰিলত মুক্তি পোৱা নিপ বৰুৱাৰ 'ৰঙা পুলিচ' ছবিখনে প্ৰথমখন অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবিৰ সন্মান হিচাপে ৰাষ্ট্ৰীয় বঁটাৰ ৰাষ্ট্ৰপতিৰ ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বোচ্চ স্থান লাভ কৰিবলৈ অসমবাসীয়ে আশীৰ দশকলৈ অপেক্ষা কৰিবলগীয়া হয়। ১৯৮৭ চনৰ ২১ আগষ্টত মুক্তি পোৱা এইখন ছবিয়ে দেশৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ ছবি হিচাপে নিৰ্বাচিত হৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰৰ স্বৰ্ণকমল লাভ কৰে। এইখন ছবি ভাৰতীয় পেনোৰামাতো প্ৰদৰ্শিত হৈছিল। আটাইতকৈ উল্লেখযোগ্য দিশটো আছিল 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনত হৃদয়স্পৰ্শী অভিনয় কৰা বাবে লোকাৰ্নো চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অভিনেতাৰ সন্মান বুটলিবলৈ সক্ষম হৈছিল। ১৯৮৫ চনত ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান' ছবিখনে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা অসমলৈ আজুৰি আনিবলৈ সক্ষম হৈছিল। ইয়াৰ পিছত ১৯৮৯ জাহ্নু বৰুৱাৰ ছবি 'বনানী'য়ে লাভ কৰিছিল শ্ৰেষ্ঠ পৰিৱেশমূলক ছবিৰ বাবে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা। নৱৈ দশকতো অসমীয়া ছবিৰ জয়যাত্ৰা অব্যাহত থাকে। ১৯৯১ চনৰ ২০ ডিচেম্বৰত মুক্তি পোৱা জাহ্নু বৰুৱাৰ 'ফিৰিঙতি' ছবিখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে মলয়া গোস্বামীয়ে লাভ কৰিছিল শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা। এই ছবিখন ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ সন্মান। আনহাতে ১৯৯৩ চনৰ ৩ ছেপ্টেম্বৰত মুক্তি পোৱা

সঞ্জীৱ হাজৰিকাই শ্ৰেষ্ঠ পৰিচালকৰ চলচ্চিত্ৰ বঁটা লাভ কৰে। ১৯৯৫ চনত জাহ্নু বৰুৱাই 'সাগৰলৈ বহু দূৰ' ছবিখনৰ বাবে শ্ৰেষ্ঠ পৰিচালকৰ চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। ১৯৯৬ চনত বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত 'ৰাগ-বিৰাগ' ছবিখনৰ বাবে পৰিচালকৰ প্ৰথম ছবিৰ শিতানত শ্ৰেষ্ঠ পৰিচালকৰ বঁটা।

পৰৱৰ্তী সময়ত ডাঃ সান্ত্বনা বৰদলৈ পৰিচালিত 'অদাহ্য' ছবিখনে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেইবাটাও বঁটা লাভ কৰিবলৈ সক্ষম হয়। ২০০৩ চনত পুনৰ জিলিকি উঠে অসমীয়া ছবি। মঞ্জু বৰা পৰিচালিত 'আকাশীতৰাৰ কথাৰে' ছবিখনে শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। একেগৰাকী পৰিচালকৰ 'আই ক'ত নাই' ছবিখনে লাভ কৰে 'নাৰ্গিছ্ দত্ত বঁটা'। তদুপৰি সঞ্জীৱ সভাপণ্ডিত পৰিচালিত 'জুয়ে পোৰা সোণ' ছবিখনে ৰাষ্ট্ৰীয় একতাৰ শিতানত শ্ৰেষ্ঠ সন্মান লাভ কৰিবলৈ সক্ষম হয়। ভবেন্দ্ৰ নাথ শইকীয়াৰ চিত্ৰনাট্যৰে মুনীন বৰুৱা পৰিচালিত 'দীনবন্ধু' ছবিখনে ৰজত কমল লাভ কৰিবলৈ সক্ষম হৈছে। ৰীমা দাসৰ 'ভিলেজ ৰ'কষ্টাৰ' ছবিখনেও ৰাষ্ট্ৰীয়, আন্তৰ্জাতিক পৰ্যায়ত চৰ্চা লাভ কৰে।

এসময়ত যিসকল লোকে অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যৎ সম্পৰ্কে সদায় নেতিবাচক মন্তব্য কৰিছিল সেইসকলৰ সন্দেহ ভুল বুলি প্ৰমাণিত কৰি আজি ৰাষ্ট্ৰীয় পৰ্যায়তেই নহয়, আন্তৰ্জাতিক ক্ষেত্ৰতো সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। বাণিজ্যিক ছবি নিৰ্মাণতো সফল হৈছে প্ৰযোজক-পাৰিচালকসকল। মাজতে বাণিজ্যিক ছবিয়ে দৰ্শকক আকৰ্ষণ কৰিব পৰা নাছিল যদিও শেহতীয়াভাৱে বিনোদনধৰ্মী ছবিয়ে আকৌ চিত্ৰগৃহলৈ দৰ্শকৰ সোঁত বোৱাইছে। অসমীয়া চলচ্চিত্ৰই যি গতি লাভ কৰিছে সেই গতি যেন আৰু অধিক দ্ৰুত হয় তাৰ বাবে কিছু সুস্থ পৰিকল্পনাৰ প্ৰয়োজন আছে। আমি বেছি নেতিবাচক চিন্তাৰে সমালোচনা কৰি থকাতকৈ ইতিবাচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি পৰামৰ্শ আগবঢ়ালে নিশ্চয় আৰু অধিক উন্নত হ'ব।

# ধনৰ অধিষ্ঠাত্ৰী দেৱীক আৱাহন কিয় ?

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই ভাৰতবৰ্ষত হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত লক্ষ্মীপূজাৰ প্ৰচলন হৈ আহিছে। হিন্দু ধৰ্মাৱলম্বী লোকসকলে ধন, সম্পদ, সৌভাগ্য, জ্ঞান, উৰ্বৰতা, সৌন্দৰ্যৰ দেৱী হিচাপে পূজা কৰে লক্ষ্মীদেৱীক। জনবিশ্বাস অনুসৰি তেত্ৰিছ কোটি দেৱ-দেৱীৰ ভিতৰত ধন-সম্পদৰ আশীৰ্বাদ যিগৰাকী দেৱীৰ পৰা সকলোৱে বিচাৰে সেইগৰাকীয়ে হৈছে লক্ষ্মীদেৱী। সেইবাবে সকলোৱে এইগৰাকী দেৱীক পূজা কৰে। কোনোবাই মূৰ্তিপূজা কৰে আৰু আন কোনোবাই আকৌ মূৰ্তি অবিহনেই বেলেগ পদ্ধতিৰে পূজা-অৰ্চনা কৰে। লক্ষ্মীদেৱীক আৰাধনা কৰা পদ্ধতি বেলেগ বেলেগ হ'লেও সকলোৰে লক্ষ্য পিছে একেতাই— ভঁড়ালটো যাতে লক্ষ্মীদেৱীয়ে পূৰ্ণ কৰি দিয়ে। সি যি নহওক লক্ষ্মীদেৱীক পূজা অবিহনে কোনোৱে ধন-ঐশ্বৰ্যৰ গৰাকী হ'ব নোৱাৰে সেয়া নিশ্চিত। ভগৱান বিষ্ণুৰ ভাৰ্যা লক্ষ্মীদেৱীয়ে সকলোৰে মনোবাঞ্ছা পূৰণ কৰে। সেইবাবে এইগৰাকী দেৱীক আদৰিবলৈ সকলোৱে নিজৰ ঘৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে। বিশেষকৈ যিবোৰ ঠাই বা গৃহ লক্ষ্মীদেৱীৰ বাসস্থান হিচাপে গণ্য কৰা হয় সেইবোৰ ঠাই সদায় পৰিষ্কাৰ কৰি ৰখা হয়। সাধাৰণতে পূব ভাৰতত আহিন মাহৰ পূৰ্ণিমা তিথিত এই পূজাৰ আয়োজন কৰে। ভাৰতৰ বিভিন্ন ঠাইত বেলেগ বেলেগ সময়ত লক্ষ্মীদেৱীৰ পূজাৰ আয়োজন কৰা হয়। ইয়াৰ ভিতৰত পূব ভাৰতত বিশেষকৈ অসম, পশ্চিম বংগ, ওড়িশা, ত্ৰিপুৰা আদি ৰাজ্যত আহিন মাহৰ পূৰ্ণিমা তিথিত এই পূজা কৰা

হয়। অসমৰ বিভিন্ন ঠাইত লক্ষ্মীপূজাৰ ধুমধামেৰে আয়োজন কৰা হয়। অসমৰ ভিতৰত বিজনী, বঙাইগাঁও আদিত তিনিৰ পৰা এঘাৰ দিনীয়াকৈয়ো পূজাৰ লগতে মেলাৰ আয়োজন কৰি অহা হৈছে পৰম্পৰাগতভাৱে।

লক্ষ্মীদেৱীক এশটা বিভিন্ন নামেৰে জনা যায়। ঠাইভেদে এইগৰাকী দেৱীক বেলেগ বেলেগ নামেৰে জনা যায়। এই নামবোৰৰ ভিতৰত হৈছে— লক্ষ্মীদেৱী, নাৰায়ণী, শ্ৰীভাৰ্গৱী, ভাগৰতী, পদ্মা, কমলা, বৈষ্ণৱী, বিক্ৰতি, বিদ্যায়, সৰ্বভূতহিতপ্ৰদা, শ্ৰদ্ধা, বিভূতি, সুৰভি, পৰমাত্মিকা, জয়প্ৰদা, পদ্মা, সুধা, স্বাধা, সদৃচী, ধন্যা, সুধা, লক্ষ্মী, হিৰন্ময়ী, নিত্যাপুষ্টা, বিভা, আদিত্যা, দীপা, দিত্যা, ক্ষীৰোদা, বসুধা, কমলাসম্ভৱা, কান্তা, কামাক্ষী, ক্ষীৰোদসম্ভ, অনুপ্ৰথাপ্ৰদ, ক্ষীৰোদ সম্ভৱী, অনঘা, ঐশ্বৰ্যা, অমৃতা, দীপ্তা, লোকশোকবিনাশিনী, ধৰ্মনিলয়া, লোকমাতা, কৰুণা, পদ্মপ্ৰিয়া, ইন্দিৰা, আহ্লাদিনী, ইন্দুশীতলা, নাৰায়ণী, বৈকুণ্ঠেশ্বৰী, সত্যা, হৰিদ্ৰা, বিশ্বজননী, দাৰিদ্ৰনাশিনী, ধনদা, শান্তা শুক্লামাল্যাম্বৰা, ভাশ্বৰী, বিল্বনিলয়া, হৰিপ্ৰিয়া, যশস্বিনী, বসুন্ধৰা, উদাৰদ্বা, মালিনী, হৰিণী, গজগামিনী, শুভা, চংকেলা, জয়া শুভা, চঞ্চলা, সমুদ্ৰতনয়া, জয়া, মংগলাদেৱী, বিষ্ণুবক্ষাস্থলাসিক্তা, বিষ্ণুপত্নী, প্ৰসন্নাক্ষী, সৰ্বপ্ৰদায়িনী, নাৰয়াণসমাশ্ৰিতা, পোচকবাহিনী ইত্যাদি।

শৰৎ কালৰ আগমনৰ লগে লগে যিবোৰ পূজাক লৈ সকলোৱে ব্যস্ত হৈ পৰে সেইবোৰৰ ভিতৰত অন্যতম হৈছে লক্ষ্মীপূজা। ধনৰ গৰাকী লক্ষ্মীদেৱীক সন্তুষ্ট কৰিবলৈ অন্তৰৰ পৰা পূজা কৰিবই লাগিব। লক্ষ্মীদেৱীয়ে ইচ্ছা কৰিলে কোনো লোকক নিশাটোৰ ভিতৰত ভক্তক কোটিপতি কৰি দিয়ে। আৰু ধন-সম্পত্তিৰ গৰাকী হোৱাজনৰ ওপৰত অসন্তুষ্ট হৈ নিশাটোৰ ভিতৰতেই পথৰ ভিক্ষাৰী কৰি দিব পাৰে। সেইবাবে সকলোৱে তেওঁক পূজা কৰিবলৈ চেষ্টা কৰে।

লক্ষ্মীপূজাৰ দিনা সকলো পৰিয়ালতেই মহিলাসকলে দেৱীক আদৰাৰ প্ৰস্তুতি চলায় বিভিন্ন ধৰণে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত এইগৰাকী দেৱীক আদৰাৰ পদ্ধতি বেলেগ বেলেগ অসমৰ বিভিন্ন ঠাইত লক্ষ্মীদেৱীৰ মন্দিৰ নিৰ্মাণ কৰি পূজাৰ ৰাজহুৱাভাৱে আয়োজন কৰা হৈছে। এই দিনটোত মূল পূজাভাগ কৰা হয়। কিছুমান ঠাইত তিনিদিনীয়াৰ পৰা এঘাৰদিনীয়াকৈ পালন কৰা হয়। বিভিন্ন মেলাৰো আয়োজন কৰে। আজিকালি এনে পূজাৰ সৈতে সংগতি

ৰাখি ভ্ৰাম্যমাণ থিয়েটাৰ আদিকো আমন্ত্ৰণ কৰে। এয়া আচলতে মানুহৰ মনত সৃষ্টি হোৱা বহল পৰিসৰৰ পৰিচায়ক।

পূজাৰ দিনা সকলোৱে পুৱাৰেপৰাই ঘৰ-দুৱাৰ আদি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি বিভিন্ন ধৰণৰ পূজাৰ সামগ্ৰী প্ৰস্তুত কৰে মহিলাসকলে। প্ৰতিটো পৰিয়ালতে ঘাইকৈ মহিলাসকলে এই দিনটোত বিশেষভাৱে ব্যস্ত হৈ পৰে। এই দিনটোত সকলোৱে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰাৰ সমান্তৰালভাৱে ফুল আৰু পোহৰেৰে ঘৰখন সজাই তোলে। চাউলৰ গুড়ি আৰু আবিৰেৰে আল্পনা আঁকি দেৱীক আদৰে। তদুপৰি সিদিনা লক্ষ্মী চৰিত আৰু পাঁচালী আদি পাঠ কৰি দেৱীক আৱাহন জনায় যাতে ঘৰখন ধন-ধানেৰে সমৃদ্ধ হৈ পৰে। ঠাই বিশেষে নীতি-নিয়মৰ মাজত পাৰ্থক্য থাকিলেও সকলোৰে লক্ষ্য আৰু প্ৰাৰ্থনাৰ কাৰণ এটাই— দেৱীক সন্তুষ্ট কৰি ঘৰখন ধন-ধানেৰে সমৃদ্ধ হওক। লক্ষ্মীদেৱীৰ পূজাৰ কেতিয়াৰ পৰা অসমত প্ৰচলন হৈছিল সেই বিষয়ে নিৰ্দিষ্ট তথ্য পোৱা নাযায় যদিও ৰজা-মহাৰজাসকলেও এই দেৱীৰ কৃপা বিচাৰি পূজা কৰাৰ কথা মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে।

# এদিনতে ধনী হোৱাৰ সপোন দেখিলেই বিপদ নিশ্চিত

মানুহৰ প্ৰয়োজনৰ অন্ত নাই। এটা অভাৱ পূৰণ হ'লে অন্য অভাৱে দেখা দিয়ে। অভাৱ মানেই প্ৰয়োজন। এই অভাৱ পূৰণৰ বাবে মানুহে কৰিব লাগে কঠোৰ পৰিশ্ৰম। বাস্তৱ জীৱনত দেখা যায় যে সকলো মানুহৰ সকলো অভাৱ পূৰণ নহয়। আনহাতে, সকলো মানুহে সমানে পৰিশ্ৰম কৰিব নোৱাৰে। সকলোৰে জীৱনলৈ সমানেই সাফল্য নাহে। সেইবাবে নিজকে আনৰ সৈতে কেতিয়াবা বেছিকৈ ৰিজাব নালাগে। বেছিকৈ ৰিজালেই বিপদ। মনটো খেলিমেলি লাগে। আজিৰ পৃথিৱীত মানুহৰ ৰিজনি বেছি হৈছে। অমুকে অমুক কৰিছে, তমুক কৰিছে আদিত বেছি গুৰুত্ব দিয়ে। আনৰ সৈতে বেছি ৰিজাই থকা বাবে এসময়ত মনটো দুৰ্বল হৈ পৰে। যেতিয়া মানুহে আনৰ সৈতে ৰজাই নিজৰ জলঙাত কম সম্পত্তি দেখা পায় তেতিয়া আনৰ সমান সম্পত্তিৰ গৰাকী হ'বলৈ ইচ্ছা কৰে। যেতিয়া আশা কৰা ধৰণে ধন সম্পত্তিৰ অধিকাৰী হ'ব নোৱাৰে তেতিয়া মনটো পিছল খায়। মনটো পিছল খায় মানুহৰ মনত থকা লোভৰ বাবে। লোভ যিমানে বেছি হয় সিমানে নৈতিকতাৰ অধগতি হ'বলৈ ধৰে। মানুহে তেতিয়া নৈতিকতা বিসৰ্জন দিয়ে যেতিয়া বস্তুসৰ্বস্ব হৈ পৰে। এই অৱস্থাই জীৱনটো ক'ৰপৰা ক'লৈ লৈ যায় তাৰ হিচাপ কোনোৱে কৰিব নোৱাৰে। আধুনিক সমাজব্যৱস্থাত মানুহৰ মাজত মূল্যবোধ হেৰাই যোৱাৰ উপক্ৰম হৈছে। সকলোকে লাগে কেৱল ধন-সম্পত্তি। এতিয়া এনে অনুভৱ হৈছে যে ধন থাকিলেহে সুখ থাকে আৰু নাথাকিলে জীৱনটো অসাৰ। এনে মানসিকতাৰ বাবে আজিৰ পৃথিৱীত মানুহ আটাইতকৈ অসুখী বুলি গণ্য কৰা হয়। সকলো থাকিও যেন একো নাই, তেনে মানসিকতাৰ বাবে লোভ বাঢ়ি গৈ আছে। এইধৰণৰ

লোভৰ বাবে মানুহে হিতাহিত জ্ঞান হেৰুৱাই নকৰিবলগীয়া কাম কৰাৰ প্ৰৱণতা বেছি হৈছে। ফলত মানুহে কিছুমান এনে পাকচক্ৰত সোমাই পৰিল যে তাৰ পৰা ওলাই অহাৰ পথ ৰুদ্ধ হৈ পৰে। এই চক্ৰবেহুত প্ৰৱেশ কৰি বহুতে বিনা কষ্টৰে কোটিপতি হ'বলৈ গৈ পথৰ ভিক্ষাৰী হ'বলগীয়া হৈছে। আজিকালি কাম কৰাৰ পৰিৱৰ্তে বিনা কষ্টৰে অতি কম সময়ৰ ভিতৰতে ধনী হোৱাৰ প্ৰৱণতা বৃদ্ধি হোৱাত ইয়াৰ সুবিধা লৈছে একাংশ দুষ্ট চক্ৰই। এই চক্ৰবেহুত প্ৰৱেশ কৰিবলৈ মানুহক প্ৰলোভন দিছে। নিশাৰ ভিতৰতে ধনী হোৱাৰ সপোন দেখুৱাইছে। বিভিন্ন ক্ষেত্ৰত এই চক্ৰবোৰে জাল পেলাইছে আৰু এই ধৰণৰ জালত পৰা লোকৰ সংখ্যা বাঢ়ি গৈ আছে আৰু থাকিবও।

মানুহক হয় মানে নাঁতে। অৰ্থাৎ ধন-সম্পত্তি হোৱাৰ পিছতো আৰু লাগে। প্ৰয়োজনৰ দীঘলীয়া তালিকাৰ অন্তৰ্ভুক্ত কৰোতে কৰোতে এদিন সকলো সুখ হেৰাই যাব ধৰে। কোটিপতি হ'লেই মানুহ সুখী হয়নে ? এই সংসাৰত জীয়াই থাকিবলৈ অৰ্থৰ প্ৰয়োজন। কিন্তু এই ধৰণৰ প্ৰযোজনৰ সীমা থকা উচিত। কাৰণ যিমানে প্ৰয়োজন আৰু লোভ বাঢ়ি গৈ থাকিব সিমানে মানসিক চাপ বৃদ্ধি পায়। এনে হ'লে দুষ্ট চক্ৰই সুবিধা লৈ সকলো লুটি নিব। কেতিয়াবা যদি অনলাইন ট্ৰেডিঙৰ নামত, আন কোনোৱে আকৌ ঋণ প্ৰদান কৰিব বুলি অথবা বেংকৰ পৰা ফোন কৰা বুলি মিছা মাতি প্ৰৱঞ্চনা কৰি আহিছে। মানুহক লোভ দেখুৱাই যে এইবোৰ কাম কৰি আছে সেই বিষয়ে ভাবিবলৈ কাৰো আহৰি নাই। আনকি বেংকৰ পৰা ফোন কৰা বুলি কোৱা লোকৰ পৰিচয় নজনাকৈ নিজৰ ঘৰখনৰ লগতে বেংকৰ সবিশেষ তথ্য অচিনাকি মানুহৰ আগত প্ৰকাশ কৰে। এনেদৰে আগ-পাছ নভবাকৈ আনৰ আগত গোপনীয় তথ্য প্ৰকাশ কৰি নিজৰ বিপদ নিজেই মাতি অনা লোকৰ সংখ্যা বাঢ়ি আহিছে।

আজিকালি দুষ্ট চক্ৰই সমাজক মাধ্যমৰ জৰিয়তে এনে জাল পেলাইছে। যিহেতু এতিয়া সামাজিক মাধ্যম ব্যৱহাৰ কৰা লোকৰ সংখ্যা বেছি সেইবাবেই এনে চক্ৰই সাধাৰণ মানুহক লক্ষ্য কৰি লৈছে। আজি ৰাজ্যত সৰ্বাধিক চৰ্চিত বিষয়টোৱে হৈছে অনলাইন ট্ৰেডিং। এবাৰ ভাবি চাওকচোন— ইয়াৰ বাবে দায়ী কোন ? গতিকে সজাগ আৰু সতৰ্ক থাকিবৰ সময় আহি পৰিছে। সুখ এদিনতে কিনিম বুলি ভাবিলে নহ'ব। এদিনতে আলাউদ্দিনৰ চাকি পোৱাটো সম্ভৱ নহয়। নিজৰ দায়িত্ব পালন কৰি থাকিলে আপোনা-আপুনি আহিব ধন, সুখ। সময়ৰ লগে লগে মানুহৰ মাজত দৃষ্টিভঙ্গীৰ সলনি হোৱা স্বভাৱিক কথা। পিছে এই দৃষ্টিভংগী হ'ব লাগিব বাস্তৱ।

# সমন্বয়ৰ তীৰ্থ
# কালাকুছিৰ বৰনামঘৰ

তামুলপুৰ জিলাৰ কালাকুছিত আয়োজিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱত অংশগ্ৰহণৰ সময়ত অঞ্চলটোৰ লোকসকলৰ মাজত থকা মিলা-প্ৰীতি দেখি খুব ভাল লাগিল। যিসময়ত একাংশ লোকে মহাপুৰুষজনাৰ সৃষ্টিকৰ্মক একাষৰীয়া কৰিবলৈ চেষ্টা কৰিছে সেই সময়ত কালাকুছিৰ আয়োজকসকলে দাঙি ধৰিছে এক সমন্বয়ৰ উদাহৰণ। আজিৰ ভাঙোনমুখী সমাজখনতো একাংশ সমাজ সচেতক তথা ইতিবাচক চিন্তাৰ লোক থকা বাবে সকলোৰে মাজত সমন্বয়ৰ সেতু গঢ়ি উঠিছে নীৰৱে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একশৰণ নামধৰ্মৰ জৰিয়তে যি ভক্তি আন্দোলনৰ জাগৰণৰ সৃষ্টি কৰিছিল সেই ধাৰা আজিও অব্যাহত। কিন্তু একাংশ লোক আৰু সংগঠনে গুৰুজনাৰ আদৰ্শ আৰু সৃষ্টিৰাজিক অপব্যাখ্যাৰে সমাজত বিভাজন সৃষ্টি কৰিবলৈ অহৰ্নিশে চেষ্টা চলাইছে। সমাজৰ একাংশ লোকে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ, তিৰোভাৱ তিথি আদিত একাংশ লোকক পৰোক্ষভাৱে অংশগ্ৰহণত বাধা দিয়া দেখা যায়। কিন্তু কালাকুছি বৰনামঘৰত আয়োজিত মহাপুৰুষজনাৰ জয়ন্তীত দেখা গ'ল সকলো জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰা। সহস্ৰাধিক লোকে আন্তৰিকতাৰে শোভাযাত্ৰাত অংশ লৈ বিলালে সমন্বয়ৰ বাৰ্তা। কালাকুছি বৰনামঘৰৰ এই অনুষ্ঠানটোৰ আয়োজকসকলৰ আন্তৰিকতা দেখি আমাৰ খুবেই ভাল লাগিল। ব্ৰাহ্মণ, কলিতা, নমঃশূদ্ৰৰ পৰা আৰম্ভ কৰি বড়ো, ৰাভা সকলো লোকেই অংশ লৈছে ভক্তিভাৱে। এই শোভাযাত্ৰাটোত

অংশগ্ৰহণ কৰা স্থানীয় লোকসকলে বৰনামঘৰটোক এটা বিশেষ শ্ৰেণীৰ বাবে সংৰক্ষিত কৰাৰ পৰিৱৰ্তে সকলোৰে বাবে দুৱাৰ মুকলি কৰি ৰাখিছে।

সাধাৰণতে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা হয়। কিন্তু দুৰ্গা পূজাৰ তিথিৰ সালসলনি হ'লে কেতিয়াবা আগত অথবা পিছত জন্মজয়ন্তী হয়। কিন্তু কালাকুছি বৰনামঘৰত দেখা যায় এক ব্যতিক্ৰমী পদক্ষেপ। এইবাৰ পূজাৰ বিজয়া দশমীৰ আগতেই অনুষ্ঠিত হয় জন্মোৎসৱ। কালাকুছি বৰনামঘৰত মহাপুৰুষজনাৰ জন্মোৎসৱ বিজয়া দশমীৰ দিনাহে অনুষ্ঠিত হৈ আহিছে। অৰ্থাৎ জন্মোৎসৱৰ তাৰিখ যেতিয়াই নহওক কিয় বৰনামঘৰত বিজয়া দশমীতহে পালন কৰা হয়। সাধাৰণতে এই সময়ত গাঁওখনৰ বাহিৰত থকা লোকসকল ঘৰলৈ আহে। যিহেতু গাঁওখনৰ সকলো লোকেই এই জন্মোৎসৱত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী, সেয়ে ৰাইজে বিজয়া দশমীৰ দিনটোতহে আয়োজন কৰাৰ বাবে সিদ্ধান্ত লৈছে। গঞা ৰাইজৰ মহাপুৰুষজনাৰ প্ৰতি থকা আন্তৰিকতাৰ মনোভাব প্ৰকাশ পাইছে এই সিদ্ধান্তৰ জৰিয়তে। আয়োজক সমিতিয়ে সদায় এই জন্মোৎসৱক সমন্বয়ৰ বাৰ্তাবাহক অনুষ্ঠান হিচাপেহে গণ্য কৰি আহিছে। তেওঁলোকৰ মানসিকতাক সঁচাকৈয়ে আমি প্ৰশংসা কৰিবই লাগিব। সমাজক বিভাজিত কৰিবলৈ চেষ্টা কৰা লোকসকলৰ বিৰুদ্ধে এনেধৰণৰ অনুষ্ঠানে একপ্ৰকাৰ সকীয়নি দিয়া বুলি ক'লেও ভুল নহ'ব।

আধুনিকতাৰ বিপৰীত ছবি ফুটি উঠিছে এই জন্মোৎসৱত। অংশগ্ৰহণকাৰী সকলৰ পোছাক-পৰিচ্ছদৰ পৰা আৰম্ভ কৰি সাংস্কৃতিক অনুষ্ঠানলৈকে সকলোতে প্ৰতিফলিত হৈছে পৰম্পৰাগত প্ৰভাৱ। আমাৰ সমাজৰ পৰা লাহে লাহে হেৰাই যাবলৈ ধৰা সংস্কৃতিক ধৰি ৰাখিবলৈ চেষ্টা কৰিছে আয়োজকসকলে। নৱ প্ৰজন্মৰ মাজত এই সংস্কৃতি তথা বিভিন্ন খেলক পৰিচয় কৰাই দিবলৈকে আয়োজন কৰে প্ৰতিযোগিতাৰ। নৱ-প্ৰজন্মৰ মাজত বৰগীতৰ পৰা আৰম্ভ কৰি, ভেশচন প্ৰতিযোগিতা, গছত উঠা আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। আজিকালি হয়তো বহুতেই নাজানে যে গছত উঠাৰো আছে আকৰ্ষণীয় কৌশল। গছত উঠো বুলিয়ে উঠিব নোৱাৰে। তদুপৰি ভালদৰে কৌশল আয়ত্ত কৰিব নোৱাৰিলে বিপদ হোৱাৰো আশংকা থাকে। সি যি নহওক, এনেধৰণৰ ব্যতিক্ৰমী প্ৰতিযোগিতাৰ আয়োজন কৰা বাবে আয়োজকসকলৰ চিন্তাকো আমি প্ৰশংসা কৰিবই লাগিব। আয়োজকসকলৰ আন এটা দিশে গুৰুত্ব লাভ

কৰিছে। গাঁৱৰ কনিষ্ঠসকলক এই বৰনামঘৰটোৰ সৈতে জড়িত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। জ্যেষ্ঠসকলৰ পৰা যাতে কথাবোৰ সুন্দৰভাৱে আয়ত্ত কৰিব পাৰে তাৰ বাবে কনিষ্ঠসকলকো আয়োজক সমিতিত অন্তৰ্ভুক্ত কৰিছে। কাৰণ নৱ-প্ৰজন্মই যদি এতিয়াৰে পৰাই এনে অনুষ্ঠানৰ প্ৰতি আগ্ৰহী নহয় তেতিয়াহ'লে ভৱিষ্যতে এনে সংস্কৃতি আদি শুদ্ধ ৰূপত কোনে প্ৰকাশ কৰিব। গাঁৱৰ মনোমুগ্ধকৰ পৰিৱেশত স্থাপিত এই বৰনামঘৰটোত যিবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হয় সেইবোৰত সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰিব পাৰে। নাই কোনো ভেদাভেদ। সকলোৱে নিজ নিজ সেৱাৰ পন্থাক ঊৰ্ধ্বত ৰাখি মহাপুৰুষজনৰ সৃষ্টিক অসমীয়া সংস্কৃতিৰ বাহক হিচাপে গণ্য কৰাটোও কম কথা নহয়। তেওঁলোকৰ মতে মহাপুৰুষগৰাকীক বাদ দি অসমীয়া জাতিৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। তাত জাতি জনগোষ্ঠীৰ কোনো কথা নাই। যিসময়ত একাংশ লোকে মহাপুৰুষগৰাকীৰ সৃষ্টি তথা অৱদানক নিজৰ সম্পত্তিৰ দৰে ব্যৱহাৰ কৰি আন লোকক হেয় গণ্য কৰিবলৈ উঠিপৰি লাগিছে সেইসময়ত কালাকুছি বৰনামঘৰৰ ৰাইজে দেখুৱাইছে সম্প্ৰীতিৰ নিদৰ্শন। আমি এতিয়া ভেদাভেদ কৰি থাকিলে নহ'ব। যদি আমি মহাপুৰুষজনাক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰো তেতিয়াহ'লে এনে ধৰণৰ পদক্ষেপ নিশ্চয় গ্ৰহণ কৰিবই লাগিব।

কালাকুছিৰ বৰনামঘৰৰ পৰিৱেশো আকৰ্ষণীয়। ইয়াৰ সৈতে জড়িত সকলো লোকেই শংকৰী কলা-সাংস্কৃতিক শুদ্ধ ৰূপত প্ৰচাৰৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈ আদৰণীয়। জ্যেষ্ঠসকলে যি পথৰ সন্ধান দিছে সেয়া কনিষ্ঠসকলে আদৰি লৈছে। আজিকালি নৱ-প্ৰজন্মৰ মাজত বিজতৰীয়া সংস্কৃতিয়ে গা কৰি উঠিছে। পশ্চিমীয়া সংস্কৃতিৰ মাজত ডুব গৈ থাকে। ইয়াৰ মাজতো যে কালাকুছিত শংকৰী কৃষ্টি-সংস্কৃতিক আঁকোৱালি নৱ-প্ৰজন্ম আগবাঢ়িছে সেয়া আদৰ্শৰ বিষয়। স্থানীয় ৰাইজৰ সহযোগিতাক প্ৰাধান্য দি এনেদৰে আগুৱাই যোৱাটো সকলোৱে আদৰ্শ হিচাপে ল'ব নোৱাৰোনে?

# ৰাসলীলাই কিয় আকৰ্ষণ কৰে ভক্তক

শৰৎকালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা ৰাসলীলাই আজিও সকলোকে আকৰ্ষিত কৰে। ভগৱান শ্ৰীকৃষ্ণই বৃন্দাবনত শৰতৰ স্নিগ্ধ জোনাক নিশা গোপিনীসকলৰ সৈতে কৰা ৰাসক্ৰীড়াক ভাৰতীয় সংস্কৃতিত প্ৰেমৰ প্ৰতীকৰূপে গণ্য কৰা হয়। এগৰাকী কৃষ্ণই যোল্ল হাজাৰ গোপিনীৰ মনৰ বেদনা বুজিব পাৰি প্ৰত্যককে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। গোপীসকলৰ এই প্ৰেমে বিশুদ্ধ ভক্তিৰ নিদৰ্শন দাঙি ধৰে। শ্ৰীকৃষ্ণৰ প্ৰতি সমৰ্পিত সৰ্বোত্তম নিঃচৰ্ত প্ৰেমৰ নিদৰ্শন হৈছে এই ৰাসক্ৰীড়া। শৰতৰ জোনাক নিশা শ্ৰীকৃষ্ণই যমুনাৰ বালিত কদম গছত বহি মোহন বাঁহী বজাই বৃন্দাবনৰ গোপীসকলৰ কামভাব জগাই তুলিছিল। সেয়ে গোপীসকলে সকলো কাতি কৰি উধাতু খাই দৌৰিছিল শ্ৰীকৃষ্ণৰ ওচৰলৈ। দৰাচলতে ৰাসতত্ত্ব হৈছে জীৱাত্ম আৰু পৰমাত্মাৰ মিলন।

ৰাসক্ৰীড়াৰ বিষয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'কীৰ্তন ঘোষ'ৰ একাদশ খণ্ডত 'ৰাস ক্ৰীড়া'ত এনেদৰে বৰ্ণনা কৰিছে— শুকমুনি বদতি শুনিয়ো পৰীক্ষিত/কহো ৰাসক্ৰীড়া কথা কৃষ্ণৰ চৰিত/শৰত কালৰ ৰাত্ৰি অতি বিতোপন/ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।

গোপীসকলৰ কৃষ্ণৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ প্ৰকাশ পাইছে এনেদৰে— যাইবে নপাই গৃহমধ্যে কতো গোপীগন/মনেধৰি কৃষ্ণক কৰিল আলিঙ্গন/অনেক জন্মৰ কৰ্মবন্ধ কৰি ক্ষীণ/এড়িতনু তেখনে কৃষ্ণত গৈল লীন।। (কীৰ্তন ঘোষা, একাদশ খণ্ড)

একেদৰে মহাপুৰুষজনাই বৰ্ণনা কৰিছে— অমৃত বৰিসে কৃষ্ণৰ বাক/সুৰাইল শুনি যত গোপীজাক/এড়াইলা সমস্তে বিৰহ তাপ/বোলা হৰি হৰি পলাওক পাপ।।

ৰাসলীলাক প্ৰকৃতাৰ্থত প্ৰকৃতি আৰু পুৰুষৰ ৰমন আত্মা আৰু পৰমাত্মাৰো মিলন। ইয়াক আমি ভক্ত আৰু ভগৱানৰ গভীৰ শ্ৰদ্ধা আৰু আলিংগনৰ এক সুন্দৰ নিদৰ্শন বুলি আখ্যা দিব পাৰি। সাধাৰণ দৃষ্টিভংগীত ৰাসক্ৰীড়াত কামভাৱৰ বহিঃপ্ৰকাশ যেন লাগিলেও দৰাচলতে ইয়াৰ মাজতে লুকাই আছে আত্মা-পৰমাত্মাৰ মিলন হোৱাৰ এক পথ। এই পথৰ নাই কোনো উপ-পথ। বিকল্প পথেৰে এই যাত্ৰা অসম্ভৱ। কাৰণ ভগৱানৰ সান্নিধ্য পাবলৈ হ'লে সকলো কামনা-বাসনা ত্যাগ কৰি তেওঁকেই আশ্ৰয় কৰি প্ৰেম-ভক্তি নিবেদন কৰিব লাগিব। ব্ৰজধামৰ গোপীসকলে কৃষ্ণৰ ৰূপ আৰু গুণত আকৃষ্ট হোৱা বাবে সকলোৱে পতি অথবা প্ৰেমিকাৰ ৰূপত পাবলৈ আগ্ৰহী হৈ আছিল। ভক্তৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ ভগৱানে আগবাঢ়ি অহাৰ দৰে প্ৰেমিক অথবা স্বামীৰ ৰূপত পাবলৈ বিচৰা গোপীসকলক সন্তুষ্ট কৰিবলৈকে কৃষ্ণই ৰাসক্ৰীড়াত নিজকে ভিন্ন অৱস্থানত প্ৰতিফলিত কৰিছে।

অসমতো ৰাসলীলাৰ আয়োজন অতীতৰে পৰাই কৰি অহা হৈছে। বিভিন্ন ঠাইত ৰাসক্ৰীড়াক কেন্দ্ৰ কৰি বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হয়। এতিয়া এই ৰাসলীলাত পৰিছে আধুনিকতাৰ প্ৰভাৱ। এতিয়া আমি বৃন্দাবনৰ সেই ছবি এখনো কল্পনা কৰিব নোৱাৰো। সেয়ে এতিয়া যিবোৰ ঠাইত ৰাসৰ আয়োজন কৰা হয় সেইবোৰত আধুনিকতাৰ প্ৰভাৱ পৰাৰ মাজে মাজে বিজতৰীয়া বিষয় আদিও জড়িত হৈ পৰিছে। আধুনিক সংস্কৃতি আৰু অৰ্থনৈতিক ক্ষেত্ৰখনতো ৰাসৰ সৈতে সাঙুৰি লোৱা হৈছে। নদীদ্বীপ মাজুলীত এতিয়াও পৰম্পৰাগতভাৱে জীৱন্ত ৰাসৰ আয়োজন কৰি অহা হৈছে। ইয়াৰ বিপৰীতে নামনি অসমত আয়োজন কৰা ৰাস এতিয়া মেলমুখী হৈ পৰিছে। বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে চাৰ্কাছ আদিয়েও প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি আহিছে। থিয়েটাৰ, নাগাৰানাম আদি প্ৰদৰ্শন কৰা হয় দৰ্শকক আকৰ্ষণ কৰিবলৈ। এতিয়া নলবাৰীৰ হৰিমন্দিৰৰ ৰাস অসমতে সীমাবদ্ধ হৈ থকা নাই। দেশৰ প্ৰতিখন ৰাজ্যৰ পৰা এই ৰাস উপভোগ কৰিবলৈ উপস্থিত হয়। এয়া এক ইতিবাসক দিশ বুলিয়েই ক'ব লাগিব। কাৰণ কোনো এখন ৰাজ্যৰ পৰিধি ভাঙি

যেতিয়া কোনো এটা বিশেষ অনুষ্ঠানে অন্য ৰাজ্যতো খোপনি পোতে তেতিয়া ইয়াকে লৈ সকলোৱে গৌৰৱবোধ কৰাটো স্বাভাৱিক বিষয়। কিন্তু এনে গৌৰৱ বৃদ্ধি কৰিবলৈ যাওঁতে আমি অপসংস্কৃতিক প্ৰশ্ৰয় দিব নালাগিব। আজি নলবাৰী হৰিমন্দিৰৰ ৰাস আৰু নামনি অসমৰ ৰাসে দেশত চৰ্চা লাভ কৰিছে। অৱশ্যে আমি এনে চৰ্চাৰ মাজতো এটা কথা লক্ষ্য কৰিব লাগিব যে ৰাসক্ৰীড়াৰ আধুনিকীকৰণৰ নামত মূল পৰম্পৰাগত সংস্কৃতিক বিসৰ্জন দি অপসংস্কৃতিক বাধা দিয়া হৈছে নে নাই। কিয়নো যদিহে অপসংস্কৃতিক এতিয়াই বাধা দিয়া নহয় তেতিয়াহ'লে ভৱিষ্যতে এই গৰিমা অক্ষুণ্ণ ৰখাটো সম্ভৱ নহ'ব। একেদৰে পাঠশাল, পলাশবাৰী, হাউলী আদিৰ ৰাসেও দ্ৰুতগতিত প্ৰসাৰ লাভ কৰিছে। এতিয়া আমি ৰাসলীলাৰ পৰিৱৰ্তে মহোৎসৱ বুলিহে ক'ব লাগিব। সত্ৰসংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীতে অতীতৰে পৰাই পালন কৰি অহা হৈছে ৰাস। মাজুলীৰ ৰাসত কিছুপৰিমাণে আধুনিকতাৰ প্ৰভাৱ পৰিলেও গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণৰ প্ৰেমলীলাৰ জৰিয়তে জীৱাত্মাক পৰমাত্মালৈ, জাগতিক সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম-প্ৰবৃত্তিক কলাৰ শাৰীলৈ উন্নত কৰাৰ প্ৰকৃত ছবিখন প্ৰতিফলিত কৰি অহা হৈছে। এইক্ষেত্ৰত সত্ৰসমূহৰ আয়োজকসকলেও গুৰুত্ব প্ৰদান কৰি অহা বাবে এতিয়ালৈকে কোনোধৰণৰ বিজতৰীয়া সংস্কৃতিয়ে গা কৰি উঠিবলৈ সুযোগ পোৱা নাই। তদুপৰি মাজুলীবাসীয়েও এইক্ষেত্ৰত সদা সতৰ্ক হৈ আহিছে। তথ্য অনুসৰি মাজুলীৰ দক্ষিণপাট সত্ৰত পোনপ্ৰথমবাৰৰ বাবে ৰাসোৎসৱৰ আয়োজন কৰা হৈছিল। পৰৱৰ্তীসময়ত এই উৎসৱে গড়মূৰ, আউনীআটী, কমলাবাৰী, ভোগপুৰ, বেঙেনাআটী সত্ৰ আদিলৈ প্ৰসাৰ লাভ কৰে। মাজুলীবাসীয়ে শৰতৰ আগমনৰ লগে লগে সাজু হয় ৰাসলীলাৰ বাবে। লক্ষ্মীপূৰ্ণিমাৰ পৰা পৰম্পৰাগতভাৱে নাটকৰ আখৰা আৰম্ভ হয়। এমহীয়া আখৰাৰ অন্তত নদীদ্বীপটোৰ চৌদিশে বাজি উঠে ভাৱৰীয়াৰ বচন আৰু ৰাসগীত। এইসময়ত মাজুলীলৈ আগমন ঘটে দেশী-বিদেশী পৰ্যটকৰ। নিয়ৰসিক্ত দূবৰি, শেৱালিৰ সুবাস আৰু স্নিগ্ধ জোনাক নিশা ৰাসোৎসৱৰ আনন্দ উপভোগ কৰাটো বৰ্ণনা কৰা কঠিন। কাৰণ এনে এক পৰিৱেশৰ মাজত আত্মা-পৰমাত্মাৰ মিলনেৰে সৃষ্টি হোৱা দৃশ্যসমূহ নৈসৰ্গিক পৰিৱেশত জিলিকি উঠিলে সেয়া সঁচাকৈয়ে মনোমুগ্ধকৰ হৈ পৰে।

# জনজাতীয় লোকেৰে পৰিৱেষ্টিত এখন সত্ৰ

২০২৪ বৰ্ষৰ ৫ নৱেম্বৰত লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ দূৰৈত দুই নম্বৰ ৰবৰচাপৰি গাঁৱত শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ দ্বাৰ উন্মোচন আৰু গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। অসমৰ প্ৰায়বোৰ সত্ৰতে এনে ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰাটো এক স্বাভাৱিক কথা যদিও এইখন সত্ৰৰ ক্ষেত্ৰত কিছু মন কৰিবলগীয়া বিষয় সন্নিৱিষ্ট হৈছে। ২নং ৰবৰচাপৰি আদিবাসী শ্ৰীমন্ত শংকৰদেৱ সত্ৰ বুলি কোৱাৰ লগে লগে নামটোৰ পৰাই অনুমান কৰিব পাৰি গাঁওখনৰ বাসিন্দাসকলৰ বিষয়ে। গাঁওখনৰ ৮০টা পৰিয়াল হৈছে আদিবাসী লোক। বৰপেটাৰ সন্তান তথা বৰঙাজুলি সত্ৰৰ প্ৰয়াত ভকত শিৰোমণি সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তৰ আদৰ্শেৰে এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। প্ৰয়াত হৰেকৃষ্ণ মহন্ত বাপে প্ৰতিষ্ঠা কৰা ৩৩খন সত্ৰৰ ভিতৰত এইখনো অন্যতম। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় এয়ে যে যিসময়ত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সৰু সৰু কথা ক'লে সংঘাতৰ সৃষ্টি হৈছে সেই সময়ত এনে এটা অঞ্চলত হৰেকৃষ্ণ মহন্ত বাপে এখন সত্ৰ স্থাপনৰ বাবে আগভাগ লৈছিল। সাধাৰণতে জনজাতীয় অঞ্চলত সত্ৰ স্থাপন কৰাটো প্ৰত্যাহ্বান যদিও হৰেকৃষ্ণ মহন্তই অসম্ভৱকো সম্ভৱ কৰি তুলিছিল। এই গাঁওখনৰ ৮০টা পৰিয়ালেই দিন হাজিৰা কৰি কোনো মতে জীৱন নিৰ্বাহ কৰি আহিছে। তেওঁলোকে বিগত সময়ত সাধ্যানুসৰি সত্ৰখনৰ সংৰক্ষণ কৰি আহিছে যদিও ইয়াক সুন্দৰভাৱে নিৰ্মাণ কৰিবলৈ অৰ্থাভাৱ হৈছিল। সেয়ে এই সত্ৰখন স্থাপনৰ বাবে আগবাঢ়ি আহিল গুৱাহাটীৰ

সমাজসেৱিকা কণিকা পাঠকৰ পৰিয়ালবৰ্গ। সত্ৰখনৰ গৃহ নিৰ্মাণৰ লগতে গুৰুআসন প্ৰতিষ্ঠাৰ বাবে তেওঁলোকে অৰ্থ-সাহায্য আগবঢ়ায়। এইক্ষেত্ৰত ওদালগুৰি জিলাৰ হৰিশিঙা জিলাৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ লগতে আমিও যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়াইছো। শেহতীয়াভাৱে গাঁওখনৰ লোকসকলে এনে এক সুন্দৰ পৰিৱেশ লাভ কৰাত আনন্দ প্ৰকাশ কৰে। আন্তৰিকতাৰে এই গাঁওখনৰ লোকসকলে সত্ৰখন পুনৰ্নিৰ্মাণ কৰে। তেওঁলোকৰ গুৰুজনাৰ প্ৰতি থকা অকৃত্ৰিম শ্ৰদ্ধা-ভক্তি দেখি ভালো লাগিল।

এই সত্ৰখনলৈ সিদিনা দ্বাৰ উদ্‌ঘাটন আৰু গুৰুআসন প্ৰতিষ্ঠা অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰে। ওদালগুৰিৰ হৰিশিঙাৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰয়ো এইক্ষেত্ৰত বিশেষ আগভাগ লৈ ২নং ৰবৰচাপৰি আদিবাসী শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ পুনৰ নিৰ্মাণ কৰাত ৰাইজৰ মাজত আনন্দৰ ঢৌ উঠে। উক্ত অনুষ্ঠানটোলৈ বৰপেটাৰ লগতে ওদালগুৰি জিলাৰপৰা কমেও সাত শতাধিক লোক আহিছিল। বড়ো, ৰাভা, আদিবাসী লোকসকলে এই সত্ৰখনত উপস্থিত হৈ গুৰুজনাৰ সৃষ্টিৰাজিক পৰম্পৰাগত ৰূপত ৰাখি নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰত নিমজ্জিত হোৱাটো সঁচাকৈয়ে প্ৰশংসাৰ বিষয়। সিদিনা ধৰ্মধ্বজা উত্তোলন কৰে ২নং ৰবৰচাপৰি আদিবাসী শ্ৰীমন্ত শংকৰদেৱ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ গোৱালাই। অনিৰুদ্ধ ভৰালীৰ আৰু নকুল দাসৰ নাম-প্ৰসংগৰে আৰম্ভ হোৱা গুৰুআসন প্ৰতিষ্ঠাত অংশগ্ৰহণ কৰে অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক তথা শ্ৰীশ্ৰী কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্ত, সত্ৰাধিকাৰ নিৰ্মল অধিকাৰী, ওদালগুৰিৰ বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়ো, সত্ৰাধিকাৰ বিষ্ণুদেৱ গোস্বামী, সত্ৰাধিকাৰ মতিলাল পেগু, সত্ৰাধিকাৰ উপেন্দ্ৰ নাথ গোস্বামী আদিয়ে। ইপিনে নৱনিৰ্মিত সত্ৰৰ দ্বাৰ উদ্‌ঘাটন কৰে ওড়িশাৰ পুৰি প্ৰকল্পৰ সভানেত্ৰী কণিকা পাঠকে। আমিও ভকত শিৰোমণি হৰেকৃষ্ণ মহন্ত আতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যৰ্পণ কৰিবলৈ সুযোগ পাওঁ। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আয়ুক্ত থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা আৰু মুকলি সভাৰ পূৰ্বে থিয়নাম পৰিৱেশন কৰে তুলিকা বড়ো আৰু সংগীবৃন্দই। জনজাতি মহিলাৰ দ্বাৰা থিয়নাম পৰিৱেশন কৰা দেখি মনত এনে ভাব হয় যেন গুৰুজনাৰ আদৰ্শৰে আগবাঢ়িবলৈ আৰু নীৰৱে কাম কৰা লোকৰ এতিয়াও অভাৱ নাই।

দুপৰীয়া আমি সকলোৱে একেলগে আহাৰ গ্ৰহণ কৰিলোঁ। সকলোৱে সুন্দৰভাৱে আহাৰ পৰিৱেশন আৰু গ্ৰহণ কৰি ভাল লাগিল। শৃংখলাবদ্ধভাৱে সকলোৱে কাম-কাজ পৰিচালিত। সত্ৰখনৰ সকলোখিনি কামেই প্ৰতিগৰাকী ভক্তই সুন্দৰভাৱে সম্পাদন কৰিছে। তেওঁলোকৰ আতিথ্যত সকলো অভিভূত। সকলোৱে নীতি-নিয়ম পালন কৰি পৰস্পৰৰ প্ৰতি দেখুৱাইছে শ্ৰদ্ধা। এই গাঁওখনৰ লোকসকল অৰ্থনৈতিকভাৱে দুৰ্বল হ'ব পাৰে, কিন্তু তেওঁলোকৰ মানসিকতা বহুতো ধনৱান লোকতকৈ ওপৰত। কৰাণ হাতত ধন নাথাকিলেও তেওঁলোকৰ আছে এটা বহল মন। এইখিনিতে উদ্যোক্তাসকলৰ সকলোকে ধন্যবাদ দিব লাগিব। সভাপতি প্ৰদীপ গোৱালা আৰু সম্পাদক মনেশ্বৰ গোৱালাৰ লগতে হৰিশিঙাৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ সমূহ কৰ্মকৰ্তাৰ পদক্ষেপ শলাগিবলগীয়া।

এই অনুষ্ঠানটো শেষ কৰি আহোঁতে আমাৰ লগতে অৱসৰপ্ৰাপ্ত আয়ুক্ত থানেশ্বৰ মালাকাৰ, অৱসৰপ্ৰাপ্ত জেইল অধীক্ষক গোবিন্দ মালাকাৰ সমন্বিতে শ্ৰীশ্ৰী মাধৱদেৱৰ জন্মস্থান লেতেকুপুখুৰীতো উপস্থিত হওঁ। লেতেকুপুখুৰী সত্ৰত পৰিচালনা সমিতিৰ কেইবাগৰাকী বিষয়ববীয়া সদস্যক লগ পালো। খুব ভাল লাগিল। এই ঠাইখনত উপস্থিত হৈ সকলোৱে নিজকে ধন্য মানে। কাৰণ শ্ৰীশ্ৰী মাধৱদেৱৰ জন্ম হৈছিল উক্ত স্থানত। লেতেকুপুখুৰী সত্ৰত উপস্থিত হোৱাৰ পিছত এই সন্দৰ্ভত প্ৰকাশিত এখন পুস্তিকা আমাক দিলে। এই পুস্তিকাখনত মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান নিৰ্ণয় সম্পৰ্কে ব্যাখ্যা কৰা হৈছে। কাৰণ লেতেকুপুখুৰীৰ কোন ঠাইত মহাপুৰুষজনাই জন্মগ্ৰহণ কৰিছিল সেই সন্দৰ্ভত স্থানীয় ৰাইজৰ মাজত আছিল মতভেদ। এই সকলোবোৰ আঁতৰ কৰি ২৯/১/১৯৫৬ চনত এখন ৰাজহুৱা সভাত এই সন্দৰ্ভত এক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তেতিয়াৰে পৰাই সকলোৱে এই ঠাইখিনিকে মহাপুৰুষজনাৰ জন্মস্থান হিচাপে গণ্য কৰি আহিছে। তাত উপস্থিত হোৱাৰ পিছত কেইবাগৰাকী কৰ্মকৰ্তাক লগ পাই ভাল লাগিল। সকলোৱে মহাপুৰুষজনাৰ জন্মস্থানক উপযুক্ত সন্মান দিয়াৰ লগতে গৌৰৱবোধ কৰে। সকলোৱে মহাপুৰুষীয়া সংস্কৃতিৰে উজ্জীৱিত হ'লেও সকলো ধৰ্মৰ লোকৰ মাজত আছে মিলাপ্ৰীতি। সকলোৱে ধৰ্মীয় দিশতকৈ সমন্বয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অহা বাবে পৰস্পৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ ছবিখন স্পষ্ট হৈ উঠিছে।

# ক্ৰমাৎ ভয়াৱহ হৈছে শীতপ্ৰৱাহ গ্ৰীষ্মপ্ৰৱাহৰ দৰেই হৈছে প্ৰাণঘাতী

গোলকীয় উষ্ণতাৰ পৰিৱৰ্তনৰ বাবে আজি মানৱ জাতি শংকিত। কাৰণ গৰমৰ দিনত গ্ৰীষ্মপ্ৰৱাহ আৰু ঠাণ্ডাৰ দিনত শীতপ্ৰৱাহে জটিল কৰি তুলিলে মানৱ জীৱন। আগতে পৃথিৱীৰ যিবোৰ অঞ্চলত অতিপাত গৰম বা ঠাণ্ডা আছিল এতিয়া সেইবোৰ ঠাইত সম্পুৰ্ণ সলনি হৈছে তাপমাত্ৰা। গ্ৰীষ্মপ্ৰৱাহ হোৱাৰ ফলত যিমান মানুহে প্ৰাণ হেৰুৱায়, প্ৰচণ্ড তুষাৰপাত হোৱা হেতুকে বহুতো লোকে প্ৰাণ হেৰুওৱা ঘটনা সঘনাই ঘটিবলৈ ধৰিছে। আমি সততে গ্ৰীষ্ম কালত মানুহৰ মৃত্যু হোৱা সম্পৰ্কহে কৈ থাকো, কিন্তু সম্প্ৰতি শীত প্ৰৱাহ হোৱাৰ ফলতো যে সমানেই মৃত্যু হৈ আছে সেই বিষয়ত চৰ্চা নকৰো। আন বছৰত হোৱা এনে পৰিস্থিতিৰ দৰে এইবাৰো একেই ছবি প্ৰতিফলিত হৈছে। ইতিমধ্যে ভাৰতত কেইবাজনো লোকৰ প্ৰচণ্ড তুষাৰপাত তথা শীতৰ বাবে মৃত্যু হৈছে।

প্ৰচণ্ড শীতে শেহতীয়াকৈ গ্ৰাস কৰিছে সমগ্ৰ উত্তৰ ভাৰতক। জানুৱাৰী মাহৰ প্ৰথম সপ্তাহতে উত্তৰ প্ৰদেশত প্ৰচণ্ড শীতত ৮জন আৰু বিহাৰত ২জন লোকে প্ৰাণ হেৰুৱাইছে। দেশৰ ১৪ খন ৰাজ্যত একেৰাহে দিন ধৰি ঘন কুঁৱলীয়ে আৱৰি ৰাখাত জনজীৱন স্তব্ধ হৈ পৰিছে। আনকি এনে ঘন কুঁৱলীৰ বাবে বিমান উৰণত সমস্যাই দেখা দিছে। মধ্য প্ৰদেশৰ মাণ্ডালাত  তাপমান হয়গৈ ৪ ডিগ্ৰী চেলছিয়াচ। শেহতীয়াকৈ জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশত প্ৰবল তুষাৰপাত অব্যাহত আছে। ওড়িশা, ৰাজস্থান, জয়পুৰ, চণ্ডীগড়, অমৃতসৰত শীতৰ প্ৰকোপ অব্যাহত থকাত দৈনন্দিন জীৱন যাপনত প্ৰভাৱ পৰিছে।

এই প্ৰসংগত আমি গ্ৰীষ্মপ্ৰৱাহৰ কথাও উল্লেখ কৰিব লাগিব। বিশ্বৰ উন্নত দেশ— বিশেষকৈ ঔদ্যোগিক ক্ষেত্ৰত আগবঢ়া দেশসমূহৰ বিজ্ঞানীসকলে আগবঢ়োৱা তথ্য মতে, একবিংশ শতিকাত গোলকীয় উষ্ণতা ০.৩ৰ পৰা ১.৭ ডিগ্ৰী চেলছিয়াচলৈ বৃদ্ধি পাইছে। 'ইণ্টাৰ-গমেণ্টেল পেনেল অন ক্লাইমেট চেঞ্জ' সংক্ষেপে আই পি চি চিৰ তথ্য অনুসৰি ২০১৪ত প্ৰায়ভাগ দেশৰ বিজ্ঞানীসকলে গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত ৯৫ শতাংশ মানুহেই দায়ী বুলি উল্লেখ কৰিছে। ২০১৫ৰ পেৰিছ চুক্তি অনুসৰি প্ৰতিখন দেশৰ প্ৰতিনিধিয়ে গোলকীয় উষ্ণতা ১.৫ ডিগ্ৰী ফাৰেনহাইটকৈ বৃদ্ধি হ'বলৈ নিদিয়ে বুলি প্ৰতিজ্ঞা কৰিছিল। কাৰণ যিদৰে উত্তাপ বৃদ্ধি হ'বলৈ ধৰিছে সেইদৰে বৃদ্ধি হৈ থাকিলে এদিন জীবকুললৈকে শংকা আহি পৰিব। ২০১৩ৰ ১০ জুলাইত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেলিফ'ৰ্নিয়াৰ গ্ৰীনলেণ্ড ৰচত সৰ্বাধিক উষ্ণতা ৫৬.৭ ডিগ্ৰী চেলছিয়াচলৈ বৃদ্ধি পাইছিল। ভৱিষ্যতে পৃথিৱীৰ আন দেশতো যে এনে পৰিস্থিতিৰ সৃষ্টি নহ'ব তাৰ কোনো নিশ্চয়তা নাই।

অসমতো বিগত বৰ্ষত উত্তাপ ৩৮ ডিগ্ৰী চেলছিয়াচ স্পৰ্শ কৰিছিল। দুই দশক আগলৈকে অসমত ইমান গৰম নাছিল। বিশেষকৈ গ্ৰামাঞ্চলত উত্তাপ স্বাভাৱিক হৈ আছিল। এতিয়া পিছে উত্তাপে সকলোকে দহিব ধৰিছে।

স্বাস্থ্য সংস্থাৰ এটি শেহতীয়া তথ্য মতে, ২০৩০লৈ বিশ্বত বছৰি দুই লাখ ৫০ হেজাৰ লোকৰ মৃত্যু হ'ব কেৱল গোলকীয় উষ্ণতা সম্পৰ্কীয় ৰোগত আক্ৰান্ত হৈ। পুষ্টিহীনতা, মেলেৰিয়া, ডায়েৰীয়া আদি ৰোগৰ ফলত এই লোকসকলৰ মৃত্যু হ'ব। তদুপৰি ছানষ্ট্ৰ'ক বা ৰৌদ্ৰপ্ৰদাহত আক্ৰান্তৰ সংখ্যাও অস্বাভাৱিকভাৱে বৃদ্ধি পাব। ইয়াৰ প্ৰমাণ অসমতে দেখা যায়। এতিয়া ৰাজ্যখনৰ বিভিন্ন ঠাইত ৰৌদ্ৰপ্ৰদাহৰ ফলত মৃত্যু হোৱাৰ বাতৰি প্ৰচাৰ হৈছে। আগতে প্ৰখৰ ৰ'দতো কৃষকসকলে পথাৰত খেতি কৰিছিল। কোনো সমস্যাই নাছিল। এতিয়া পিছে দুপৰীয়া কাম কৰাতো বাদেই পুৱাও বেছিসময় পথাৰত থাকিব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছে। পথাৰতে ঢলি পৰে কৃষক। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি অহা ১৫ বছৰৰ ভিতৰত জলবায়ুৰ পৰিৱৰ্তনৰ ফলত ৩৮ হেজাৰ বয়স্ক লোকৰ মৃত্যু ঘটিব। পুষ্টিহীনতাত চিকাৰ হৈ মৃত্যুমুখত পৰিব ৯৫ হেজাৰ লোক। তদুপৰি মেলেৰিয়াত ৬০ হেজাৰ আৰু ডায়েৰীয়াত ৪৮ হেজাৰ লোক আক্ৰান্ত হৈ চিৰদিনৰ বাবে মৃত্যুৰ কোলাত ঢলি পৰিব। গতিকে এনেধৰণৰ সমস্যাৰ পৰা হাত সাৰিবলৈ আমি সকলোৱে সজাগ হ'ব লাগিব।

ইয়াৰ বিপৰীতে পৃথিৱীৰ বিভিন্ন দেশৰ লগতে ভাৰততো শীতৰ প্ৰকোপ বৃদ্ধি পাইছে। দেশৰ কিছুমান অঞ্চলত শীত প্ৰৱাহৰ ফলত ঘন কুঁৱলীৰ সৃষ্টি হৈছে। দেশত ৰাজধানীত আনকি সূৰুয দেৱতাই দিনটোৰ ভিতৰত ভুমুকি মৰাই নাই। বিশেষজ্ঞৰ মতে, পাঁচশ মিটাৰ পৰ্যন্ত দৃশ্যমানতা হ'লে কুঁৱলীক 'অগভীৰ' বুলি গণ্য কৰা হয়। দৃশ্যমানতা দুশ মিটাৰ পৰ্যন্ত থাকিলে 'মধ্যমীয়া' কুঁৱলীৰ সৃষ্টি হয়। দৃশ্যমানতা পঞ্চাছ মিটাৰ পৰ্যন্ত হ'লে কুঁৱলীক 'ঘন' হিচাপে শ্ৰেণীভুক্ত কৰা হয়। দৃশ্যমানতা পঞ্চাছ মিটাৰৰ তললৈ গ'লে ইয়াক 'অতি ঘন' হিচাপে শ্ৰেণীভুক্ত কৰা হয়।

বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি দেওবাৰেও পাঞ্জাব আৰু হাৰিয়ানাত শীত-প্ৰবাহ পৰিস্থিতি অধিক গুৰুতৰ হৈ পৰে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি ১০ ডিগ্ৰী চেলছিয়াছৰ ন্যূনতম উষ্ণতা নথিভুক্ত কৰা হৈছে ফৰিদকোট অঞ্চলত। ফৰিদকোটেই ৰাজ্যখনৰ এই বছৰৰ এতিয়ালৈকে আটাইতকৈ ঠাণ্ডা হিচাপে পৰিগণিত হৈছে। পাঞ্জাব, গুৰুদাসপুৰ আৰু বাথিণ্ডাতো শীত প্ৰবাহ বৃদ্ধি পাইছে। সেই এলেকাসমূহত ন্যূনতম তাপমাত্ৰা ২ ডিগ্ৰী চেলছিয়াছ আৰু ৪.৬ ডিগ্ৰী চেলছিয়াছ হৈছে। পাথানকোটত ন্যূনতম ৩.৫ ডিগ্ৰী চেলছিয়াছ হোৱাৰ বিপৰীতে অমৃতসৰত ৩.৯ ডিগ্ৰী চেলছিয়াছ হৈছে।

এই বছৰৰ আৰম্ভণিতে হাৰিয়ানাৰ হিছাৰত ১.৭ ডিগ্ৰী চেলছিয়াছ হোৱাৰ বিপৰীতে নানাউলত ন্যূনতম ৩ ডিগ্ৰী চেলছিয়াছ তাপমাত্ৰা পঞ্জীয়ন কৰা বুলি বতৰ বিভাগে প্ৰকাশ কৰিছে। আনহাতে, ৰোহটাকে ৫.২ ডিগ্ৰী আৰু আম্বালাই ৫.৭ ডিগ্ৰী চেলছিয়াছ হয়। ৰাজস্থান আৰু পাঞ্জাবত কিছু স্থানত পাৰাস্তম্ভ শূন্যৰ তললৈ নামে। হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, জম্মু-কাশ্মীৰ, লাদাখ, উত্তৰ প্ৰদেশ, হাৰিয়ানা, ৰাজস্থান, ছত্তীশগড়, পশ্চিমবংগ, বিহাৰ, মহাৰাষ্ট্ৰ, বিদৰ্ভ, সৌৰাষ্ট্ৰ আৰু গুজৰাটৰ বিভিন্ন অংশত এতিয়া শীত প্ৰবাহে তাণ্ডৱ সৃষ্টি কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি পাঞ্জাবৰ আদমপুৰত পাৰাস্তম্ভ ০.৭ হৈছে। এনে তথ্য অনুযায়ী বিগত সময়ত দেশত হোৱা তাপমাত্ৰাৰ তাৰতম্যৰ ছবিখন ফুটি উঠিছে। গৰমৰ দৰে শীত হৈছে প্ৰাণঘাতী।

# মাঘবিহু, মকৰ সংক্ৰান্তি আৰু উত্তৰায়ণ

ভাৰতত মাঘ মাহৰ যিবোৰ উৎসৱ পালন কৰা হয় সেইবোৰৰ ভিতৰত অন্যতম হৈছে মকৰ সংক্ৰান্তি। সূৰ্য দেৱতাক কেন্দ্ৰ কৰিয়েই এই উৎসৱটো পালন কৰা হয়। ভাৰতত সূৰ্য দেৱতাক কেন্দ্ৰ কৰি বহুতো উৎসৱ পালন কৰি অহা হৈছে। ভাৰতৰ কেইবাখনো ৰাজ্যত মকৰ সংক্ৰান্তি পালন কৰা হয়। ৰাজ্যভেদে ইয়াৰ নাম বেলেগ বেলেগ। অসমত মাঘবিহু, মহাৰাষ্ট্ৰত মকৰ সংক্ৰান্তি হিচাপে জনা যায়। এই উৎসৱক উত্তৰায়ণ, সংক্ৰান্তি, মাঘ, মকৰ সংক্ৰান্তি মেলা, মাঘী, ঘুঘুটি, ভুগা আদি নামেৰে জনাজাত। হিন্দু দিনপঞ্জিকাৰ ভিত্তিত ১৩ বা ১৪ জানুৱাৰীত আৰম্ভ হৈ ১৪ বা ১৫ জানুৱাৰীলৈ এই উৎসৱ পালন কৰা হয়। শীতত সোনকালে বেলি লহিওৱা বাবে দিনটোৰ ভিতৰত কম সময় পোৱা বাবে এই উৎসৱত ৰাইজে পালন কৰাৰ ক্ষেত্ৰত সকলো কৰ্মই খৰতকীয়াকৈ কৰিবলগীয়া হয়। অঞ্চলবিশেষে এই উৎসৱত অগ্নিপূজা, মেলা, গো-পূজা, চিলা উৰুওৱাৰ উপৰি নদীত সূৰ্যদেৱতাৰ পূজা কৰা, ভোজ আদিৰ আয়োজন কৰি উৎসৱটো পালন কৰে। এই দিনটোত হেনো সূৰ্যদেৱতা মকৰ ৰাশিত অন্তৰ্ভুক্ত হয়। এয়া হৈছে শীতৰ পৰা লাহে লাহে দীঘলীয়া দিন আৰম্ভ হোৱা এক প্ৰক্ৰিয়া। সূৰ্যক কেন্দ্ৰ কৰিয়েই আমাৰ কিছুমান উৎসৱৰ দিন-বাৰ, সময় আদি নিৰ্ধাৰণ কৰা হয়। যুগ যুগ ধৰি মানুহে এনেদৰেই উৎসৱ পালন কৰি আহিছে। যদিও এয়া ধৰ্মীয় উৎসৱ হিচাপে গণ্য কৰা হয় তথাপি ঠাইবিশেষে শস্য চপোৱা উৎসৱ বুলিও কোৱা হয়। এই উৎসৱটো অসমৰ লগতে পশ্চিম

বংগ, হিমাচল প্ৰদেশ, হাৰিয়ানা, তামিলনাড়ু, ওড়িশা, মধ্য ভাৰত আদিত পালন কৰা হয়। কিছুমান অঞ্চলত ব্যাপকভাৱে আয়োজন কৰে। আন কিছুমানত আকৌ অনুষ্ঠুপীয়াকৈ আয়োজন কৰে।

এই উৎসৱটোক ওড়িশা, গোৱা, পশ্চিমবংগ আৰু মহাৰাষ্ট্ৰত মকৰ সংক্ৰান্তি হিচাপে জনা যায়। ইপিনে তামিলনাডুত পোংগল, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, গুজৰাট আদিত উত্তৰায়ণ, পাঞ্জাব, হাৰিয়ানা, হিমাচল প্ৰদেশ আদিত এই উৎসৱটোক কোৱা হয় 'চুকাৰত'। মহাৰাষ্ট্ৰত এই উৎসৱত তিল আৰু গুড়ৰ গুৰুত্ব বেছি। ইয়াকে লৈ কিছুমান প্ৰথাও চলি আহিছে। দক্ষিণ ভাৰতত তামিলসকলে পালন কৰা কৃষিভিত্তিক উৎসৱটো হৈছে 'পোংগল'। সাধাৰণতে পোংগল উৎসৱ তিনিদিনীয়াকৈ পালন কৰে। এই তিনিদিনক ভোগী পোংগল, সূৰ্য পোংগল আৰু মাটু পোংগল হিচাপে উদ্‌যাপন কৰা হয়। এই উৎসৱৰ সময়ত সূৰ্য দেৱতাই মকৰ ৰাশিত প্ৰৱেশ কৰে বাবে কোৱা হয় উত্তৰায়ণ। এই উৎসৱৰ দিনা পোংগল মিষ্টান্ন ব্যঞ্জন প্ৰস্তুত কৰি প্ৰথমতে পোংগল দেৱীলৈ আগবঢ়োৱা হয়। চাউলৰ গুড়িৰে আল্পনা অংকন কৰে। ঘৰত তামিল লোকসকলে প্ৰাৰ্থনাও কৰে। লোকসকলে ইজনে-সিজনক উৎসৱৰ শুভেচ্ছা জ্ঞাপন কৰে। এই সময়ত খাদ্যশস্য উভৈনদী হৈ পৰে বাবে মানুহৰ মন আনন্দৰে উপচি পৰে। ভাৰতত সাধাৰণতে তামিলসকলে বেছিকৈ এই উৎসৱ পালন কৰা দেখা যায়।

আনহাতে, এই সময়ত পালন কৰা উত্তৰায়ণত চিলা উৰুওৱা হয়। এই দিনটোত মানুহে সূৰ্যৰ ৰশ্মি শৰীৰত পৰিবলৈ দিয়ে যাতে ছালৰ সংক্ৰমণৰ পৰা ৰক্ষা পৰে। শীতৰ সময়ত হোৱা চৰ্মৰোগৰ পৰা পৰিত্ৰাণ পাবলৈকে চিলা উৰুৱাই শৰীৰত ৰ'দ পৰিব দিয়াৰ পৰম্পৰা অতীতৰে পৰাই চলি আহিছে। কিছুমান ঠাইত মকৰ সংক্ৰান্তিত মহিলাই ক'লা পোছাক পৰিধান কৰে। ক'লা ৰঙৰ পোছাক সূৰ্যৰ কিৰণ শোষণ কৰে। সেয়েহে ৰ'দত ক'লা কাপোৰ পিন্ধি ওলালে কম ঠাণ্ডা অনুভৱ হয়। সেইবাবে এনে পৰম্পৰা আজিও বৰ্তি আছে।

অসমত মাঘবিহু সকলো প্ৰান্ততে পালন কৰা হয়। ইয়াক ভোগালী বিহু বুলি ক'লেও মূলতঃ কৃষিৰ সৈতে ই জড়িত। কাৰণ এই সময়ত কৃষিক্ষেত্ৰত উৎপাদিত সোণোৱালী শইচেৰে প্ৰস্তুত কৰা হয়। তদুপৰি এই সময়ত শাক-পাচলি আদিও হৈ পৰে উভৈনদী। সোৱাদযুক্ত খাদ্যই সকলোকে আকৰ্ষিত

কৰে। মাঘ বিহুৰ দিনা অগ্নিপূজা কৰাৰ পৰম্পৰা আজিও বৰ্তি আছে। মেজিৰ ওচৰত মাঘ বিহুৰ দিনাখন অগ্নিপূজা কৰাৰ লগতে ৰঙাআলু আদি পুৰি খোৱাৰো নিয়ম আছে। ঠায়ে ঠায়ে কণীযুঁজ, কুকুৰা যুঁজ, ম'হ যুঁজৰো আয়োজন কৰা হয়। আগতে হাজোত বুলবুলি যুঁজ আছিল যদিও ন্যায়ালয়ে এনে খেলৰ ওপৰত বাধা আৰোপ কৰাত বন্ধ হৈ পৰিছে। অৱশ্যে এইবাৰ ম'হ যুঁজ আয়োজনৰ ক্ষেত্ৰত চৰকাৰে অনুমতি প্ৰদান কৰিছে। একেদৰে বুলবুলি খেলো অনুষ্ঠিত কৰাৰ অনুমতি লাভ কৰাত আয়োজকসকলে স্বস্তিৰ নিশ্বাস পেলাইছে।

মকৰ সংক্ৰান্তিত ভাৰতত পালন কৰা উৎসৱৰ সৈতে পৰোক্ষভাৱে উত্তাপ জড়িত হৈ আছে। কোনো একোটা অঞ্চলৰ লোকে যদি সূৰ্যৰ ৰশ্মিৰ শৰীৰত উত্তাপ লৈছে, আন এটা অঞ্চলৰ মানুহে আকৌ অগ্নিপূজা কৰি উত্তাপ লোৱা দেখা যায়। এনেধৰণৰ উৎসৱৰ সৈতে পৰম্পৰাগত বিষয় কিছুমান জড়িত হৈ আছে। বিশ্বাস-অন্ধবিশ্বাস আদি জড়িত হৈ থাকিলেও সকলোৱে কিন্তু মাঘবিহুৰ আনন্দ ল'বলৈ আগ্ৰহী। এয়াই শীতৰ আনন্দ। ভোগালীৰ ভোগ। মকৰ সংক্ৰান্তিৰ অনুভৱ।

# পৰিৱৰ্তনৰ ধামখুমীয়াত বাগ্‌দেৱীৰ পূজা

বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী হিচাপে যুগ যুগ ধৰি সৰস্বতী দেৱীৰ পূজা-অৰ্চনা কৰি অহা হৈছে। সাধাৰণ দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিলে সৰস্বতী দেৱীক ছাত্ৰ-ছাত্ৰীসকলেহে পূজা কৰে। পিছে বিদ্যা কেৱল ছাত্ৰ-ছাত্ৰীৰ বাবেইনে? বিদ্যা লাভৰ কোনো নিৰ্দিষ্ট বয়স নাই। জ্ঞান অৰ্জনৰো নাই পৰিসীমা। যিকোনো বয়সতে যিকোনো জ্ঞান অৰ্জন কৰিব পাৰি। সেয়ে সৰস্বতী পূজা কেৱল ছাত্ৰ-ছাত্ৰীৰ মাজতে সীমাবদ্ধ থাকিব লাগে বুলি মনে নধৰে। এই বিশেষ দিনটোত শিক্ষাৰ্থীসকলে সৰস্বতীক পূজা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। আগদিনাৰে পৰা ব্যস্ততাৰ অন্ত নাই। প্ৰতিখন শিক্ষানুষ্ঠানত সৰস্বতী পূজাৰ আয়োজন কৰা হয়। এই পূজাৰ আয়োজনত ছাত্ৰ-ছাত্ৰীসকলে বিশেষভাৱে আগভাগ লয়।

সৰস্বতী পূজাৰ মণ্ডপটো নিৰ্মাণ কৰিবলৈ শিক্ষাৰ্থীসকলে নদীৰ পাৰৰ পৰা ঝাওবন অনা দৃশ্য আছিল আকৰ্ষণীয়। চাইকেলৰ কেৰিয়াৰত ঝাওবন বোজাই দি পিছে পিছে ছাত্ৰসকলে দৌৰি অহাৰ ছবিখনৰ মাজত আছিল এক সুকীয়া আনন্দ। পূজাৰ দিনা পুৱাই ফুল তুলিবলৈ গৈ ফুলৰ গৰাকীৰ ধমক খোৱা, গোৱাল গালি খোৱা আদি কথাবোৰ এতিয়া সাধুকথাৰ দৰে হ'ল। কিছুমান ঠাইত কলপাতেৰে ৰভা দিয়া তথা কলৰ চতিয়াৰে ঘৰ নিৰ্মাণ কৰাৰ দৃশ্যও আছিল তেনেই সুলভ। শাৰী শাৰীকৈ মাটিত বহি খিচিৰিৰ বাবে হাহাকাৰ কৰা ছবিখন আজিৰ প্ৰজন্মই বুজি নাপাব। মাটিৰ কাপ, গিলাচত পানী দিওঁতে এইবোৰ ভাঙি গৈ খোৱা থালত অথন্তৰ হোৱা ঘটনাবোৰ বহুতৰেই মনত সজীৱ

হৈ আছে। এইবোৰ মচিব নোৱাৰা স্মৃতি। পৰীক্ষাত ভাল ফলাফল লাভৰ আশাৰে দেৱীৰ সন্মুখত সাষ্টাংগপাত কৰি জনোৱা সেৱা আদি কথাবোৰ আজিৰ প্ৰজন্মৰ বাবে সাঁথৰ হৈ পৰিছে। পৰিৱৰ্তনৰ ধামখুমীয়াত বাগ্‌দেৱীৰ পূজাতো আধুনিকতাৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। আজিৰ পূজাত বাহ্যিকতা বেছি, ভক্তি কম।

বাহ্যিকতা মানে কেৱল ৰং-চং। ছাত্ৰ-ছাত্ৰীসকলে এই বিশেষ দিনটোত বিদ্যালয়লৈ যায় যদিও বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীলৈ আন্তৰিকতাৰে নজনায় সেৱা। সেৱা কৰোঁতেও চিনেমাৰ নায়ক-নায়িকাৰ দৰে প'জ দিয়ে। সেয়া, পূজা-অৰ্চনা কৰাটো নিজা কথা। কোনোৱে কাকো জোৰ কৰিব নোৱাৰে। ই হৈছে প্ৰত্যেকৰে অন্তৰৰ পৰা ওলোৱা ভক্তি। মনত যদি আন্তৰিকতাৰ ভাব নাথাকে তেতিয়া সেৱা কৰা-নকৰাৰ মাজত বিশেষ পাৰ্থক্য দেখা নাযায়। দামী দামী কাপোৰ পিন্ধি বিলাসী বাহনত পূজাথলীলৈ গ'লেই নিজৰ কৰণীয় শেষ নহয়। মাটিত বহি সেৱা কৰিলে কাপোৰযোৰ নষ্ট হ'ব বুলি বহুতেই প্ৰতীকী ৰূপত সেৱা আগবঢ়ায়।

সৰস্বতী পূজাৰ সংখ্যা বাঢ়িলেও ভক্তৰ সংখ্যা বৃদ্ধি পোৱা নাই। কাৰণ আজিকালি বহুতে কেৱল খিচিৰি খাবলৈ এনে পূজাৰ আয়োজন কৰে। দেখাত পূজামণ্ডপ, পিছে তাত নাথাকে মৃণ্ময় মূৰ্তি। আগতে এনে দৃশ্য কেৱল চহৰাঞ্চলতেই দেখিবলৈ পোৱা গৈছিল যদিও এনে সংস্কৃতি এতিয়া গ্ৰামাঞ্চললৈকে বিয়পি পৰিছে। অপসংস্কৃতিৰ কৰাল গ্ৰাসত পৰিছে সৰস্বতী পূজা। নৱ প্ৰজন্মৰ মাজত পূজাৰ আধ্যাত্মিক চিন্তা-চৰ্চাতকৈ বাহ্যিকতাইহে বেছিকৈ শিপাইছে। আমি কেৱল প্ৰতিযোগিতামুখী হৈ পূজা-অৰ্চনালৈ পিঠি দি বাহ্যিকতাত গুৰুত্ব প্ৰদান কৰিলে এসময়ত ইয়াৰ অস্তিত্ব বিচাৰি পোৱাটো সম্ভৱ নহ'ব। এইক্ষেত্ৰত বহুতো পিতৃ-মাতৃৰ লগতে অভিভাৱকৰো দোষ নোহোৱা নহয়। পূজাৰ দিনটোত অন্ততঃ সন্তানে কেনেদৰে দেৱীক আৰাধনা কৰিছে তাৰ ওপৰত অলপ হ'লেও নজৰ দিব লাগিব।

এতিয়া সৰস্বতী পূজাৰ দিনা প্ৰায়ভাগ চেনেলে কোনে কি পোচাক পিন্ধিছে, কোন কিমান ধুনীয়া, কাৰ হাঁহি আকৰ্ষণীয় আদিৰ ওপৰত টক্ শ্ব'ৰ আয়োজন কৰে। বিগত দহ বছৰমানৰ পৰা এই ধাৰাটোৰ সৃষ্টি হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ মনত আৰম্ভ হ'ল এখন অঘোষিত ফেশ্বন প্ৰতিযোগিতা।

এই প্ৰতিযোগিতাত স্থান লাভ কৰিবলৈ কোনো বিশেষ যোগ্যতাৰ প্ৰয়োজন নাই। পোছাকযোৰ চকুত লগা আৰু দেখাত ধুনীয়াটোৱেই প্ৰতিযোগিতাত বিজয়ী হোৱাৰ মাপকাঠি। হাস্যস্পদ বিষয় এইটোৱে যে ইমান ধুনীয়াকৈ সাজি-কাচি ওলাই অহাৰ পিছতো একাংশক যদি সৰস্বতী দেৱীৰ বিষয়ে তিনি-চাৰিশাৰী ক'ব দিলেই লাগে হাহাকাৰ। সৰস্বতী পূজাৰ যিটো শ্লোক আছে সেইটো বহুতৰ মনত নাথাকে। আনকি কিছুমানে সৰস্বতীৰ হাতত কি থাকে সেই বিষয়ত জ্ঞাত নহয়। ফেশ্বনসৰ্বস্ব সৰস্বতী পূজাত নাথাকে দেৱবাদ্য। আনকি কিছুমানে উৰুলি দিয়াতো কৰে কৃপণালি। বিকট চিঞৰেৰে মিউজিক ছিষ্টেম ব্যৱহাৰ কৰাৰ ফলত পৰিৱেশ বিনষ্ট হয়। আনকি এইবোৰ পৰিত্যাগ কৰাৰ অভ্যাস যদি গঢ়ি তোলা নহয় তেতিয়াহ'লে ভৱিষ্যতে অপসংস্কৃতিয়ে গা কৰি উঠিব। আমি সকলোৱে সতৰ্ক হ'বৰ হ'ল। কাৰণ আমি প্ৰত্যেকেই ঘৰখনত বাগ্‌দেৱীৰ প্ৰতি পূজা-অৰ্চনা কৰিব পৰা পৰিৱেশ এটি গঢ়ি তুলিব পাৰিলে অপসংস্কৃতিক প্ৰতিৰোধ কৰাটো সম্ভৱ হ'ব। যিয়েই যিমান যুক্তি নিদিয়ক কিয় সৰস্বতী পূজা মানে ফেশ্বন শ্ব' হ'ব নোৱাৰে। এইক্ষেত্ৰত সকলোৱে সতৰ্ক হ'বই লাগিব। কাৰণ আজিৰ বিষয়টোৱে ভৱিষ্যৎ প্ৰজন্মৰ ওচৰত আমাক সকলোকে ঋণী কৰিব। সকলোৱে সময় থাকোঁতে সজাগ আৰু সতৰ্ক হ'ব লাগিব। নহ'লে বোকা ছটিওৱা খেলখনে সকলোকে গ্ৰাস কৰিব।

# ৰাম মন্দিৰ নিৰ্মাণ হ'ল ঃ এতিয়া আমাৰ কৰ্তব্য কি হ'ব ?

সময় বাগৰিল। সুদীৰ্ঘ ৫০০ বছৰীয়া যুঁজখনৰ অন্ত পৰিল। ইতিহাসে বহু কথাৰ সাক্ষী হৈ থকাৰ কথা ক'লে। উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায়ৰ পিছত সকলো ব্যস্ত হৈ পৰিল ৰাম মন্দিৰ নিৰ্মাণত। ক্ষিপ্ৰগতিত এই নিৰ্মাণ কাৰ্য সম্পন্ন হ'ল। এতিয়া সকলোৰে স্বস্তিৰ নিশ্বাস পেলালে। ৰাম মন্দিৰ ভক্তৰ বাবে মুকলি হোৱাৰ পিছত অযোধ্যালৈ বছৰি লাখ লাখ ভক্তৰ আগমন ঘটিব বুলি আশা কৰা হৈছে। পৰ্যটন কেন্দ্ৰ হিচাপে পূৰ্বৰে পৰা পৰিচিত অযোধ্যাক লৈ দেশবাসীয়ে যি চিন্তা-চৰ্চা কৰিছে সেয়া সময়ত কিমান ফলপ্ৰসূ হ'ব তাক লৈ সেই বিষয়ে এতিয়াই মন্তব্য কৰাটো সমীচীন নহ'ব। সকলো ঘটনাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া থাকে। এই প্ৰতিক্ৰিয়াৰ ফলাফল কেনে হ'ব পাৰে সেই কথা বিশ্লেষণ কৰাৰ সময়ত কিছুমান অন্য দিশো চিন্তা কৰিব লাগিব। এতিয়া ৰাম মন্দিৰৰ নিৰ্মাণক লৈ চৰ্চা নহয়। এতিয়া চৰ্চা চলিলে অযোধ্যাক লৈ। অযোধ্যাবাসীয়ে বিশ্ববাসীৰ পৰা কেনেধৰণৰ সঁহাৰি লাভ কৰিব তাৰ পূৰ্বানুমান কোনোৰে কৰিব নোৱাৰে।

ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে ইতিহাসৰ পৃষ্ঠা কিছুমানো সলনি হ'ল। বিতৰ্কৰ অন্ত পৰিল। আগতে কি আছিল, কি হৈছিল সেইবোৰ এতিয়া ইতিহাস। আগৰ ঘটনাবোৰ আমি এতিয়া খুঁচৰি লাভ নাই। কাৰণ ঘাঁ এডোখৰ যিমানেই খজুৱাই সিমানেই বৃদ্ধি হয়। এসময়ত বাবৰি মছজিদ ধ্বংসক লৈ সৃষ্টি হৈছিল সাম্প্ৰদায়িক সংঘৰ্ষৰ, মৃত্যু হ'ল হেজাৰজনৰ। সকলোৰে পৰস্পৰক দোষাৰোপ কৰিলে। মনোমালিন্য হ'ল। ভগৱান শ্ৰীৰামৰ জন্মভূমিক লৈ ইমানদিনে যি ঘটিল সেয়া অতীতৰ পাতত লিখা থাকিব। আমি অতীতক খুঁচৰি খুঁচৰিয়ে এইখিনি পালো। এইখিনি পাবলৈ বহুত হেৰুৱালো। এতিয়া

কিন্তু ৰাম মন্দিৰক লৈ পুনৰ বিতৰ্ক হোৱাৰ কোনো অৱকাশ নাই। ভাৰতীয় ন্যায় ব্যৱস্থাৰ সৰ্বোচ্চ আদালতখনেই যেতিয়া সকলো দিশ চালি-জাৰি চাই ৰায়দান কৰিছে সেয়েহে এতিয়াৰ পৰা আমি অযোধ্যাত প্ৰতিষ্ঠিত ৰাম মন্দিৰৰ পৰা ৰাম ৰাজ্যৰেই আশা কৰিব লাগিব। দেশবাসীৰ বাবে এতিয়া গৌৰৱৰ কাৰণ ৰাম মন্দিৰ। এই মন্দিৰলৈ কোন গৈছে, কি ধৰ্মৰ লোক গৈছে সেয়া খুচৰি থকাৰ পৰিৱৰ্তে সৰ্বোত্তম মৰ্যাদাপুৰুষগৰাকীৰ জন্মস্থানত আমি মিলনভূমি গঢ়ি তুলিব লাগিব। আন্তৰিকতাৰে আমি সকলো কাম কৰিবলৈ আগবাঢ়িলে ইয়াতেই দেখা পোৱা যাব ৰামৰাজ্য। ৰামচন্দ্ৰ বাল্মীকিৰ কাল্পনিক চৰিত্ৰ নে বাস্তৱতে আছিল সেইবোৰ কথা এতিয়া গৌণ। কাৰণ ৰাম মন্দিৰেই প্ৰমাণ কৰিছে প্ৰতিগৰাকী সনাতনধৰ্মী লোকৰ হৃদয়ত থকা মৰ্যাদাসম্পন্ন পুৰুষ। এতিয়া আমি সকলোৱে একেলগে আগবাঢ়ি যাব লাগিব। ইয়াৰ মাজৰে একাংশ লোকে ৰাম মন্দিৰক লৈ ব্যৱসায় কৰাৰ কথা ক'লেও তেওঁলোকৰ মনত বাঁওধাৰাৰ চিন্তা থাকিব পাৰে। সময়ৰ সোঁতত আমি যদি উটি যোৱাৰ পৰিৱৰ্তে সোঁতৰ বিপৰীতে যাব খোজো তেতিয়াহ'লে ফলাফল আশাপ্ৰদ নহ'ব। এই মন্দিৰটোক লৈ সকলোৱে সপোন দেখিছে। এই সপোনেই ৰামৰাজ্য প্ৰতিষ্ঠা কৰিব। এতিয়া আমি অতীতৰ ৰামৰাজ্যলৈ উভতি নোযোৱাকৈয়ো এখন ৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰিছো— য'ত মানুহৰ মন পৱিত্ৰ হোৱাৰ সকলোখিনি সমল আছে।

বিতৰ্ক থাকিবই। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো সৃষ্টিত ৰহস্যক লৈ বিতৰ্কৰ অন্ত নাই। বিতৰ্ক থাকিলেহে মূল উৎস বিচাৰি উলিয়াব পাৰি। প্ৰকৃত ঘটনাৰ আঁত ধৰোতে কেতিয়াবা কেতিয়াবা বিতৰ্ক হোৱাটো অস্বাভাৱিক কথা নহয়। কথা হ'ল এই বিতৰ্কক মানুহে কেনেধৰণে লৈছে— ইতিবাচক নে নেতিবাচক হিচাপে লৈছে সেয়াহে গুৰুত্বপূৰ্ণ বিষয়। বাব্‌ৰি মছজিদ ধ্বংসৰ সময়তো একেই বিতৰ্ক হৈছিল। যিদৰে এতিয়া ইয়াৰ প্ৰকৃত সত্য উদ্‌ঘাটন হ'ল সেয়েহে আমি এতিয়া সকলোৱে একেলগে আগবাঢ়ি যাব লাগিব। অযোধ্যাত ৰাম মন্দিৰ প্ৰতিষ্ঠা কৰাটো ভাৰতীয় জনগণৰ বাবে এক গৌৰৱৰ বিষয়। বিশ্ববাসীৰ দৃষ্টি এতিয়া এই মন্দিৰটোৰ ওপৰতে নিবদ্ধ হৈছে। কাৰণ মন্দিৰটো মুকলিৰ পিছতেই মক্কা আৰু ভেটিকান চিটীতকৈ অধিক ভক্ত তথা পৰ্যটকে দৰ্শনৰ বাবে আহিব বুলি অনুমান কৰা হৈছে। দেশৰ অৰ্থনীতিলৈ অযোধ্যাৰ অৱদান ৫ শতাংশ হ'ব বুলি ইতিমধ্যে চৰ্চা লাভ কৰিছে। ৰামৰ

নগৰীলৈ বছৰি ৫ৰ পৰা ১০ কোটি দৰ্শনাৰ্থী হোৱাৰ আশা কৰা হৈছে। মন্দিৰটো মুকলিৰ পিছতেই হোৰাহোৰে বাঢ়িছে মন্দিৰকেন্দ্ৰিক অৰ্থনীতি। বছৰি বিমানেৰেই দহ লাখ ভক্ত আহিব ৰাম ৰাজ্যলৈ। পঞ্চতাৰকাযুক্ত হোটেল নিৰ্মাণৰ ধুম উঠিছে। প্ৰথম দিনাই তিনি লাখ ভক্তই মন্দিৰ দৰ্শন কৰাটো কম ডাঙৰ কথা নহয়। বিশ্বৰ যিবোৰ ঐতিহাসিক ধৰ্মীয় স্থান আছে সেইবোৰৰ সৈতে ফেৰ মাৰিব পৰাকৈ সজা হৈছে অযোধ্যা। উত্তৰ প্ৰদেশ চৰকাৰেও এই মন্দিৰটোৰ পৰা বছৰি কোটি কোটি ৰাজহ লাভ কৰিব। যেতিয়া কোনো এঠাইত পৰ্যটন কেন্দ্ৰ এটা গঢ়ি উঠে তেতিয়া তেনেস্থানত ব্যৱসায়িক দিশটোৱে প্ৰাণ পাই উঠে, তাত দ্বিমত হোৱাৰ কথাই নুঠে। এতিয়া বহুতে ক'ব খোজে যে ধন ঘটিবলৈকে মন্দিৰ সজা হৈছে। এনে যুক্তি অমূলক। কাৰণ আন ধৰ্মৰ পৃথিৱীৰ ভিতৰত আকৰ্ষণীয় উপাসনাস্থলী আছে। সেইবোৰত জানো ব্যৱসায় কৰিছে। দৰাচলতে মন্দিৰ আদিত জনতা, দৰ্শনাৰ্থী তথা ভক্তৰ ভিৰ হ'বই। কোনোবাই একপক্ষীয় দৃষ্টিভংগীৰে বিষয়টো বিশ্লেষণ কৰিব পাৰে। সকলো সমালোচনাই যে শুদ্ধ হ'ব তেনে নহয়।

ৰাম আছিল নে কাল্পনিক চৰিত্ৰ সেইটো এতিয়া গৌণ বিষয়। কাৰণ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে ৰামৰ অস্তিত্ব প্ৰমাণ হৈছে। সকলোৱে অন্তৰৰ পৰা সৰ্বোত্তম মৰ্যাদাপুৰুষগৰাকীক গ্ৰহণ কৰিছে। সকলোৱে যিহেতু গ্ৰহণ কৰিছেই, সেয়ে ইয়াৰ অস্তিত্ব এই গ্ৰহণেই দাঙি ধৰিছে। তদুপৰি কোটি কোটি মানুহৰ হৃদয়ত স্থান লাভ কৰা ৰামক এচামে কাল্পনিক চৰিত্ৰ বুলি মন্তব্য কৰি এইসকল ভক্তৰ মনত আঘাত হানিছে। সেইবাবে হয়তো এনে সমালোচকৰ মুখত চুণ সানিবলৈহে অযোধ্যালৈ নিতৌ লাখ লাখ ভক্ত অহা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। একাংশই ইয়াক ৰাজনৈতিক ইছ্যু বুলি কৈছে। কোৱাটো স্বাভাৱিক কথা। ৰাজনীতিত এইবোৰ থাকেই। কমসংখ্যক এনে মন্তব্যক সমৰ্থন কৰিলেও সৰহসংখ্যকে এনে মন্তব্যৰ বিৰোধিতা কৰিছে। কাৰণ মন্দিৰ এটা নিৰ্মাণ কৰাটো নিৰ্ভৰ কৰে কেৱল ভক্তৰ ইচ্ছাৰ ওপৰত। সেইবাবে এই মন্দিৰ নিৰ্মাণ হোৱাৰ পথ প্ৰশস্ত হোৱাৰ পিছৰে পৰাই মন্দিৰৰ নিৰ্মাণ কাৰ্যৰ বাবে ভক্ত তথা সেৱকসকলে আগবঢ়োৱা ধনৰ উজান উঠিছে। হাজাৰ হাজাৰ কোটি টকা ৰাম মন্দিৰ নিৰ্মাণ ন্যাসলৈ আগবঢ়াইছে। এইবোৰ ধন এনেয়ে অহা নাই। সকলোৰে আশা ইয়াত এটা ভাৰতৰ গৌৰৱ সৰ্বোত্তম মৰ্যাদাপুৰুষৰ জাকত জিলিকা মন্দিৰ প্ৰতিষ্ঠা হওক। আজি বিশ্বৰ প্ৰতিটো কোণতেই চৰ্চা হৈছে ৰাম মন্দিৰক লৈ। এতিয়া সকলোৱে যাত্ৰা কৰিছে অযোধ্যালৈ। কাৰণ শ্ৰীৰামচন্দ্ৰৰ দৰ্শন অবিহনে মনুষ্য জীৱন আধৰুৱা।

# মহানগৰীৰ প্ৰৱেশ পথত সৌন্দৰ্যবৰ্ধনৰ প্ৰয়োজন কিয় ?

উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক কেন্দ্ৰৰ অন্যতম হৈছে গুৱাহাটী মহানগৰী। এই মহানগৰীৰ পৰাই উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্য নিয়ন্ত্ৰণ হয়। এয়া এদিনতে হোৱা নাই। দৰাচলতে ইয়াত থকা যাতায়াতৰ সুবিধাৰ বাবেই বাণিজ্যিক কেন্দ্ৰ গঢ়ি উঠিছে। নদীপথৰ পৰা আৰম্ভ কৰি আকাশীপথলৈকে সকলো পথেৰেই সা-সামগ্ৰী আদিৰ সৰবৰাহ কৰাত উজু হৈছে। ইয়াতে বাণিজ্যৰ অভাৱ নাই। এই কেন্দ্ৰটো মহানগৰীৰ মাজমজিয়াত হোৱা বাবে অৱশ্যে সৌন্দৰ্যবৰ্ধনৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি নোহোৱাকৈ থকা নাই। তথাপি পূৰ্বৰ তুলনাত সৌন্দৰ্য বৃদ্ধিৰ লগতে পৰিষ্কাৰ হৈছে। এতিয়া মূল কথাটো হৈছে আমি গুৱাহাটীক কেৱল বাণিজ্যিক মহানগৰী হিচাপে গণ্য কৰিলে নহয়, এইখন হৈছে ঐতিহাসিক স্থান। ইয়াতেই আছে দীঘলীপুখুৰী, কামাখ্যা মন্দিৰ, নীলাচল পাহাৰ, জজ ফিল্ড, পাণ্ডুঘাট, গান্ধীমণ্ডপ, নেহেৰু ষ্টেডিয়াম, পাণবজাৰ, ফাঁচীবজাৰ, মাছখোৱা, উজানবজাৰ, গুৱাহাটী উচ্চ ন্যায়ালয় আদি। ৰাজ্যৰ ৰাজধানী দিছপুৰ। গতিকে সকলো দিশৰ পৰাই গুৱাহাটীৰ গুৰুত্ব আছে। সেয়ে এই ঠাইখিনিৰ গুৰুত্ব অপৰিসীম। গুৱাহাটীলৈকে নিতৌ দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা দিনটোৰ ভিতৰত লাখ লাখ মানুহৰ প্ৰৱেশ ঘটে এইখন মহানগৰীলৈ। হেজাৰ হেজাৰ সৰু-ডাঙৰ যান-বাহনৰ প্ৰৱেশ হয়। মহানগৰীৰ পৰিসৰ যথেষ্ট বেছি হোৱা বাবেহে ইয়াত দৈনিক কিমান মানুহ, যান-বাহনৰ প্ৰৱেশ ঘটে সেই বিষয়ে অনুমান কৰিব নোৱাৰি।

মহানগীৰত প্ৰৱেশৰ বাবে দুটা পথ হৈছে জালুকবাৰী আৰু খানাপাৰাৰ পথ। জালুকবাৰী আৰু খানাপাৰাক এইখন মহানগৰীৰ দুৱাৰমুখ বুলি ক'ব পাৰোঁ। সেয়েহে এই দুয়োটা দুৱাৰমুখ পৰিষ্কাৰ-পৰিচ্ছন্ন আৰু সৌন্দৰ্যৰে ভৰপূৰ হৈ থাকিব লাগে। কাৰণ বিশ্বৰ প্ৰায়ভাগ মহানগৰীৰ প্ৰৱেশ পথত সুন্দৰকৈ সজোৱা দৃশ্যই সকলোকে আকৰ্ষিত কৰে। সুন্দৰকৈ সজোৱা হয় পথৰ দুয়োফাল। পদপথতো থাকে আকৰ্ষণীয় উপাদান। চাইনবোৰ্ডত পথ-নিৰ্দেশনাৰ লগতে উক্ত স্থানত থকা ঐতিহাসিক সমলসমূহৰ বিষয়ে উল্লেখ কৰা থাকে। স্থানীয় ভাষাৰ উপৰি ইংৰাজী, হিন্দী আদিত এইবোৰৰ বিষয়ে বৰ্ণনা কৰা হয়। ইয়াৰ বিপৰীতে গুৱাহাটী মহানগৰীত প্ৰৱেশ পথ দুটাৰ দুয়োফালে দেখা পোৱা যায় এক কদৰ্য ৰূপ। কেৱল উৰণীয়া সেতু নিৰ্মাণ কৰিলেই সৌন্দৰ্যবৰ্ধন নহয়। ইয়াক পৰিষ্কাৰ কৰি ৰখাটো সকলোৰে কৰ্তব্য। নিজৰ ঠাইখিনিৰ পৰিষ্কাৰ কৰি ৰাখিব নাজানিলে সৌন্দৰ্য উপভোগৰ মাদকতা ক'ত বিচাৰি পাব ? জালুকবাৰীৰ পথৰ দুয়োফালে জংঘলে আগুৰি ধৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে এক ঐতিহাসিক শিক্ষাকেন্দ্ৰৰ সমীপতেই কদৰ্য ৰূপ। সদায় অহা-যোৱা কৰা লোকসকলে নাকত ৰুমাল দি পাৰ হ'ব লাগে। পথৰ কাষতেই প্ৰায়ভাগ লোকে মুকলিকৈ শৌচ-প্ৰস্ৰাৱ কৰে। জালুকবাৰীৰ উৰণ সেতুৰ আশে-পাশে দিনটোৰ ভিতৰত হেজাৰ হেজাৰ লোকৰ সমাগম ঘটে। শৌচ-প্ৰস্ৰাৱ কৰিবলৈ নাই উপযুক্ত ব্যৱস্থা; আছে যদিও প্ৰায়ভাগেই মুকলিকৈয়ে শৌচ-প্ৰস্ৰাৱ কৰে। এইবোৰৰ দুৰ্গন্ধই সৌন্দৰ্য বিঘ্নিত কৰাই নহয়, বেমাৰবো সৃষ্টি কৰে। পথৰ কাষৰ বন-লতাবোৰ লহপহকৈ বাঢ়ি ঠাইখিনিৰ সৌন্দৰ্য নোহোৱা কৰাৰ পিছতো সংশ্লিষ্ট কৰ্তৃপক্ষৰ নাই কোনো কাণসাৰ। অথচ এই পথেদিয়েই মন্ত্ৰী-বিধায়কৰ পৰা আৰম্ভ কৰি সংশ্লিষ্ট বিষয়া-কৰ্মীয়ে অহা-যোৱা কৰি থাকে।

উজনি অসমৰ লগতে মেঘালয় আদিৰ পৰা গুৱাহাটীলৈ আহিলে খানাপাৰাতেই যিটো ৰূপ দেখা পায়, সেয়াই সকলোৰে মনত ক্ষোভৰ সৃষ্টি কৰে। মুকলি ঠাইতে শৌচ-প্ৰস্ৰাৱ। কি যে দুৰ্গন্ধ! তদুপৰি পশু চিকিৎসা মহাবিদ্যালয়ৰ চৌহদৰ পৰা আৰম্ভ কৰি সেই ঠাইখিনি কিমান লেতেৰা সেয়া সকলোৱে দেখিছে। আনকি পদপথেৰেই খোজকাঢ়ি যাব পৰা পৰিৱেশ নাই। এইবোৰ দেখিও চকুমুদা কুলিৰ ভাও ধৰিছে। এই পথেদিয়েই ৰাজধানীলৈ আহিব লাগে।

এনেদৰে প্ৰৱেশপথৰ ছবি লৈ যেতিয়া কোনো বিদেশী পৰ্যটকে নিজ দেশলৈ উৰা মাৰে তেতিয়া আমাৰহে বদনাম নহ'বনে বাৰু? আমি বিচাৰো আমাৰ ঠাইখিনিকলৈ সকলোৱে গৌৰৱ কৰক। অসমত সৌন্দৰ্যৰ অভাৱ নাই। মহানগৰীতো সৌন্দৰ্য থুপ খাই আছে। আমি আন দেশ বা ৰাজ্যৰ ডাঙৰ ডাঙৰ চহৰৰ কথা কওঁ, অথচ আমাৰ ওচৰতে থকা সৌন্দৰ্যখিনি প্ৰকাশ নকৰো। এয়াই আমাৰ দুৰ্বলতা। আমি সদায় চণ্ডীগড়, আহমেদাবাদ, মুম্বাই, কলকাতা আদি চহৰৰ কথা কৈ থাকো। অথচ আমি এইবোৰ চহৰৰ সৈতে ফেৰ মৰাটো সম্ভৱ নহয় বুলি জানিও সেইবোৰকে কৰি আহিছো। গছ-গছনি ধ্বংস কৰি মহানগৰীখনৰ সৌন্দৰ্য বৃদ্ধি কৰিবলৈ নিৰ্মাণ চলি আছে। উন্নয়নমূলক কাম-কাজ হ'ব লাগে। সেইবুলি আমি সেউজীয়া দলিচা এখন ৰাখিব নোৱাৰোনে? আজিও বহুতো চহৰ নতুন ৰূপত সজাই-পৰাই তোলা হৈছে ব্যৱসায়ৰ বাবে। সৌন্দৰ্য উপভোগ কৰিবলৈ আহিলেও পৰোক্ষভাৱে চৰকাৰেই লাভৰ মুখ দেখে। কাৰণ যিমানেই পৰ্যটন বৃদ্ধি পায় সিমানেই ৰাজহো বাঢ়ে। ডুবাই, ছিংগাপুৰ আদিত বিশেষ প্ৰাকৃতিক সৌন্দৰ্য নাথাকিলেও চৰকাৰে মহানগৰৰ লগতে প্ৰৱেশ পথ আদি ইমান সুন্দৰভাৱে সজাইছে যে পৰ্যটকে মূল চহৰত প্ৰৱেশৰ পূৰ্বেই সৌন্দৰ্যত মুগ্ধ হৈ পৰে। আমি জালুকবাৰী আৰু খানাপাৰাৰ গুৱাহাটীত প্ৰৱেশৰ মূল পথটোৰ এনে এখন ছবি কল্পনা কৰিব নোৱাৰোনে?

# সাহিত্য সভাৰ অধিবেশনত মিনা বজাৰৰ প্ৰয়োজন কিমান ?

শতবৰ্ষ গৰকা অসম সাহিত্য সভাৰ দৰে এটা বৃহৎ অনুষ্ঠানে প্ৰতিখন অধিৱেশনত বিতৰ্কৰ সন্মুখীন হ'বলগীয়া হৈছে কিয় ? পদ্মনাথ গোহাঞি বৰুৱাৰ দৰে সাহিত্যিকে সভাপতি হিচাপে প্ৰথম দায়িত্বভাৰ গ্ৰহণ কৰা অসম সাহিত্য সভাৰ বিতৰ্কৰ অন্ত নাই। আন কথাতো বাদেই— সভাপতি নিৰ্বাচনক লৈয়ে সময়ে সময়ে বিতৰ্কৰ সূত্ৰপাত হৈ আহিছে। আজি সাহিত্য সভাৰ অধিৱেশন মানেই বিশৃংখল পৰিৱেশ। অযথা বিতৰ্ক। কেইবা দশক আগলৈকে সাহিত্যৰ ক্ষেত্ৰখনৰ সৰ্ববৃহৎ অনুষ্ঠানটোক লৈ সকলোৱে গৰ্ব অনুভৱ কৰিছিল। এতিয়া পিছে প্ৰায়ভাগেই সাহিত্য সভাৰ প্ৰতি আস্থা হেৰুৱাই পেলাইছে। সেই সুনামো নাই। প্ৰতিখন অধিৱেশন সেয়া পূৰ্ণাংগই হওক অথবা মধ্যকালীন অধিৱেশনেই নহওক কিয় বিতৰ্ক হ'বই। এটা অনুষ্ঠানে শতবৰ্ষ গৰকাৰ পিছতো আজিলৈকে বিতৰ্কবিহীনভাৱে এখন অধিৱেশন কিয় অনুষ্ঠিত কৰিব পৰা নাই— সেইটোহে চিন্তনীয় বিষয়। হয়তো সাহিত্য সভাৰ মজিয়াত ক'ৰবাত কেৰোণ আছে। এই কেৰোণ আজিলৈকে কোনোৱে উলিয়াব পৰা নাই। বিশ্লেষণো হোৱা নাই বাবে সদায় একে ঘটনাৰেই পুনৰাবৃত্তি হৈ আছে। ক'ত এনেধৰণৰ কেৰোণ আছে সেইবিষয়ে বিশ্লেষণ কৰিবলৈ কোনোৱে আগবাঢ়ি অহা নাই। প্ৰতিখন অধিৱেশনত এনে বিশৃংখল পৰিৱেশ সৃষ্টি হোৱাৰ পিছত পৰৱৰ্তী আয়োজকসকলে এনে নহ'ব বুলি ভাবে। এনেদৰে নেতিবাচক মনোভাবেৰে ভাবি থাকোঁতে জোঁৰ পুৰি হাত পালেহি। এতিয়া এনে হৈছে যেন সাহিত্য

সভাৰ অধিৱেশন মানে বিতৰ্কৰ লগতে চৰম বিশৃংখলতা। নতুনত্বৰ নামত সকলোৱে যি কাণ্ড কৰিবলৈ ধৰিছে যেন এসময়ত সাহিত্য সভা অস্তিত্বহীন হৈ পৰিব। সাহিত্য সভাৰে জড়িত একাংশ লোকে আজি অসম সাহিত্য সভাক লজ্জানত কৰিছে। একাংশ লোকৰ স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো কাম কৰিবলৈ ধৰিছে। সেইবাবে আজিৰ দিনত সাহিত্য সভাৰ অধিৱেশনত মঞ্চৰ সন্মুখত থকা আসনবোৰ প্ৰায়ে খালী থাকে। মঞ্চত যদি ৩০ গৰাকী অতিথি থাকে তেতিয়াহ'লে সন্মুখৰ হেজাৰ হেজাৰ চকীত থাকে ৫০/৬০জন। সিও এইকেইটা মঞ্চত বহি থকা অতিথিসকলৰ গাড়ীত অহা লোক অথবা সহায়কাৰীহে। একেখন অধিবেশনৰে মিনা বজাৰসদৃশ মেলাত লোকাৰণ্য হৈ পৰে। যদিহে অধিৱেশনলৈকে মানুহৰ সোঁত বোৱাবলৈকে তেনে কৰিছে তেতিয়াহ'লে অসম সাহিত্য সভাৰ এয়া ভুল সিদ্ধান্ত। কাৰণ জনতাৰ ভিৰে আয়োজকৰ মুখত হাঁহি বিৰিঙালেও প্ৰকৃত সাহিত্য সৃষ্টি অথবা সাহিত্যিকৰ জন্ম দিব নোৱাৰে। সাহিত্য সৃষ্টিৰ বাবে লাখ লাখ মানুহে ভিৰ কৰিব লাগিব তেনে কোনো কথা নাই। এমুঠিমান সাহিত্যিকেৰেও জগত জিনিব পাৰি। অসম সাহিত্য সভাৰ উদ্দেশ্য আছিল কি আৰু এতিয়া একাংশ স্বাৰ্থান্বেষী লোকৰ বাবে হৈ পৰিছে কি? সাহিত্য সভাই মূল লক্ষ্যৰ পৰা আঁতৰি গৈ যেতিয়াৰে পৰাই ইয়াক মেলামুখী কৰিবলৈ ধৰিলে তেতিয়াৰে পৰা আৰম্ভ হৈছে বিশৃংখলতা। সাহিত্য সভাত মিনা বজাৰসদৃশ মেলাৰ প্ৰয়োজন আছে জানো? যিসকলে সাহিত্য সভাৰ অধিৱেশনলৈ কেৱল খোৱা আৰু মেলাৰ প্ৰদৰ্শনীহে চাবলৈ যায়, তেনে দৰ্শক তথা ৰাইজৰ ভিৰৰ কিবা প্ৰয়োজন আছে জানো? অসম সাহিত্য সভাৰ অনুষ্ঠানৰ মঞ্চৰ সন্মুখত চকীবোৰ খালী থাকিব আৰু আশে-পাশে থকা মেলাবোৰত ভিৰ হ'ব সেয়া বাৰু কেনে কথা? আজি সাহিত্য সভাৰ একাংশ বিষয়ববীয়াৰ কাণ্ডজ্ঞানহীন যি সিদ্ধান্তৰে কাম কৰিছে সেয়াই সাহিত্য সভাক ধ্বংসৰ মুখলৈহে ঠেলি দিছে।

অসম সাহিত্য সভাৰ মূল কমিটী আৰু অধিৱেশনৰ আয়োজক কমিটীৰ মাজত সহযোগিতাৰ অভাৱতেই আজি অধিৱেশনলৈ আমন্ত্ৰিত অতিথিও অনুষ্ঠানত অংশগ্ৰহণ নকৰাকৈ উভতি আহিবলগীয়া হৈছে। নিমন্ত্ৰিত অতিথিকেই যদি সেৱা-শুশ্ৰূষা তথা আতিথ্য কৰিবলৈ আয়োজকসকলৰ আহৰি নাই তেন্তে তেওঁলোকে কি উদ্দেশ্যে এনে অধিৱেশনৰ আয়োজন কৰিছে। কেৱল 'বেছি

ব্যয়ৰ বাজেট'ৰ কথা কৈ গৌৰৱবোধ কৰিবলৈ এনে কৰিছে যদি তেতিয়াহ'লে এয়া সাহিত্য সভাৰ চৰম লজ্জাৰ বিষয়। মেলামুখী সাহিত্য সভাৰ চিন্তা-চৰ্চা কৰাতকৈ সাহিত্যিক সৃষ্টি, সাংগঠনিকভাৱে শক্তিশালী হোৱাৰ চৰ্চা আদিতহে গুৰুত্ব প্ৰদান কৰা উচিত। কিমান জনপ্ৰিয় গায়কক মাতিছে সেইটো বাঃ বাঃৰ কথা নহয়, অধিৱেশনত অসমৰ সাহিত্য ক্ষেত্ৰখনৰ কেনে বিষয় আলোচনা হৈছে সেয়াহে গুৰুত্বপূৰ্ণ বিষয়। কেৱল তোষামোদ কৰিবলৈ যদি আয়োজকসকল আঘোষিত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ থাকে তেতিয়াহ'লে অসম সাহিত্য সভাৰ বাবে এয়া অশুভ লক্ষণ বুলিয়ে ক'ব লাগিব। ইতিবাচক চিন্তা-চৰ্চাতকৈ এতিয়া সাহিত্য সভাৰ অধিৱেশনৰ পূৰ্বৰ আয়োজকসকলৰ মাজত নেতিবাচক মনোভাবেহে গো-গ্ৰাসে গ্ৰাস কৰিছে। শেহতীয়াভাৱে কেইবাঠাইতো আয়োজিত অসম সাহিত্য সভাৰ মূল অধিবেশনেই হওক বা মধ্যকালীন অধিৱেশহে হওক ইয়াৰেই প্ৰতিফলন ঘটিছে। কেইবাগৰাকী বিশিষ্ট অতিথিয়ে হেনো অধিৱেশনস্থলীত প্ৰৱেশ নকৰাকৈয়ে উভতি আহিবলগীয়া হোৱাৰ ঘটনাও সংঘটিত হৈছে। এয়া কেৱল আয়োজকৰ বিশৃংখলতাই নহয়, চৰম লজ্জাজনক বিষয়ো। অসম সাহিত্য সভাৰ মূল কমিটীৰেই যেতিয়া লেকাম নোহোৱা হয় তেতিয়া আয়োজক কমিটীৰ ক'ত নিয়ন্ত্ৰণ থাকিব। খালী চকীকেই একমাত্ৰ সমল হিচাপে নলৈ ইয়াত কেনেদৰে মানুহ বহুৱাব পাৰি তাৰ চিন্তা কৰাৰ সময় আহি পৰিছে। নহ'লে অসম সাহিত্য সভাই কোন দিশে গতি ল'ব সেয়া কোনোৱে অনুমান কৰিব নোৱাৰিব। বিসংগতিৰেই কিমান দিন চলিব অসম সাহিত্য সভাই। সাহিত্য সভাৰ মজিয়াত নতুন চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈছে। মানুহে এতিয়া মিনা বজাৰ নিবিচাৰে। অসম সাহিত্য সভাই নিশ্চয় পদক্ষেপ গ্ৰহণ কৰিব।

# ভ্ৰাম্যমাণ থিয়েটাৰ

ভ্ৰাম্যমাণ থিয়েটাৰ অসমীয়া সংস্কৃতিৰ আত্মা। গৌৰৱোজ্জ্বল স্বৰ্ণজয়ন্তীয়ে গৰকা ভ্ৰাম্যমাণ থিয়েটাৰ কেৱল অসমৰেই নহয়— বিশ্বৰ একক আৰু অনন্য। কাৰণ ৰংগমঞ্চৰ ইতিহাসৰ পৃষ্ঠা লুটিয়াই চালে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰে প্ৰদৰ্শন কৰা নাটকৰ দৰে দ্বিতীয়টো অনুষ্ঠানৰ তথ্য পোৱা নাযায়। গ্ৰীকসকলে ৰংগমঞ্চত নাট প্ৰদৰ্শন কৰিলেও সেয়া কেৱল স্থায়ী মঞ্চতহে সম্ভৱ হৈছে। ইউৰোপ, আমেৰিকা আদিত ৰংগমঞ্চৰ ইতিহাস বিচাৰি পোৱা যায় যদিও ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰে বৈশিষ্ট্য পাবলৈ নাই। তিনিদিন বা চাৰিদিন এটা নাট্যদলে নাট প্ৰদৰ্শনৰ বাবে এঠাইৰ পৰা আন এঠাইলৈ যোৱাৰ পৰিকল্পনা বিশ্বৰ ভিতৰত প্ৰথম সূত্ৰপাত ঘটিছে একমাত্ৰ অসমৰ বুকুত। ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰিকল্পনা কৰাসকলৰ প্ৰায়ভাগেই এই পৃথিৱীৰ পৰা বিদায় লৈছে। এনে ধাৰণাৰ যিগৰাকী ব্যক্তিৰ মন-মগজুত সৃষ্টি হৈছিল পৰৱৰ্তী সময়ত সেয়াই এক নতুন বিপ্লৱৰ সূচনা কৰিছিল এইখন অসমৰ বুকুত। বহুতো পৰীক্ষা-নিৰীক্ষা তথা শত শত লোকৰ অশেষ কষ্ট-ত্যাগ স্বীকাৰৰ ফলত ভ্ৰাম্যমাণ থিয়েটাৰ আজিৰ এই ৰূপত বিশ্ববাসীৰ ওচৰত থিয় দিব পাৰিছে। বিশ্ববাসীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে অসমৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠী বা থিয়েটাৰ। ভ্ৰাম্যমাণ থিয়েটাৰেই হ'ল অসমৰ এনে এটি অঘোষিত উদ্যোগ— য'ত হাজাৰজনে কৰ্মসংস্থাপনৰ লগতে ৰাইজক আমোদ দিবলৈ সক্ষম হৈছে।

১৯৬৩ চন। অসমবাসীৰ বাবে এই বৰ্ষটো আছিল হেজাৰ হেজাৰ পৰিয়ালৰ জীৱন-জীৱিকাৰ সন্ধান দিয়াৰ উৎস বিচাৰি পোৱা এক শুভ ক্ষণ। পাঠশালা নগৰত এই বৰ্ষতেই জন্মলাভ কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰে। সেই বৰ্ষত জন্মলাভ কৰা ভ্ৰাম্যমাণ থিয়েটাৰে আজি এই পৰ্যায়ত উপনীত হৈছেহি। ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰে যি বাট দেখুৱাই গ'ল আজি সেই পথেদিয়েই খোজ পেলাই বহুতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। বহুতো অভিনেতা-অভিনেত্ৰীয়ে এক সুকীয়া স্থান লাভ কৰিছে। ষাঠিৰ দশকৰ পৰাই ভ্ৰাম্যমাণ থিয়েটাৰে অসমৰ পৰিৱেশ্য শিল্পীসকলৰ অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ বাবে যথেষ্ট কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেই সময়ত কোনোৱে হয়তো সপোনতো ভবা নাছিল যে ভ্ৰাম্যমাণ থিয়েটাৰে এদিন বিশ্ববাসীৰ দৃষ্টি আকৰ্ষণ কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে 'চিহ্নযাত্ৰা'ৰ জৰিয়তে অসমৰ বুকুত সিঁচি থৈ যোৱা নাটকৰ বীজ এদিন পৰিৱৰ্তন আৰু উপযুক্ত চিন্তা-চৰ্চাৰে যি ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হ'ল সেয়া একক আৰু অনন্য। যদিও ভ্ৰাম্যমাণ থিয়েটাৰৰ ধাৰণা '৬০ৰ দশকত সূত্ৰপাত হৈছিল, তথাপি এনে ধাৰণাও এদিনতেই কাৰো মনলৈ অহা নাছিল। ভাওনা, যাত্ৰাপাৰ্টি আদিৰ ধাৰণাৰ পৰাই ভ্ৰাম্যমাণ থিয়েটাৰৰ সৃষ্টি হোৱা বুলি ক'লেও ভুল কৰা নহ'ব। যেতিয়া যাত্ৰাপাৰ্টি উপভোগ কৰিবলৈ ঘণ্টাৰ পিছত ঘণ্টা ধৰি দৰ্শকে অপেক্ষা কৰি আছিল, তেতিয়া হয়তো উপলব্ধি হৈছিল এই প্ৰক্ৰিয়াটোক বাণিজ্যিকীকৰণৰ দ্বাৰা অসমৰ বুকুত নাট্যধাৰাটোক এক সুৰীয়া ৰূপত প্ৰতিষ্ঠা কৰাটো। ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰে যিহেতু নিজেই যাত্ৰাপাৰ্টিৰ স'তে ওতপ্ৰোতভাৱে জড়িত আছিল, সেইবাবে ভ্ৰাম্যমাণৰ ধাৰণা এটিৰ মনত সৃষ্টি হোৱাটো অস্বাভাৱিক বিষয় নাছিল। তেওঁ দৰ্শকৰ মনৰ কথা বুজিব পাৰিছিল। সেইবাবে ১৯৬৩ চনৰ কোনো এটি শুভ দিনত এইগৰাকী মহান ব্যক্তিৰ নিৰলস প্ৰচেষ্টাতে জন্মলাভ কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰে।

ভ্ৰাম্যমাণৰ মঞ্চত অসমীয়া মৌলিক নাট প্ৰদৰ্শনৰ ধাৰাও থিয়েটাৰৰ জন্মৰ লগে লগে অধিক দ্ৰুত হৈ পৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ত্ৰিশৰ দশকত অসমীয়া মৌলিক নাটকৰ সংখ্যা বৰ বেছি নাছিল। সেইবাবে ভ্ৰাম্যমাণ নাট্যমঞ্চসমূহত অনূদিত নাটসমূহহে বেছিকৈ মঞ্চস্থ হোৱাৰ তথ্য

পোৰা যায়। অৱশ্যে সেই সময়ত ভ্ৰাম্যমাণ মঞ্চসমূহত কৰা অভিনয় তথা কলা-কৌশল সীমিত আছিল। যেতিয়া নটৰাজ থিয়েটাৰৰ মঞ্চৰ বাবে নাটকৰ প্ৰয়োজন হ'ল তেতিয়াৰ পৰা লাহে লাহে নতুন নতুন নাট্যকাৰেও প্ৰতিষ্ঠা লাভ কৰিবলৈ ধৰিলে। ভ্ৰাম্যমাণ থিয়েটাৰৰ সংখ্যা বৃদ্ধিৰ লগে লগে ইয়াৰ গতিয়ে যেন অধিক প্ৰাণ পালে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল এই নাটকসমূহে ৰক্ষণশীল সমাজত ঘৰৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ থকা অসমীয়া নাৰীসকলক ৰংগমঞ্চত প্ৰতিষ্ঠিত হোৱাৰ সুযোগ প্ৰদান কৰিছিল।

ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম সন্দৰ্ভত অচ্যুত লহকৰে কৰা মন্তব্যৰ পৰাই সহজে অনুমান কৰিব পাৰি যে যাত্ৰা দল আৰু অপেৰাসমূহৰ দোষ-ত্ৰুটিসমূহ আঁতৰাই পৰীক্ষামূলকভাৱে ৰূপ দিয়া হৈছিল ভ্ৰাম্যমাণ থিয়েটাৰক। তদুপৰি নটৰাজ অপেৰাই পূৰ্ণপৰ্যায়ৰ ভ্ৰাম্যমাণ থিয়েটাৰলৈকে পৰ্যবসিত হোৱাৰ পূৰ্বে অচ্যুত লহকৰে যাত্ৰা দল আৰু অপেৰাৰ বিভিন্ন দিশ সূক্ষ্মভাৱে বিশ্লেষণ কৰিছিল। দৰাচলতে তেওঁ ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দিয়াৰ পূৰ্বে যাত্ৰাপাৰ্টিৰ অথবা অপেৰা আদি সন্দৰ্ভত গৱেষণা কৰিছিল। এই গৱেষণাৰ ফলতে জন্ম হৈছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ। এই প্ৰসংগত অচ্যুত লহকৰে লিখিছিল— "বিভিন্ন কাৰণত মই সিদ্ধান্তত উপনীত হ'লো যে যাত্ৰাবিলাক আচলতে ভ্ৰাম্যমাণ। এইবোৰ য'লৈকে ইচ্ছা ত'লৈকে যায়। গাঁৱৰ বিবাহ, ভোজসভা আদিত যাত্ৰাপাৰ্টিবোৰ অপৰিহাৰ্য। মই কলিকতাত থকাৰ সময়তে হওক বা ইয়াত থাকোতে বিভিন্ন ৰংগমঞ্চৰ নাটক চাই ফুৰিছিলো। গুৱাহাটীৰ ভাস্কৰ নাট্য মঞ্চ, তেজপুৰৰ বাণমঞ্চ আদিৰ নাট চাই ভাবিছিলো যে অপেৰাতকৈ থিয়েটাৰ অনেক বেছি উন্নত। থিয়েটাৰবোৰত ছোৱালীয়ে ছোৱালীৰ অভিনয় কৰে। গতিকে এটা কথা মনলৈ বাৰে বাৰে আহিবলৈ ধৰিলে— অপেৰা বা যাত্ৰা যেনেদৰে ভ্ৰাম্যমাণ তেনেদৰে থিয়েটাৰকো ভ্ৰাম্যমাণ কৰিব নোৱাৰিনে? তেতিয়ালৈকে অসমত কলিকতা, বোম্বে আদিৰ লেখীয়াকৈ থিয়েটাৰ আৰম্ভ হোৱা নাছিল। মই প্ৰথমবাৰৰ বাবে এনেকুৱা থিয়েটাৰ খুলি ভ্ৰাম্যমাণৰ ৰূপ দিব খুজিলো।" এয়াই আছিল ভ্ৰাম্যমাণ থিয়েটাৰৰ সূত্ৰপাতৰ চিন্তা-চৰ্চা। ১৯৬৩ চনত পাঠশালাৰ দুগৰাকী ব্যক্তি অচ্যুত লহকৰ আৰু সদা লহকৰে ইতিহাসৰ সোণোৱালী পৃষ্ঠাত খোদিত কৰিছিল ভ্ৰাম্যমাণ থিয়েটাৰক। সদা লহকৰে প্ৰযোজনা কৰা নটৰাজ অপেৰাত জ্যেষ্ঠ ভ্ৰাতৃ অচ্যুত লহকৰে।

'নটৰাজ থিয়েটাৰ' নাম দিয়াৰ লগে লগে অসমত আৰম্ভ হ'ল ৰংগমঞ্চৰ আধুনিকীকৰণ। পৃথিৱীৰ আন ক'তো বিচাৰি নোপোৱা ভ্ৰাম্যমাণ থিয়েটাৰ সন্দৰ্ভত বঙালী নাট্যযোদ্ধা শম্ভু মিত্ৰ আৰু উৎপল দত্তই একমুখে স্বীকাৰ কৰিলে— 'অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ লেখীয়া নাট্যানুষ্ঠান পৃথিৱীৰ আন ক'তো বিচাৰি পাবলৈ নাই।' নটৰাজ থিয়েটাৰৰ জন্ম কাৰ্যতঃ বজালী অঞ্চলৰ বাবে আছিল এক যুগান্তকাৰী ঘটনা। দুৰ্দান্ত সাহসী আৰু নতুনত্বৰ প্ৰতি সদা আগ্ৰহী অচ্যুত লহকৰে প্ৰথমবাৰলৈ ভ্ৰাম্যমাণ থিয়েটাৰক অসমৰ বাহিৰলৈ নি ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উজলিবলৈ সক্ষম হৈছিল। তদুপৰি থিয়েটাৰৰ লগতে চিনেমাৰ কাৰিকৰী দিশৰো যে সংযোজন ঘটাব পাৰি অচ্যুত লহকৰে উপলব্ধি কৰিছিল। সেয়েহে দুয়োটাৰ সংমিশ্ৰণত জন্ম দিছিল নটৰাজ চিনে থিয়েটাৰ। অচ্যুত লহকৰৰ উদ্যোগত নটৰাজ চিনে থিয়েটাৰৰ জয়জয়-ময়ময় চলি থকাৰ সময়তে পূৰ্বৰ নটৰাজ অপেৰাৰ প্ৰতিষ্ঠাতা সদা লহকৰে আৰম্ভ কৰে আৰাধনা থিয়েটাৰৰ। অতি কম দিনৰ ভিতৰতে এই দলটোৱে দৰ্শকৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিছিল। আনকি আৰাধনা থিয়েটাৰে ৰাষ্ট্ৰপতিৰ বঁটাও লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৭৬ চনত ৰতন লহকৰে কহিনুৰ থিয়েটাৰৰ জন্ম দিয়ে। ১৯৮১ চনত কৃষ্ণ ৰয়ে প্ৰযোজনা কৰা আৱাহন থিয়েটাৰে ভ্ৰাম্যমাণৰ কাৰিকৰী দিশলৈ আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছিল। নটৰাজ থিয়েটাৰে 'সতী বেউলা'ৰ জৰিয়তে নাট্যধাৰাৰ গতি দ্ৰুত কৰাৰ পাছত কহিনুৰ আৰু আৱাহন থিয়েটাৰৰ মঞ্চতো দৰ্শকে কাৰিকৰী দিশৰ চমৎকাৰিতা প্ৰত্যক্ষ কৰিবলৈ সক্ষম হৈছিল। ৰামায়ণ, মহাভাৰত, ভগৱান শ্ৰীকৃষ্ণ, টাইটানিক, লেডী ডায়েনা, জুৰাচিক পাৰ্ক আদিৰ উপৰি ইলিয়াড, ওডিচী আদিৰ দৰে ব্যয়বহুল নাটক দৰ্শকৰ বাবে আগ বঢ়াইছিল। পৰৱৰ্তী সময়ত ভ্ৰাম্যমাণ থিয়েটাৰত সংযোজিত হ'ল অনিৰ্বাণ থিয়েটাৰ, মুন থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ, ইন্দ্ৰাণী থিয়েটাৰ, অসম ষ্টাৰ থিয়েটাৰ, মুকুন্দ থিয়েটাৰ, ৰংঘৰ থিয়েটাৰ, ইন্দ্ৰধনু থিয়েটাৰ, মঞ্চৰূপা থিয়েটাৰ, পল্লৱী থিয়েটাৰ, দেৱদাসী থিয়েটাৰ, বিষ্ণুজ্যোতি থিয়েটাৰ, উদয়ন থিয়েটাৰ, ৰাধিকা দেৱী থিয়েটাৰ, অপৰূপা থিয়েটাৰ, হেঙুল থিয়েটাৰ, অনিৰ্বাণ থিয়েটাৰ, শ্ৰীমন্ত শংকৰদেৱ থিয়েটাৰ, মনালিছা থিয়েটাৰ, ৰূপালীম থিয়েটাৰ, ৰূপাঞ্জলী থিয়েটাৰ, সূৰ্য থিয়েটাৰ, বৰদৈচিলা থিয়েটাৰ, থিয়েটাৰ ভাগ্যদেৱী, শকুন্তলা থিয়েটাৰ, ৰাজতিলক থিয়েটাৰ,

ৰাজমুকুট থিয়েটাৰ, জ্যোতিৰূপা থিয়েটাৰ, সুৰদেৱী থিয়েটাৰ, আশীৰ্বাদ থিয়েটাৰ, প্ৰাগজ্যোতিকা থিয়েটাৰ, বীণাপাণি থিয়েটাৰ, ব্ৰহ্মপুত্ৰ থিয়েটাৰ, ৰূপালীম থিয়েটাৰ, ৰূপাঞ্জলি থিয়েটাৰ, ৰূপকোঁৱৰ থিয়েটাৰ আদি। ইয়াৰ ভিতৰত কেবাখনো থিয়েটাৰে প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি আদবাটতে যাত্ৰা সামৰিবলগীয়া হৈছে।

ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটকৰ এক সুকীয়া আসন আছে। নাটকৰ স্বকীয়তাৰ বাবে আজিও দৰ্শকে বহুতো নাটকৰ নাম কোৱাত খোকোজা নালাগে। নাট্যকাৰসকলে সদায় দৰ্শকৰ উপযোগী হোৱাকৈ নাটক ৰচনা কৰি আহিছে, নটৰাজ থিয়েটাৰত প্ৰথম প্ৰদৰ্শিত হোৱা নাটকেইখন হ'ল— ভোগজৰা, হাইদৰ আলী আদি। ভ্ৰাম্যমাণ থিয়েটাৰে অসমবাসীৰ বাবে আগবঢ়োৱা উল্লেখযোগ্য নাটক হ'ল— ৰামায়ণ, মহাভাৰত, অথেলো, ইলিয়াড-ওডিচী, পৃথিৱীৰ প্ৰেম, কবৰ আৰু কংকাল, নয়নমণি, দস্যুৰাণী ফুলনদেৱী, কনকলতা, কুশল কোঁৱৰ, নাগিনীৰ অমৃত দংশন, অন্ধকূপ, স্নেহবন্ধন, ক্লিওপেট্ৰা, স্বৰ্ণজয়ন্তী, অমৃত, সম্ৰাট, জীৱন ড্ৰাইভাৰ, নীলকণ্ঠ, মমতা, অপৰাজিতা, ছহিদ, কালশত্ৰু, সূৰ্য কলংক, নবীন মাষ্টৰ, শ'ৰাগুৰিৰ চাপৰি, দুলীয়াজান, এজাক কাউৰীৰ কোলাহল, দধীচি, মিলন-মালা, মহাত্মা, ৰত্নাকৰ, অজগৰ, প্ৰভাতী পখীৰ গান, ডকাইত, ভগৱান শ্ৰীকৃষ্ণ, টাইটানিক, লেডী ডায়েনা, পাণ্ডুলিপি, হাত, লাজ, অলংকাৰ, আশীৰ্বাদ, অসীমত যাৰ হেৰাল সীমা, সুৰংগৰ শেষত, হেমলেট, মাটিৰ গাড়ী, বাঘজাল, বিষ্ণু ৰাভা, ইডিপাচ, পৱিত্ৰ পাপী, মৃত্যুঞ্জয়, পাতাল ভৈৰৱী, ডায়িনীৰ প্ৰেম, বৈৰী বন্ধু, মাজনিশাৰ চিঞৰ, মোৰ আই মাহীআই, অনুৰাধাৰ দেশ, শতাব্দী, কাৰেঙৰ লিগিৰী, মুখ্যমন্ত্ৰী, দখল, স্নেহবন্ধন, মামা-ভাগিন, দৰা হ'ব কোন, এ কে-৫৬, তেজে ধোৱা গামোচা, বিস্ফোৰণ, অধিনায়ক, দীনবন্ধু, ৰামধেনু, শিমলু-চন্দন, নাচ ময়ূৰী নাচ, ভুল নুবুজিবা ভূপেনদা, নবীন মাষ্টৰ, কাবুলীৱালা, জয়মতী, কালাপাহাৰ, মহাৰাণী, মহুৱা সুন্দৰী, দস্যুৰাণী ফুলনদেৱী, অভিনেত্ৰী, মা, ডাঃ বেজবৰুৱা, পাকিস্তানী প্ৰেয়সী, পম্পীয়েৰ প্ৰলয়, ফাঁচীকাঠত ৰাজখোৱা, কনৌজ কুঁৱৰী, গধূলি, প্ৰতিবিম্ব, তাম্ৰপালী, দিগম্বৰ, শুভ সংবাদ, বিষকুম্ভ, বৃন্দাবন, স্বৰ্গৰ দুৱাৰ, জন্মভূমি, পৰমানন্দ, সমুদ্ৰ মন্থন, বৰ্ণমালা, ৰম্যভূমি, অৰণ্যত গধূলি, ৰামধেনু, মই মাৰ ছোৱালী, সম্ৰাজ্ঞী, মেৰী কম ইত্যাদি।

## ভ্ৰাম্যমাণত নাটকৰ ধাৰাৰ পৰিৱৰ্তন কিয়

ভ্ৰাম্যমাণ থিয়েটাৰত দৰ্শকক আওকাণ কৰি কেতিয়াও এখোজ আগুৱাই যোৱাটো সম্ভৱ নহয়। তদুপৰি দৰ্শক অবিহনেও নাট মঞ্চস্থ কৰাটো অসম্ভৱ। দৰাচলতে ভ্ৰাম্যমাণ আৰু দৰ্শক হ'ল এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। এটাক বাদ দি আনটোৰ মূল্যায়ন কৰিব নোৱাৰি। সেইবাবে ভ্ৰাম্যমাণ নাট্যগোষ্ঠীসমূহে নাট নিৰ্বাচন কৰোতে সদায় প্ৰথমে দৰ্শকৰ ৰুচিবোধত গুৰুত্ব প্ৰদান কৰে। দৰ্শকৰ ৰুচিবোধত গুৰুত্ব নিদি ৰচনা কৰা নাটকে কেতিয়াও সাফল্য অৰ্জন বা জনপ্ৰিয় হ'ব নোৱাৰে। নাটক এখন এটা বৰ্ষত যিমানেই জনপ্ৰিয় হয় সিমানেই নাট্যগোষ্ঠীটোৰ হাতলৈ আহে প্ৰচুৰ ধন।

দৰ্শকৰ ৰুচিবোধ সময়ৰ পৰিৱৰ্তনৰ লগে লগে সলনি হোৱাটো স্বাভাৱিক বিষয়। সেইবাবে ১৯৬৩ চনত প্ৰথমবাৰৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰে অসমৰ বুকুত প্ৰদৰ্শন কৰা নাট আৰু অতিসম্প্ৰতি প্ৰদৰ্শিত নাটকৰ মাজত আকাশ-পাতাল পাৰ্থক্য বিচাৰি পোৱা যাব। ইয়াৰ বাবে প্ৰধানকৈ দায়ী কিন্তু দৰ্শকৰ ৰুচিবোধ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৰ্শকৰ ৰুচিবোধৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক বিষয়। নাট্যকাৰসকলেও সেইবাবে সদায় দৰ্শকৰ ৰুচিবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। ভ্ৰাম্যমাণৰ জন্মৰ সময়ত মঞ্চত যি কৌশল তথা আলোকসজ্জা কৰা হৈছিল এতিয়া সেইবোৰ দৰ্শকে গ্ৰহণ কৰিব জানো? আজিৰ এই ডিজিটেল যুগত ৰংগমঞ্চতো ইয়াৰ প্ৰয়োগ হ'বই লাগিব। কাৰণ অত্যাধুনিক কৌশল আদিৰ প্ৰয়োগ তথা পৰীক্ষা-নিৰীক্ষা অবিহনে অতিসম্প্ৰতি ভ্ৰাম্যমাণে দ্ৰুতগতিত আগবাঢ়ি যাব নোৱাৰে।

## কোনে নিয়ন্ত্ৰণ কৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক

ভ্ৰাম্যমাণ থিয়েটাৰৰ মূল চালিকা শক্তিয়েই হ'ল দৰ্শক। যিমানেই ভ্ৰাম্যমাণৰ প্ৰেক্ষাগৃহলৈ দৰ্শকৰ সোঁত বয় সিমানেই নাট্যদলটোৰ স'তে জড়িত প্ৰতিগৰাকী শিল্পী, কলা-কুশলীৰ মুখত হাঁহি বিৰিঙি উঠে। কাৰণ দৰ্শকৰ পৰা সংগ্ৰহ কৰা ধনেৰেই চলে ভ্ৰাম্যমাণ নাট্যগোষ্ঠী। এককথাত ক'বলৈ গ'লে দৰ্শক অবিহনে ভ্ৰাম্যমাণ থিয়েটাৰ গুৰুত্বহীন। শূন্য প্ৰেক্ষাগৃহত নাট প্ৰদৰ্শন কৰাটো কিমান যন্ত্ৰণাময় সেয়া ভুক্তভোগীৰ বাহিৰে আনে উপলব্ধি

কৰিব নোৱাৰে। ৰংগমঞ্চৰ সন্মুখত যিমানেই দৰ্শকৰ ভিৰ বয়, সিমানেই কলা-কুশলীৰ পৰা আৰম্ভ কৰি অভিনেতা-অভিনেত্ৰীলৈ সকলো উৎফুলিত হৈ পৰে। অভিনয়ো হৈ পৰে জীৱন্ত। এইখিনিতে উল্লেখ কৰিব লাগিব যে দৰ্শকে যিমানেই চিঞৰ-বাখৰ নকৰক কিয়— অভিনেতা-অভিনেত্ৰীৰ বাবে পিছে সেয়াই প্ৰেৰণাৰ উৎস। প্ৰেক্ষাগৃহত থকা গেলাৰীৰ পৰা যদি বিকট চিঞৰ শুনা নাযায়, তেনেহ'লে ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত যেন ইয়াৰ জোকাৰণিয়েই নুঠে। ৰংগমঞ্চ আৰু দৰ্শকৰ মাজত থকা আত্মিক সম্পৰ্কৰ বাবেই যেন এনে চিঞাৰ-বাখৰ শুনিবলৈ পোৱা যায়। দৰ্শকে বিচৰাটো যদি ৰংগমঞ্চত প্ৰতিফলিত নহয়, তেতিয়াও যেন দৰ্শকে ক্ষোভৰ বহিঃপ্ৰকাশ ঘটায় চিঞৰ-বাখৰৰ মাধ্যমেদি। শূন্য প্ৰেক্ষাগৃহৰে ভ্ৰাম্যমাণ থিয়েটাৰ জীয়াই থাকিব নোৱাৰে। যিমানেই দৰ্শকৰ শুকান হাত-চাপৰি পৰে, সিমানেই সকলোৰে মুখত হাঁহি বিৰিঙি উঠে।

# অসুখী পৃথিৱীত সুখৰ উৎস বিচাৰো নেকি আমি ?

আজি পৃথিৱীখন সকলোৰে হাতৰ মুঠিত। বিচাৰিলে মিনিটৰ ভিতৰতে সকলো পোৱা যায়। ধন আৰু মন থাকিলে সকলোখিনিয়েই হাতৰ ওচৰতে লাভ কৰাটো সম্ভৱ। পিছে বিজ্ঞানৰ চৰম অগ্ৰগতি, মানুহ ধন-ঐশ্বৰ্যৰ মাজত থকাৰ পিছতো এতিয়া সকলোৰে মাজত এটা অভাৱ— সুখ। অশান্ত পৃথিৱীত এতিয়া অধিকাংশ মানুহেই অসুখী। কাৰোবাৰ যদি ধন নাই, আন কাৰোবাৰ আকৌ পাৰিবাৰিক, মানসিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক, ব্যৰ্থতা আদিয়ে হৈছে অসুখীৰ মূল কাৰণ। মানুহে ক্ষমতা, ধন, কেৰিয়াৰৰ পিছত দৌৰিবলৈ আৰম্ভ কৰাৰ পিছৰে পৰাই মানুহৰ মাজত সুখ বিষয়টো গৌণ হৈ পৰিছে। মানুহৰ আকাংক্ষাৰ প্ৰয়োজন। কাৰণ আকাংক্ষা অবিহনে জীৱনৰ গতিপথত আগুৱাই যোৱাটো অসম্ভৱ। কিন্তু যেতিয়াই এই আকাংক্ষাই উচ্চাকাংক্ষাৰ ৰূপ লয় তেতিয়াই আৰম্ভ হয় অসুখী জীৱন। আজিৰ পৃথিৱীখন অসুখী। এই অসুখী পৃথিৱীত বাস কৰা বাবে মানুহবোৰৰ মনটোও অসুখী হৈ পৰিছে। সেয়েহে মানুহৰ মাজত সজাগতা সৃষ্টিৰ বাবে ২০১৩ চনৰ ২০ মাৰ্চৰ পৰা ৰাষ্ট্ৰসংঘই পালন কৰি আহিছে 'বিশ্ব সুখী দিৱস'। জীৱনত ধন-সম্পত্তিতকৈ মানসিক শান্তিয়ে সুখ আনি দিয়ে। নিজে সুখী হ'বলৈ হ'লে সমাজৰ আন লোকসকলো সুখী হ'ব লাগিব। সমাজখন সুখী হ'লে দেশখনৰ জনগণ সুখী হ'ব। ৰাষ্ট্ৰসংঘই এনেধৰণৰ উদ্দেশ্য আগত ৰাখিয়ে আৰম্ভ কৰিছে এই দিৱসৰ। এই প্ৰসংগত ডাঃ মাৰ্ক উইলিয়ামছনে এনেদৰে মন্তব্য কৰিছে— This International Day

of Happiness is more than just a fun celebration, it also remind us all that the world is a better place when we connect with and care about the people around us.

২০২৪ চনৰ বিশ্ব সুখী দিৱসৰ মুখ্য শ্ল'গান হৈছে 'একেলগে সুখ অনুভৱ কৰা'। চলিত বৰ্ষত বিশ্বৰ সবাতোকৈ সুখী দেশ হিচাপে চিহ্নিত হৈছে ফিনলেণ্ড। ১০০ নম্বৰৰ ভিতৰত ৯৬.৬৭ নম্বৰেৰে এই দেশখনে শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই দেশখনৰ নাগৰিকসকলৰ মাজত বন্ধুত্বসুলভ মনোভাব বেছি। পৰস্পৰৰ প্ৰতি বিশ্বাসৰ লগতে সহযোগিতা আছে। ব্যক্তিগতভাৱে মানুহ এগৰাকী কেনেদৰে সুখী হ'ব পাৰে সেয়া নিৰূপণ নিজেই কৰিব পাৰে। কিন্তু সামাজিক ক্ষেত্ৰখনত এই পৰিসৰ এক নিৰ্দিষ্ট সীমাৰ মাজত সীমাবদ্ধ ৰখাটো সম্ভৱ নহয়।

সুখৰ কোনো সংজ্ঞা নাই। নাই কোনো সৰ্বসন্মত গ্ৰহণযোগ্য পৰিসীমা। নিজেই আকাৰ দিব পাৰে সুখৰ। মাথোঁ মনটোক লোভ আৰু উচ্চাকাংক্ষাৰ পৰা বিৰত ৰাখিব লাগিব। পোৱাখিনিক লৈয়ে সন্তুষ্ট থাকিব লাগিব। নোপোৱাখিনিৰ সন্ধান কৰিব লাগিলেও তাৰ অৰ্থ এইটো হ'ব নোৱাৰে যে সেইখিনিৰ বাবে জীৱনৰ বেছিভাগ সময় অতিবাহিত কৰিব লাগে। জীৱনটো ক্ষন্তেকীয়া। সেয়েহে এই ক্ষন্তেকীয়া সময়ৰ ভিতৰতে যদি নিজকে সকলো পৰিস্থিতিৰ সৈতে খাপ খুৱাব নোৱাৰো তেতিয়াহ'লে সুখৰ পথত খোজ দিয়াটো সম্ভৱ নহ'ব।

সুখৰ ক্ষেত্ৰত 'মই' আৰু 'আমি' শব্দ দুটাৰ গুৰুত্ব বেছি। যেতিয়ালৈকে 'মই' অৰ্থাৎ কোনো এজন লোক আত্মকেন্দ্ৰিক হৈ থাকে তেতিয়ালৈকে আনৰ কথা চিন্তা কৰিব নোৱাৰে। আনৰ সৈতে বন্ধুত্ব গঢ়ি তোলাত ব্যাঘাত জন্মে। সকলোৱে মিলিজুলি থাকিবলৈ এটি সুন্দৰ পৰিৱেশ গঢ়ি তোলাতো কৰ্তব্য। ধন-সম্পত্তিৰ পাহাৰ গঢ়াত ব্যস্ত থকা লোকসকলে এদিন যেতিয়া সুখ বিচাৰি হাবাথুৰি খাবলগীয়া হয় তেতিয়াহে অনুভৱ কৰে ইয়াৰ উৎস ক'ত থাকিব পাৰে। পাৰিবাৰিক জীৱনত এৰা-ধৰা কৰিব নোৱৰা লোকসকলৰ জীৱনতো সুখৰ ৰেঙনি নপৰে। স্বাভিমানৰ প্ৰয়োজন, কিন্তু অহংকাৰ থাকিব নালাগে। অহংকাৰে সুখ আনিব নোৱাৰে। কেৱল ব্যক্তিগতভাৱে সুখ অনুভৱ কৰা একাংশ লোকৰ আকৌ সাংসাৰিক ক্ষেত্ৰত ইয়াৰ ওলোটা ছবিহে দেখিবলৈ পোৱা যায়।

আজিৰ মানুহ ইমানেই ধন-ঐশ্বৰ্যৰ প্ৰতি আকৃষ্ট যে এইবোৰ আহৰণৰ বাবে কিছুমানে পৰিয়ালকো তুচ্ছ বুলি ভাবে। কেৰিয়াৰ গঢ়াৰ নামতো এনে হয়।

অসুখী সমস্যাটো কোনো এটা অঞ্চলৰ লোকৰ সমস্যা হৈ থকা নাই। পৃথিৱীৰ প্ৰায়ভাগ দেশতেই ইয়াৰ প্ৰতিফলন ঘটিছে। অসুখী বাবেই আত্মহত্যা, মানসিক ৰোগ, উন্মাদ হোৱা, হাই-কাজিয়া, অপৰাধজনিত ঘটনা বৃদ্ধি পাইছে। পৰিয়ালৰ লোকৰ মাজত এনে হোৱাৰ মূলতে হৈছে স্বাৰ্থপৰতা। আমি এইবোৰ মনোভাৱ ত্যাগ কৰিবই লাগিব।

আজি আন্তৰ্জাতিক পৰ্যায়তো একেখন ছবি ফুটি উঠিছে। এখন দেশে আন এখন দেশক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। একাংশ দেশ শীতল যুঁজত অৱতীৰ্ণ হৈছে। দেশ এখন যুদ্ধত অৱতীৰ্ণ হোৱা মানে দেশৰ নাগৰিকসকলৰ মনত সৃষ্টি হয় উৎকণ্ঠা। বিভিন্ন গোষ্ঠী, জনগোষ্ঠীৰ মাজত সংঘাতৰ সৃষ্টি কৰা বাবে অুখী লোকৰ মনোভাব প্ৰকাশ পাইছে। কিছুমান দেশৰ পোনপটীয়া লাভালাভৰ কথা নাথাকিলেও স্বভাৱসুলভভাৱে আনৰ কোনো বিষয়ত হস্তক্ষেপ কৰি অশান্তি পৰিৱেশৰ সৃষ্টি কৰে। ৰাজনৈতিক ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে। দেশৰ লগতে আন্তৰ্জাতিক পৰ্যায়তো ৰাজনৈতিক ক্ষেত্ৰখন অশান্ত হৈছে। ক্ষমতা দখলৰ যুঁজখনে ৰাজনৈতিক নেতাসকলক ইমানেই নিকৃষ্ট হ'বলৈ শিকাইছে যে তেওঁলোকে এখন ইতিবাচক ক্ষেত্ৰ বিচাৰি নোপোৱা হৈছে।

আজি আন্তৰ্জাতিক পৰ্যায়ত সহযোগিতা কম, আক্ৰমণ বেছি হৈছে। পৰস্পৰৰ মাজত নোহোৱা হৈছে সদ্ভাৱ। কিন্তু এটা কথা ঠিক এইবোৰ থাকিলেও পৰস্পৰৰ প্ৰতি সহযোগিতা, মৰম-ভালপোৱা অবিহনে এই পৃথিৱীত কোনোৱে সুখী হ'ব নোৱাৰে। আজিৰ অসুখী পৃথিৱীত সকলোৰে মনত এটাই প্ৰশ্ন— 'সুখ ক'ত আছে? কোনে আনি দিব সুখৰ উৎস'। কিয় এতিয়া মানুহৰ মাজত সুখ নোহোৱা হৈছে। পৃথিৱীৰ প্ৰতিটো কোণতেই অসুখী লোকৰ সংখ্যা পাইছে বৃদ্ধি। দৰাচলতে বস্তুবাদী আজিৰ সমাজখনত শিশু অৱস্থাৰ পৰাই আমি সকলোৱে ৰোপণ কৰিছো অসুখী হোৱাৰ বীজ।

বিশ্ববাসীৰ মাজত সুখী হৈ জীয়াই থকাৰ গুৰুত্ব কিয় আৰু ইয়াৰ প্ৰয়োজন সেই সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰসংঘই এই দিৱসৰ আয়োজন কৰি আহিছে। ৰাষ্ট্ৰ সংঘই সাধাৰণ পৰিষদত এই সন্দৰ্ভত এনেদৰে ব্যাখ্যা কৰিছিল— "a more inclusive, equitable and balanced approach to economic

growth that promotes the happiness and wellbeng of all peoples.” সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে যে এই বিষয়টো ভূটানে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত উত্থাপন কৰিছিল। এই দেশখনে ৰাষ্ট্ৰীয় আয়ৰ সমানেই ৰাষ্ট্ৰীয় সুখী গ্ৰাফ উৰ্ধ্বমুখী কৰাৰ ক্ষেত্ৰত সমানেই গুৰুত্ব প্ৰদান কৰি আহিছে। বিদ্যালয়  পৰ্যায়তো সুখৰ মন্ত্ৰ হিচাপে কিছুমান উৎসৰ সৃষ্টি কৰিব পাৰি তাৰেই প্ৰমাণ দাঙি ধৰিছিল ২০১৪ চনত বেংককত। ইউনেস্ক'ই 'হেপী স্কুল প্ৰজেক্ট'ৰ সূচনা কৰে।

বিশ্বত ঋষি-মুনিৰ দেশ হিচাপে পৰিচিত হৈ আহিছে ভাৰত। ৰামায়ণ-মহাভাৰতৰ যুগৰ পৰাই এইবোৰৰ প্ৰমাণ পোৱা যায়। পিছে ভাৰতৰ দৰে জনবহুল দেশ এখনত সুখী লোকৰ সংখ্যা তেনেই নগণ্য। ২০২৩ চনত বিশ্বৰ সুখী দেশৰ তালিকাত ভাৰতৰ স্থান ১২৬সংখ্যক হোৱাৰ বিপৰীতে ফিনলেণ্ডত সবাতোকৈ সুখী লোক থকা বুলি ৰাষ্ট্ৰসংঘৰ তথ্যত প্ৰকাশ পাইছে।

# হোলীৰ আনন্দ আৰু পৰম্পৰা

বসন্তকালীন উৎসৱ বুলি ক'লে প্ৰথমতে মনলৈ আহে দৌল উৎসৱ বা ফাল্গু। ঋতুৰাজ বসন্তৰ শৃংগাৰত পলাশৰ তেজৰঙা ফুলবোৰে ফাগুন বনত শিহৰণ তোলে। ফাগুন মানেই বসন্তৰ আগমন। ঋতুৰাজ বসন্তৰ আগমনৰ লগে লগে ফাগুন অথবা চ'ত মাহৰ পূৰ্ণিমা তিথিত উদ্‌যাপন কৰা দৌল উৎসৱ বা হোলী এক উল্লেখযোগ্য বসন্ত উৎসৱ। দৌল, হোলী, ফাকুৱা যি নামেৰেই নামাতক কিয় ৰঙৰ উৎসৱটোৱে সকলোৰে মনত তোলে এক শিহৰণ। ব্ৰহ্মপুৰাণত উল্লেখ কৰা মতে ধৰাধামত প্ৰথমতে দৌল পূজা কৰিছিল অৱন্তীৰ সূৰ্যবংশীয় ৰজা ইন্দ্ৰদ্যুম্নই। ইন্দ্ৰদ্যুম্নই হেনো দৌল পূজা কৰিছিল শিলেৰে দৌল নিৰ্মাণ কৰি। এটা কথা ঠিক যে পৌৰাণিক কাহিনীসমূহ যিদৰে দৌল, হোলী আদি উৎসৱৰ বিষয়ে ব্যাখ্যা নকৰক কিয়, সকলোবোৰেই কিন্তু প্ৰকৃতিৰ সৈতে সংস্পৃক্ত। সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই উৎসৱবোৰো পালন কৰাৰ ধৰণ আৰু ব্যাখ্যা সলনি হ'বলৈ ধৰিছে। অসমতো এই উৎসৱ প্ৰধানকৈ বটদ্ৰৱা আৰু সত্ৰনগৰী বৰপেটাত আনন্দৰ লহৰ দেখিবলৈ পোৱা যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ২১ বছৰ বয়সতে চিহ্নযাত্ৰা কৰা ভূমিখণ্ডৰ দৌল মন্দিৰ নিৰ্মাণ কৰিবলৈকে পোনপ্ৰথমবাৰ তামৰ চৰিয়াৰে গুৰুজনাই মাটি দি দৌল ভেটি আৰম্ভ কৰিছিল—

তামৰ পাত্ৰত কৰি শ্ৰীমন্ত শংকৰদেৱে
এক পাচি মৃত্তিকা দিলন্ত।

সেই মৃত্তিকাত থাকি        কৃষ্ণৰ মূর্তিক পূজি
দৌল যাত্র সঙ্গে কৰিলন্ত।

কথিত আছে যে মহাপুৰুষ জনাই তীৰ্থ ভ্ৰমণৰ পৰা ঘূৰি অহাৰ পিছত বৰদোৱাৰ মূল কীৰ্তন ঘৰৰ কিছু দক্ষিণত দৌল নিৰ্মাণ কৰি এই উৎসৱৰ আৰম্ভণি ঘটাইছিল।

শ্ৰীকৃষ্ণৰ জন্মৰ সময়তো গোকুলত যাদৱসকলে আনন্দতে হোলী খেলিছিল। শ্ৰীকৃষ্ণৰ জন্মৰ সময়ত গোপনাৰীসকলেও আনন্দতে ৰং ছটিয়াইছিল। মানুহে আনন্দৰ বহিঃপ্ৰকাশ ঘটাবলৈ ইজনে-সিজনক ৰং ছটিওৱাটো পৰম্পৰা বুলি ক'ব পাৰি। অতীতত এনেধৰণৰ উৎসৱে মানুহৰ মনৰ কথাও প্ৰকাশ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱে শ্ৰীকৃষ্ণৰ মহিমামণ্ডিত ৰূপকক শ্ৰুতিমধুৰ কৰিবলৈ ভক্তিৰসৰ মাধ্যমেৰে এই দৌল উৎসৱৰ আৰম্ভ কৰিছিল। ইপিনে গুৰুজনাৰ প্ৰিয় শিষ্য শ্ৰীশ্ৰী মাধৱদেৱে বৰপেটা সত্ৰত দৌল উৎসৱ বা হোলী আৰম্ভ কৰাৰ পিছত আমাৰ বিভিন্ন ঠাইলৈ এই ধাৰা প্ৰবাহিত হোৱা বুলি ক'ব পাৰি। এতিয়া অসমৰ প্ৰায়ভাগ ঠাইতে দৌল উৎসৱ পালন কৰা হয়। শ্ৰীকৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰিবলৈ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে গীতৰ মাজেৰে এনেদৰে প্ৰকাশ কৰিছে— 'ভাই দেখো কমলাপতি দৌলৰ উপৰে/বৈকুণ্ঠৰ নাথ দৌলৰসে কেলি কৰে।/দিব্য সিংহাসনে প্ৰকাশয় দামোদৰ নৱ/নীল মেঘ যেন মেৰুৰ শিখৰে।' বৈকুণ্ঠৰ আৰ্হিত সত্ৰীয়া নীতিৰে বৰদোৱাত সাত ঠাকৰ দৌল সজাইছিল গুৰুজনাই। মৰুৱাপুৰৰ পৰা ফাকু আনিছিল বলোৰামৰ জৰিয়তে। ইয়াৰ পৰা এটা কথা ক'ব পাৰি যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে শ্ৰীকৃষ্ণৰ ভক্তিযুক্ত ৰং তথা আনন্দ আৰু বৈচিত্ৰ্যময় মহিমা জগতবাসীৰ মাজত বিলাবলৈ চেষ্টা কৰিছিল। আগতে উল্লেখ কৰা হৈছে যে পুৰাণৰ যুগতো ইন্দ্ৰদ্যুম্ন ৰজাই দৌল উৎসৱৰ পাতনি মেলিছিল। এইবিষয়ে এনেদৰে বৰ্ণনা কৰা হৈছে— কতো কৃষ্ণ বুলিয়া প্ৰেমৰ দেই ডাক/কতো ঠাইত কৰে ভক্তে কৃষ্ণৰ চেষ্টাক।।/বিমানত আছে লক্ষ্মীসম দিব্য নাৰী/তাৰা সবো কৃষ্ণ গুণ গাৱে শাৰী শাৰী। তদুপৰি বিভিন্ন শিলালিপিত উদ্ধাৰ হোৱা তথ্য মতে, খ্ৰীষ্টপূৰ্ব তিনিশ বছৰ পূৰ্বৰে পৰাই ভাৰতত ফল্গু উৎসৱ পালন কৰি অহা হৈছিল। ত্ৰেতাযুগত ভগৱান শ্ৰীৰামচন্দ্ৰই সীতাক লংকাৰ পৰা উদ্ধাৰ কৰি ১৪ বছৰৰ মূৰত অযোধ্যালৈ উভতি অহাৰ

পিছত অযোধ্যাবাসীয়ে মনৰ আনন্দতে ফাকুগুড়িৰে তেওঁক আদৰণি জনাইছিল।

অসমত দৌল উৎসৱ বুলি ক'লে বটদ্ৰৱা আৰু সত্ৰনগৰী বৰপেটাৰ ছবি দুখনেই মানসপটত ভাহি উঠে। এই দুই ঠাইত আয়োজিত দৌল উৎসৱৰ পৰিসৰ কেৱল অসমতেই সীমিত থকা নাই। দেশ-বিদেশৰ পৰা অহা পৰ্যটকেও এই উৎসৱত অংশগ্ৰহণ কৰা দেখা যায়। বৰপেটাত পৰম্পৰাগতভাৱে পালন কৰা এই উৎসৱ কেতিয়াবা যদি তিনিদিনীয়াকৈ পালন কৰা হৈছে আন কেতিয়াবা চাৰিদিনীয়া বা পাঁচদিনীয়াকৈ কৰে। সাধাৰণতে ফাগুন মাহত অনুষ্ঠিত দৌল চাৰিদিনীয়া আৰু চ'তৰ পূৰ্ণিমাত অনুষ্ঠিত হ'লে তিনিদিনীয়াকৈ পালন কৰা হয়। এই উৎসৱৰ প্ৰথমদিনা গন্ধযাত্ৰা। যিদিনা বিয়লি সত্ৰৰ ভিতৰত থকা মণিকূট গৃহৰ পৰা দৌলগোবিন্দক সত্ৰৰ পূব দুৱাৰেদি উলিয়াই আনি আইসকলৰ দুৱাৰডলিৰে লৈ গৈ টুপৰ চোতালৰে ঘূৰাই মঠৰ চোতালত ৰখা হয়। আনহাতে, কলীয়াঠাকুৰ (শ্ৰীকৃষ্ণ) গোসাঁইক কীৰ্তন ঘৰৰ পশ্চিমফালে থকা ঘাই দুৱাৰেদি উলিয়াই আনি দুয়ো গোসাঁইক মঠৰ চোতালত এখন বৰশৰাইত ৰখা হয়। ইয়াতে গোসাঁইদ্বয়ক অধিবলৈ সম্পন্ন কৰি সন্ধিয়া হোৱাৰ পূৰ্বে ৰাইজে টুপৰ চোতাললৈ মেজি পুৰাবলৈ আনে। ইকৰা, খাগৰিৰে সজা মেজিৰ জুইৰ চাৰিওফালে সত্ৰৰ গোসাঁইক সাতপাক ঘূৰোৱা হয়। এই সাতপাক ঘূৰাওঁতে প্ৰথমে যোগমোহন গৃহত কিছুসময় ৰখা হয়। ইয়াৰ পিছত নিৰ্দিষ্ট ক্ষণ অনুসৰি দৌলগৃহৰ সাতটা চিৰিৰে সাতপাক ঘূৰাই দৌলগৃহত আৰোহণ কৰায়। দ্বিতীয় দিনা পালন কৰা হয় ভৰ দৌল। এইখিনিতে উল্লেখ কৰিব লাগিব যে দৌল তিনিদিনীয়া হ'লে এদিন হয় ভৰদৌল। ইপিনে দৌল চাৰিদিনীয়া হ'লে ভৰদৌল দুদিন আৰু পাঁচদিনীয়া হ'লে তিনিদিনীয়া হয় ভৰদৌল। বৰপেটাৰ এই উৎসৱৰ অন্যতম আকৰ্ষণ হৈছে 'সুঁৱেৰী উৎসৱ'। হোলীগীতৰ এটি বিখ্যাত কলি হৈছে— 'আহা আমি খেলো হোলী/মহাৰঙ্গে বাহু তুলি, ফাগু উৰাই গগনে পৱনে।'

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'কীৰ্তনঘোষা'ত এইদৰে উল্লেখ কৰা হৈছে— 'ৰংগে ফাগু খেলে চৈতন্য বনমালী।/দুই হাতে ফাগুৰ গুপ্তা সিঞ্চিত মুৰাৰি।'

বৰদোৱা বুলিলেই দুচকুত ভাহি উঠে শ্ৰীশ্ৰী নৰোৱা সত্ৰ আৰু শ্ৰীশ্ৰী

শলগুৰি সত্ৰ। দুয়োখন সত্ৰতেই পৰম্পৰা অনুসৰি দৌল উৎসৱ পালন কৰি অহা হৈছে। শ্ৰীশ্ৰী নৰোৱা সত্ৰৰ দৌলত শুক্লা চতুৰ্দশীত গন্ধঘৰ পোৱা অনুষ্ঠান পালন কৰে। সিদিনা সত্ৰৰ ভকত-বৈষ্ণৱসকলে সন্ধিয়াৰ পূৰ্বেই শ্ৰীকৃষ্ণৰ মূৰ্তি গায়ন-বায়ন, শংখ-ঘণ্টা আদিৰ ধ্বনিৰে মূল কীৰ্তনঘৰৰ পৰা পৰম্পৰাগত নীতি-নিয়মেৰে উলিয়াই আনি এক নিৰ্দিষ্ট স্থানত গোসাঁইক সুগন্ধি জল-দুগ্ধৰে নোৱাই ধুৱাই নৱবস্ত্ৰৰে সুশোভিত কৰে। সেই নিশা ভক্তই সেৱা কৰিব পৰাকৈ ৰখা হয়। পিছদিনা পূৰ্ণিমা তিথিত দুপৰীয়া গায়ন-বায়নে গোসাঁইৰ সন্মুখত জোৰা ধৰে। ইয়াৰ পিছত সম্পন্ন হয় গোসাঁইৰ মূৰত ফাকু দিয়া পৰ্ব। অৱশিষ্ট ফাকুখিনি পিছত ভক্তপ্ৰাণ ৰাইজে ব্যৱহাৰ কৰে। আনহাতে, শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ দৌল উৎসৱৰ পৰম্পৰাগত ধৰ্মীয় কাৰ্যসূচীৰ অন্ত পৰে। শ্ৰীশ্ৰী নৰোৱা সত্ৰ আৰু শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ মূল পথেৰে পৰিভ্ৰমণ কৰাই ওভতাই আনি কীৰ্তন ঘৰৰ মুখ্য প্ৰৱেশদ্বাৰ পাওঁতেই দ্বাৰ বন্ধ কৰি দিয়ে। লক্ষ্মী আয়ে নজনাকৈ মনে মনে দৌললৈ গৈ ফাগু খেলি সত্ৰ ভ্ৰমণ কৰি অহাৰ বাবে ভেম কৰি গোসাঁইক সোমাবলৈ নিদি মুখ্য প্ৰৱেশদ্বাৰ বন্ধ কৰি দিয়ে। পিছত কৃষ্ণ গোসাঁইয়ে লাজে-অপমানে তলমূৰ কৰি অভ্যন্তৰলৈ প্ৰৱেশ কৰে। অৱশ্যে শ্ৰীশ্ৰী নৰোৱা সত্ৰত গোসাঁই ফুৰাই আনি কীৰ্তন ঘৰৰ প্ৰৱেশদ্বাৰত দুৱাৰ ধৰা অনুষ্ঠান পালন নকৰে।

# মনীষীসদৃশ ব্যক্তিত্ব বীৰেন্দ্ৰনাথ দত্ত

অসমীয়া ভাষা, সাহিত্য, সাংস্কৃতিক জগতখনৰ পৰা খহি পৰিল আৰু এটা নক্ষত্ৰ। অসমীয়া জাতিটোক মনে-প্ৰাণে ভালপোৱা এগৰাকী ব্যক্তি আছিল বীৰেন্দ্ৰনাথ দত্ত। অসমৰ লোক-সংস্কৃতিৰ পৰা আৰম্ভ কৰি গীত-সুৰ আৰু কণ্ঠৰ বিশাল পৰিসৰৰ মাজত থাকি সদায় সৃষ্টিৰ মানসিকতাৰে আগুৱাই যোৱা ব্যক্তি আছিল বীৰেন্দ্ৰনাথ দত্ত। এইগৰাকী প্ৰথিতযশা সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ভাষা-সংস্কৃতিৰ পূজাৰী বীৰেন্দ্ৰনাথ দত্তই অসমীয়া জাতিটোৰ বাবে যি অৱদান আগবঢ়াই গ'ল সেয়া চিৰদিন সোণোৱালী আখৰেৰে লিখা থাকিব। বিতৰ্কৰ পৰা আঁতৰত থকা বীৰেন্দ্ৰনাথ দত্তই সদায় সৃষ্টিশীল কৰ্মত ব্যস্ত আছিল। সৃষ্টিৰ মাজেৰে সময় অতিবাহিত কৰা বীৰেন্দ্ৰনাথ দত্তৰ গীতসমূহে সকলোৰে মন-প্ৰাণ হৰিব পৰা শক্তি আছে। বৰ বেছিসংখ্যক গীত গোৱা নাই যদিও যিকেইটা শ্ৰোতাৰ বাবে মেলি দিছে সেইকেইটাক আমি চিৰযুগমীয়া শাৰীত অন্তৰ্ভুক্ত কৰিব পাৰোঁ। অসমীয়া আৰু ইংৰাজীত ২৩খনকৈ গ্ৰন্থ ৰচনা কৰা বীৰেন্দ্ৰনাথ দত্ত আজি আমাৰ মাজত নাই। আমাৰ মাজত তেওঁ নাথাকিলেও অসমীয়া সমাজখনলৈ আগবঢ়াই যোৱা অৱদানৰ বাবে আমি প্ৰতিটো ক্ষেত্ৰতেই সজীৱ ৰূপত লাভ কৰি থাকিম।

বীৰেন্দ্ৰনাথ দত্তক বিভিন্ন সভা-সমিতিৰ লগতে উৎসৱ-পাৰ্বণ আদিত আয়োজন কৰা অনুষ্ঠানসমূহত লগ পাইছিলো। মোক য'তেই লগ নাপাওক কিয় সদায় নতুন কি লিখিছো সেয়া সুধিবই। আমাক লিখিবলৈ খুব উৎসাহ

যোগাইছিল। যিকোনো লেখাই সময়োপযোগী কৰি তুলিব লাগে বুলি মোক লগ পালেই কৈছিল। গুৰুগম্ভীৰ কণ্ঠস্বৰেৰে কোৱা কথাবোৰ বৰ ভাল লাগিছিল। কেতিয়াবা কোনো অনুষ্ঠানত নিমন্ত্ৰণ কৰিলে সময়মতে অনুষ্ঠানটোৰ কাৰ্যসূচী আৰম্ভ হ'ব নে নহয় সেইবিষয়ে সুধি-পুছি লৈহে সন্মতি প্ৰদান কৰিছিল। নিয়মানুৱৰ্তিতাৰে কৰ্মক্ষেত্ৰত আগুৱাই যোৱাৰ ক্ষেত্ৰত তেওঁ সদায় গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ প্ৰায়েই কৈছিল যে যিবোৰ অনুষ্ঠানে কোনো বিশেষ কাৰ্যসূচীৰ বাবে আমন্ত্ৰণ কৰাৰ পিছত সময়মতে কাৰ্যসূচী আৰম্ভ নকৰে তেনে অনুষ্ঠানলৈ পৰৱৰ্তী সময়ত যোৱাই বন্ধ কৰি দিছিল। কাৰণ যিসকলে সময়ৰ মূল্য বুজি নাপায় তেওঁলোকৰ সৈতে সম্পৰ্ক সুদৃঢ় নকৰাটোৱে মংগল বুলি কৈছিল। এইগৰাকী বিশিষ্ট সাহিত্যিকে সদায় ব্যক্তিত্বত গুৰুত্ব প্ৰদান কৰিছিল। বীৰেন্দ্ৰনাথ দত্তই প্ৰায়েই কৈছিল যে কামত আৰু সময়ক ফাঁকি দিয়াসকলে সময়ৰ জোখ-মাখ কৰিব নোৱাৰে। সময়ৰ শৰ সময়ত মাৰিব লাগে। সেইবাবে তেওঁ কথাতকৈ কামতহে গুৰুত্ব প্ৰদান কৰিছিল। ড° বীৰেন্দ্ৰনাথ দত্তই অবাবত কেতিয়াও সময় নষ্ট কৰা নাছিল। তেওঁ নিয়মানুবৰ্তিতা বজাই ৰাখিয়েই সকলো কাৰ্য সম্পাদন কৰিছিল বাবেই প্ৰতিটো কামেই নিখুঁতভাৱে কৰিব পাৰিছে। স্থিতপ্ৰজ্ঞ, বিনয়ী, মৃদুভাষী, সৃষ্টিশীলতাৰ অপাৰ ভাণ্ডাৰ গীতিকাৰ-সুৰকাৰ গৰাকীয়ে সহস্ৰজনক বিলাই গৈছিল জ্ঞানৰ পোহৰ। মনীষীসদৃশ এনে এগৰাকী মহান ব্যক্তিৰ মহাপ্ৰস্থানে অসমীয়া জাতিটোক অলপ হ'লেও দুৰ্বল কৰিলে। ৯০ বছৰীয়া জীৱন পৰিক্ৰমাত বীৰেন্দ্ৰনাথ দত্তই নগাঁৱত জন্মগ্ৰহণ কৰিছিল। তেওঁ ১৯৫০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ পঞ্চম স্থান অধিকাৰ কৰিছিল। মেধা আৰু প্ৰতিভাৰ সমন্বয়ত জিলিকি উঠিছিল বীৰেন্দ্ৰনাথ দত্ত। ইমান গুণৰ অধিকাৰী হোৱাৰ পিছতো কোনোদিনেই নাছিল অহংকাৰ। শিলপুখুৰীৰ আপোনঘৰখনত আজিও যেন বিচাৰি পোৱা যায় নিভাঁজ অসমীয়া সমাজখনৰ এখন সুন্দৰ ছবি। নাই আধুনিকতাৰ কোনো প্ৰভাৱ। কাৰণ বীৰেন্দ্ৰনাথ দত্ত আছিল প্ৰকৃতিৰ মাজত থাকি সৃষ্টিৰ সমল বিচৰা লোক। তেওঁ ১৯৫১ চনত কটন কলেজৰ পৰা পৰীক্ষা দি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ সপ্তম স্থান লাভ কৰে। ১৯৫৪ চনত বীৰেন্দ্ৰনাথ দত্তই শান্তি নিকেতনৰ বিশ্বভাৰতীৰ পৰা অৰ্থনীতিত অনাৰ্ছসহ বি এ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। 'এ ষ্টাডি অৱ দ্য কালচাৰ অৱ দ্য

গোৱালপাৰা ডিষ্ট্ৰিক্ট অৰ আসাম' গৱেষণা গ্ৰন্থৰ বাবে তেওঁ ১৯৭৪ চনত পি এইচ ডি ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছতে বি বৰুৱা কলেজত আৰম্ভ কৰে শিক্ষকতা জীৱন। সৃষ্টিশীল মনটো থকা বাবে তেওঁ গানৰ মাজতো বকুল ফুলৰ সুবাস বিচাৰিছিল। তেওঁ এৰি থৈ গ'ল সংগীতৰ বৈভৱ। ১৯৪৮ চনত নৱম শ্ৰেণীত অধ্যয়ন কৰি থাকোঁতেই আকাশবাণীত গীত গোৱাৰ মাধ্যমেৰে শ্ৰোতা ৰাইজৰ মাজত চিনাকি হোৱা বীৰেন্দ্ৰনাথ দত্তই সুদীৰ্ঘ ছয়টা দশক সংগীতৰ মাজত থাকি যি সৃষ্টি কৰি গ'ল সেয়া সকলোৰে বাবে স্মৰণীয় হৈ থাকিব। সুকণ্ঠৰ যাদু আৰু স্বকীয় শৈলীৰে কেইবাটাও চিৰসেউজ গীত ৰচনা কৰি থৈ যোৱা বীৰেন্দ্ৰনাথ দত্তই নিৰ্বাচিত গীতহে গাইছিল। সস্তীয়া আধুনিক সংগীতৰ পৰা বিৰত থাকি কেৱল শ্ৰোতাৰ মনত সাঁচ বহুৱাব পৰা গীতহে পৰিৱেশন কৰি ভাল পাইছিল। তেওঁৰ গীতৰ মাজত বিচাৰি পোৱা যায় অসমীয়া সমাজখনৰ এখন সুন্দৰ ছবি। বিচাৰি পোৱা যায় প্ৰকৃতিৰ মনোৰম দৃশ্য আৰু বকুল-শেৱালিৰ সুবাস। এইগৰাকী মহান ব্যক্তিৰ জীৱনৰ যৱনিকা পৰাৰ লগে লগে অসমবাসীয়ে হেৰুৱালে এগৰাকী 'ভদ্ৰলোক'ক।

# অৰ্থনৈতিক দৃষ্টিৰে বজালীৰ বাণিজ্য

বজালীয়েই এসময়ত ব্যৱসায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। উভৈনদী হৈ আছিল বস্তু-বাহানি। কোনোৱেই আন ঠাইলৈ বস্তু-বাহানি বিচাৰি যাবলগীয়া হোৱা নাছিল। সকলোৱে ঘৰৰ চৌহদত বা বাৰী-বস্তি আদিত খেতি কৰিছিল। ধান খেতিৰ পৰা আৰম্ভ কৰি শাক-পাচলি, ফল-মূল, তামোল, চুপাৰি আদি উভৈনদী হৈ আছিল। সেই দিনবোৰ এতিয়া নৱ প্ৰজন্মৰ বাবে সাধুকথা বুলি ক'ব লাগিব। এই অঞ্চলটো এতিয়াও এইক্ষেত্ৰত আগবঢ়া। ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰৰ বাবে এই অঞ্চলটোৰ লোকসকলে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। আগৰ তুলনাত এতিয়া উৎপাদন হ্ৰাস পাইছে। আনকি কিছুমান খেতি মানুহে কৰিবলৈ বাদ দিছে। যিমান খৰচ হয় সিমান লাভ নহয় বাবে বহুতেই এই খেতি কৰিবলৈ এৰিছে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। সময় আৰু মানসিকতাৰ সলনি হোৱা বাবেই খেতি কৰিবলৈ এৰি দিয়া লোকৰ সংখ্যা কম নহ'ব। এসময়ত এই বৃহত্তৰ অঞ্চলটোৰ পৰাই উত্তৰপ্ৰদেশ, দিল্লী আৰু শিলিগুৰি আদিলৈ ৰপ্তানি হৈছিল চুপাৰি, নাৰিকল আদি। অৰ্থাৎ এই অঞ্চলটোৰ লোকসকলে তাহানিতে বহিঃৰাজ্যৰ লগত বেপাৰ-বাণিজ্য কৰিছিল। এই বেপাৰ-বাণিজ্য তেওঁলোকে সুন্দৰভাৱে পৰিচালিত কৰিছিল। চাকৰি কৰা লোকৰ সংখ্যা তাকৰ আছিল। প্ৰায়ভাগ লোক কৃষিজীৱী আছিল। বস্তু কিনা মানুহতকৈ বেপাৰ-বাণিজ্য কৰাৰ সংখ্যাহে বেছি আছিল বুলি ক'ব লাগিব। সেইবাবে বাহিৰলৈ যোগান ধৰিবলৈ বাধ্য হৈছিল।

এতিয়া বজালীৰ কৃষি অৰ্থনীতি বিধ্বস্ত। খেতি কৰিবলৈ এৰিছে খেতিয়কে। কাৰণ বহুতো। প্ৰথমতে আগৰ কৃষিভূমি সংকুচিত হোৱাৰ কথা উল্লেখ কৰিব লাগিব। আগতে সকলোৰে কৃষি ভূমি আছিল বেছি। যৌথ পৰিয়াল ভাঙি একক পৰিয়াল হোৱাৰ পিছত প্ৰায়ভাগ লোকৰ কৃষিভূমিত ঘৰ সাজিবলৈ আৰম্ভ কৰিলে। তদুপৰি আগতে যিবোৰ পৰিয়ালে খেতি কৰিবলৈ বছৰৰ বাৰ মাহেই সাজু আছিল এতিয়া পিছে, বিভিন্ন কাৰণত তেওঁলোকৰ মনত অনীহা জন্মিছে।

কৃষি বিপ্লৱ অবিহনে কোনো এটা অঞ্চলৰ অৰ্থ নৈতিক পৰিকাঠামো নিৰ্ণয় কৰিব নোৱাৰি।

আজিপাঠশালাৰ পৰা নাৰিকল আৰু চুপাৰি ক'ত গ'ল? আমি কেতিয়াবা এই কথাবোৰ ভাবি চাইছোনে? আগতে অঞ্চলটোৰ প্ৰায়ভাগ ঠাইতে তামোল গছ দেখিবলৈ পোৱা গৈছিল। সেই তামোল গছবোৰে ঠাইখনৰ লোকসকলৰ খেতিৰ প্ৰতি থকা ৰাপ প্ৰকাশ কৰিছিল। মানুহে গৌৰৱ অনুভৱ কৰিছিল। সমানেই আছিল নাৰিকল বাৰী। তামোল আৰু নাৰিকলৰ বাৰী থকা মানে পৰিয়ালটো আৰ্থিকভাৱে শক্তিশালী আছিল। গৰ্বও কৰিব পাৰিছিল। তামোল আৰু নাৰিকল ৰপ্তানি কৰিব পাৰিছিল একমাত্ৰ সবল মানসিকতাৰ বাবে। এসময়ত এই অঞ্চলটোত বিভিন্ন ধৰণৰ ফল-মূল বিশেষকৈ ষ্ট'বেৰি আদি উৎপাদন হৈছিল। আনকি চুবুৰীয়া দেশ ভূটানৰ লগতো বেপাৰ-বাণিজ্য কৰিছিল। কমলা টেঙা আদি ভূটানৰ পৰা আনিছিল। এতিয়া অৱশ্যে পৰিৱেশ সলনি হৈছে।

কুটিৰ শিল্পৰ ক্ষেত্ৰত অঞ্চলটো বৰ বিশেষ আগবঢ়া বুলি ক'ব নোৱাৰি। আগতে অঞ্চলটোৰ গ্ৰামাঞ্চলত দুই-এটা পৰিয়ালে কাপোৰ-কানি তৈয়াৰ কৰি বিক্ৰী কৰিয়েই খৰচ উলিয়াইছিল। আজিকালি এই ছবিখন একেবাৰে দেখিবলৈ পোৱা নাযায়।

আগতে গাঁৱত বাঁঢ়ে আছিল। গ্ৰামাঞ্চলত বাঁহ আছিল যথেষ্ট। বাঁহৰ পৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী অতি কম দামতে বিক্ৰী কৰিছিল। এতিয়া এনে শিল্পীও নাই আৰু বাঁহো পোৱা নাযায়।

এতিয়া এই অঞ্চলটোত দুগ্ধ বিপ্লৱৰ সূচনা হৈছে। নিঃসন্দেহে অঞ্চলবাসীৰ বাবে এয়া এক ইতিবাচক বিষয়। বহুতে ফাৰ্ম আদিৰ জৰিয়তে স্বাৱলম্বী

হোৱাই নহয়, দুগ্ধ বিপ্লৱৰ সূচনা কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উভৈনদী হৈছে গাখীৰ। আগতে কিন্তু এই ব্যৱসায় বৰ বেছি নাছিল। দুই-এটি পৰিয়ালে গৰু পুহিছিল। এতিয়া মিল্ক পাৰ্লাৰ স্থাপন কৰা হৈছে। নৱ প্ৰজন্ম এনে বেহাৰ প্ৰতি আকৰ্ষিত হোৱাটোও খুব ভাল লক্ষণ বুলি ক'ব লাগিব। ইয়াৰ প্ৰসাৰ বৃদ্ধি পাইছে।

এই অঞ্চলটোত কৃষি কাৰ্য হ্ৰাস পোৱাৰ অন্যতম কাৰণ হিচাপে চিহ্নিত হৈছে কপিকুল। বান্দৰৰ উপদ্ৰৱ আদিৰ কাৰণ বহুতেই খেতি কৰিবলৈ এৰিছে। ২০ বছৰ আগতে অঞ্চলটোৰ অৰ্থনৈতিক অৱস্থাৰ ছবিখন সম্পূৰ্ণ ৰূপত সলনি হৈছে। এতিয়া খেতি নহ'লেও ব্যৱসায়িক ক্ষেত্ৰৰ ছবিখন সম্পূৰ্ণ সলনি হোৱা দেখা যায়।

# বাইডেনৰ অট'গ্ৰাফৰ ইচ্ছা আৰু মোডীৰ কূটনৈতিক ৰণকৌশল

(১)

এসময়ত ভাৰতে আন দেশৰ মুখলৈ চাই আন্তৰ্জাতিক প্ৰেক্ষাপটত খোজ দিবলগীয়া হৈছিল। কোনো এখন আন্তৰ্জাতিক পৰ্যায়ত অনুষ্ঠিত সন্মিলন অথবা আলোচনা চক্ৰত অংশ গ্ৰহণ কৰিলে প্ৰথমশাৰীৰ পৰিৱৰ্তে অন্তিম ফালেহে বহিবলগীয়া হৈছিল। কাৰণ আমেৰিকা, চীন, জাপান, ইংলণ্ড, ফ্ৰান্স আদি দেশৰ প্ৰতিনিধিৰ স্থান সদায় আগত। ভাৰতৰ প্ৰধামন্ত্ৰী অথবা কোনো প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিলেও বিশেষ গুৰুত্ব লাভ কৰা নাছিল। চৰ্চাও নহৈছিল। সকলোৰে ভাবিছিল ভাৰতে শক্তিশালী ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰা নাই। সেইবাবে ভাৰতীয় সভ্যতা সংস্কৃতিকো বিশেষ গুৰুত্ব দিয়া নাছিল। এতিয়া কিন্তু এই ছবি সম্পূৰ্ণ সলনি হৈছে। এতিয়া যিকোনো আন্তৰ্জাতিক সন্মিলনত ভাৰতক সমানেই গুৰুত্ব দিবলৈ বাধ্য হৈছে। বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰসমূহে এতিয়া ভাৰতক গুৰুত্ব দিবলৈ বাধ্য হোৱাৰ মূলতে হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। ২০১৪ চনৰ পিছত ভাৰতে বিশ্বত প্ৰাধান্য লাভ কৰাৰ বাবে যিধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসাৰযোগ্য। আজি জি-৭ৰ বৈঠকতেই হওক অথবা শান্তি আলোচনা আৰু পৰিৱেশ সম্পৰ্কীয় সন্মিলনত আগস্থানত বহিছে ভাৰতে। ইয়াৰ এখন স্পষ্ট ছবি দেখা পোৱা গ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জাপানৰ হিৰোশ্বিমা মহানগৰীত আয়োজিত জি-৭ সন্মিলনৰ সময়ত মোডীৰ জনপ্ৰিয়তাত অভিভূত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কোৱা "মই আপোনাৰ অট'গ্ৰাফ লোৱা উচিত" বাক্যশাৰীৰ গুৰুত্ব।

(২)

পাপুৱা নিউগিনিৰ ৰাজধানী প'ট মছবীৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক যিদৰে সম্ভাষণ জনোৱা হ'ল সেয়া সঁচাকৈ আদৰণীয়। দ্বীপ ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰী জেমছ মাৰাপে আৰু আন প্ৰশান্ত মহাসাগৰীয় দ্বীপৰ নেতৃত্বই যিদৰে আদৰণি জনালে সেয়া ইয়াৰ পূৰ্বে কেতিয়াও দেখা নাই। পাপুৱা নিউগিনিৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ চৰণ স্পৰ্শ কৰিবলৈ ওলোৱা দৃশ্যটো আছিল বিৰল। কাৰণ যিসময়ত সকলোৱে কৰমৰ্দন অথবা 'হেণ্ডছেক' কৰি ৰাষ্ট্ৰপ্ৰধানক আদৰণি জনোৱাৰ পৰম্পৰা চলি আহিছে সেই সময়ত ভাৰতীয় পৰম্পৰাক শ্ৰদ্ধা জনাই নৰেন্দ্ৰ মোডীৰ চৰণ স্পৰ্শ কৰিবলৈ লোৱা ছবিখন আজি সমগ্ৰ বিশ্বতেই ভাইৰেল হৈ পৰিছে। ভাৰতীয় সংস্কৃতি তথা পৰম্পৰাৰ প্ৰতি এসময়ত কোনো ৰাষ্ট্ৰই বিশেষ গুৰুত্ব প্ৰদান কৰা মনত নপৰে। ভাৰতৰ প্ৰধানমন্ত্ৰীৰ ব্যক্তিত্বত আজি বিশ্ববাসী মোহিত। ভাৰতত ৰাজনৈতিকভাৱে একাংশ নেতাই প্ৰধানমন্ত্ৰী মোডীৰ বিৰুদ্ধে অপপ্ৰচাৰ চলালেও বিদেশত কিন্তু জনপ্ৰিয়তা হ্ৰাস পোৱা নাই। এই কথা স্বয়ং আমেৰিকাৰ ৰাষ্ট্ৰপতিয়েই স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। পাপুৱা নিউগিনিত খোজ পেলোৱা মোডীয়েই হৈছে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। কূটনৈতিক ক্ষেত্ৰত ভাৰতক শক্তিশালী কৰিবলৈ হ'লে সৰু-বৰ সকলো ৰাষ্ট্ৰৰেই সহায় লাগিব। কিয়নো দ্বীপ ৰাষ্ট্ৰ এখনো আজিকালি সময়ত শক্তিশালী ৰূপত অৱতীৰ্ণ হোৱা দেখা যায়। যিটো কাম ইমানদিনে চীনে নীৰৱে কৰি আছিল। সেয়া এতিয়া ভাৰতে কূটনৈতিকভাৱে আগবাঢ়ি যোৱাত চিন্তিত হৈ পৰিছে চীনৰ ৰাষ্ট্ৰপতি।

(৩)

এসময়ত ভাৰত পৃথিৱীৰ অন্য জাতিৰ তুলনাত সভ্যতা-সংস্কৃতিৰ দিশত আগবঢ়া আছিল। কেৱল সভ্যতা-সংস্কৃতিয়েই নহয় আন ক্ষেত্ৰতো আছিল উন্নত। ঋষি-মুনিৰ দেশত সূৰুয দেৱতাই প্ৰথম পোহৰ পেলাইছিল। ভাৰতীয় সভ্যতা সংস্কাৰৰ আধাৰত প্ৰতিষ্ঠিত। সেয়ে আজিও ভাৰতীয় সভ্যতা-সংস্কৃতিৰ গুৰুত্ব হ্ৰাস পোৱা নাই। পশ্চিমীয়া সভ্যতা-সংস্কৃতি তথা পৰম্পৰাৰ বিপৰীত ছবি এখন থাকে ভাৰতীয় সংস্কৃতিত। ভাৰতীয় সভ্যতা-সংস্কৃতিত এটা আত্মিক

আৰু আধ্যাত্মিক ছবি দেখিবলৈ পোৱা যায়। যিটো আন দেশ অথবা মহাদেশত বিৰল। আধুনিক সমাজব্যৱস্থাত পৃথিৱীৰ প্ৰতিটো অঞ্চলতে মানুহবিলাক সংস্কাৰহীন হৈ পৰিছে। সেইবাবে এতিয়া অন্যদেশৰ মানুহে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট হ'বলৈ ধৰিছে। বিগত এটা দশকত বিশ্বৰ প্ৰায়ভাগ দেশতে এনে এক জাগৰণ সৃষ্টি কৰাৰ মূল ব্যক্তিগৰাকীয়েই হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী। এই বিষয়টো কোনোবাই ৰাজনৈতিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি হয়তো বিৰূপ মন্তব্য কৰিব পাৰে, বাস্তৱক্ষেত্ৰত কিন্তু এয়াই সত্য। ভাৰতীয় সনাতনী সংস্কৃতি যে সৰ্বশ্ৰেষ্ঠ সেয়া আকৌ এবাৰ শক্তিশালী হোৱাৰ দিশে অগ্ৰসৰ হৈছে। কাৰণ এতিয়া বেছিভাগ দেশৰ লোকেই বুজি পাইছে সনাতনী সভ্যতা-সংস্কৃতি সংস্কাৰমুখী। ইয়াত মানৱতাৰহে জয়গান গোৱা হয়। এইবোৰ প্ৰচাৰৰ ক্ষেত্ৰত বিশেষকৈ এতিয়া ৰাষ্ট্ৰনেতাসমূহৰ ভূমিকাও হৈ পৰিছে তেনেই গুৰুত্বপূৰ্ণ। ফ্ৰান্স, ইটালি, ভেটিকান চিটি আদিকে ধৰি সকলোবোৰ দেশৰ নেতাসকলেও নিজ নিজ দেশৰ সভ্যতা-সংস্কৃতি প্ৰচাৰৰ বাবে পৰোক্ষভাৱে কাম কৰি আছে। অতিসম্প্ৰতি বিশ্ব ৰাজনীতিৰ নেতাসকলৰ ভিতৰত অন্যতম শক্তিশালী হিচাপে পৰিচিত নৰেন্দ্ৰ মোডীয়ে যিধৰণৰ পদক্ষেপ লৈছে তাকলৈ সকলোৰে চকু থিয় হৈছে। হোৱাটো স্বাভাৱিক কথা। ইমানদিনে যিকেইখন ৰাষ্ট্ৰই ভাৰতক বিভিন্ন দিশৰ পৰা হেঁচা প্ৰয়োগ কৰি আছিল সেই ৰাষ্ট্ৰবোৰেও এতিয়া নৰেন্দ্ৰ মোডীক ভৰি চুই সেৱা কৰিছে। সন্মিলনত মোডীৰ আগমনক লৈ সকলো দেশৰ নেতাৰ অপেক্ষা বিষয়টো মন কৰিবলগীয়া। যিসময়ত ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধকলৈ চৰ্চা হৈছে সেই সময়তো ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ মুখলৈকে চাই আছে। ৰাছিয়াৰ দৰে শক্তিশালী ৰাষ্ট্ৰ এখনক এতিয়া কূটনৈতিকভাৱে বশ কৰিব পৰা দেশ এখনেই আছে আৰু সেয়া হৈছে ভাৰত। ইতিমধ্যে জেলেনস্কিয়ে তেওঁ প্ৰতিনিধিক এইক্ষেত্ৰত বাৰ্তা লৈ ভাৰতলৈ প্ৰেৰণ কৰিছে। আন ৰাষ্ট্ৰৰ তুলনাতকৈ এতিয়া যে ভাৰতক প্ৰায়ভাগ দেশেই বিশ্বাসত ল'বলৈ ধৰিছে সেই কথা শেহতীয়া জি-৭ সন্মিলনতো প্ৰতিফলিত হৈছে। সেয়ে এতিয়া কৰমৰ্দনৰ পৰিৱৰ্তে দেখা গৈছে আঁঠু লৈ জনোৱা সেৱা।

# বিধানসভাৰ মজিয়া হৈছে সৰ্বোত্তম মঞ্চ

৭ এপ্ৰিলত অসম বিধানসভাৰ প্ৰতিষ্ঠা দিৱস। এইবাৰ ৮৬ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই বিধানসভাই ৮ টা দশকত ৰাইজৰ প্ৰতিটো ক্ষেত্ৰৰ উন্নয়নৰ বাবে যি ভূমিকা গ্ৰহণ কৰি আহিছে তাৰ বাবে সকলোৰে দৃষ্টি এই কেন্দ্ৰটোৰ ওপৰতে নিবদ্ধ। দেশ এখনৰ সৰ্বাঙ্গীণ বিকাশৰ ক্ষেত্ৰত সংসদীয় ব্যৱস্থাত প্ৰভাৱ অপৰিসীম। ৰাজ্য এখনৰ বিকাশৰ ক্ষেত্ৰতো বিধানসভাৰ গুৰুত্ব একক আৰু অনন্য। বিধানসভা কেৱল ৰাজনৈতিক ক্ষেত্ৰৰ বাবেই নহয়, আন সকলো দিশৰ বাবেও সমানেই গুৰুত্বপূৰ্ণ। কিয়নো এই বিধানসভাৰ মজিয়াতেই প্ৰস্তুত কৰা হয় আৰ্থ-সামাজিক উন্নয়নৰ ৰূপৰেখা। ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ লগতে প্ৰতিটো স্তৰতে থকা লোকসকলৰ বিকাশৰ বাবে যিবোৰ পৰিকল্পনাৰ প্ৰয়োজন সেয়া বিধানসভাৰ মজিয়াতেই প্ৰস্তুত কৰা হয়। এক কথাত ক'বলৈ গ'লে ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ ৰিম'ট কণ্ট্ৰ'ল হৈছে বিধানসভা।

বহুতেই ভাবে যে বিধানসভা কেৱল নিৰ্বাচিত প্ৰতিনিধিসকলৰ গোটখোৱা কেন্দ্ৰ। সাধাৰণ দৃষ্টিভংগীৰপৰা এই বিষয়টো বিশ্লেষণ কৰিলে তেনেকুৱাভাৱেই হয়। কিন্তু এই বিধানসভাতেই সকলো ৰাজনৈতিক দলে একেলগে বহি এখন সৰ্বাঙ্গসুন্দৰ ৰাজ্য গঠনত যে আগভাগ ল'ব পাৰে সেই বিষয়টো বিশ্লেষণ নকৰে। ৰাজ্য এখন পৰিচালনাৰ বাবে এটা বিত্তীয় বৰ্ষত কিমান ধনৰাশিৰ প্ৰয়োজন, এই ধনৰাশিৰে কেনেদৰে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বিকাশৰ বাবে সমভাৱে কাম কৰিব পাৰি সেই বিষয়ে পৰিকল্পনা এই বিধানসভাৰ মজিয়াতেই প্ৰস্তুত কৰা হয়। বিধানসভাৰ মজিয়াত উত্থাপন কৰা বাজেটত সন্নিবিষ্ট কৰা

প্ৰতিটো শিতানৰ ধনৰ দ্বাৰা হোৱা উন্নয়নৰ প্ৰভাৱ জনগণৰ ওপৰত পৰি আহিছে। ৮৬ বছৰ পূৰ্বে প্ৰতিষ্ঠা লাভ কৰা বিধান সভাই গ্ৰহণ কৰা পদক্ষেপৰ বাবেই আজি ৰাজ্যখনে সকলো ক্ষেত্ৰতেই স্বাৱলম্বী হোৱাৰ নিদৰ্শন দাঙি ধৰিব পাৰিছে। সেয়েহে অসমৰ সমাজ জীৱনৰ সৈতে বিধানসভাৰ ওতপ্ৰোত সম্পৰ্ক থকা বুলি কোৱা হয়। বিধানসভাৰ ভূমিকা অবিহনে সমাজ জীৱনৰ চিত্ৰ এখনৰ কল্পনা কৰিব নোৱাৰি। সাধাৰণতে এগৰাকী ব্যক্তিৰ উন্নয়নৰ ক্ষেত্ৰত যি দৰে পৰিয়ালৰ ভূমিকা থাকে তেনেদৰে এখন ৰাজ্যৰ সামগ্ৰিক বিকাশৰ বেলিকাও বিধান সভাৰ গুৰুত্ব অধিক। কাৰণ বিধানসভাত প্ৰস্তুত কৰা নীতিৰ বাবেহে এগৰাকী ব্যক্তিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে উন্নতিৰ জখলা বগাব পাৰে। যদিহে ৰাজ্য এখনৰ উন্নয়ন স্থবিৰ হৈ পৰে তেতিয়াহ'লে কোনো কাৰণতেই ব্যক্তিগৰাকীয়ে নিজাববীয়াকৈ উন্নতিৰ জখলাডাল সহজে বগাব নোৱাৰে। দৰাচলতে সামাজিক উন্নয়নৰ স'তে ব্যক্তিৰ উন্নয়নো পৰোক্ষভাৱে জড়িত থাকে। বৃটিছসকলে ভাৰতক শাসন কৰোতে যিবোৰ পৰিকল্পনা গ্ৰহণ কৰিছিল সেইবোৰ আছিল ভাৰতৰ উন্নয়নতকৈ ইংৰাজসকলৰ লাভ-লোকচানৰ হিচাপহে। তেতিয়া অসমৰ উন্নয়নৰ গতিও আছিল তেনেই মন্থৰ। তেতিয়া অসমক মাহীআইৰ দৃষ্টিৰে চাইছিল। যদিও ১৯৩৭ চনৰ ৭ এপ্ৰিলত বিধানসভা গঠন কৰা হৈছিল তথাপি ভাৰতে স্বাধীনতা লাভ কৰাৰ আগলৈকে বিধানসভাৰ মজিয়াত যিবোৰ বিষয় আলোচনা কৰা হৈছিল সেইবোৰ দৰাচলতে ৰাজ্যখনৰ প্ৰতিটো স্তৰৰ লোকসকলৰ সমভাৱে উন্নয়ন কৰিব পৰা নাছিল। তেতিয়া আজিৰ দৰে মাত মাতিব পৰা ব্যৱস্থাও নাছিল। কিন্তু স্বাধীনতাৰ পিছত বিধানসভাৰ মজিয়াত স্থানীয় নিৰ্বাচিত জনপ্ৰতিনিধিয়ে ৰাইজৰ হৈ মাত মাতিব পৰা হ'ল। স্থানীয় জনপ্ৰতিনিধিয়ে নিজৰ নিজৰ সমষ্টিসমূহৰ ৰাইৰ সমস্যাৰ বিষয়ে অৱগত কৰিবলৈ সুযোগ লাভ কৰিছে। ১২৬ টা সমষ্টিৰ পৰা নিৰ্বাচিত জনপ্ৰতিনিধিয়ে প্ৰতিটো অঞ্চলৰেই সমস্যাৰাজি বিধানসভাৰ মজিয়াত প্ৰতিফলিত কৰিব পাৰিছে। যদিহে কোনো এটা সমস্যা বিধানসভাৰ মজিয়াত মুকলিভাৱে উপস্থাপন কৰা নহয় তেতিয়াহ'লে সমাধান কৰাটোও সম্ভৱ নহয়। ৰাইজৰ সমস্যা চৰকাৰৰ দৃষ্টি গোচৰ কৰিব পাৰিলেহে সমাধান সম্ভৱ। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে ৰাইজৰ মনৰ কথা তথা তেওঁলোকৰ সমস্যা সমাধানৰ একমাত্ৰ ক্ষেত্ৰখনেই হৈছে বিধানসভা। এই সমস্যা সমাধান কৰোতে

সকলো ৰাজনৈতিক দলৰ সহযোগিতাৰো প্ৰয়োজন। এখন উমৈহতীয়া মঞ্চত যেতিয়া কোনো এটা জটিল সমস্যা সমাধানৰ বাবে সিদ্ধান্ত সমূহো এই মঞ্চখনতেই সমাধান কৰা হয়। ৰাজ্যখনৰ ভূ-খণ্ড ৰক্ষাৰ পৰা আৰম্ভ কৰি জাতিৰ অস্তিত্বৰ প্ৰতি থকা ভাবুকি প্ৰতিহত কৰিবলৈ যিবোৰ পদক্ষেপৰ প্ৰয়োজন হয় সেইবোৰো বিধানসভাৰ মজিয়াতেই সমাধানৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনকি চৰকাৰে কোনো জটিল পৰিস্থিতিৰ সন্মুখীন হ'লে সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে গঠিত দলৰ দ্বাৰা বিষয়সমূহ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰাৰ সময়ত বিধানসভাৰ মজিয়াই হৈছে সৰ্বোত্তম মঞ্চ।

ব্যক্তিৰ সমষ্টি হৈছে পৰিয়াল। পৰিয়ালৰ সমষ্টিয়েই সমাজ গঠন কৰে। সমাজেই এখন ৰাজ্য অথবা দেশ নিৰ্মাণ কৰে। এই প্ৰক্ৰিয়াৰ বাবে যিবোৰ বিধি আদিৰ প্ৰয়োজন হয় সেয়া বিধান সভাতেই সৃষ্টি কৰা হয়। ৰাজ্যখনৰ সকলো বিষয় উমৈহতীয়া দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ বিধানসভাই যেতিয়া একমাত্ৰ মঞ্চ হিচাপে সকলোৱে গ্ৰহণ কৰি আহিছে সেয়েহে এই ক্ষেত্ৰত কাৰো আপত্তিৰো কথা নাহে। বিধানসভাই সদায় বহল দৃষ্টিভংগীৰে ৰাজ্যৰ জনগণৰ মংগল আৰু সুৰক্ষাৰ বাবে সকলো কাম কৰি আহিছে। গতিকে বিধানসভাক বাদ দি অসমৰ সৰ্বাংগীন উন্নয়নৰ ছবিখন অংকণ কৰিব নোৱাৰি। বিধানসভা কেৱল ৰাজনৈতিক দলৰ নিৰ্বাচিত প্ৰতিনিধিৰ গোট খোৱা মাত্ৰ নহয়, জাতিটোক ৰক্ষা কৰা, ৰাইজৰ মংগল চিন্তা কৰা এখন উমৈহতীয়া মঞ্চ। এই মঞ্চখনৰ দুৱাৰ সকলোৰে বাবে খোলা। ৰাইজে যি গৰাকী ব্যক্তিক উপযুক্ত বুলি ভাবে তেওঁকেই ইয়ালৈ নিৰ্বাচিত কৰি পঠিয়ায়। তেওঁ ৰাইজৰ মনৰ কথা সুন্দৰভাবে চৰকাৰৰ ওচৰত উপস্থাপন কৰিব পাৰে। এই জনপ্ৰতিনিধিসকল ৰাইজৰ প্ৰতি দায়বদ্ধ। সেইবাবে সকলোৱে পৰোক্ষভাৱে বিধানসভাৰ মৰ্যাদা ৰক্ষা আদিৰ ক্ষেত্ৰতো জড়িত। যিসকলে বিধানসভাৰ মৰ্যাদা ৰক্ষা নকৰে ৰাইজে তেনে নেতাক পৰৱৰ্তী সময়ত প্ৰত্যাখ্যান কৰিব পাৰে ভোটৰ জৰিয়তে। পাঁচ বছৰৰ মূৰে মূৰে চৰকাৰ আহে আৰু যায়। কিন্তু ৰাইজৰ বাবে কাম কৰাৰ উমৈহতীয়া মঞ্চখনৰ নহয় পৰিবৰ্তন। সেয়েহে সকলোৱে সদায় বিধানসভাক আগস্থান দি আহিছে। বিধানসভা স্থায়ী বাবেই ৰাইজে তেওঁলোকৰ আশা-আকাংক্ষাবোৰ বাস্তৱত প্ৰতিফলিত কৰিবলৈ বিধানসভাৰ মজিয়াত থকা জনপ্ৰতিনিধি সকললৈ আশাৰে বাট চাই থাকে।

# নাৰীৰ সুৰক্ষা ঃ
# সলনি কৰিব লাগিব মানসিকতা

দেশৰ বিভিন্ন প্ৰান্তৰ দৰে অসমতো অতিসম্প্ৰতি অপৰাধজনিত ঘটনা সংঘটিত হৈ আহিছে। হত্যা, ধৰ্ষণ, অপহৰণ আদি ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। নেচনেল ক্ৰাইম ব্যুৰ'ৰ তথ্য অনুসৰি দেশত নিতৌ ৮৬ টাকৈ মহিলা নিৰ্যাতনৰ ঘটনা সংঘটিত হৈ আছে। কাৰোবাৰ যদি শ্লীলতা হানিৰ চেষ্টা কৰিছে, আন কাৰবাক আকৌ ধৰ্ষণ কৰি হত্যা কৰাৰ পিছত জ্বলাই দিয়াৰ দৰে ঘটনা সংঘটিত হৈছে। কেইদিনমান পূৰ্বে কলকাতাৰ মেডিকেল কলেজত এগৰাকী চিকিৎসকক ধৰ্ষণ কৰাৰ পিছত হত্যা কৰাৰ ঘটনাই দেশজুৰি প্ৰতিবাদৰ জোৱাৰ তোলাৰ সময়তে অসমটো সদায় হত্যা, ধৰ্ষণৰ দৰে ঘটনা সংঘটিত হৈছে। এইবাৰ ধিঙত এগৰাকী কিশোৰীক ধৰ্ষণ কৰি পথৰ কাষৰ পেলাই থোৱাৰ পিছতে ৰাজ্যখনৰ চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠিছে। এনেধৰণৰ ঘটনা সঘনাই সংঘটিত হৈ থকাটো মানৱ সমাজৰ বাবে খুব এটা ভাল লক্ষণ বুলি ক'ব নোৱাৰি। কাৰণ দেশত যদি নাৰীসকল সুৰক্ষিত হৈ থাকিব নোৱাৰে তেন্তে প্ৰগতি সম্ভৱপৰ নহয়। কাৰণ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰতিটো কামতে মহিলাসকল জড়িত হৈ থাকে।

নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰে (এন চি আৰ বি) বাৰ্ষিক অপৰাধ প্ৰতিবেদন প্ৰকাশ কৰি অপৰাধৰ উদ্বেগজনক তথ্য প্ৰকাশ কৰিছে । ইয়াৰ পিছত দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নেচনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰে

(এন চি আৰ বি) বাৰ্ষিক অপৰাধ প্ৰতিবেদন প্ৰকাশ কৰি ভাৰতত মহিলাৰ সুৰক্ষাৰ এক ভয়ানক ছবি প্ৰতিফলিত কৰিছে।

তথ্য অনুসৰি ২০২২ চনত মহিলাৰ বিৰুদ্ধে অপৰাধৰ ৪,৪৫,২৫৬টা গোচৰ প্ৰকাশ পাইছে। অৰ্থাৎ ইয়াৰ পৰাই অনুমান কৰিব পাৰি দেশত নাৰী সুৰক্ষিত হয় নে নহয়। এই তথ্য অনুসৰি দেশত প্ৰতি ঘণ্টাত ৫১টা গোচৰ। ২০২১ চনত ৪,২৮,২৭৮ আৰু ২০২০ চনত ৩,৭১,৫০৩ৰ তুলনাত এই সংখ্যা লক্ষণীয়ভাৱে বৃদ্ধি হৈছে। যিখন দেশত নাৰীক দেৱীৰ লগত তুলনা কৰা হয় সেইখন দেশতে আজি নাৰীসকলে নিজৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱাটো নিশ্চয় এক চিন্তনীয় বিষয়।

আমি সকলোৱে সদায় নাৰীৰ সুৰক্ষাৰ কথা কৈ আছো। ইয়াৰ মাজতে নাৰীৰ সুৰক্ষাৰ বাবে সংগ্ৰাম কৰা আৰু কঠোৰ আইনৰ বাবে যুঁজ। এতিয়া কথা হৈছে সমাজত এই ধৰণৰ কাৰ্য কোনে সম্পাদন কৰিছে? কিহে এনে কামৰ বাবে উৎসাহ যোগাই আহিছে। এন চি আৰ বিৰ তথ্যত প্ৰতি লাখ জনসংখ্যাৰ অপৰাধৰ হাৰ ৬৬.৪ শতাংশ। এনে গোচৰত অভিযোগনামা দাখিলৰ হাৰ ৭৫.৮। আচৰিত কথাটো হ'ল যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ অধিকাংশই স্বামী বা তেওঁৰ আত্মীয়ই নিষ্ঠুৰতা ৩১.৪ শতাংশ। এনে ঘটনাৰ পিছত অপহৰণ ১৯.২ শতাংশ। তদুপৰি ক্ষোভৰ উদ্দেশ্যেৰে আক্ৰমণ কৰা ১৮.৭ শতাংশ আৰু ধৰ্ষণ ৭.১ শতাংশ। সাধাৰণতে মহিলাসকল সুৰক্ষিত নহয় বুলি ক'লে আৰু নাৰী নিৰ্যাতন বুলি কোৱাৰ লগে লগে বহুতে কেৱল ধৰ্ষণ, বলৎকাৰৰ কথাকে বুজে। কিন্তু নিৰ্যাতন প্ৰসংগত আমি পৰিসৰ বৃদ্ধি কৰিহে বিষয়টো বিশ্লেষণ কৰিব লাগিব। তেতিয়া বিষয়টো বিশ্লেষণ কৰিলে বিভিন্ন বিষয়ে স্থান লাভ কৰিব।

মহিলাক চলোৱা নিৰ্যাতনৰ ক্ষেত্ৰত এটা কথা স্পষ্ট হৈ পৰে যে এনে কাৰ্য সম্পাদন কৰা বেছিভাগ লোকেই আত্মীয় অথবা চিনাকি লোক। ওচৰ-চুবুৰীয়াৰ দ্বাৰাও এনে কাৰ্য সম্পাদন কৰাৰ অভিযোগ প্ৰায়ে উত্থাপিত হয়। তদুপৰি আজিকালি বন্ধুৰ দ্বাৰাও নিৰ্যাজিত হোৱাৰ বাতৰি প্ৰকাশ পাইছে। আনহাতে, মহিলাৰ নিৰ্যাতন প্ৰসংগত মহিলাই মহিলাৰ শত্ৰু হোৱা বিষয়টোও সময়ে সময়ে চৰ্চা হৈ আছে। বিশেষকৈ কৰোবাৰ স্বাৰ্থসিদ্ধি

অথবা শত্ৰুতা বা আখেজ পূৰণৰ বাবে একাংশ মহিলাই মহিলাৰ শত্ৰু হৈ পৰে। শেহতীয়া ঘটনা প্ৰবাহে এই ছবিখনে দাঙি ধৰিছে। সি যি নহওক, অপৰাধ সদায় অপৰাধেই। অপৰাধীক কোনো কাৰণতে সহজভাৱে লোৱা উচিত নহয়। কাৰণ অপৰাধীয়ে সদায় অপৰাধ সংঘটিত কৰিবলৈ সুযোগ বিচাৰি থাকে। সেইবাবে এনে লোকৰ বিৰুদ্ধে সকলো সময়তে সতৰ্ক থকা উচিত। কোনোবা আপোন হ'লেও অপৰাধীক কোনো কাৰণতে সমৰ্থন কৰিব নালাগে।

আজিকালি অপৰাধীয়ে কৌশল সলনি কৰি চিনেমাৰ কায়দাৰে এই ধৰণৰ কাৰ্য সম্পাদন কৰিব ধৰিছে। অপৰাধীয়ে এতিয়ে মহিলা সকলৰ বিৰুদ্ধে যি ভয়ংকৰ জাল পেলাইছে আৰু এইখনৰ জালত কোনোবা যদি পৰিছে তেতিয়াহ'লে ওলাই অহাটো সম্ভৱ নহয়। দেশৰ বিভিন্ন প্ৰান্তত এতিয়া সামাজিক মাধ্যমৰ লগতে ভিন্ন প্ৰযুক্তি ব্যৱহাৰ কৰি অপৰাধ সংঘটিত কৰিছে। গতিকে সকলোৱে এই ক্ষেত্ৰত সতৰ্ক হৈ থাকিব লাগিব। যিকোনো এটা ঘটনা সংঘটিত হ'লে চৌদিশে প্ৰতিবাদৰ জোৱাৰ উঠে। এই জোৱাৰ দেখিলে মনত এনে ভাৱ হয় যে এইটোৱে শেষ ঘটনা হ'ব। ইয়াৰ পিছত এনে অপৰাধ সংঘটিত কৰিবলৈ সকলোৱে ভয় কৰিব। কেইদিনমান পিছত আকৌ একে ধৰণৰ ঘটনাই ঘটিবলৈ ধৰে। অপৰাধীয়ে আগৰ ঘটনাটো অন্যফালে ঢাল খুৱাবলৈ আন এক ঘটনা সংঘটিত কৰে। বিগত দুটা দশকত দেশৰ লগতে অসমত যিমান ঘটনা সংঘটিত হৈছে তাৰ দুই-এটা ঘটনাহে মানুহৰ মনত আছে। অৰ্থাৎ বেছিভাগ ঘটনাই মানুহে সময়ত পাহৰি যায়। কোনো এটা ঘটনা সংঘটিত হোৱাৰ পিছত হৈ চৈ কৰাটো এক গতানুগতিক কথা। কিন্তু ইয়াক বিচাৰৰ অন্তিম পৰ্যায়লৈ নিয়াটোহে ডাঙৰ কথা। বহুতো ঘটনাৰ তদন্ত কিমান আগবাঢ়িল সেই কথা কেইগৰাকী মানুহে খবৰ ৰাখে। সেইবাবে কৈছো যে আমি বেছি আবেগিক হোৱাৰ পৰিৱৰ্তে বাস্তৱ মুখি হ'বলৈ শিকিব লাগিব। নিৰ্যাতন বলি হোৱা নাৰীগৰাকীৰ পৰৱৰ্তী সময়ত কেনে পৰিস্থিতিৰ মাজেৰে জীয়াই থাকিবলগীয়া হয় তাৰ হিচাপ কোনোবাই ৰাখিছে জানো। আনকি ধৰ্ষণ আদিৰ বলি হোৱা যুৱতগৰাকীৰ বিয়াৰ বয়স হ'লে বিয়া হোৱাৰ ক্ষেত্ৰত কেনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হয় সেইবোৰ বিষয় কেতিয়াবা আলোচনা

কৰিছো জানো? নাই কৰা। মহিলাই নিৰ্যাতনৰ বলি হোৱাৰ পিছত তেওঁলোকক বক্ৰ দৃষ্টিৰে চোৱা লোকো আমাৰ সমাজতে আছে। মহিলাৰ নিৰ্যাতনৰ বিৰুদ্ধে কাম কৰা কিছুমানে নিজৰ ল'ৰাৰ বিয়াৰ সময় আহি পৰিলে আচল চৰিত্ৰ ফুটি উঠে। যেতিয়ালৈকে আমাৰ নাৰীৰ প্ৰতি থকা মানসিকতাৰ সলনি নহয় তেতিয়ালৈ নাৰীৰ সুৰক্ষাৰ বিষয়টো এনেকৈয়ে থাকিব। প্ৰতিজন পুৰুষে প্ৰতিগৰাকী নাৰীক সুৰক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে সুৰক্ষিত হ'ব নাৰী সমাজ। মহিলাসকলেও আত্মৰক্ষাৰ বাবে সাজু থকা উচিল। নিজকে দুৰ্বল বুলি ভাবি থাকিলে নহ'ব। নহ'লে দুৰ্বল বুলি ভবা নাৰী সদায় পুৰুষৰ নিৰ্যাতনৰ বলি হৈ থাকিব লাগিব।